হস্তৰেখা আৰু জ্যোতিষ-বিজ্ঞান

এই গ্ৰন্থ ৰাজা ৰামমোহন ৰায়
লাইব্ৰেৰী ফাউণ্ডেচন ১১ যোধ
পুৰ পাৰ্ক কলিকতা—৭ ৬৮ ৰ
দ্বাৰা উপহাৰ স্বৰূপ দিয়া হৈছে।

ভুবন নাথ

গুৱাহাটী বুক ষ্টল
শিলপুখুৰী গুৱাহাটী-৭৮১ ০৩ দিছপুৰ গুৱাহাটী-৭৮১০০৬

**HASTAREKHA
ARU
JYOTISH-BIJNAN**

*A Book based on Astrology and Palmistry written by Bhuban Nath and Published by Bangshidhar Sarmah M/s Gauhati Book Stall Gauhati 781003
Price Rupees Twenty only*

। প্ৰকাশক শ্ৰীবংশীধৰ শৰ্মা ● গুৱাহাটী বুক ষ্টল ● শিলপুখুৰী ● গুৱাহাটী ৩ ।

। প্ৰথম প্ৰকাশ ডিচেম্বৰ ১৯৭৬ চন ।

। বেটুপাতৰ ছবি গুৱাহাটী আৰ্টিষ্ট গীল্ড ।

। ছপা শ্ৰীঅজিত কুমাৰ ৰায় ● শ্ৰীসাৰদা প্ৰিণ্টি ● ঘোষ লেন ● কলিকতা-৬ ।

। বন্ধা শ্ৰীশিৱসাধন ঘোষ ● জবা বাইণ্ডিং ৱৰ্কচ ● কলিকতা-৬ ।

। মূল্য বিশ টকা মাথোন ।

হস্তৰেখা আৰু জ্যোতিষ বিদ্যাপ্ৰেমীসকলৰ হাতত—

॥ এককাষাৰ ॥

কেইবছৰমান আগৰ পৰাই হস্তৰেখা আৰু জ্যোতিষৰ সম্পৰ্কত কিতাপ এখন লিখাৰ আশা অন্তৰত পুহি ৰাখিছিলোঁ। কিন্তু সংসাৰৰ নানান অসুবিধাত ই সত্তৰপৰ হৈ উঠা নাছিল।

ভাগ্য অথবা অদৃষ্টৰ কথা কোনোদিনে বিশ্বাস নকৰা মোৰ এই জীৱনত কিমান যে অঘটন নঘটিছে—সেইবোৰ কথা মই নিজেই বিশ্বাস কৰিবলৈ টান পাওঁ। মই দহবাৰ নিশ্চিত মৃত্যুৰ মুখৰ পৰা অতি আশ্চৰ্য্যজনক আৰু অভাৱনীয়ভাৱে ৰক্ষা পৰিছো। কেতিয়াবা এনে লাগে ভাগ্য বা অদৃষ্টই মোৰ জীৱনটিক লৈ যেন খেলাহে খেলি আছে।

জীৱনৰ এই অজ্ঞেয় আৰু দুৰ্জ্ঞেয় ৰহস্যময়ী ঘটন অঘটনবোৰৰ বিষয়ে নিগূঢ়ভাৱে জানিবলৈ আৰু বুজিবলৈ বহু চেষ্টা কৰিছো। এই আগ্ৰহ আৰু উৎসুকতাই মোক হস্তৰেখা আৰু জ্যোতিষ সম্পৰ্কত বিশেষভাৱে আকৃষ্ট কৰে।

বহু অধ্যয়ন আৰু অনুসন্ধানৰ শেষত দেখিলোঁ—ইয়াতেই সত্য লুকাই আছে ৰহস্যময়ৰ সকলো ৰহস্যৰ ইঙ্গিতো এই কৰতলতে নিখুঁতভাৱে আৰু নিভুলভাৱেই অঁকিত হৈ আছে।

বিশ্ববিখ্যাত হস্তৰেখাবিদ্ চেণ্ট জাৰমেইনে কৈছে যেনেকৈ সিংহৰ ভৰিৰ হাঁতোৰা দেখি বুজিব পাৰি যে তাৰ দাঁত ভয়ানক হ'ব শৰীৰ অত্যন্ত শক্তিশালী আৰু স্বভাৱো অতি ভয়ঙ্কৰ তথা হিংস্ৰক হ'ব—তেনেকৈ গৰুৰ ফটা খুৰা (হাঁতোৰা) দেখিয়েই ক'ব পাৰি যে বেচেৰা নিৰামিষ তথা তৃণভোজী আৰু অহিংস্ৰক। ঠিক তেনেদৰে মানুহৰো হাতখন চাইয়েই ক'ব পাৰি—তেওঁৰ দেহৰ গঠন স্বভাৱ চৰিত্ৰ পীড়া স্বাস্থ্য আয়ুস সুখ দুখ হাঁহি কান্দোন আৰু ভাগ্যৰ কথা।

গতিকে বন্ধুসকল! আপোনালোকে এই অতি প্ৰয়োজনীয় বিদ্যাটি ভালকৈ জানিবলৈ আৰু বুজিবলৈ চেষ্টা কৰক। এই কিতাপখন পঢ়িলে দেখিব—প্ৰত্যেকবাৰেই জীৱনৰ নতুন ৰাজ্যত প্ৰবেশ কৰি নতুন নতুন জ্ঞান লাভৰ দ্বাৰা নিজৰ পৰিয়ালৰ আৰু বন্ধু বান্ধৱসকলৰ মহৎ উপকাৰ সাধন কৰিব পাৰিছে।

কিতাপখন প্ৰকাশৰ ক্ষেত্ৰত গুৱাহাটী বুক ষ্টলৰ স্বত্বাধিকাৰী শ্ৰীব শীধৰ শৰ্মাৰ সহায় সহযোগীতাৰ কাৰণে আন্তৰিক ধন্যবাদ জনাইছো। অভিমত লিখি দিয়া বাবে শ্ৰীযুত অৱনীন্দ্ৰ বৰাদেৱলৈ আন্তৰিক শ্ৰদ্ধা থাকিল। থুলশালী শ্ৰীমহেশ চন্দ্ৰ নাথ আৰু জীয়ৰী শ্ৰীমতী সুজাতা নাথে কিতাপখন কপি কৰি দিয়া বাবে তেওঁলোকলৈ মৰম যাচিছো। ইতি—

—ভুবন নাথ

প্ৰখ্যাত হস্তৰেখামৰ্মজ্ঞ আৰু জ্যোতিৰ্বিদ
শ্ৰীঅৱনীন্দ্ৰ ৰৰা, এম-এ, জ্যোতিষৰত্নদেৱৰ অভিমত :

শ্ৰীভুবন নাথৰ 'হস্তৰেখা আৰু জ্যোতিষ-বিজ্ঞান' কিতাপখন হাতে-লিখা অৱস্থাত পঢ়ি চালোঁ। শ্ৰীনাথে হস্তৰেখা বিজ্ঞানৰ অনেক জানিবলগীয়া কথাৰ সন্ধেদ কিতাপখনত দিছে। হাতৰ আকৃতি-প্ৰকৃতিৰ পৰা আৰম্ভ কৰি গ্ৰহৰ প্ৰভাৱলৈকে হস্তৰেখা শাস্ত্ৰৰ লগত সম্বন্ধিত প্ৰায় সকলো কথাই প্ৰচুৰ চিত্ৰ সহকাৰে বহলভাৱে আলোচনা কৰাত কিতাপখন সহজবোধ্য হৈছে। হস্ত-সামুদ্ৰিকৰ লগত সম্বন্ধিত জ্যোতিষ বিজ্ঞানৰ বিষয়েও আলোচনা সন্নিবিষ্ট হোৱাত কিতাপখনৰ সৌষ্ঠৱ বাঢ়িছে।

কিৰো, চেণ্ট জাৰমেইন প্ৰমুখ্যে কেইজনমান পাশ্চাত্য বিদ্বানৰ কিতাপৰ সহায় আৰু সমল লৈ নাথে তেওঁৰ কিতাপখন যুগুত কৰিছে। শ্ৰীনাথে কিতাপখন সৰ্বসাধাৰণ পঢ়ুৱৈৰ বাবেই লিখিছে, আৰু এই প্ৰচেষ্টাত তেওঁ সফল হৈছে। কিতাপখনত সৰ্বমুঠ ৩৮২ খন চিত্ৰ আছে।

একনিষ্ঠ আৰু বিশিষ্ট পুথি প্ৰকাশক শ্ৰীবংশীধৰ শৰ্মাই পৰ্য্যাপ্ত ধন ব্যয় কৰি এই কিতাপখন প্ৰকাশ কৰিবলৈ আগ বাঢ়ি অহাটোৱে জ্ঞান বিজ্ঞানৰ প্ৰচাৰ আৰু প্ৰসাৰৰ প্ৰতি তেওঁৰ অকুণ্ঠ আগ্ৰহৰেই পৰিচয় দিছে।

শ্ৰীভুবন নাথৰ "হস্তৰেখা আৰু জ্যোতিষ বিজ্ঞান" কিতাপখনে পঢ়ুৱৈ সমাজৰ সমাদৰ পাব বুলিয়েই বিশ্বাস।

গুৱাহাটী
২ ১২ ৭৬

অৱনীন্দ্ৰ ৰৰা

সূচী-পত্ৰ

অধ্যায়	বিষয়	পৃষ্ঠা
	ভূমিকা	৯
প্ৰথম—	হাতৰ সম্পূৰ্ণ আকৃতি	২৩
দ্বিতীয়—	বুঢ়া আঙুলি	৩৩
তৃতীয়—	চাৰিটা আঙুলি	৪
চতুৰ্থ—	হাত	৩
পঞ্চম—	কৰতলত নটি গ্ৰহ	৬
ষষ্ঠ—	আয়ুস ৰেখা	৬৯
সপ্তম—	শিৰোৰেখা	৮৯
অষ্টম—	হৃদয় ৰেখা	১
নৱম—	ভাগ্য ৰেখা	২১
দশম—	সূৰ্য্য ৰেখা	১৩৪
একাদশ—	স্বাস্থ্য ৰেখা	১৪৪
দ্বাদশ—	শুক্ৰ ৰেখা	১৫১
ত্ৰয়োদশ—	বিবাহ ৰেখা	১৫৬
চতুৰ্দশ—	প্ৰবৃত্তি ৰেখা	১৬৩
পঞ্চদশ—	মঙ্গল ৰেখা	১৬৬
ষষ্ঠদশ—	দৈবানুভূতি ৰেখা	১৬৮
সপ্তদশ—	বলয়ৰেখা	১৭
অষ্টাদশ—	আধিভৌতিক ৰেখা	১৭৫
ঊনবিংশ—	শনিৰেখা	১৭৭
বিংশ—	সন্তান ৰেখা	১৭৮
একবিংশ—	সলোমনীয় ৰেখা জ্ঞান ৰেখা অষ্টকোণ দ্বীপ চিহ্ন আৰু নেপচুনৰ পৰ্বত	১৮
দ্বাবিংশ—	শুক্ৰ ক্ষেত্ৰ আৰু সক্ৰিয় মঙ্গলৰ প্ৰভাৱকাৰী ৰেখা	১৮৪
ত্ৰয়োবিংশ—	চন্দ্ৰ আৰু মানসিক মঙ্গলৰ প্ৰভাৱকাৰী ৰেখা	১৯৬
চতুৰ্বিংশ—	মঙ্গলৰ সমতলক্ষেত্ৰ (বৃহৎ চতুভুজ বৃহৎ ত্ৰিভুজ)	১৯৯
পঞ্চবিং—	কোন কৰতলৰ পৰ্বতে কি ৰেমাৰৰ উদ্ৰেক কৰে	২ ৭
ষষ্ঠবিংশ—	আত্মহত্যাৰ লক্ষণ	২ ৯
সপ্তবিংশ—	সংযুক্ত পৰ্বত	২১
অষ্টবিংশ—	আঙুলিবোৰত থকা চুটি টুকুৰা ৰেখা ত্ৰিকোণ চতুৰ্কোণ পূৰণ চিহ্ন শূন্য চিহ্ন আৰু তৰা চিহ্ন আদি	২১৫
ঊনত্ৰিংশ—	গ্ৰহৰ পৰ্বতবোৰৰ ওপৰত থকা চুটি টুকৰা ৰেখা ত্ৰিকোণ চতুৰ্কোণ পূৰণ চিহ্ন শূন্য চিহ্ন আৰু তৰা চিহ্ন আদি	২৩৫
ত্ৰিংশ—	চমুকৈ হাতত কিছুমান ধৰণ	২৫৬
একত্ৰিংশ—	গ্ৰহৰ প্ৰভাৱানুসাৰে মানুহৰ দেহাৱয়ৱ চৰিত্ৰ আদি	২৭৪
দ্বাত্ৰিংশ—	জ্যোতি বিজ্ঞান সম্পৰ্কে দুআষাৰ	২৮৬
ত্ৰয়োত্ৰিংশ—	গ্ৰহৰ প্ৰভাৱানুসাৰে মানুহৰ চৰিত্ৰ স্বাস্থ্য আদি	৩ ৩
চতুত্ৰিংশ—	কিৰোৰ মতে সাত ৰ গুণ	৩২২
পঞ্চত্ৰিংশ—	কপালৰ ৰেখা আৰু শৰীৰত তিল চিহ্ন	৩২৬
ষষ্ঠত্ৰিংশ—	কৰতল আৰু পদতলত দুৰ্লভ চিহ্নাদি	৩৩২
সপ্তত্ৰিংশ—	সাক্ষাত প্ৰসঙ্গ	৩৩৪

ভূমিকা

"আত্মানং বিদ্ধি"—প্ৰথমে নিজৰ জীৱনটোকেই জানক আৰু বুজক। জীৱনটো জানিবলৈ আৰু বুজিবলৈ হলে যি বিদ্যাই মানৱ জাতিক আটাইতকৈ বেছি সহায় কৰে, সেই বিদ্যাই হৈছে হস্তৰেখা আৰু জ্যোতিষ বিদ্যা।

আমাৰ অসমীয়া ভাষাত হস্তৰেখা সম্পৰ্কত তেনে কোনো প্ৰামাণিক গ্ৰন্থ এতিয়ালৈকে ওলোৱা নাই। প্ৰকৃততে ই এটি অতি প্ৰয়োজনীয় বিদ্যা—যিটো প্ৰতিটো মানুহ, পৰিয়াল আৰু জাতিৰ বাবেই অতি প্ৰয়োজনীয়। মনত ৰাখিব লাগিব যে এই বিদ্যাটিৰ জ্যোতিষ-শাস্ত্ৰ তথা বিজ্ঞানৰ সৈতে ওত প্ৰোত সম্বন্ধ আছে। এই বিদ্যা শাৰীৰিক বিজ্ঞান আৰু মানসিক বিজ্ঞানৰ ওপৰত দৃঢ়ভাৱে প্ৰতিষ্ঠিত আৰু বিজ্ঞানসন্মত, ইয়াত অন্ধ বিশ্বাসৰ কোনো স্থান নাই।

কিন্তু অতি পৰিতাপৰ বিষয় যে, এই অতি প্ৰয়োজনীয় বিদ্যাটি পুৰণি ভাৰতীয় পণ্ডিতসকলৰ দ্বাৰাই এসময়ত উদ্ভাৱিত আৰু উদ্‌ঘাটিত হৈছিল যদিও, কালৰ কুটিল গতিত আৰু আমাৰ পণ্ডিত সকলৰ অমাৰ্জনীয় অৱহেলাৰ বাবে আজি আমি সকলো হেৰুৱাই, এতিয়া ভিক্ষাৰীৰ দৰে পৰমুখাপেক্ষী হৈ পশ্চিমৰপৰাহে ইয়াক শিকিব আৰু বুজিবলগীয়া হৈছে।

এই মহামূল্যবান বিদ্যাটিৰ সম্পৰ্কত গ্ৰীচদেশৰ সুসন্তান, বিশ্ব-বিখ্যাত হস্তৰেখাবিদ্ 'কিৰো'ৰ (কাউণ্ট লুইচ হেমন) কেইটিমান

অতি মূল্যবান মন্তব্য ইয়াত উল্লেখ কৰাটো অপ্ৰাসঙ্গিক নহব বুলি ভাবোঁ। তেওঁ কৈছে "মনুষ্য জাতিৰ চৰিত্ৰ গঠনৰ বাবে এতিয়ালৈকে যিমানবোৰ বিজ্ঞান শাখাৰ সৃষ্টি হৈছে তাৰ ভিতৰত হস্তৰেখা বিদ্যাৰ দাবী সকলোতকৈ বেছি। কাৰণ, আত্মজ্ঞানৰ দ্বাৰাই মানুহে নিজে নিজৰ ভাগ্যনিয়ন্তা হব পাৰে। এই বিদ্যাটি কেনে এক সুদৃঢ় ভিত্তি আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত, সেইটো জানিব আৰু বুজিব লাগিলে আমি ইতিহাসৰ সেই আদিম যুগলৈ উভতি যাব লাগিব সেই প্ৰাচীনতম জাতিৰ ফালে দৃষ্টি দিব লগিব—যাৰ ইতিহাস হেজাৰ হেজাৰ বছৰৰ পিচতো, অসংখ্য সাম্ৰাজ্য, জাতি আৰু ৰাজবংশৰ পতনৰ পিচতো নিজৰ ব্যক্তিত্ব অম্লান ৰাখি আজিও তিষ্ঠি আছে। প্ৰাচ্যৰ সেই মহান হিন্দু সন্তানসকলৰ কথা মই ক'ব খুজিছো, যিসকলৰ দৰ্শনশাস্ত্ৰ আৰু গভীৰ জ্ঞানে অন্ধকাৰ পৃথিৱীৰ মানুহক পথ দেখুৱাই আগবঢ়াই নিছিল। সেই প্ৰাচীন আৰ্য্য সভ্যতাৰ আদিযুগত এই বিদ্যাক তেওঁলোকেই প্ৰথমে লিপিবদ্ধ কৰে। প্ৰাগৈতিহাসিক যুগৰ কথা আমি একোৱেই নেজানো। কিন্তু প্ৰত্নতত্ত্ববিদসকলৰ মতে মানৱজাতিৰ প্ৰাচীন ইতিহাসৰ সম্পৰ্কত এতিয়ালৈকে আমাৰ হাতত যিখিনি তথ্যপাতি আছে, ভাৰতৰ স্মৃতি-চিহ্ন আৰু গুহাৰ মন্দিৰবোৰে ইযাতকৈও বহু পূৰ্বৰ কথা আমাক সোঁৱৰাই দিয়ে। এইবোৰ কথা চিন্তা কৰিলে আমাৰ জ্ঞান শিশুৰ অজ্ঞান অবস্থালৈ সঙ্কুচিত হৈ আহি আমাৰ যুগ আমাৰ অন্দক কোনো এটি নবজাত শিশুৰ এখন সাধাৰণ বস্ত্ৰৰ দৰেহে বোধ হয়।

আমি মাথো এইখিনিকে জানিব পাৰোঁ—সেই প্ৰাচীন যুগত সেই মহান জাতিটোৰ সাহিত্য আছিল। সেই জাতিয়েই প্ৰথমে হস্তৰেখা বিদ্যা আবিষ্কাৰ আৰু ব্যবহাৰ কৰিছিল।

যি সময়ত ৰোম, গ্ৰীচ কিম্বা ইজৰাইল জাতিৰ কথা মাথো শুনাহে গৈছিল, তাৰো বহু পূৰ্বে, যীশুখৃষ্টৰ জন্মৰো বহু শতাব্দী পূৰ্বে এই হিন্দুসকলে তেওঁলোকৰ মন্দিৰবোৰত জ্যোতিষ গণনা আৰু

সূৰ্য্যৰ অয়নগতি নিৰ্ণয় কৰিছিল। তেতিয়াই এই জাতিয়ে এইটো প্ৰমাণ কৰি দেখুৱাইছিল যে, এটি ৰাশিৰপৰা আন এটি ৰাশিলৈ যাবলৈ সূৰ্য্যৰ ২১৪ বছৰ সময় লাগে। এইবোৰ পৰ্য্যবেক্ষণ কৰিবলৈ কি ধৰণৰ মননশীলতাৰ আবশ্যক হৈছিল, এই ঘটনাই তাৰ সাক্ষ্য দান কৰে। এই মহান জাতিটোৱেই এই অতি প্ৰয়োজনীয় হস্তৰেখা বিদ্যাটোৰ সৃষ্টিকৰ্তা। পৃথিৱীৰ দেশে দেশে এই হিন্দু সভ্যতাই প্ৰসাৰ লাভ কৰাৰ লগে লগেই এই হস্তৰেখা বিদ্যাযো প্ৰসাৰ লাভ কৰিব ধৰে। এই হিন্দুৰ বেদেই বিশ্বৰ প্ৰাচীনতম ধৰ্মগ্ৰন্থ বুলি প্ৰমাণিত হৈছে। কোনো কোনো পণ্ডিতৰ মতে পুৰণি গ্ৰীক সভ্যতাৰ শিক্ষা দীক্ষাৰ ভিত্তিও এই হিন্দু দৰ্শন। গতিকে যেতিয়া আমি দেখোঁ যে এই মহান বিদ্যাটিৰ এই মহান জাতিটোৱেই সৃষ্টিকৰ্তা—অকল এই কাৰণেই আমি আটায়ে ইয়াক সন্মানৰ দৃষ্টিৰে চোৱা উচিত।”

তেওঁ আৰু কয়, ‘আমি দেখিবলৈ পাইছো যে খ্ৰীষ্টপূৰ্ব ৪২৩ অব্দত আনাক্সগোৰাছে এই বিদ্যা নিজে অধ্যয়ন কৰি আনকো শিক্ষা দিছিল। আমি দেখিছো যে হিছপানাছ হাৰমীছ দেৱীৰ বেদীত সোণৰ আখৰেৰে লিখা এখনি হস্তৰেখা বিদ্যাৰ অত্যাশ্চৰ্য্য কিতাপ আৱিষ্কাৰ কৰি সেইখনি উন্নত আৰু অনুসন্ধিৎসু মনৰ পাঠকৰ বাবে উপযুক্ত কিতাপ বুলি ভাবি তাক আলেকজেণ্ডাৰ দি গ্ৰেটক উপহাৰ দিয়া হয়। আমি দেখিছো এৰিষ্টটল, প্লিনি, পাৰাচেলছাছ কাৰ্ডমাছ, আলবাৰটাছ, ম্যাগনাছ, সম্ৰাট আগাষ্টাছ আৰু বহু বিশ্ববিখ্যাত ব্যক্তিয়ে এই বিদ্যাক স্বীকৃতি দিযে। মধ্যযুগত এই প্ৰাচীন বিদ্যাক পুনৰুদ্ধাৰৰ বাবে কেইবাৰমান চেষ্টা চলোৱা হৈছিল। উদাহৰণ স্বৰূপে Die kunst Ciromanta ১৪৭৫ খৃষ্টাব্দত আৰু The Cyromantia Aristotelis cum Figures ১৪৯ খৃষ্টাব্দত প্ৰকাশিত হয়। সেই চেষ্টাই এই বিদ্যাটিক ৰক্ষা কৰিলে বুলি কব পাৰি। এই দুয়োখন গ্ৰন্থই এতিয়া বৃটিছ মিউজিয়ামত ৰক্ষিত আছে।

কিছুমান লোকে ভবাৰ দৰে এই হস্তৰেখা বিদ্যা যে কুসংস্কাৰ নহয়, এই সম্পৰ্কত বিশ্বৰ বৰেণ্য পণ্ডিতসকলৰ দুই এটি মন্তব্য ইয়াত তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলো। বিশ্ববিখ্যাত দাৰ্শনিক এৰিষ্টট'ল কৈছে 'হাত হ'ল যন্ত্ৰৰ যন্ত্ৰ অঙ্গৰ অঙ্গ। মানুহৰ হাতৰ ৰেখাবোৰ কোনো কাৰণ নোহোৱাকৈয়ে এনেয়ে চিহ্নিত হোৱা নাই। এইবোৰ স্পষ্টভাবে মানুহৰ ব্যক্তিত্ব আৰু স্বৰ্গীয় প্ৰভাৱৰ দ্বাৰা অঙ্কিত।' বিখ্যাত মনীষী কেপ্তেইন আৰপেনটিগ নীয়ে কৈছে 'হাতেই আমাক আটাইতকৈ বেছি আকৰ্ষণ কৰে। হাতেই আমাৰ ভিতৰত থকা উত্তেজনাক প্ৰতিনিবৃত্ত কৰিব পাৰে। মই হাত দেখিছো যাৰ বহুতো চকু আছে। যিবোৰৰ দৃষ্টি অতি বিজ্ঞ অতি তীক্ষ—সিবোৰে হৃদয়ৰ ভিতৰ পৰ্য্যন্ত প্ৰবেশ কৰিব পাৰে। সিহঁতৰ কিছুমান যেন কোনো বিৰাটাকাৰ হিংস্ৰ চকুহে। কিছুমানে দুৰ্জ্ঞেয়, ৰহস্যময় বিষয়ৰ ইঙ্গিত দিয়ে কিছুমানে শৰীৰৰ চলন-ফুৰণ, কৰ্মশক্তিৰ সৈতে লগ লাগি আমাৰ শক্তি আৰু পৰিণাম সম্বন্ধে উদাসীনতাক বিশ্বাসঘাতকতা কৰে আৰু কিছুমান আকৌ বৰ এলেহুৱা, দুৰ্বল আৰু ধূৰ্ত।"

বিশ্ববিখ্যাত হস্তৰেখাবিদ এডলফ ডেছবাৰোল—যাক এই আধুনিক কালৰ হস্তৰেখা বিদ্যাৰ জনক' বুলি কোৱা হৈছে, তেওঁৰ বিশ্ববিখ্যাত কিতাপ Revolutions complete'ত তেও কৈছে 'জীৱৰ জীৱনীশক্তি (vital fluid) বোলা যিটো জুলীয়া পদাৰ্থই আমাৰ শৰীৰ ভেদ কৰি যিবোৰ অঙ্গৰ জৰিয়তে শৰীৰৰ ভিতৰলৈ সোমায় সেইবোৰৰ প্ৰথম আৰু প্ৰধানতম অঙ্গ হৈছে আঙুলি। আমাৰ মগজুৰ কোষবোৰ হ'ল, জীৱনীশক্তিৰ ভঁৰাল। আৰু এই জুলীয়া জীৱনীশক্তি আমাৰ গোটেই শৰীৰলৈ স্নায়ুমণ্ডলীৰ জৰিয়তে ভাগ ভাগ হৈ বিতৰণ হয়। আৰু এই স্নায়ুবোৰৰ উন্নত প্ৰতিনিধিত্ব আঙুলিৰ মূৰবোৰেই কেৱল নকৰে, আঙুলিৰ একেবাৰে গুৰিত ওখ হৈ ফুলি থকা ঠাইবোৰেও কৰে। যাক আমি পৰ্বত (Mount)

বোলোঁ। আৰু এই পৰ্বতবোৰত আমাৰ মেৰুদণ্ডত বিচৰণ কৰা অতি ক্ষুদ্ৰ ক্ষুদ্ৰ ৰক্তকণিকাবোৰ জমা হৈ থাকে। তদুপৰি আমাৰ কৰতলৰ মাজত যিখিনি দ ঠাই আছে, সেইখিনি ইমানেই আচৰিত অনুভূতিপ্ৰৱণ যে শৰীৰৰ ক'ৰবাত সামান্য কিবা অকণমান পৰিবৰ্তন হলেই ই গম পায। এতিয়া আমি দেখিলোঁ আঙুলিৰ মূৰবোৰে আমাৰ জীৱনীশক্তি সৰবৰাহত কি বিশিষ্ট ভূমিকা গ্ৰহণ কৰে। আৰু স্নায়ুমণ্ডলীয়ে মগজুৰ চূড়ান্ত প্ৰভাব (য'ত এই জীৱনীশক্তিৰ জুলীয়া তৰল পদাৰ্থ বিৰাট আকাৰেৰে স্তূপীকৃত হৈ থাকে) কিদৰে ব্যাখ্যা কৰে। অন্য ভাষাত ক'বলৈ গ'লে আমাৰ মগজুৰ ওপৰত হোৱা প্ৰত্যেকটো শব্দ সমষ্টিযেই স্নায়ুবোৰৰ মাজত ধীৰ গতিৰে বা খৰ গতিৰে প্ৰবাহিত হোৱা এই জুলীয়া জীৱনীশক্তিয়ে ইহঁতৰ দাৰিদ্ৰতাৰ বা অত্যাধিকতাৰ সকলো খবৰ অনবৰত আৰু প্ৰতি মুহূৰ্তে আমাৰ কৰতলত চিহ্ন ৰাখি ৰাখি গৈ থাকে। গতিকে এই চিহ্নবোৰ আমি পৰীক্ষা কৰিবলগীযা তুলনা কৰিবলগীয়া। শ্ৰেণী বিভাগ কৰিবলগীযা এই চিহ্নবোৰত শৰীৰত হৈ যোৱা বেমাৰেই নহয, যিবোৰ বেমাৰ মাহ বা বছৰৰ পিচতো হ'ব পাৰে, যিবোৰ বেমাৰৰ বীজাণু মস্তিষ্কৰ কোষবোৰত গৈ ইতিমধ্যে জমা হৈছে তাৰো খবৰ এই চিহ্নবোৰতেই পোৱা যায়। কৰতলৰ এই আচৰিত চিহ্নবোৰে অকল বেমাৰৰ ইঙ্গিত দিয়েই ক্ষান্ত নাথাকে, ই মানুহৰ জীৱনত ভবিষ্যতে ঘটিব পৰা সকলো ঘটনা বা দুৰ্ঘটনাৰ ইঙ্গিতো দিয়ে। আৰু লগতে, সাবধান বাণীও শুনায়। কাৰণ, আমাৰ মগজু হৈছে এনে এখন যুদ্ধক্ষেত্ৰ—য'ত স্নায়ুবোৰৰ উত্তেজনাবশত বহুতো ঘটনা-দুৰ্ঘটনাৰ অনবৰত জন্ম মৃত্যু হৈছে বহুতো আশা আকাঙ্ক্ষাৰ ক্ষণে মৰণ, ক্ষণে জনম হৈছে—যিবোৰ হয়তো আমি কালিলৈ পাহৰি যাম।

মঙ্গল-অমঙ্গলৰ পূৰ্বাভাস দিয়া এই অদ্ভুত চিহ্নবোৰ—যিবোৰ আমাৰ সম্পূৰ্ণ অজ্ঞাতে আহি আমাৰ মগজুৰ নিৰ্দেশত কৰতলত চিহ্নিত তথা অঙ্কিত হৈছে—কৰতলৰ এই ৰহস্যময় স্বৰ্গীয় ভাষাই

আমাক অকল আমাৰ ভবিষ্যতৰ বিষয়ে স্বৰ্গীয় সাৱধান বাণীয়েই শুশুনায়—ই আমাৰ জ্ঞান, কৰ্ম আৰু ইচ্ছাশক্তিৰ ওপৰতো গভীৰ প্ৰভাৱ বিস্তাৰ কৰি কাম কৰে। ”

এওঁৰেই অতি উত্তম শিষ্য বিখ্যাত হস্তৰেখাবিদ্ চেণ্ট জাৰমেইনে কৈছে, ‘এইটো অস্বীকাৰ কৰিব নোৱাৰি যে স্পৰ্শ কৰাৰ অনুভূতি একমাত্ৰ হাততেই কেন্দ্ৰীভূত কৰা আছে। বিশেষকৈ, আঙুলিৰ মূৰ আৰু কৰতলৰ মধ্যস্থলেই অনুভূতিৰ কেন্দ্ৰ। যদি হাতৰ এই গুণ নেথাকিলহেতেন তেন্তে কলা, বোবা আৰু কণাৰ দৰে দুৰ্ভগীয়া লোকসকল জীযাই থকাই টান হ’লহেঁতেন। বাস্তৱিকে এইটো একমাত্ৰ হাতহে—যাৰ চূড়ান্ত স্নাযবিক অনুভূতিবোৰ মগজুলৈ গৈ তাত চিন্তাৰ সৃষ্টি কৰে, আৰু অন্যান্য অনুভূতিবোৰে দিয়া পৰামৰ্শবোৰকো অকল এই হাতেইহে কাৰ্য্যকৰী কৰে। বৈদ্যুতিক প্ৰবাহৰ দৰে এবিধ জীবনীশক্তিয়ে আমাৰ গোটেই শৰীৰ ভেদ কৰি আমাৰ কৰতল আৰু আঙুলিবোৰৰ মাজেৰে স্নাযুবোৰৰ জৰিযতে মগজুলৈ যায আৰু যোৱাৰ সমযত ই হাতৰ তলুবাত কিছুমান চিহ্ন এৰি থৈ যায়। এই জুলীয়া জীবনীশক্তিৰ বিজয় প্ৰভাৱে আমাক অকল শৰীৰ গঠন কৰাতেই সহায় নকৰে, ই আমাৰ নৈতিক, মানসিক আৰু আধ্যাত্মিক শক্তিকো তৈযাৰ কৰে। ই মগজুলৈ গৈ অসংখ্য স্নায়ু জালৰ সহাযত গোটেই শৰীৰলৈ পুনৰ বণ্টিত হৈ অৱশেষত প্ৰশ্বাসৰ জৰিযতে ই আঙুলিৰ মূৰেৰে প্ৰকৃতিৰ জুলীয়া জীৱনীশক্তিৰ মহাসাগৰলৈ পুনৰ ঘূৰি আহে। আৰু নিশ্বাসৰ জৰিয়তে এই জুলীয়া জীবনীশক্তি আঙুলিৰ মূৰেৰে শৰীৰৰ ভিতৰলৈ সোমাই আহি মগজুলৈ যায়। নিশ্বাস-প্ৰশ্বাসৰ এই ক্ৰিয়াতেই জীৱজগতৰ গোটেই ৰহস্য লুকাই আছে।’ এও আৰু কৈছে “বাস্তৱিকে সেইটো জুলীয়াই হওক বা কঁপনিয়েই হওক ।যটোৱে জীৱন দিয়ে আৰু যিটো নেথাকিলে জীৱন নেথাকে, যাক মৃত্যু কয়। পৃথিবীৰ ডাঙৰ ডাঙৰ চিকিৎসক আৰু শৰীৰতত্ত্ববিদসকলেও স্বীকাৰ

কৰিছে যে এই ৰহস্যময় প্ৰাথমিক শক্তিৰ উৎস ক'ত সেই বিষয়ে কোনো সঠিক ব্যাখ্যা বা বৰ্ণনা দিব নোৱাৰি। যিমানদূৰ সম্ভৱ হয়তো দুটা শব্দত ইয়াক প্ৰকাশ কৰিব পাৰি—'চুম্বকধৰ্মী বিদ্যুত' (Magnatic Electricity)।

সেইবাবেই বিখ্যাত মনীষী এম, চাৰ্লছ বনেটে কৈছে নেকি—"ধাৰণা বা চিন্তা (Idias) কঁপনিৰ (Vibration) বাহিৰে আন একো নহয। এইটো আমাৰ মগজুৰ ভিতৰতে 'সলনি'ৰ বাহিৰে আন একো নহয। আৰু এইটো কিবা এটি বাহিৰৰ প্ৰভাৱে আমাৰ স্নায়ুবোৰৰ জৰিয়তে মগজুৰ কোষলৈকে প্ৰেৰিত কৰিছে।"

এৰিষ্টটলে আৰু কি কৈছে? তেওঁ এই বিষয়ে কৈছে যে "আমাৰ নিশ্বাসেই (Breath) হৈছে সেই অদৃশ্য সূক্ষ্মশক্তি (Aura) যাক আমি আত্মিক তথা মানসিক শক্তি বুলি কওঁ আৰু এইটোবেই আমাৰ মগজুৰ খালি ঠাই পূৰণ কৰে।"

আলেকজেণ্ডাৰ ভন হাম্বল্ডে কৈছে "মানুহৰ স্নায়ুমণ্ডলীৰ চাৰিওফালে এক অদৃশ্য আবহমণ্ডলে ঘেৰি আছে '

এই বিষযে আবাৰক্ৰম্বিয়ে কৈছে "ইন্দ্ৰিয়বোৰৰ জৰিয়তে মনত যি অনুভূতি জাগে সেয়ে হৈছে, স্নায়ুমণ্ডলীৰ তৰল পদাৰ্থৰ গতি স্নায়ুৰ স্পন্দন আৰু বৈদ্যুতিক তৰঙ্গ।" স্নায়ুৰ এই তৰল পদাৰ্থৰ কথা উল্লেখ কৰি হাৰ্ডাৰে কৈছে "এই বস্তুটি বিদ্যুততকৈও সূক্ষ্ম, ই মস্তিষ্কৰ অনুভূতি স্নায়ুৰ ওচৰলৈ বহন কৰি আনে।"

মূলাৰে কৈছে—'বিদ্যুৎ আৰু চুম্বকৰ মাজত যি সম্বন্ধ, স্নায়ু আৰু বিদ্যুৎশক্তিৰ ভিতৰতো হয়তো তেনে কোনো সম্বন্ধই আছে।"

কুইনটিলিয়ানে হাত সম্বন্ধে কৈছে "শৰীৰৰ অন্যান্য অ শই বক্তাক বক্তব্য বিষয়ে কবলৈ সহায কৰে মাত্ৰ। কিন্তু হাতে নিজৰ কথা নিজেই কয়। নিজেই প্ৰাৰ্থনা জনায়, অঙ্গীকাৰ কৰে, উত্তেজিত কৰে, বিদায় দিয়ে, ভয় দেখুৱায়, অনুৰোধ কৰে, নিন্দা কৰে, ভয়,

আনন্দ, সন্দেহ, সন্মতি আৰু অনুশোচনা জ্ঞাপন কৰে, হ্রাস, বৃদ্ধি, সংখ্যা আৰু সময় নির্দেশ কৰে।"

বিশ্ববিখ্যাত শৰীৰতত্ত্ববিদ স্পিৰেনাছে কৈছে "স্নায়ুবোৰে হাতৰ মাৰ্জিত আৰু অমাৰ্জিত গতি নিয়ন্ত্রণ কৰে। ৰেখাবোৰত বহুত গতি সঞ্চালক তন্তু আছে। হয়তো সেইবোৰত অন্য সূক্ষ্ম তন্তুও আছে। এডাল তন্তুতেই খুব সূক্ষ্মভাৱে ভুডাল থকা দেখা যায়। এডালে মগজুলৈ সংকেত কঢ়িয়াই লৈ যায আৰু আনডালে মগজুৰ নির্দেশ হাতলৈ কঢ়িয়াই লৈ আহে। এইটো যিমানেই অসম্ভব যেন লাগক মস্তিষ্কৰ ধোবা বৰণীযা কৌণিক কোষবোৰৰ কোনো এটি স্থানে ভবিষ্যতে কি ঘটিব পাৰে সকলো জানিব পাৰে। আৰু যেতিয়া সি জানে, তেতিযা সেই স্থানটি স্পন্দিত হ'ব ধৰে। জাতকৰ মনত এনেযে এটি ভয় ভাব বা সাধাৰণ এটি অনভূতি জাগে কিন্তু মনে ইযাৰ কোনো যুক্তি বিচাৰি নেপায। প্রফেছাৰ চাৰকটে স্নায়ুবোৰৰ সাধাৰণ ক্রিযাৰ বাহিৰেও এইবোৰৰ উন্নত ধৰণৰ ক্রিয়াও আবিষ্কাৰ কৰিছে। ইযাৰ দ্বাৰাই প্রমাণ হয় যে মস্তিষ্কৰ কোষবোৰে আৰু মস্তিষ্কৰ নিদান বিদ্যা সংক্রান্ত স্থানে ভবিষ্যতৰ ঘটনাৰ সংকেত পাব পাৰে, কিন্তু আমাৰ স্মৃতিত সেইটো নেথাকে।"

কিৰোৱে কৈছে, 'বংশানুক্রমে কাম-কাজ কৰাৰ ফলত, হাতৰ স্নায়ুবোৰ ইমান উন্নত ধৰণৰ হয় যে হাত সকলো প্রকাৰেই মস্তিষ্কৰ ভৃত্য হৈ পৰে। যদি কাণৰ ওপৰৰ অংশত তেজ বা মাংস গোট মাৰি হোৱা গুটি পৰীক্ষা কৰি মানুহজন কেতিযা পাগল হ'ব ক'ব পাৰি তেন্তে হাত চাই তাতোকৈ আগতে এই কথা কিয় ক'ব নোৱাৰি? মেচনাৰে কৈছে, "হাততেই সকলোতকৈ বেছি শিৰা আছে। অতি ক্ষুদ্র ক্ষুদ্র কণিকাবোৰ আঙুলিৰ মূৰ আৰু হাতৰ ৰেখাত দেখা যায। কিন্তু মণিবন্ধৰ ওপৰত এইবোৰ দেখা নাযায়। মৃত্যুৰ পিচত এই কণিকাবোৰৰ স্পন্দন শুনা নেযায়।"

কিৰোৱে কৈছে যে, "পেৰিছত এজন অন্ধ মানুহক পৰীক্ষা কৰা হৈছিল। মানুহজনক ভগবানে এহাতে অন্ধ কৰি দিছিল যদিও, আন হাতে তাৰ ক্ষতিপূৰণো কৰি দিছিল। সেই মানুহজনৰ শ্ৰৱণশক্তি ইমান তীক্ষ্ণ আছিল যে হাতৰ স্পন্দিত কণিকাবোৰৰ স্পন্দন শুনি তেও সেই মানুহজনৰ বয়স, মনোবৃত্তি আৰু তেও পুৰুষ নে নাৰী, তেওৰ স্বাস্থ্য কেনে, অসুখ বিসুখ হোবাৰ কিবা সম্ভাবনা আছে নেকি আৰু মৃত্যু কেতিয়া হব— সকলো কথা নিৰ্ভুলভাবে কৈ দিব পাৰে।" বিখ্যাত ফৰাচী পণ্ডিত প্ৰফেছাৰ এছ ওডিআৰ্ডিযে কিৰোক কৈছিল "স্নায়ুবোৰে ইলেকট্ৰিক তাঁৰৰ দৰে মস্তিষ্কৰপৰা শৰীৰলৈ চিন্তা বহন কৰি আনে, বিশেষকৈ হাতৰ সৈতে ইহঁতৰ সম্বন্ধ বেছি।'

এই বৈজ্ঞানিক গবেষণা আৰু বাস্তব ঘটনাবোৰে নি স শয় আৰু নি সন্দেহভাবে প্ৰমাণ কৰিছে যে হাতৰ ৰেখাবোৰ মস্তিষ্কৰ ভাষা অথবা নিৰ্দেশ মাথোন ইয়াত কোনো কুস স্কাৰ নাই। এই বাবেই বালজাকে কৈছে যে, শৰীৰৰ অন্য অঙ্গ-প্ৰত্যঙ্গই হাতৰ দৰে মনৰ কথা প্ৰকাশ কৰিব নোৱাৰে।' আনাক্সাগোৰাছে কৈছে "মানুহৰ হাত আছে বাবেই মানুহ শ্ৰেষ্ঠ জীব।"

এৰিষ্টটলে কৈছে "শৰীৰৰ সকলো অঙ্গৰ ভিতৰত হাতেই শ্ৰেষ্ঠ। গোটেই শৰীৰটোৰ নিষ্ক্ৰিয় শক্তিৰ সক্ৰিয় প্ৰতিনিধি।"

আকৌ কিৰোৰ মন্তব্যলৈ আহোঁ। তেও কৈছে, "প্ৰতি শতাব্দীত প্ৰকৃতিৰ গোপন ৰহস্যৰ দুৱাৰবোৰ এখনৰ পিচত এখনকৈ খোল খাই গৈ আছে। পূৰ্বে মানুহে যিটো কথাৰ কাৰণ বুজিব নোৱাৰি 'ৰহস্য-জনক' বুলি ভাবিছিল, আজি হয়তো তাৰ কাৰণ বুজিব পাৰিছে।

যি নিয়মত গোটেই বিশ্ব চলিছে আমিও সেই নিয়মতে চলি আছো। আমি বিশ্বসমষ্টিৰ অ শ। কাজেই, বিশ্বৰ নিয়মক আমিও নিয়ন্ত্ৰণ কৰোঁ এইভাৱেই ব্যষ্টি আৰু সমষ্টি পৰস্পৰে পৰস্পৰৰ সৈতে স‌ংশ্লিষ্ট। এই বিষয়ে বিবেচনা কৰিলে আমি দেখা পাওঁ যে হাত

চায়েই বহুবছৰ পিচত জাতকৰ জীৱনত কি কি ঘটনা ঘটিব পাৰে, সেইটো নিৰ্ভুলভাৱেই ক'ব পাৰি। এই হস্তৰেখা বিদ্যাই কিছু পৰিমাণে অদৃষ্টবাদ প্ৰচাৰ কৰে। কাৰণ, এই হাতৰ সৈতে এনে কিছুমান ঘটনাৰ সম্বন্ধ আছে, যাৰ ওপৰত আমাৰ কোনো হাত নাই।

মানুহৰ স্বাধীন ইচ্ছাশক্তি আছে যদিও আমি অতীতৰ ইতিহাস পৰ্য্যালোচনা কৰিলে দেখিবলৈ পাও, প্ৰত্যেক জাতিয়েই অতীতৰ অন্ধকাৰ পশ্চাৎভূমিৰপৰা বাহিৰ ওলাই আহি দীৰ্ঘনিশ্বাস পেলায়। মানুহ এইভাৱেই অদৃষ্টৰো দাস হৈ পৰে। মানুহৰ স্বাধীন চিন্তাৰ এই ভয়ানক অৱনতিৰ যুগত ভাৰতবৰ্ষত ৰাম মিছৰত মুছা আৰু জেৰুজেলেমত যীশুৰ আবিৰ্ভাব হৈছিল। সামান্য সন্ন্যাসী লুথাৰৰ চেহেৰাটিতনো বাৰু এনে কি বস্তু আছিল—যাৰ বাবে তেওঁ ইমান গুৰুভাৰ বহনৰ বাবে আহূত হৈছিল? যি বিধিয়ে নেপোলিয়নক চলাইছিল সেই একে বিধিয়ে বালক ওবাছি টনকো চলাইছিল। সেই একেই শক্তিয়ে, একেই চিৰন্তন নিয়মে মানুহক তাৰ নিজৰ প্ৰয়োজনৰ তাগিদাতেই সন্মুখলৈ ঠেলি দিযে। গতিকে এনেকৈয়ে মানুহ নিজৰ ইচ্ছাশক্তিৰ দ্বাৰা নিজৰ অদৃষ্টৰ সৃষ্টিকৰ্তা আৰু আনফালে অদৃষ্টৰ দাসো—দুয়োটাই। মানুহে পৃথিবীত নিজৰ অস্তিত্ব বজায় ৰাখিবলৈ কিছুমান নিযম সৃষ্টি কৰে। সেই নীতি-নিয়মবোৰেই তাৰ নিজৰ ওপৰতো ক্ৰিযা সৃষ্টি কৰে। এইভাৱেই 'বৰ্তমান'—অতীতৰ সৃষ্টি আৰু ভবিষ্যতৰ সেতু। অতীতৰ কৰ্ম বৰ্তমান কৰ্মৰ জনক। যেনেকৈ, দেউতাকৰ অন্যায় কৰ্মফল সন্তানে ভোগ কৰে তেনেকৈ, পূৰ্বপুৰুষৰ কৰ্মফল পৰবৰ্তী পুৰুষত দেখা যায়। এনেকৈ আমি আমাৰ নিজৰ ভাগ্য গঠন কৰোঁ আৰু লগতে আমাৰ ভবিষ্যত বংশধৰসকলৰ বাবেও ভাগ্য সৃষ্টি কৰোঁ। এইদৰেই আমি এটি স্তৰৰপৰা আন এটি স্তৰলৈ আগুৱাই গৈছো। এই একেই নিয়মে এটি নিৰ্দিষ্ট গণ্ডীৰ ভিতৰত প্ৰত্যেক গ্ৰহ, প্ৰত্যেক মানুহ, প্ৰত্যেক জাতি, জীৱন-সঙ্গীতৰ প্ৰত্যেক সুৰ, বেসুৰ, স্বৰ কেস্বৰ

সকলোৰেই জীৱনৰ অনন্ত পূৰ্ণতাৰ ফালে—বিৰাট সাম্যৰ ফালে—সমগ্ৰ বিশ্ব-ব্ৰহ্মাণ্ডক সেই একেই নিয়মে আগুবাই লৈ গৈ আছে। আমি সেই মহান সাম্যৰ ভাবী অংশীদাৰ। সেই সাম্যৰ সুৰ আৰু বেসুৰেই আজি আমাৰ এই বৰ্তমান সমাজ! কোন অদৃশ্য শক্তিয়ে কি ৰহস্যজনক উদ্দেশ্য লৈ আমাৰ জীৱন গঠন আৰু নিয়ন্ত্ৰণ কৰিছে সেই কথা আমি নেজানো।

তথাপি, এই বিদ্যাৰ দ্বাৰা জগতৰ হিতসাধন কৰিব পাৰি। এই বিদ্যাই কেৱল জীবনৰ গুৰুত্বই প্ৰচাৰ নকৰে, সাৱধান-বাণীও উচ্চাৰণ কৰে, সতৰ্ক থকাৰ ইঙ্গিত দিযে আৰু আত্মজ্ঞান দান কৰে। ইয়াৰ ভিতৰত সত্য আছে। ইযাক আমি গ্ৰহণ কৰা উচিত। ইয়াৰ পিচতো হযতো কোনোবা অবিশ্বাসকাৰীয়ে ক'ব, এই বিদ্যা বিশ্বাসযোগ্য নহয়– কুসংস্কাৰাচ্ছন্ন। এই অবিশ্বাসকাৰীসকলৰ সম্পৰ্কত আমি মাথো ইমানকে কব খোজো।—"যি বিধিবোৰে মানব জাতিক নিয়ন্ত্ৰিত কৰে সেই বিধিৰ সকলোবোৰ যিহেতু তেওলোকে নেজানে, যি বিধিৰ অস্তিত্ব তেওলোকে আজি অস্বীকাৰ কৰিছে, সেইটো হয়তো সেই অজ্ঞাত বিধিৰেই এটি বিধি হব পাৰে। বিশ্বব্ৰহ্মাণ্ডৰ সকলো স্থান যিহেতু তেওলোকে দেখা নাই, গতিকে যি স্থান তেওলোকে দেখা নাই, সেই স্থানতেই হয়তো সকলো গোপন ৰহস্যৰ তথ্য থাকিব পাৰে। যি শক্তিবোৰে মানৱ জীবনক চালিত কৰে, তাৰ প্ৰত্যেকটোৰ কথা যিহেতু তেওলোকে নেজানে, সেই নজনা শক্তিযেই হয়তো হাতৰ এই ৰেখাবো সৃষ্টি কৰে।

ভল্‌টেয়াৰে কৈছে, "আমাৰ সৈতে পৰামৰ্শ নকৰাকৈয়ে এটি শক্তিয়ে আমাৰ ভিতৰত ক্ৰিয়া কৰি থাকে।" এইবাবেই প্ৰফেছাৰ চিনডলে কৈছে, "জীবন আৰু জীৱনৰ ঘটনাৱলীয়ে এটি অজ্ঞেয় শক্তিৰ নিৰ্দেশ দান কৰে। আমি ইযাৰ আদি বা অন্ত একোৱেই নেজানো।"

এমাৰ্ছনে কৈছে, "আমাৰ চাৰিওফালে প্ৰতিদিন যিবোৰ ঘটনা

ঘটে সেইবোৰ আমাৰ ইচ্ছাশক্তিৰ উৰ্দ্ধত কোনো বিধিয়ে নিয়ন্ত্ৰণ কৰে।"

এই বাবেই এবাৰ ভল্‌টেয়াৰে বিশ্ববিখ্যাত বৈজ্ঞানিক নিউটনক ধেমালিৰ সুৰতে কৈছিল, "হেৰা নিউটন! তুমি ইমান ডাঙৰ পণ্ডিত অথচ, তোমাৰ দাঁতকেইটা কিয় লৰে তাকে নেজানা?"

পাঠকসকল। ভূমিকা লেখিবলৈ গৈ হস্তৰেখা বিদ্যাৰ সমৰ্থনত বহু উক্তি আৰু যুক্তি দাঙি ধৰিবলৈ যোবা বাবে ক্ষমা কৰিব। এই বিদ্যাৰ মূলতেই আমাৰ ভাৰতবৰ্ষ আৰু ইযাৰ মহান হিন্দু জাতি। এই বিদ্যাক সেই সময়ত ভাৰতত 'অঙ্গবিদ্যা' বুলি কোবা হৈছিল। হাত আৰু ভৰি দুয়োটিকেই পৰীক্ষা কৰা হৈছিল। সাগৰৰ ঈশ্বৰ সমুদ্ৰকেই এই বিদ্যাৰ প্ৰবৰ্তক বুলি ধৰা হয। প্ৰবাদ আছে যে বুদ্ধৰ ভৰিত দুৰ্লভ চিহ্ন আছিল। শ্ৰীকৃষ্ণৰো হাত আৰু ভৰিত এই দুৰ্লভ চিহ্ন থকা বুলি প্ৰবাদ আছে। উত্তৰ ভাৰতৰ জিপ চীবোৰেই এই বিদ্যা বিশেষভাবে অধ্যযন কৰিছিল। খৃষ্টপূৰ্ব চতুৰ্থ শতাব্দীত গ্ৰীকসম্ৰাট আলেকজেণ্ডাৰ দি গ্ৰেটে এই বিদ্যাৰ প্ৰতি আকৃষ্ট হৈ তেওৰ লগত জিপ চী ৰাখিছিল। তেও দুবছৰ ভাৰতবৰ্ষত আছিল। সম্ৰাটৰ শিক্ষাগুৰু জগৎবিখ্যাত দাৰ্শনিক এৰিষ্টটলৰ হাত পৰীক্ষা কৰি ভাৰতীয় জিপ চীযে যেতিয়া এৰিষ্টটলৰ দুৰ্বলতাবোৰ প্ৰকাশ কৰিলে সেইবোৰ শুনি মানুহ তবধ হৈ গৈছিল। কিন্তু এৰিষ্টটলে সকলো কথা স্বীকাৰ কৰি হস্তৰেখা বিদ্যাক সম্মান জনালে। এই বিষয়ত তেৱোঁ কেইবাখনো বিখ্যাত গ্ৰন্থ লিখিছিল। কিন্তু কালৰ গৰ্ভত সেইবোৰ এতিয়া প্ৰায় নিশ্চিহ্ন হৈ গৈছে।

পৰিশেষত কও যে প্ৰকৃত হস্তৰেখাবিদে মানুহৰ জীৱনৰ ভবিষ্যতৰ কথা নিশ্চয় ক'ব পাৰে। কাৰণ, কোনো এজন মানুহে যদি তেওঁৰ জীৱনকালৰ কোনো এটি সময়ত, কোনো এটি গভীৰ চিন্তা মগজুলৈ নিয়ে তেন্তে সেই চিন্তাই মগজুত হেন্দোলনি তুলি ভীষণ তৰঙ্গৰ সৃষ্টি কৰে। যদি এই গভীৰ চিন্তা একৈশ বছৰ বয়সত কৰা হৈছিল

তেন্তে দেখা যাব যে বিয়াল্লিছ বছৰ বয়সত তেওঁৰ সেই চিন্তা-তৰঙ্গ স্থিৰ হৈ সেই বয়সত তেওৰ জীৱনটিক তেনেই ওলট পালট কৰি পেলাইছে। কিন্তু একৈশ বছৰ বয়সত সেই মানুহজনে তেওঁৰ এই কথাটি একেবাৰে বুজিব নোবাৰে। কিন্তু প্ৰকৃত হস্তৰেখাবিদে একৈশ বছৰৰ পূৰ্বেই এই কথাটি ধৰি দিব পাৰে। কাৰণ, মগজুৰ সেই তৰঙ্গৰ প্ৰতিষ্ফলন লগে লগেই কৰতলত আহি প্ৰতিফলিত হয়। মগজুৰ চিন্তা ভাৱনাক বাস্তৱত ৰূপদান কৰাৰ একমাত্ৰ আৰু প্ৰধান ভৃত্য হ'ল হাত। গতিকে, হাতৰ এই নীৰৱ ভাষাটিতেই লুকাই আছে আমাৰ জীৱনৰ সকলো জীৱন পঞ্জী।

ইয়াৰ পাঠোদ্ধাৰ কৰিব গলেই অৰ্থাৎ কোনো এটি বিষয়ৰ বিদ্যা অথবা জ্ঞান আহৰণ কৰিবলৈ গ'লে যেনেকৈ যি কোনো এটি ভাষাৰ মাধ্যমেৰেহে আগবাঢ়িব পাৰি, তেনেকৈ ভাগ্য সম্পৰ্কীয় বিদ্যা অথবা জ্ঞান আহৰণ কৰিবলৈ গ'লেও প্ৰথমে হাতৰ ভাষাটো আয়ত্ত কৰিব পাৰিব লাগিব। হাতৰ ৰেখাবোৰেই হৈছে ভাগ্য বিষয়ক ভাগ্যৰ ভাষা। হয়তো ই ভগবানৰো ভাষা হব পাৰে। মুঠতে এই বিষয়ে এনেকৈও ক'ব পাৰি যে ভূগোলৰ মেপ এখন চাই সেই ঠাইৰ কোনখিনিত পাহাৰ, ক'ত নদী আছে, কোনখিনি সমতল, কোনখিনি দ, কোনখিনি বাম, কোনখিনি উৰ্বৰ কোনখিনি অনুৰ্বৰ—ভূগোল বিষয়ত দক্ষতা থকা এজন লোকে যেনেকৈ সহজে আৰু বিস্তাৰিতভাৱে কৈ দিব পাৰে ঠিক তেনেকৈ ভাগ্যবিষয়ক হাতৰ ভাষা জনা লোক এজনেও হাতৰ মেপখন চায়েই দক্ষতাৰে সেই মানুহজনৰ জীৱন-ভূমিৰ সমস্ত কথা কৈ দিব পাৰে।

আমাৰ হাতৰ তলুবাত বৃহস্পতি, শনি, সূৰ্য্য, বুধ, মঙ্গল, চন্দ্ৰ, শুক্ৰ, আৰু ৰাহুৰ পৰ্বত আছে। লগতে কেতুৰ এখন ধুনীয়া সমতল ভূমিও আছে। ইয়াৰ প্ৰধান ৰেখাবোৰ একোখন ৰক্তবাহী নৈ স্বৰূপ। ইয়াত খাল-বিল, নলা, নৰ্দমা যেন সকলো বস্তুৱেই অঙ্কিত কৰা আছে। গতিকে সেইফালেদি চাবলৈ গ'লে ই এখন ভাগ্য

বিষযক অতি ধুনীয়া গভীৰ অৰ্থপূৰ্ণ মেপ। কিন্তু এই মেপখন চিনিব আৰু বুজিবলৈ হলে প্ৰথমে ভাগ্যবিষয়ক এই গুপ্ত ভাষাটি শিকি ল'ব লাগিব। পাঠকে অতি ধৈৰ্য্য সহকাৰে এই অতি ৰহস্যপূৰ্ণ ভাষাটি শিকিবলৈ আগবঢ়া উচিত। লৰালৰি কৰিলেই অথবা অধৈৰ্য্য হ'লেই সকলো প্ৰচেষ্টা অথলে যাব। এইখিনিতে মহাপণ্ডিত হিছপানাচৰ এষাৰ মন্তব্য উদ্ধৃত কৰি দিলো 'এই বিদ্যাটি অনুসন্ধিৎসু আৰু উন্নত মনৰ পাঠকৰ বাবেহে উপযুক্ত।"

আগতেই কৈছো, আমাৰ এই নিজৰ বিদ্যাটিকেই আমি এতিয়া পশ্চিমৰপৰাহে শিকিবলগীয়া হৈছে। কিন্তু ইয়াতোকৈ পৰিতাপৰ বিষয় হৈছে, ভাৰতবৰ্ষত এই হস্তৰেখা সম্পৰ্কীয় বিদ্যাটিৰ যিখিনি এতিয়াও সাধাৰণভাবে বৰ্তি আছে, সেইখিনিও অকল উচ্চবৰ্ণৰ হিন্দুসকলৰ মাজতেই বৰ দুখ লগাকৈ আবদ্ধ হৈ আছে।

গতিকে এই অত্যন্ত প্ৰয়োজনীয় বিদ্যাটি সৰ্বসাধাৰণৰ মঙ্গলৰ অৰ্থে মোৰ শক্তি আৰু সামৰ্থ্যৰে বিষয়টি ৰাইজৰ আগত দাঙি ধৰিবলৈ চেষ্টা কৰিছো। মোৰ এইখিনি কষ্টৰ বিনিময়ত যদি আমাৰ অসমৰ ৰাইজ অকণমানো উপকৃত হয় তেন্তে মোৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিব পাৰিম আৰু ভবিষ্যতেও এই বিষযত যথাসাধ্য অৰিহণা যোগাবলৈ উৎসাহিত হ'ম।

সৰ্বশেষত এটি কথা স্বীকাৰ নকৰিলে নহব। এই কিতাপখন লিখোঁতে কিৰোৰ বিশ্ববিখ্যাত গ্ৰন্থসমূহৰ Secretes of the Hands, Palmistry for All আৰু Language of the Handsৰ সহায় লোৱা হৈছে। তদুপৰি গোটেই বিশ্বতে বহুলভাৱে প্ৰচাৰিত চেণ্ট জাৰমেইনৰ Study of Palmistryৰো যথেষ্ট সহায লোৱা হৈছে। তেখেতসকলৰ প্ৰতি মই শ্ৰদ্ধাৰে সৈতে শিৰ দোঁৱাইছো আৰু ঋণ স্বীকাৰ কৰিছো। ইতি—

শ্ৰীভুবন নাথ

প্ৰথম অধ্যায

হাতৰ সম্পুৰ্ণ আকৃতি

মানুহৰ হাতৰ আকৃতি বহু ধৰণৰ হয। আকৃতিবোৰ চাওঁতে তেও পুৰুষ নে নাৰী সেই বিষযে লক্ষ্য কৰিবলগীয়া হয়।

আকৃতি (১) বৰ সৰু আকৃতি, (২) সৰু আকৃতি, (৩) স্বাভাবিক আকৃতি, (৪) ডাঙৰ আকৃতি (৫) বৰ ডাঙৰ আকৃতি।



চিত্ৰ নং—১

এই হাতৰ জোখ কৰা হয় হাতৰ পিঠিৰ ফালৰ মণিবন্ধৰপৰা মধ্যমা আঙুলিৰ মূৰলৈকে। ইযাৰ স্বাভাৱিক দীৰ্ঘতা পুৰুষৰ ৭ ইঞ্চিৰপৰা ৭½ ইঞ্চি হব লাগে। তিৰোতাৰ ৬ ইঞ্চিৰপৰা ৬½ ইঞ্চি হোৱা উচিত। ইয়াতকৈ কম বা বেছি হলে অস্বাভাবিক বুলি ধৰা হয়। (চিত্ৰ নং—১)

আঙুলিৰ নোম

তিৰোতা মানুহৰ আঙুলিত যদি দীঘল নোম থাকে তেন্তে তেওঁক বৰ নিষ্ঠুৰা অথবা পুৰুষসুলভ প্ৰকৃতিৰ তিৰোতা যেন বুজায়। যদি পুৰুষৰ হাতত থাকে (কমকৈ থাকিলে) তেন্তে তেও বিজ্ঞ, উদ্যোগী আৰু আত্মসংযমী হয়। আৰু যদি বৰ বেছিকৈ নোম থাকে তেন্তে জাতক সামঞ্জস্যহীন, বিৰোধী আৰু আক্ৰমণশীল হয়। নোম একেবাৰে নাথাকিলে জাতকৰ স্বভাৱ স্ত্ৰৈণ স্ত্ৰীজনোচিত, কাপুৰুষ আৰু প্ৰগলভ হয়। কিন্তু যদি অকল বুঢ়া আঙুলিতহে নোম থাকে তেন্তে জাতকৰ উদ্ভাবনীশক্তিৰ প্ৰতিভা থকা বুজায়। আৰু যদি আঙুলিৰ তলৰ দ্বিতীয় আৰু তৃতীয় পাবত নোম থকা দেখা যায় তেন্তে জাতকৰ সৰলতাৰ অভাৱ আৰু কঠোৰ আচৰণকাৰী হোৱাৰ লক্ষণ সূচায়। যদি তিনিটা পাবতেই নোম থাকে তেন্তে জাতক ভীষণ উদ্যোগী আৰু অলপতে জাঙুল খাই উঠা বিধৰ লোক হয়।

যদি এই নোমবোৰৰ ৰ পাতল ধৰণৰ হয তেন্তে তেও ধৈৰ্য্যহীন আৰু আনৰ দ্বাৰা সহজে প্ৰভাবিত হোবা ধৰণৰ লোক হব। যদি এই নোমৰ ৰং বৰ ক'লা হয তেন্তে তেও তজবজীয়া, ক্ষিপ্ৰভাবাবেগ-সম্পন্ন আৰু অলপ কামুক ধৰণৰ মানুহ হব। কিন্তু এই নোমৰ ৰং ৰঙা হলে জাতক 'মুহূৰ্ত্ততে গৰম হৈ উঠা' ধৰণৰ লোক হব।

প্ৰকৃত হস্ত

যদি আঙুলিতকৈ প্ৰকৃত হস্ত দীঘলীয়া হয আৰু আঙুলিবোৰ সূক্ষ্মাগ্ৰ হয তেন্তে জাতক এলেহুৱা আৰু অলীক কল্পনাপ্ৰৱণ হোৱাৰ লক্ষণ সূচায। (চিত্ৰ নং—২)

আঙুলিৰ মূৰবোৰ ডিম্বাকৃতিৰ হলে শিল্পৰ যান্ত্ৰিক প্ৰযোগৰ বাবে জাতক আগ্ৰহশীল হয়। যাত্ৰা, থিয়েটাৰ আদিত গান গোৱা বহু গাযকৰ হাতৰ আঙুলিবোৰ এই ধৰণৰ হয়। (চিত্ৰ নং—২) যদি চাৰিচুকীযা হয় তেন্তে এই জাতকৰ সৰহ সংখ্যকেই সৈন্যবাহিনীৰ

লোক হয়। এই হাতক প্ৰয়োজনীয় হাত বোলে। (চিত্ৰ নং—২)। যদি সি স্থূলাগ্ৰ হয় তেন্তে এই জাতক বৰ কৰ্মী পুৰুষ হয়। খেল-ধেমালি এওঁলোকৰ বাবে অতি প্ৰিয় হয়। (চিত্ৰ নং—২)



সূক্ষ্মাগ্ৰ ডিম্বাকৃতি চাবিচুকীয়া স্থূলাগ্ৰ

চিত্ৰ ন —২

যদি প্ৰকৃত হস্ত আঙুলিৰ সমানেই দীঘলীয়া হয় তেন্তে এই জাতকৰ কথা আৰু কামৰ মাজত মিল থাকে।

যদি আঙুলিতকৈ প্ৰকৃত হস্ত চুটি হয় আৰু আঙুলিৰ মূৰবোৰ সূক্ষ্মাগ্ৰ হয় তেন্তে এই জাতক আদৰ্শবাদী, ন্যায্য কল্পনাকাৰী (এওলোকৰ চন্দ্ৰৰ পৰ্বত সুগঠিত হয়) হয়।

যদি আঙুলিৰ মূৰবোৰ ডিম্বাকৃতিৰ হয় তেন্তে তেওঁ এজন ভাল অভিনেতা হয়। যি কোনো কথা মুহূৰ্ততে হৃদয়ঙ্গম কৰাৰ ক্ষমতা থাকে, ভাল গায়কো হয়। শিল্পী আৰু সাহিত্যিক হলে কৰ্মৰে চিন্তাক ৰূপ দিয়াৰ সামৰ্থ্য থকা লোক হয়। মানুহৰ অন্তৰৰ কথা তৎক্ষণাৎ বুজি পোৱা, অন্তৰ্দৃষ্টি থকা বিধৰ লোক হয়।

যদি চাবিচুকীয়া হয় তেন্তে এই জাতক ভাল কৰ্মী, ভাল ব্যৱসায়ী, আৰু যি কোনো মানুহৰ সৈতে তুৰন্তে মিলি যাব পৰা ক্ষমতা থকা লোক হয়। আৰু যদি স্থূলাগ্ৰ হয় তেন্তে এই জাতক বুধিয়ক, দীৰ্ঘ ভ্ৰমণকৰী আৰু আবিষ্কাৰক হয়।

প্ৰকৃত হস্ত আৰু কৰতল

হাতৰ কোমলতা আৰু কঠিনতা আদি বুজিবলৈ হ'লে প্ৰথমতে আমি বুঢ়া আঙুলিটো কৰতলৰ মাজত থৈ আৰু বাকী চাৰিটা আঙুলি হাতৰ পিঠিৰ ফালে ৰাখি জাতকৰ হাতখন অলপ চেপা দি, টিপি চালেই বুজিব পাৰিম হাতখন কিমান কোমল, কিমান কঠিন।

টিপি চাই যদি দেখোঁ, হাতখন বৰ টান আৰু শকত তেন্তে বুজিব লাগিব যে জাতক পশু স্বভাৱৰ, চিন্তাশক্তিহীন আৰু যদি দেখোঁ, হাতখন শকত আৰু টান তেন্তে বুজিব লাগিব, জাতক এজন সাধাৰণ মানুহ আৰু তেওঁৰ সাধাৰণ সৰলতাখিনি আছে।

কিন্তু যদি দেখা যায় হাতখন শকত অথচ বেছি টানো নহয়, বুজিব লাগিব যে জাতক একোলৈকে পৰোবাই নকৰা বিধৰ এজন ভাল কৰ্মী আৰু এজন মৰমীয়াল মানুহ।

যদি দেখোঁ যে হাতখন শকত আৰু কোমল বুজিব লাগিব জাতক আত্ম সন্তুষ্ট, এলেহুৱা বিধৰ। গতিকে সন্মুখত বিপদ আছে। আকৌ, এই জাতকৰ চিন্তাশক্তি বৰ প্ৰখৰ। এওঁ শিল্প, সাহিত্য, গীত, কবিতা আদিৰ বাবে উপযুক্ত ব্যক্তি।

আকৌ, যদি দেখা যায় হাতখন শকত কিন্তু বৰ কোমল তেন্তে বুজিব লাগিব জাতক বৰ স্বাৰ্থপৰ, এলেহুৱা আৰু কামুক। হাতখন যদি ভালকৈ টিপি চাই দেখোঁ, হাতখন শকত নহয়, পাতল হে আৰু বৰ টান তেন্তে বুজিব লাগিব জাতক হৃদয়হীন, অপৰাধপ্ৰৱণ আৰু জ্ঞানত স্বাৰ্থপৰ ব্যক্তি। হাতখন পাতল আৰু টান হলে বুজিব লাগিব জাতক বৰ ধনলোভী আৰু নীচ মনোবৃত্তিৰ।

যদি দেখোঁ হাতখন পাতল, ঠেক আৰু দুৰ্বল তেতিয়া বুজিব লাগিব জাতক অলপতে খঙ উঠা ধৰণৰ ব্যক্তি আৰু কল্পনাশক্তিহীন।

হাতখন পাতল আৰু কোমল হ'লে বুজিব লাগিব সেই ব্যক্তিৰ শৰীৰ আৰু মনৰ গঠন দুৰ্বল। গতিকে তেওঁ দৈহিক কুকৰ্মত প্ৰলুব্ধ হ'ব।

যদি হাতখন পাতল আৰু বৰ কোমল হয় তেন্তে তেওঁ পাপীষ্ঠ মনোবৃত্তিৰ আৰু অসুস্থ চিন্তাৰ ব্যক্তি হ'ব। কিন্তু তেওঁৰ এটি বৰ ভাল গুণো থাকিব তেও দৈৱশক্তিসম্পন্ন (Gift of intuition) ব্যক্তি হোবাৰ সামর্থ্য থাকিব। (অৱশ্যে তাৰ লগতে হাতৰ অন্যান্য ৰেখাও কিছু ভাল হ'ব লাগিব।)

যদি হাতখন বৰ পাতল আৰু ইপিঠি চালে সিপিঠিও দেখা যায় (Transparent) তেন্তে বুজিব লাগিব, সেইখন হাত সাধু সন্ন্যাসীৰ হাতহে। কিন্তু হাতৰ অন্যান্য গঢন যদি বেয়া হয় তেন্তে তেনে জাতক ভীষণ অসুস্থ চিন্তাধাৰাৰ ব্যক্তি হোৱাৰহে সম্ভাৱনা।

কৰতল

এই কৰতলৰ প্ৰকৃত সীমাৰেখা হ'ল এফালে আঙুলিবোৰৰ গুৰিৰপৰা প্ৰথম বলয ৰেখা পৰ্য্যন্ত, আৰু আনফালে বুঢ়া আঙুলিৰ দ্বিতীয় পাবৰ গুৰিৰপৰা হাতৰ কৰ-প্ৰান্তলৈ। এইখিনি ঠাইকে 'কৰতল' বোলে।

আকৃতি আৰু আকাৰ

কৰতল যদি ঠেক হয় তেন্তে জাতকৰ সাহস, উদ্যম আৰু চিন্তাশক্তি দুৰ্বল হয। (কাৰণ বুধ, মঙ্গল আৰু চন্দ্ৰৰ ক্ষেত্ৰ উন্নত হোৱাৰ ঠাই নেথাকে।)

আৰু যদি কৰতল বহল হয় আৰু আঙুলিৰ দীৰ্ঘতাৰ সৈতে সামঞ্জস্য থাকে তেন্তে জাতক সংযত মনোভাৱৰ আৰু শাৰীৰিক সামৰ্থ্য থকা বিধৰ লোক হ'ব। কৰতল যদি অতিৰিক্ত বহল হয়, (তেতিয়াহলে হাতখন নিশ্চয় শকত হ'ব) বুধ, মঙ্গল আৰু চন্দ্ৰৰ ক্ষেত্ৰই কৰতলৰ বহু ঠাই অধিকাৰ কৰা বাবে জাতকৰ চিন্তাশক্তি পাপযুক্ত হব। প্ৰবঞ্চক মনোবৃত্তিৰো হব পাৰে। যদি কৰতল চাৰিচুকীয়া হয় আৰু আঙুলিৰ মূৰবোৰ স্থূলাগ্ৰ হয়

(সাধাৰণতে স্থূলাগ্রই হয়) তেন্তে এই জাতক ভীষণ কর্মী হয়—বিশেষকৈ শাৰীৰিকভাবে।

কৰতলৰ ৰং আৰু চৰিত্র

যদি কৰতলৰ ৰং বৰ বেছি নিস্তেজ হয় তেন্তে জাতক স্বার্থপৰ হ'ব আৰু ৰক্তহীনতাৰ দোষত ভুগিব। আৰু যদি হালধীয়া ধৰণৰ হয় তেন্তে তেওঁ অসুস্থ মনোবৃত্তিৰ লোক হ'ব আৰু পিত্তৰোগত ভুগিব। যদি অলপ গুলপীয়া ধৰণৰ (Pink) আৰু নানা ৰঙৰ যুট-ফুটীয়া দাগ থকা বিধৰ হয় তেন্তে জাতক উত্তমী, আশাবাদী আৰু আত্মসংযমী হ'ব। তেওঁৰ কথা আৰু কামতো মিল থাকিব। যদি তলুৱাৰ ৰং ৰঙা হয় তেন্তে জাতক বৰ খঙাল হ'ব। (সাধাৰণতে শৰীৰত যথেষ্ট ৰক্ত থকাৰ বাবেই এইটো হয়।) তলুৱাৰ ৰং বৰ বেছি ৰঙা হলে জাতকে মৃগীৰোগত ভুগিব আৰু অতি খঙাল হ'ব। কৰতলৰ এইবোৰ ৰং মানসিক পৰিশ্রম কৰা মানুহৰ হাততহে বেছি দেখা যায়।

যদি কৰতলৰ ছাল বৰ মিহি চিক্কণ কাপোৰৰ দৰে হয় তেন্তে জাতকে বাত বিষত বা গাঁঠি বিষৰ বেমাৰত ভোগাৰ আশঙ্কা থাকিব। যদি এই ছাল শুকান হয় তেনেহলে জাতক বেমাৰী হ'ব। (শৰীৰৰ ঘাম বাহিৰ ওলাব নোৱাৰাই ইয়াৰ প্রধান কাৰণ।) আৰু যদি ছাল ঘামি থাকে কিন্তু চেঁচা ঘাম তেন্তে তেও মাৰাত্মক যকৃতৰ অসুখত ভুগিব। এনেকি জাতকে মনৰ সুস্থিৰতা হেৰুওৱাৰো সম্ভাৱনা থাকিব।

এইবাৰ প্রকৃত কৰতলৰ বিষয়ে আলোচনা কৰা যাওক

'প্রকৃত কৰতল'ৰ সীমা হ'ল, আয়ুস ৰেখাৰপৰা স্বাস্থ্য ৰেখালৈ, আৰু ওপৰৰ ফালে হৃদয়-ৰখালৈ। অর্থাৎ আঙুলিৰ গুৰিৰ পর্বতবোৰ বাদ দি, কৰতলৰ বৃহৎ চতুর্ভুজ আৰু বৃহৎ ত্রিভুজেই হ'ল 'প্রকৃত কৰতল'।

যদি এই 'প্রকৃত কৰতল' সমান আৰু ওখ হয় (কৰতলৰ অন্যান্য

পৰ্বতবোৰৰ সমান) তেন্তে জাতক আত্মগৰ্বী, অদমনীয় আৰু বৰ খঙাল স্বভাৱৰ হয়। যদি এই কৰতল সমান কিন্তু চাঁপৰ হয় তেন্তে জাতক কাপুৰুষ, ভয়াতুৰ আৰু সাধাৰণ মানুহ হ'ব। কৰতল গহ্বৰৰ দৰে হলে, বিশেষকৈ আয়ুস ৰেখাৰ ফালে বেছি দ হলে জাতকে ঘৰুৱা অশান্তিত ভুগিব।

যদি শিৰোৰেখাৰ ফালে বেছি দ হয় তেন্তে জাতকে মগজুৰ বেমাৰত ভুগিব। লগতে মূৰ্চ্ছা যোৱা ৰোগে দেখা দিয়াৰ সম্ভাৱনাও থাকিব। আৰু যদি হৃদয় ৰেখাৰ ফালে বেছি দ হয় তেন্তে প্ৰেমৰ বিষয়ত অশান্তি ভুগিব। তেওঁৰ হৃদ-যন্ত্ৰ দুৰ্বল হব। যদি চন্দ্ৰৰ ফালে বেছি দ হয তেন্তে তেওঁ ভিতৰুৱা অশান্তি অথবা নিৰাশ মনোভাৱৰ লোক হব। এই গহ্বৰৰ সাধাৰণ অৰ্থ—জীৱনৰ অকৃত-কাৰ্য্যতা আৰু বহুত আৰ্থিক ক্ষতি হোৱা বুজায়।

এইখিনিতে মনত ৰাখিব লাগে যদি ওচৰৰ পৰ্বতবোৰৰ উচ্চতাৰ বাবেহে এই গহ্বৰৰ সৃষ্টি হৈছে তেন্তে ইয়াক প্ৰকৃত গহ্বৰ বুলি ধৰিব নেলাগে।

এতিয়া আমি নখৰ বিষয়ে আলোচনা কৰোঁহঁক

চুটি নখ কৌতূহলী, অনুসন্ধিৎসু মনোভাৱৰ, আৰু বেয়া হাতত—চঞ্চল মনোভাবৰ। (চিত্ৰ ন —৩)

চুটি, টান আৰু ছালে আৱৰি ৰখা নখ দন্দুৰা মনোবৃত্তিৰ, বিশেষকৈ নখবোৰ যদি দীঘলতকৈ বেছি বহল হয়। আৰু যদি বুঢ়া আঙুলিটো গদাৰ দৰে হয় তেন্তে সেই জাতক অতি মাৰাত্মক মনোবৃত্তিৰ লোক হব। এজন জাৰ্মান বৈজ্ঞানিকে প্ৰমাণ কৰিছে যে খুব খং উঠিলে নখবোৰ কিছু সময়ৰ বাবে নৰম হৈ যায়। (অত্যধিক বিজুলী প্ৰৱাহৰ বাবে এইটো হয।)

চুটি নখ আৰু চুটি কৰতল আনৰ দোষ-ত্ৰুটি অত্যন্ত ঘৃণা আৰু অৱজ্ঞাৰে সমালোচনা কৰিব পৰা জন্মগত সমালোচকৰ চিন।

যদি মধ্যমা আঙুলিৰ নখ চুটি হয় আৰু বাকী আঙুলিৰ

নখবোৰ বাদামৰ আকাৰৰ হয় তেন্তে জাতক খিটখিটীয়া স্বভাৱৰ হ'ব পাৰে। কিন্তু বেছিভাগ সময়েই তেওঁ সমালোচনাৰ বাবে আগ্ৰহী হব।



চিত্ৰ নং—৩

যদি নখ চুটি আৰু নিস্তেজ হয় প্ৰতাৰণামূলক মনোভাৱ, শাৰীৰিক আৰু নৈতিক দুৰ্বলতা বুজাব।

নখবোৰ চুটি আৰু ৰঙা হলে আক্ৰমণশীল মনোভাৱ থকা বুজাব।

নখবোৰ চুটি, চাৰিচুকীয়া আৰু নীলাভ হলে হৃদযন্ত্ৰৰ অসুখ বুজাব।

চুটি, সম্পূৰ্ণ বহল আৰু গুৰিৰ ফালে চাৰিচুকীয়া হ'লে কামুক, ক্ৰোধী। যদি দীঘলতকৈ বেছি বহল হয় তেন্তে জাতক বৰ সহনশীলতাহীন, মূৰ্খ আৰু জেদী হ'ব।

চুটি আৰু তিনিকোণীয়া আকাৰৰ হ'লে জাতকে পক্ষাঘাত ৰোগত ভোগাৰ আশঙ্কা থাকে।

চুটি, ঠেক আৰু ভাঁজ লগা হ'লে মেৰুদণ্ডৰ স্নায়ু, ৰজ্জু সম্পৰ্কীয় ৰোগত ভোগাৰ আশঙ্কা থাকে।

যদি নখ ডাঙৰ আৰু ঘূৰণীয়া হয় তেন্তে জাতক শুদ্ধ আৰু পৰিষ্কাৰ বিচাৰ বুদ্ধিৰ লোক হ'ব।

দীঘল নখ (বিশেষকৈ যদি পাতল আৰু ভঙ্গুৰ হয়) জাতকৰ দুৰ্বল শাৰীৰিক গঠন বুজাব। এই জাতক প্ৰায়েই বুদ্ধিহীন হয়।

দীঘল, পাতল আৰু ভাঁজ লগা হলে ডিঙিৰ ঘা আৰু শ্বাস-যন্ত্ৰৰ দুৰ্বলতা থকা বুজায়। যদি এই নখবোৰ খাপ-কটা অথবা পিঠি উঠা হয় তেনেহলে নিশ্চিত ক্ষয়ৰোগ বুলি বুজিব লাগিব।

দীঘল, শকত আৰু ভাঁজ লগা (প্ৰায় হাঁতোৰাৰ দৰেই) প্ৰেম বিষয়ত আক্ৰমণকাৰীৰ মনোবৃত্তি আৰু বন্ধু বান্ধৱৰ সৈতে আলোচনা কৰাত উদ্ধত মনোভাবৰ হয়। দীঘল, পাতল আৰু ঠেক হ'লে ভযাতুৰ আৰু কাপুৰুষ হয। প্ৰায়েই আৰোগ্যৰ পিচত লাহে লাহে স্বাস্থ্যলাভ কৰা মানুহৰ হাতত এই নখ দেখা যায়। স্বাভাৱিক পাতল আৰু ঠেক হলে খুব ভাল মেজাজৰ মানুহ হয়।

শুদ্ধ নখ বগা, বাদামাকৃতিৰ, মিহি, স্বাভাৱিক দীঘল আৰু শকত হলে সুখী মনোভাৱ, ধুনীযা স্বাস্থ্য, বিশেষকৈ এই নখ তিৰোতা মানুহৰ হাতত থাকিলে তেওঁ স্বাৰ্থপৰ আৰু কুটিল মনোবৃত্তিৰ হয়।

যদি বাহিৰৰ কাষবোৰ অলপ গুলপীয়া (Pink) হয় তেন্তে জাতকৰ হঠাতে খং উঠিব। কিন্তু এওঁ হিংসুক অথবা ঈৰ্ষাপৰায়ণ নহয়। যদি প্ৰথম আঙুলিৰ নখটি ভিতৰৰ ফালে বৰ বেছি বেঁকা

বা পোত খোৱা হয় তেন্তে জাতকৰ ডিঙিৰ অসুখ থকা বুজায়। (ডিঙিৰ অংশ বঢ়া ৰোগ।) আৰু এইটোৱেই ক্ষয় ৰোগো বুজায়।

যদি নখবোৰত বহুত বগা ফোঁট থাকে তেন্তে তেজৰ দোষনীয় চলাচল আৰু দৰিদ্ৰতা বুজায়।

আৰু যদি ক'লা আৰু নীলা দাগ পৰে তেন্তে তেজ দূষিত আৰু বিষাক্ত হোৱা বাবে জাতক কলেৰা, টাইফয়েড, ডিপ থেৰিয়া, বসন্ত আৰু জণ্ডিছ আদি বেমাৰত ভোগাৰ আশঙ্কা থাকিব।

দ্বিতীয় অধ্যায়

এতিয়া হাতৰ এটি প্ৰধান অঙ্গ বুঢ়া আঙুলিটিৰ বিষয়ে আলোচনা কৰা যাওক

এই বুঢ়া আঙুলিটি হাতৰ ইমান এটি প্ৰয়োজনীয় অঙ্গ যে ইয়াক ভালকৈ নেচালে হাতখনৰ অন্যান্য আঙুলি অথবা ৰেখা পৰীক্ষা কৰাৰ কোনো মূল্য নাই। আগতে আমাৰ দেশত এটি নীতি প্ৰচলিত আছিল যে যেতিয়া কোনো বন্দীক বন্দীকাৰীৰ ওচৰলৈ ধৰি অনা হয়, তেতিয়া বন্দীয়ে নিজৰ বুঢ়া আঙুলিটো ঢাকি ধৰি স্বাধীনতা আৰু ব্যক্তিত্ব বিসৰ্জন দি বন্দীত্ব স্বীকাৰ কৰে। ইজৰাইলীবোৰে আকৌ বন্দীৰ বুঢ়া আঙুলিটোকেই কাটি দিছিল। আমাৰ অসম তথা ভাৰততো কোনোবা দুজন মানুহৰ ভিতৰত যদি কাজিয়া লাগে তেন্তে যাৰ শাৰীৰিক আৰু মানসিক শক্তি বেছি তেও সিজনক 'যা-যা' বুলি বুঢ়া আঙুলিটো দেখুৱাই দিয়ে। ইয়াৰ অন্তৰ্নিহিত অৰ্থ হয়তো এনেকুৱা—'চা, মোৰ এই বুঢ়া আঙুলিটো কিমান দীঘল আৰু শক্তিশালী! তই মোৰ কি ক্ষতি সাধন কৰিবি?'

আমাৰ ভাৰতীয় সমাজত এটি প্ৰবাদ আছে—যি পুৰুষৰ বুঢ়া আঙুলি চুটি আৰু দুৰ্বল তেওঁৰ ভাগ্যত দন্দুৰী তিৰোতাহে মিলে। আচলতে প্ৰবাদটিৰ অৰ্থ ঘোৰাৰ আগত গাড়ী জুটি দিয়াৰ দৰেহে। কাৰণ আজিৰ বিংশ শতাব্দীৰ বিজ্ঞান-বিধৌত সমাজৰ শৰীৰতত্ত্ববিদ আৰু মনস্তত্ত্ববিদসকলে প্ৰমাণ কৰি দেখুৱাইছে যে যাৰ বুঢ়া

আঙুলিটো চুটি আৰু দুৰ্বল তেওঁ মানসিকভাৱেও দুৰ্বল আৰু বুদ্ধিহীন। গতিকে এই জাতক পুৰুষ হ'লে তেওঁ তিৰোতাৰ ওপৰত নৈতিক আৰু মানসিকভাৱে আধিপত্য বিস্তাৰ কৰিবলৈ সম্পূৰ্ণৰূপে অক্ষম আৰু অপাৰগ। ফলস্বৰূপে তেও বাৰে বাৰে নিজৰ দোষ তথা দুৰ্বলতা ঢাকিবলৈকে ঘৈণীয়েকৰ সৈতে কাজিয়া কৰে। আৰু ইয়াৰ ফলতেই উপায়হীনা ঘৈণীয়েকেও মুখ মেলিবলৈ আৰু প্ৰয়োজনানুসাৰে হাত তুলিবলৈও বাধ্য হয়।

আকৌ খৃষ্টান ধৰ্মত বুঢ়া আঙুলিটোকেই 'ঈশ্বৰ' বুলি ধৰে। চিকিৎসা শাস্ত্ৰত বুঢ়া আঙুলিৰ প্ৰযোজনীয়তা সম্পৰ্কে কিৰোবে এটি বৰ্ণনা দি কৈছে যে, বুঢ়া আঙুলিটো পৰীক্ষা কৰি ৰোগীৰ পক্ষাঘাত ৰোগ হৈছে নে নাই ক'ব পাৰি। পক্ষাঘাত হ'লে স্নায়ু ৰোগৰ বিশেষজ্ঞসকলে মস্তিষ্কৰ বুঢ়া আঙুলিৰ কেন্দ্ৰত অস্ত্ৰোপচাৰ কৰে। অস্ত্ৰোপচাৰ কৰাৰ পিচত এই বুঢ়া আঙুলিটো চায়েই ক'ব পাৰি, অস্ত্ৰোপচাৰ সফল হ'ল নে বিফল হ ল। ডাক্তৰ ফ্ৰান্সিছ গাল্‌টনে লণ্ডনত এবাৰ প্ৰমাণ কৰি দেখুৱাইছিল যে, বুঢ়া আঙুলিৰ ছালৰ ভাজ পৰীক্ষা কৰিযেই নিৰ্ভুলভাবে অপৰাধীক বিচাৰ বাহিৰ কৰিব পাৰি। যি মানুহৰ বুঢ়া আঙুলি কদৰ্য্য, চুটি আৰু স্থুল হয তেওৰ মানসিকধাৰা ইতৰ প্ৰাণীৰ দৰে অমাৰ্জিত, তেওৰ স স্কাৰ পশুৰ সংস্কাৰৰ দৰেই জঘন্য হয। (চিত্ৰ নং—৪)

গতিকে হাতৰ এই অতি প্ৰয়োজনীয আৰু গুৰুত্বপূৰ্ণ আঙুলিটো অতি সতৰ্কতাৰে পৰীক্ষা কৰাৰ বিশেষ প্ৰযোজন। মনত ৰাখিব লাগিব যে এই বুঢ়া আঙুলিযে চৰিত্ৰগত ইচ্ছাশক্তি নিৰ্দেশ কৰে। আৰু শিৰোৰেখাই মানসিক শক্তি নিৰ্দেশ কৰে।

এই বুঢ়া আঙুলিটোতে জগতৰ তিনিওটা মহৎ গুণ সন্নিবিষ্ট কৰা আছে—প্ৰেম, যুক্তি আৰু ইচ্ছাশক্তি।

বুঢ়া আঙুলিৰ নিম্নৰ ক্ষেত্ৰটিক—যাক আমি শুক্ৰৰ ক্ষেত্ৰ বুলি কওঁ—সেইটোৱে প্ৰেম আৰু স্বাস্থ্য নিৰ্দেশ কৰে।

মাজৰ* পৰ্বটিয়ে যুক্তিশক্তি আৰু নখৰ পৰ্বটিয়ে ইচ্ছাশক্তি নির্দেশ কৰে। এই পৰ্ববোৰ যদি সুগঠিত আৰু বৰ্দ্ধিত হয় তেন্তে জাতকৰ গুণাৱলী বৰ্দ্ধিত কৰে। আৰু যদি বেয়া হয় তেন্তে জাতকৰ জীৱনত ইয়াৰ প্ৰভাৱ বৰ কম হয়।



চিত্ৰ নং—৪

এই বুঢ়া আঙুলিক দুটি শ্ৰেণীত ভাগ কৰা হয়। এটি নমনীয় আৰু আনটি অনমনীয়। এটি ভাঁজ খায়, আনটি ভাজ নেখায়।

নমনীয় বুঢ়া আঙুলি বাহিৰৰ ফালে হালি থাকে আৰু নখৰ ওচৰত নমনীয় হয়। এই ধৰণৰ বুঢ়া আঙুলি থকা জাতকে যি কোনো মানুহৰ সৈতেই সহজে মিলি গৈ বন্ধুত্ব পাতিব পাৰে। এওলোকৰ মনবোৰ উদাৰ আৰু সংস্কাৰমুক্ত হয়। এওলোক দানী আৰু প্ৰয়োজনতকৈ বেছি খৰচী হয়। এওলোকৰ এখন কোমল অন্তকৰণ থাকে। বন্ধু বান্ধবক সহায় কৰি ভাল পায়।

* পৰ্বৰ অৰ্থ—আঙুলিৰ পাব।

ক'ৰবাত ভ্ৰমণত গ'লে বাটে-পথে বন্ধু লাভ কৰে। এওঁলোকে আনৰ ইচ্ছামতেই কাম কৰে। গতিকে, এওঁলোকক মানুহবোৰে বৰ ভাল পায়। এওঁলোকৰ সঙ্গ বৰ লোভনীয় হয়। কিন্তু এওঁলোকৰ এটি প্ৰধান দোষ থাকে যে, যিমান সোনকালে আৰু যিমান আগ্ৰহেৰে এওঁলোকে কোনো কাম কৰিবলৈ আগবাঢ়ি আহে, ঠিক সিমান সোনকালে এওঁলোকৰ সেই আগ্ৰহ কমি গৈ হাত দিয়া কাম প্ৰায় আধৰুৱা কৰি পেলাই থৈ দিয়ে। গতিকে এওঁলোকে যদি আজি আপোনাক কোনো বিষয়ত দহ টকা ধৰুগনি দিম বুলি কৈছে, তেন্তে সেই টকা আজিযেই লওঁক। কাৰণ কাইলৈ হয়তো হঠাৎ তেওঁৰ মতৰ সলনি হৈ যাব পাৰে। এওলোকে যি কোনো পাৰিপাৰ্শ্বিক অৱস্থাৰ সৈতে নিজক খাপ খুৱাই লব পাৰে। এওলোকৰ বাকী আঙুলিৰ মূৰবোৰ যদি ডিম্বাকৃতিৰ হয়, বিশেষকৈ সূৰ্য্যৰ আঙুলিটি (অনামিকা) আৰু শিৰোৰেখা চন্দ্ৰৰ ক্ষেত্ৰৰ ফালে অলপ হেলনীয়া হৈ থাকে, লগতে ভাল সূৰ্য্য ৰেখাও থাকে তেন্তে এই জাতক ভাল শিল্পী-সাহিত্যিক হয। নিজৰ সুনাম অৰ্জন কৰে।

জাতকৰ আঙুলি যদি চুটি হয় আৰু এই আঙুলিৰ প্ৰথম পৰ্বটি (নখৰ) দীঘল হয়, আঙুলিটি কৰতলৰ বহু ওপৰ ভাগত অৱস্থিত হয তেন্তে তেও অতি অসতৰ্ক আৰু মূৰ্খ হ'ব। অৱশ্যে আঙুলিটো যদি কৰতলৰ নিম্নভাগত অৱস্থিত আৰু শিৰোৰেখা আৰম্ভণিতে আয়ুস-ৰেখাৰ সৈতে লগ লাগি থাকে তেন্তে জাতকৰ ওপৰোক্ত দোষ-ত্ৰুটিবোৰ বহু পৰিমাণে কটা যাব। কিন্তু এই জাতকে যি কামেই কৰক ইচ্ছা-শক্তিৰ জৰিয়তেহে কৰিব—যুক্তিৰ ওচৰ চাপি কোনো কাম নকৰে।

আকৌ, এই চুটি বুঢ়া আঙুলি থকা জাতকৰ যদি দ্বিতীয় পৰ্বটিহে দীঘল হয় আৰু হাতৰ অন্যান্য আঙুলিবোৰো গাঁঠিযুক্ত হয় তেন্তে তেওঁ যুক্তি-তৰ্কৰ ওচৰ নচপাকৈ কোনো কামতেই হাত নিদিয়ে। কাকো বিশ্বাস নকৰে। পিছে এই ধৰণৰ জাতকে চিন্তা যিমান কৰে, কাম তাতকৈ বহুত কম কৰে (Talkers are not doers)।

যদি কোনো জাতকৰ বুঢ়া আঙুলিটিৰ প্ৰথম পৰ্বটি দীঘল, পাতল আৰু টান হয় আৰু গোটেই আঙুলিটিও দীঘল আৰু ভাঁজ নোখোৱা বিধৰ হয়, শিৰোৰেখাও আৰম্ভণিতে আয়ুস ৰেখাৰপৰা অলপ দূৰৈত পোনভাবে অৱস্থান কৰে তেন্তে এই জাতক বৰ অত্যাচাৰী হয়। এওলোকক সহজে নিয়ন্ত্ৰণ কৰাটো বৰ টান হৈ পৰে।

যাৰ বুঢ়া আঙুলি দীঘল আৰু ভাঁজ নোখোৱা তেওঁলোকে যি কোনো মানুহৰ সৈতে সহজে মিলিব নোৱাৰে। এওঁলোকে যদি এবাৰ 'না' বুলি কয় তাৰ পিচত আকৌ 'হা' বুলি কোৱাবলৈ বৰ টান হয়। হঠাতে অপৰিচিত মানুহৰ সৈতে কিবা কথা-বতৰা হোৱাৰ প্ৰয়োজন হ'লেও এওলোকে কাজিয়া কৰাৰ ধৰণেৰেহে কথা বতৰা হয়। বুঢ়া আঙলি কৰতলৰ যিমান কাষ চাপি থাকিব জাতক সিমানেই বেছি কৃপণ হ'ব। তদুপৰি হাতৰ অন্যান্য আঙুলিবোৰো য'দ বৰ বেছি ঘন বা লগ লগা হয় আৰু শিৰোৰেখা পোনভাবে মানসিক মঙ্গলৰ কৰপ্ৰান্তৰ* ওচৰ পায় তেন্তে এই জাতকে লঘোণে থাকিও টকা সাচিবলৈ যত্ন কৰিব।

গোটেই আঙুলিটো যদি বৰ শকত আৰু দীঘলীয়া ধৰণৰ হয় তেন্তে এই জাতক জঘন্য পথৰ পথিক আৰু সৰলতাহীন হব বুলি ধৰি ল'ব। বুঢ়া আঙুলিটো যদি বহল আৰু চুটি হয় তেন্তে জাতক ভয়ানক খঙাল, ৰাগী আৰু বৰ জেদী হ'ব।

যদি আঙুলিটো দীঘল আৰু পাতল হয় তেন্তে জাতকৰ শিল্প-সাহিত্য আৰু কবিত্বৰ প্ৰতিভা থাকিব। এও শুদ্ধ মনোবৃত্তিৰ লোক হব। সকলো কথা উত্তেজনাৰ মুহূৰ্তত বিচাৰ নকৰি বাস্তৱ বুদ্ধি তথা যুক্তিৰে বিচাৰ কৰিব।

আঙুলিটো অকল শকত হ'লে লম্পট স্বভাৱৰ আৰু আক্ৰমণোদ্যত মনোবৃত্তিৰ লোক হ'ব। আঙুলিটো দীঘল আৰু

* কৰপ্ৰান্তৰ অৰ্থ—হাতৰ একেবাৰে কাষৰ ঠাই।

আঙুলিৰ মূৰটো চাৰিচুকীয়া হলে জাতকৰ ইচ্ছাশক্তিয়ে ভাল কাম, ভাল আচৰণ আৰু দুর্নীতিমুক্ত হৈ কাম কৰিব।

বুঢ়া আঙুলিটো যদি বৰ চুটি হয় তেন্তে এই জাতক কোনো বিষয়ৰ সিদ্ধান্তত আহিব নোৱাৰা বিধৰ লোক হ'ব , আৰু আহিলেও এটি চৰম সীমাৰপৰা আন এটি চৰম সীমালৈ অহা-যোৱা কৰি থকা মনৰ মানুহ হ'ব।

বুঢ়া আঙুলিটো যদি বৰ চুটি হয় আৰু শুক্রৰ ক্ষেত্রও দুর্বল হয় তেন্তে এই জাতকৰ ঘৈণীয়েকৰ সৈতে কাজিয়া হবই। কাৰণ, এওঁ স্থিৰতাহীন, সঙ্কল্পহীন আৰু দুর্বল ব্যক্তিত্বৰ লোক হ'ব। আৰু যদি এই আঙুলিটো বহল, শকত আৰু ঘূৰণীয়া বিধৰ গদাৰ ন্যায়বিশিষ্ট আঙুলি হয় তেন্তে এই জাতক হত্যাকাৰী বা খুনী হ'ব। ক্রোধান্ধ হৈ এই জাতকে চৰম পাশবিকতাৰ পৰিচয়ো দিব পাৰে। বেছিভাগ 'খুনী'ৰ হাততেই এই গদাৰ নিচিনা চুটি বুঢ়া আঙুলি থাকে।

যদি বুঢ়া আঙুলিৰ দ্বিতীয় পর্বটি সৰু কঁকাল থকা বিধৰ হয় তেন্তে এই জাতকৰ বুদ্ধিৰ তীক্ষ্ণতা আৰু ক্ষিপ্রতা থাকিব। সকলো বুদ্ধি বিষয়ক আলোচনাত এওঁৰ ভীষণ আগ্রহ থাকিব।

মনত ৰাখিব যে আঙুলিটোৰ মাজত থকা গাঁঠিটোৱে (যদি গাঁঠীযা হয়) তেন্তে ই দ্বিতীয় পর্বৰ যুক্তিশক্তি বঢ়াব আৰু প্রথম পর্বৰ ইচ্ছাশক্তি কমাব।

চুটি বুঢ়া আঙুলিযুক্ত জাতকৰ অন্যান্য আঙুলি যদি চাৰিচুকীয়া বা স্থূলাগ্র হয় আৰু শিৰোৰেখা সুগঠিত হয় তেন্তে বাস্তবজীৱনত ঘটা ঘটনাবোৰকে সুচতুৰভাৱে ব্যাখ্যা কৰাৰ প্রতিভা এই জাতকৰ থাকিব। যদি এই চুটি বুঢ়া আঙুলিযুক্ত জাতকৰ অন্যান্য আঙুলিবোৰ বৰ গাঁঠীযা হয় আৰু আঙুলিৰ মূৰবোৰ ডিম্বাকৃতিৰ হয় তেন্তে তেওঁৰ অনুভূতিপ্রৱণ মনটিক নীতি-নিয়ম আৰু যুক্তিয়ে সংশোধন কৰি সঠিক পথলৈ আগবঢ়াই নিব।

এই গাঁঠিযুক্ত আঙুলিৰ মূৰবোৰ যদি চাৰিচুকীয়া বা স্থূলাগ্র হয়

তেন্তে জাতকৰ প্ৰতিভাই বৈজ্ঞানিক আৰু ব্যৱসায়িক ভিত্তিত কাম কৰিব। এই ধৰণৰ আঙুলি থকা লোকসকলে যাতে নেভাবে যে, তেওঁলোকৰ সকলো ধৰণৰ ব্যৱসায় অথবা বিজ্ঞানৰ ওপৰত প্ৰতিভা আছে। সকলো প্ৰতিভাই সীমাযুক্ত বুলি বুজি লব। চুটি বুঢ়া আঙুলি অনুভূতিপ্ৰবণ আৰু দীঘল বুঢ়া আঙুলি যুক্তি প্ৰবণ হোৱাৰ চিন। প্ৰথমটিয়ে হৃদযৰ নিৰ্দেশত চলে আৰু দ্বিতীয়টিয়ে মগজুৰ নিৰ্দেশত চলে। এই আঙুলিটিযে আৰু বহু ধৰণৰ নিৰ্দেশ দিয়ে। ডি, আৰ, পেনটিগ নীযে কৈছে, 'বুঢ়া আঙুলিযে মানুহক ব্যক্তিত্ব দিয়ে।

"যাৰ বুঢ়া আঙুলি ভাল হয়,
তাৰ সন্মান সকলোতে বয়।"

তৃতীয় অধ্যায়

এইবাৰ আমি হাতৰ আন চাৰিটা আঙুলিৰ বিষয়ে আলোচনা কৰোঁ।

প্ৰথম	আঙুলি,	তৰ্জনী—	বৃহস্পতিৰ	আঙুলি।
দ্বিতীয়	”	মধ্যমা—	শনিৰ	”
তৃতীয়	”	অনামিকা—	সূৰ্য্যৰ	”
চতুৰ্থ	’	কনিষ্ঠা—	বুধৰ	”

অৱস্থান

আঙুলিবোৰ কোনো জাতকৰ হাতত একোটা সৰলৰেখাতে থকা ক’তো দেখা নাযায়। কোনো আঙুলি শৰীৰৰ আটাইতকৈ ওপৰত থাকিলে সেই আঙুলিটোৰ প্ৰভাৱ যেনেকৈ বাঢে তেনেকৈ কোনো আঙুলিৰ অৱস্থান বৰ তললৈ নামিলেও সি তাৰ প্ৰকৃত শক্তি হেৰুৱায়। যেনে, বৃহস্পতিৰ (তৰ্জনী) আঙুলি যদি বৰ তলৰ ফালে অবস্থান কৰে তেন্তে বৃহস্পতিৰ পৰ্বত সৰু হয়। ফলত, জাতকে সামাজিক মৰ্য্যাদা লাভত ভীষণ অসুবিধা পায়। জাতকৰ অজ্ঞতা আৰু বৃথা আত্মগৌৰৱ সংযুক্ত হৈ জাতকৰ জীৱনলৈ দুৰ্ভাগ্য কঢ়িয়াই আনে।

দ্বিতীয়, শনিৰ আঙুলি (মধ্যমা) কেতিয়াবাহে অলপ ইফাল-সিফাল হয়। কাৰণ ই গোটেইবোৰ আঙুলিৰ (বুঢ়া আঙুলিকে ধৰি) ভাৰসাম্য ৰক্ষা কৰে। গতিকে এই আঙুলিক ‘ভাৰসাম্যৰ খুটি” বুলিও ধৰা হয়।

তৃতীয়, সূৰ্য্যৰ আঙুলি (অনামিকা) মধ্যমাৰ তলৰ ৰেখাত অৱস্থিত। ফলত, ইয়াৰ সকলো গুণ সম্পূৰ্ণৰূপে প্ৰকাশ হোৱাত পূৰ্ববৰ্ত্তী আঙুলিয়ে বাধা প্ৰদান কৰে।

আৰু যদি বুধৰ আঙুলি বহু তলত অৱস্থিত হয় তেন্তে জাতকৰ প্ৰভাৱ বিস্তাৰ কৰিব পৰা বুদ্ধি কমি যোৱাৰ ফলত জাতকৰ জীৱনলৈ দুখ আহে। গোটেই জীৱন তেওঁ যুজিব লগা হয়। পৰিস্থিতি তেওঁৰ বিৰুদ্ধে থাকে।

আঙুলিবোৰ ইটোৱে সিটোৰ ফালে আৰু সিটোৱে ইটোৰ ফালে হেলনীয়া হৈ থাকে।

তৰ্জ্জনী

যদি প্ৰথম আঙুলি তৰ্জনী, বুঢ়া আঙুলিৰ ফালে হালি থাকে তেন্তে স্বাধীনভাবে থাকিবলৈ জাতকৰ ভীষণ আগ্ৰহ জন্মে। মধ্যমাৰ ফালে হালি থাকিলে অসুস্থ গৌৰৱ সূচায়।

মধ্যমা

যদি এই আঙুলি তৰ্জনীৰ ফালে হালি থাকে, দুখজনক কুসংস্কাৰ। যদি অনামিকাৰ ফালে থাকে, সামান্য কুসংস্কাৰ।

অনামিকা

এই আঙুলি মধ্যমাৰ ফালে হালি থাকিলে, বৃথা গৌৰৱ। যদি কনিষ্ঠাৰ ফালে হালি থাকে, টকা ঘটাৰ উদ্দেশ্যেই শিল্প-সাহিত্যক ব্যৱহাৰ কৰা হয়।

কনিষ্ঠা

কনিষ্ঠা আঙুলি অনামিকাৰ ফালে হালি থাকিলে, শিল্প-প্ৰতিভা আৰু বৈজ্ঞানিক প্ৰতিভাৰ ধুনীয়া সংমিশ্ৰণ ঘটে।

আকৌ আঙুলিবোৰ যদি লগ লাগি থাকে, পোহৰ ওলাব নোৱাৰে তেন্তে জাতক বৰ কৃপণ তথা ধনলোভী হ'ব। নীচ মনোবৃত্তিৰো হ'ব পাৰে।

দুটা আঙুলিৰ গুৰিৰ ওচৰত কিমান ফাঁক থাকে তাৰো অৰ্থ থাকে। যেনে, বুঢ়া আঙুলি আৰু তৰ্জনীৰ মাজত যদি বেছি ফাঁক থাকে তেন্তে জাতকৰ উদাৰতা, দয়াশীলতা থকা বুজাব। প্ৰথম আৰু দ্বিতীয় আঙুলিৰ মাজত যদি বেছি ফাঁক থাকে, জাতকৰ স্বাধীনচিতীয়া চিন্তা থকা বুজাব। যদি দ্বিতীয় আৰু তৃতীয় আঙুলিৰ মাজৰ ফাঁক বেছি হয়, জাতকৰ ভবিষ্যতৰ বাবে চিন্তা নোহোৱা বুজায়। 'হাহি মাতি যাব পাৰিলেই হ'ল' এনে ধৰণৰ মানুহ হব জাতক।

যদি তৃতীয় আৰু চতুৰ্থ আঙুলিৰ মাজত ফাঁক বেছি থাকে তেন্তে জাতকে নিজৰ স্বাধীনতা থকা কামহে কৰিব।

হাতখন খুলি দিলে যদি আঙুলিবোৰ এটা এটা হৈ পৰে তেন্তে জাতক কোনো নিৰ্দিষ্ট নিয়ম নীতিত চলা মানুহ নহ'ব। যদি গোটেইকেইটা আঙুলি প্ৰায় লগ লাগি থাকে তেন্তে আনৰ সৈতে কথা-বতৰাত জাতকে হঠাতে নিজে আগ নেবাঢে। যদি হাতখন খুলি দিলে কোনো এটি আঙুলি অকলে বেলেগ হৈ ওলাই আছে তেন্তে সেই আঙুলিটোৰ দোষ বা গুণ জাতকৰ জীৱনৰ ওপৰত বিশেষভাবে পৰিব।

আঙুলিৰ ভাঁজ আৰু নমনীয়তা

হাতখন খুলি দিলেই 'ভাঁজ'টো আপোনা আপুনি চকুত পৰে। কিন্তু 'নমনীয়তা টো হাতেৰে ছুলেহে গম পায়।

যদি সম্মুখৰ (ভিতৰৰ) ফালে আহে আৰু আঙুলিবোৰ ভাঁজ খাই থাকে তেন্তে জাতক বৰ ধনলোভী, বেছি বিজ্ঞ আৰু কাপুৰুষ হ'ব। নীচতাও থাকিব। যদি পিচৰ ফালে ভাঁজ খায় তেন্তে জাতকৰ

চিন্তা-ভাবনাৰ কোনো নির্দিষ্ট নিয়ম-নীতি নেথাকিব। বৰ কথকী স্বভাৱৰ আৰু প্ৰফুল্ল মনোভাৱৰ লোক হ'ব।

আৰু যদি 'নমনীয়' হয় তেন্তে এই জাতকে টকা-পইচাৰ মূল্য বুজি নাপাব। বৰ স্বাধীনচিতীয়া মানুহ হ'ব, বিশেষকৈ বৰ কৌতূহলী আৰু অনুসন্ধিৎসু মনৰ ব্যক্তি হ'ব।

যদি বৰ টান হয় তেন্তে এই জাতকে নিয়ম-নীতিৰ মাজেৰেহে চলিব। তেওঁ যাৰে-তাৰে কথা মনা বিধৰ মানুহ নহব। বাস্তৱ-বুদ্ধি বেছি হ'ব।

আঙুলিৰ দৈৰ্ঘ্য আৰু গুণাগুণ বিচাৰ

তৰ্জনী বৃহস্পতিৰ আঙুলি। বৃহস্পতি হৈছে, দেৱগুৰু। গতিকে এই আঙুলিটোৰ বিষয়ে জানিব বিচাৰিলে নিম্নলিখিত পাঁচোটি কথা ভালকৈ জানি ৰখা উচিত হ'ব।

(১) আঙুলিটো যদি বেঁকা হয়, জাতকে মান গৌৰৱ যিমানখিনি পাব লাগে সিমানখিনি নেপায়গৈ। নানা ধৰণৰ বাধা-বিঘিনিৰ মাজেৰে আগবাঢোতে জাতকে কেতিযাবা কেতিয়াবা ক'ৰবাত অপদস্থও হ'ব লগাত পৰিব। আত্মীয়-স্বজনক উপকাৰ কৰিলেও আত্মীয়-স্বজনে তেওৰ সেই উপকাৰ পাহৰি যাব আৰু উপকাৰৰ স্বীকৃতি নেপায়। নিজৰ মানুহতকৈ আনৰপৰাহে এই জাতকে বেছি সহায় পাব।

(২) আঙুলিটো যিমান দীঘল হোৱা উচিত, সিমান দীঘল নহ'লে জাতকে যি কোনো কামৰ গুৰুত্ব বুজি উঠোতে পলম হ'ব। মানুহে সহজেই এই জাতকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পাৰিব।

(৩) এই আঙুলিটো যদি বৰ বেছি দীঘল হয় তেন্তে এই জাতক অহঙ্কাৰী আৰু প্ৰভুত্বকামী হয়।

(৪) গতিকে আঙুলিটো স্বাভাৱিক হলে জাতক চৰিত্ৰবান, বিদ্বান আৰু ব্যক্তিত্বশালী হয়।

(৫) আঙুলিটো দীঘলে অনামিকাৰ সমান হলে তোষামোদ-কাৰী হয়। কিন্তু যদি সকলো আঙুলিতকৈ বেছি দীঘলীয়া হয় তেন্তে জাতক উৎপীড়নকাৰী, ক্ষমতালিপ্সু আৰু অবাস্তৱবাদী হয়।

মধ্যমা

মধ্যমা আঙুলিৰ অধিপতি শনি। এই শনি বৰ্বৰতা আৰু বাস্তৱতাৰ কাৰক। এইবাবেই মানুহৰ প্ৰবৃত্তিত দেখা যায়, ধৰ্ম আৰু জ্ঞানৰ লগতে অধৰ্ম আৰু পাশৱিকতাৰও সহজাত বিকাশ। বাস্তৱ জগতৰ অধিপতিও হ'ল এই শনিয়েই। এই পৃথিবীত বসবাস কৰি জীয়াই থাকিবলৈ হলে প্ৰাকৃতিক নিয়ম শৃঙ্খলা মানি চলিবই লাগিব। কিন্তু যদি দেখা যায় যে শনিৰ এই আঙুলিটো হাতৰ অন্যান্য আঙুলিতকৈ চুটি তেন্তে বুজিব লাগিব যে জাতক পাগল। এই জাতকৰ পৃথিবীৰ কোনো বস্তুৰ ওপৰতেই কোনো অধিকাৰ নাই।

কিন্তু যদি দেখা যায যে এই আঙুলিটো বেঁকা, ভাঁজ খোৱা, তেন্তে জাতকে মৃগী অথবা হাঁপানী বেমাৰত ভুগিব। অথবা অনতিপলমে তেওঁৰ কোনো অঙ্গহানি হ'ব। এই জাতকৰ প্ৰকৃতি হ'ব অশান্ত আৰু অসংযত।

আৰু এই আঙুলিটো যদি বেছি দীঘল হয় তেন্তে জাতক নি সঙ্গতা আৰু নিৰ্জনতাপ্ৰিয়, লগতে অল্পভাষী, উদ্যমী আৰু অধ্যবসায়ীও হ'ব। এই জাতক ভাল হিচাপৰক্ষক অথবা ব্যবসায়ীও হ'ব পাৰে।

অনামিকা

এই আঙুলিৰ অধিপতি হ'ল সূৰ্য্য। সূৰ্য্যই প্ৰকাশ কৰে শিল্প, সৌন্দৰ্য্য আৰু স্বাভাৱিক ব্যক্তিত্ব। মানুহৰ মাজত নিজৰ আত্ম-প্ৰচাৰৰ প্ৰাবল্য এই সূৰ্য্যৰ প্ৰভাৱতেই ঘটে। এই আঙুলিটোতেই মানুহে আঙঠি আদি মূল্যবান ধাতু ধাৰণ কৰি গৌৰৱ অনুভৱ কৰে।

কাৰণ, মানুহে ভাবে যে হাতৰ ভিতৰত এই আঙুলিটোৱেই হৈছে আটাইতকৈ ধুনীয়া আঙুলি। এই আঙুলিটো যদি বেঁকা অথবা ভাঁজ খোৱা হয় তেন্তে জাতকৰ সৌন্দৰ্য্যবোধ কমি যায়। আঙুলিটো যদি পোন আৰু ধুনীয়া হয় তেন্তে জাতকৰ কলা, শিল্প আৰু সৌন্দৰ্য্যবোধক উন্নত কৰি জাতকৰ স্বাস্থ্য কমনীয় কৰি তোলে।

আঙুলিটো যদি বেয়াকৈ ভাঁজ খায় তেন্তে জাতকে কোনো মানুহৰ সৈতে মিলিব নোৱাৰে। শিল্প-প্ৰতিভা হ্ৰাস পায়। জাতকে অসামাজিক আৰু আত্মকেন্দ্ৰিক হৈ অকলশৰীয়াভাবে জীৱন কটাব। যদি এই আঙুলি মধ্যমাৰ সমান দীঘল হয় তেন্তে জাতকে জুৱা, ফটকা আৰু অংশীদাৰী ব্যৱসায়ত ধন ঘটিব। অৰ্থাৎ জাতক জুৱাৰী মনোবৃত্তিৰ হ'ব।

আৰু যদি মধ্যমা আঙুলিটো প্ৰায় অনামিকাৰ সমান দীঘল হয় তেন্তে জাতক কবি, সাহিত্যিক, জ্যোতিষী, চিত্ৰশিল্পী, গায়ক আৰু ভাল খেলুৱৈ হ'ব পাৰিব। দুই-এজনৰ ভিতৰত নেতা হোৱাৰো আকাঙ্ক্ষা কেতিয়াবা কেতিয়াবা দেখা যায়।

কনিষ্ঠা

এই আঙুলিৰ অধিপতি বুধ। বুধৰ কাৰকতা হৈছে শিশু প্ৰকৃতি। এই জাতক অনুসন্ধিৎসু, সবল, চঞ্চল, জ্ঞানী স্মৃতিশক্তিধাৰী, অনুকৰণপ্ৰিয় আৰু বিনয়ী মনোভাৱৰ লোক হয়।

বিজ্ঞানী আৰু উচ্চাভিলাষীসকলৰ কনিষ্ঠা আঙুলি সাধাৰণ আকাৰৰ হয়। এই আঙুলি যদি অনামিকাৰ নখৰ পৰ্বৰ ওচৰ পায়গৈ তেন্তে জাতক তান্ত্ৰিক, গণিতজ্ঞ আৰু অস্ত্ৰচিকিৎসক হয়। এই দীঘলীয়া কনিষ্ঠা আঙুলি বেঁকা আৰু ভাঁজ খোৱা হলে জাতক ঠগ, চোৰ আৰু জুৱাৰী হয়।

কনিষ্ঠা ক্ষুদ্ৰ হলে অপৰিণামদৰ্শী হয়, আৰু বেছি বেঁকা বা

ভাঁজ খোৱা হলে জাতকৰ মন কুটিল হয় আৰু লগতে তেওঁৰ কোনো পুৰণি ব্যাধিও থকা বুজায়।

এতিয়া আঙুলিবোৰৰ পৰ্ব বিচাৰ কৰা যাওক

পৰ্ব বা পাব বিচাৰ কৰাৰ আগতেই আঙুলিটো পিঠিৰ ফালৰপৰা সমানে দহ ভাগ কৰি লওক। আঙুলিটোৰ প্ৰথম পৰ্ব $\frac{২}{১০}$ অংশ, দ্বিতীয় পৰ্ব ৩$\frac{১}{২}$/১ অংশ, দ্বিতীয় পৰ্ব ৪$\frac{১}{২}$/১ অংশকেই পৰ্ববোৰৰ স্বাভাৱিক দীৰ্ঘতা বুলি ধৰি লব লাগিব।

তৰ্জনী

এতিয়া তৰ্জনীৰ এই প্ৰথম পৰ্বটো যদি স্বাভাৱিকতকৈ দীঘল হয় তেন্তে জাতক অধ্যাত্মজ্ঞানী, কুসংস্কাৰমুক্ত আৰু প্ৰকৃত পণ্ডিত হ'ব।

তৰ্জনীৰ দ্বিতীয় পৰ্ব স্বাভাৱিকতকৈ দীঘল হলে ধীৰ, স্থিৰ, কামুক, উচ্চাভিলাষী আৰু পৰশ্ৰীকাতৰ হ'ব।

তৃতীয় পৰ্ব স্বাভাৱিক হ'লে জনপ্ৰিয়, অন্যৰ ওপৰত প্ৰভাৱ বিস্তাৰকাৰী হ'ব। কিন্তু বৰ বেছি দীঘল হলে জাতক দাম্ভিক, পৰশ্ৰীকাতৰ আৰু অতি আত্মবিশ্বাসী হ'ব।

মধ্যমা

মধ্যমাৰ প্ৰথম পৰ্ব যদি স্বাভাবিক হয় তেন্তে জাতক ধীৰ, ধাৰ্মিক, গভীৰ চিন্তাশীল আৰু গুপ্তবিদ্যাত পাৰদৰ্শী হয়। এই পৰ্বটো যদি স্বাভাৱিকতকৈ বেছি দীঘল হয় তেন্তে জাতক নৈৰাশ্যবাদী হয়। এই আঙুলিৰ দ্বিতীয় পৰ্ব স্বাভাৱিক হলে জাতকে পশুপালন, জমি সংক্ৰান্ত বিষয়ত দক্ষতা দেখুৱাব পাৰে। কিন্তু এই পৰ্বটো যদি স্বাভাৱিকতকৈ দীঘল হয় তেন্তে পৰস্ত্ৰীৰ সঙ্গ কামনা কৰিব। অৱশ্যে, এই ধৰণৰ আঙুলি থকা জাতকৰ আঙুলিটো যদি বেঁকা নহয় তেন্তে তেওঁ বিশেষ সতৰ্ক আৰু তীব্ৰ শক্তিসম্পন্ন লোক হ'ব।

এই আঙুলিৰ তৃতীয় পৰ্ব যদি স্বাভাৱিক হয় তেন্তে মানুহজন সুখী, সংযমী, সঞ্চয়ী, স্বাধীনতাপ্ৰিয় আৰু গণিতত পাৰদৰ্শী হয়। কিন্তু এই পৰ্ব যদি স্বাভাৱিকতকৈ দীঘল হয় তেন্তে জাতক দাম্ভিক, কামুক, কলহপ্ৰিয় আৰু পৰশ্ৰীকাতৰ হয়। অৱশ্যে এই শ্ৰেণীৰ মানুহে প্ৰকৃতি, বিজ্ঞান আৰু খনিসংক্ৰান্ত বিষয়ত দক্ষতা দেখুৱাব পাৰিব।

অনামিকা

অনামিকাৰ প্ৰথম পৰ্ব যদি স্বাভাৱিক হয় তেন্তে জাতক ভাবুক, বুদ্ধিমান আৰু ভাল আইনজ্ঞ হ'ব পাৰে। কিন্তু এই পৰ্ব স্বাভাবিকতকৈ দীঘল হলে জাতকৰ শিল্পবিষয়ত প্ৰতিভা থকাৰ বাবে জাতক ভাল লেখক, সাহিত্যিক অথবা শিল্প বিষয়ৰ যি কোনো বিভাগত অভূতপূৰ্ব দক্ষতা দেখুৱাই তেওঁ বিশ্ববিখ্যাত হ'ব পাৰে। এই জাতকৰ কল্পনাশক্তি প্ৰখৰ হোৱা বাবে এওঁলোকে বাস্তৱতাক চেৰাই গৈ জীবনৰ সূক্ষ্ম ৰহস্যভেদ কৰিবৰ বাবে ব্যাপক অনুসন্ধানত বিভোৰ হৈ থাকে। সেয়ে এওলোকক বহুতেই ভুল বুজে আৰু বেয়া পায়। কিন্তু মনৰ দৃঢতা থাকিলে এই জাতকে জীৱনত উন্নতি কৰিবই কৰিব।

এই আঙুলিৰ দ্বিতীয় পৰ্ব স্বাভাৱিক হ'লে জাতকৰ সমাজত সন্মান লাভ আৰু আত্মোন্নতি সম্ভৱ হয়। এই পৰ্ব দীঘল হলে জাতক ধনী আৰু সু-অভিনেতা হয। এওলোকে যথেষ্ট টকা পইচা গোটায়। এওলোক জাকৃজমকৃতা আৰু আড়ম্বৰপ্ৰিয়। এওলোকে নিজেই নিজৰ প্ৰচাৰ কৰি ফুৰিবলৈ ভাল পায়।

এই আঙুলিৰ তৃতীয় পৰ্ব স্বাভাবিক হ'লে জাতক দেখাত সুন্দৰ আৰু স্বাস্থ্যবান হয়। কিন্তু এওঁৰ চঞ্চলতা আৰু মানসিক অশান্তি কিছু থাকিব। যদি এই পৰ্ব স্বাভাৱিকতকৈ দীঘল হয় তেন্তে জাতক সৌভাগ্যবান হৈও নিজৰ মানসিক দুৰ্বলতা আৰু দৃঢতাৰ অভাৱত ভীৰু স্বভাবৰ বাবে জীৱনত উল্লেখযোগ্য উন্নতি অথবা প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰিব। ছল-চাতুৰীত এই জাতক পাৰদৰ্শী হয়। জলপথত

ভ্ৰমণৰ দ্বাৰা জাতকে হয়তো নিজৰ অৱস্থাৰ পৰিবৰ্ত্তন কৰি লব পাৰিব। এই জাতক ভাল সঙ্গীতজ্ঞ হয়।

কনিষ্ঠা

কনিষ্ঠাৰ প্ৰথম পৰ্ব স্বাভাৱিকতকৈ দীঘল হ'লে জাতক বিদ্বান, বক্তা আৰু সাধক হয়।

যদি দ্বিতীয় পৰ্ব দীঘল হয় তেন্তে জাতকে অস্ত্ৰ উৎপাদনৰ বিষয়ত দক্ষতা দেখুৱাব।

এই আঙুলিৰ তৃতীয় পৰ্ব স্বাভাৱিক দীঘল হলে সেই আঙুলিৰ গৰাকী সমাজপ্ৰিয় হয়। এওঁক সকলোৱে ভাল পায় আৰু এওঁ নি সঙ্গ হৈ থাকিব নোৱাৰে। মুখৰ মধুৰ হাঁহিটিৰ দ্বাৰাই মানুহৰ অন্তৰ জয় কৰিব পাৰে। এওলোক ইমান চতুৰ হয় যে সঁচাক মিছা আৰু মিছাক সচা বুলি প্ৰচাৰ কৰি নানা ধৰণৰ ঘটনা সৃষ্টি কৰিলেও সাধাৰণ বুদ্ধিৰ মানুহে এওলোকৰ এই চতুৰালি ধৰিব নোৱাৰে। কিন্তু ছোবালীবোৰে এই শ্ৰেণীৰ জাতকৰ ফান্দত ভৰি নিদিয়াকৈ বাচি থাকিব নোৱাৰে। আমাৰ ভাৰতৰ হস্তৰেখাবিদসকলৰ মতে এই চাৰিটা আঙুলিৰ বাৰটা পৰ্বত বাৰটা ৰাশি থকা বুজায়। (চিত্ৰ নং—৬)

আঙুলিৰ ধৰণ অথবা আকাৰ

আঙুলিৰ আকাৰ চাৰি ধৰণৰ (১) সূক্ষ্মাগ্ৰ, (২) ডিম্বাকৃতি, (৩) চাৰিচুকীয়া আৰু (৪) স্থূলাগ্ৰ।

(১) **সূক্ষ্মাগ্ৰ** এই আঙুলিবোৰ গুৰিৰপৰা ক্ৰমশ সৰু হৈ গৈ থাকি শেষত মূৰটো জোঙা হৈ যায়।

(২) **ডিম্বাকৃতি** এই আঙুলিবোৰ তলৰ গাঁঠিৰপৰা ক্ৰমশ সৰু হৈ গৈ শেহত ডিম্বাকৃতি হৈ ৰয়।

(৩) **চাৰিচুকীয়া** এই আঙুলিবোৰ গুৰিৰপৰা মূৰলৈকে

একেটা (বহল) জোখতে গৈ থাকি শেহত চাৰিচুকীয়া হৈ ৰয়। কিন্তু প্ৰায়ভাগেই আধা ঘূৰণীয়া, চাৰিচুকীয়া হৈ ৰয়।

(৪) **স্থূলাগ্ৰ** এই আঙুলিবোৰ শুৰিৰপৰা একেটা (বহল) জোখতে আগবাঢি আঙুলিৰ প্ৰথম গাঁঠিলৈকে যায়। তাৰ পিচত ই এই ঠাইৰপৰা ক্ৰমশ বহল আৰু চেপেটা হৈ আঙুলিৰ মূৰ পায়। (দেখাত আঙুলিবোৰ নাৱৰ গুৰিয়ালে নাও বোৱা বঠাপাটৰ দৰে হয়)। গতিকে এতিয়া আঙুলিবোৰ যদি সূক্ষ্মাগ্ৰ হয় তেন্তে জাতক কল্পনাপ্ৰৱণ হ'ব। কিন্তু এই কল্পনাক কাৰ্য্যকৰী কৰোঁতা নহ'ব। যদি ডিম্বাকৃতি হয় তেন্তে জাতক কথাই-কামে মিল থকা বিধৰ লোক হ'ব। যদি চাৰিচুকীয়া হয় তেন্তে জাতকৰ বাবে যুক্তিয়েই সৰ্বোচ্চ—নিয়ম-নীতি মূল্যহীন। যদি স্থূলাগ্ৰ হয় তেন্তে, সামান্য যুক্তিৰ বলত, কোনো সঠিক ধাৰণা নথকাকৈয়ে কাৰ্য্য সম্পাদন কৰা বুজায়। আঙুলিৰ গাঁঠিবোৰে তেওঁলোকৰ নিজৰ চৰিত্ৰৰ কথা নিজে নিজেই প্ৰকাশ কৰে।

ওপৰৰ গাঁঠিক দাৰ্শনিকৰ গাঁঠি বোলে। তলৰ গাঁঠিক বাস্তৱ-বাদীৰ গাঁঠি বোলে।

আঙুলিৰ আকৃতিৰ তুলনামূলক বিচাৰ

সূক্ষ্মাগ্ৰ আঙুলি যদি মিহি হয়, অন্তৰাত্মাৰ কবি হয়। ধৰ্মৰ উচ্চানুভূতি, সুন্দৰৰ পূজাৰী হয়।

যদি ওপৰৰ (প্ৰথম) গাঁঠিটো স্পষ্ট হৈ থাকে, কবিৰ অন্তৰত যুক্তি আৰু বিচাৰৰ দ্বন্দ্ব চলে। ফলত, কবিয়ে নিজৰ সামান্য প্ৰতিভা হেতুকৈ যদিও কামখিনি সমাধা কৰাত শক্তি পায়।

যদি তলৰ (দ্বিতীয়) গাঁঠিটো স্পষ্ট হৈ থাকে, ইয়াত কবিৰ বাস্তৱ চিন্তাই তেওঁৰ উচ্চ খাপৰ চিন্তাক যথেষ্ট বাধা দিয়ে যদিও আনহাতেদি এই চিন্তাই নিজৰ কল্পনা বাস্তৱত পৰিণত কৰিবলৈ কবিক শক্তি যোগায়।

যদি দুয়োটা গাঁঠিয়েই থাকে, তেন্তে এই কবিয়ে তেওঁৰ উচ্চ আদৰ্শ আৰু কল্পনাবাজিৰ চিন্তা এৰি উদ্ভাৱনকৰ্তা বা আৱিষ্কাৰক হবলৈ গৈ শেহত বিফল মনোৰথ অথবা অসন্তুষ্ট হৈ জীৱন শেষ কৰে। এনেকুৱা হাতৰ আঙুলি থকা মানুহৰ সংখ্যা বৰ কম।

ডিম্বাকৃতি আঙুলি যদি মিহি হয়, এই কবিৰ চিন্তাধাৰা ইন্দ্ৰিয় সুখ সম্বন্ধীয়—স্বৰ্গীয়, অথবা সূক্ষ্ম নহয়। চিন্তা-ভাবনা আৰু আচাৰ-ব্যৱহাৰত এওঁলোক অবাধ স্বাধীনতাপ্ৰিয় হয়।

যদি ওপৰৰ (প্ৰথম) গাঁঠি থাকে, তেন্তে এই শিল্পী বাস্তৱ-বুদ্ধিৰ দ্বাৰা শাসিত হয়। তথাপি, এওঁলোক শিল্পৰ বিষয়ত যথেষ্ট অভিজ্ঞ। ডাঙৰ অভিনেতা, গায়ক আৰু নাট্যকাৰৰ হাতত এনে গাঁঠি থকা দেখা যায়।

যদি তলৰ (দ্বিতীয়) গাঁঠি থাকে, তেন্তে এই শিল্পীৰ শিল্প প্ৰতিভাৰ সৈতে নৈতিক শক্তি সংমিশ্ৰিত হয়। কিন্তু এওঁলোকে ধনৰ বিনিময়ত নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে।

যদি দুয়োটা গাঁঠিয়েই থাকে তেন্তে এই জাতক খাঁটি শিল্পী, আৱিষ্কাৰক, চতুৰ লেখক, প্ৰতিভাশালী গায়ক বা অভিনেতা হব পাৰে— যেয়ে পৃথিবীৰ হেজাৰ প্ৰতিকূলতাৰ মাজত থিয় হৈয়ো নিজক দৃঢ়ভাৱে সেইবোৰৰ সন্মুখীন কৰাই জীৱনটো কৃতকাৰ্য্যতাৰ উচ্চ শিখৰলৈ কঢ়িয়াই নিয়ে। কিন্তু এনেকুৱা হাতৰ গৰাকীৰ সংখ্যা খুব কম।

চাৰিচুকীয়া আঙুলি যদি মিহি হয়, তেন্তে এই জাতক দৰ্শন, সমাজবিজ্ঞান আৰু বাস্তৱতাপ্ৰিয় হয়। এই জাতক ভাল সাহিত্যিক হয়। ব্যৱসায়-বুদ্ধি থকা চতুৰ ব্যৱসায়ী হয়। আৰু সকলো চাৰিচুকীয়া আঙুলি থকা জাতক, (আঙুলি মিহিয়েই হওক বা গাঁঠীযাই হওক) কিছু পৰিমাণে স্বাধীনতাপ্ৰিয়, বিশ্বাসী আৰু সত্যবাদী হয়।

যদি ওপৰৰ প্ৰথম গাঁঠি থাকে, তেন্তে এই **জাতকৰ** বুদ্ধি-বিষয়ক কাম কৰাৰ সামৰ্থ্য থাকে। এওঁলোকে যুক্তি ভাল পায়। যি কোনো বিষয়ে এওঁলোকক সহজে প্ৰত্যয় নিওৱা বৰ টান। সকলো বিষয়েই তন্ন-তন্নকৈ বিচাৰ কৰিহে এওঁলোকে ভাল পায়।

যদি তলৰ (দ্বিতীয়) গাঁঠি থাকে তেন্তে এই **জাতকৰ** বাস্তৱ বুদ্ধি বাঢে, যদিও কোনো বিষযৰ ফল লাভ কৰাৰ আগতে তেওঁ সেই বিষয়টো উচিত আৰু ন্যায্য বিচাৰ কৰাৰ প্ৰকৃত ক্ষমতা কিছু পৰিমাণে হেৰুৱাই পেলায়। এই জাতক ভাল চৰকাৰী কৰ্মচাৰী হ'ব পাৰে। শৃঙ্খলা বৰ ভাল পায়। সকলোৰে আগতে নিজৰ কৰ্তব্য কৰাটোহে উচিত বুলি ভাবে।

যদি দুয়োটা গাঁঠিয়েই থাকে তেন্তে এই **জাতকৰ** বাবে প্ৰকৃতিবিজ্ঞান, বুৰঞ্জী, আইন আৰু প্ৰত্নতত্ত্ব বিদ্যা অতি প্ৰিয়। এওলোকে শিল্প-সাহিত্য ভাল নাপায়। ব্যবসায়ত ধন খটুৱাত ওস্তাদ। এওলোক বৰ সবল হয়।

স্থূলাগ্ৰ আঙুলি যদি মিহি হয় তেন্তে এই জাতকে প্ৰকৃত জীৱনক ভাল পায়। খেল-ধেমালি, ভ্ৰমণ আদি এওঁলোকৰ অতি প্ৰিয়। এওলোকে মানসিক শ্ৰমতকৈ শাৰীৰিক শ্ৰম কৰিহে ভাল পায়।

যদি ওপৰৰ প্ৰথম গাঁঠি থাকে, এই জাতকে অনুভূতিক ঘৃণা কৰে। শিল্প, সাহিত্যৰ সূক্ষ্ম বিচাৰমূলক তৰ্কত সোমাব নোখোজে। আনহাতে, এইবোৰ বিচাৰ অনৰ্থক বুলি এইবোৰক এৰাই ফুৰিহে ভাল পায। এওঁ বাস্তৱতাপ্ৰিয় লোক হয়।

যদি তলৰ দ্বিতীয় গাঁঠি থাকে তেন্তে এই জাতকো বাস্তৱতাপ্ৰিয় হয়। এওঁলোক সুন্দৰৰ পূজাৰ পক্ষপাতী নহয়। সৈন্য বাহিনীৰ ডাঙৰ অফিচাৰবোৰৰ হাতৰ আঙুলি এনে ধৰণৰ।

যদি দুয়োটা গাঁঠিয়েই থাকে তেন্তে এই জাতক খেল-ধেমালি, ভ্ৰমণ আদিৰ বিষয়ত অত্যন্ত আগ্ৰহী হৈ উঠে। এওঁলোকৰ

শৰীৰে শক্তি হেৰুৱালেহে মনে শক্তি হেৰুৱায়। এওঁলোকে সেই বিজ্ঞানক ভাল পায়, যি বিজ্ঞানে এওঁলোকৰ দু সাহসীমূলক অভিযানত সহায় কৰে। স্থূলাগ্ৰ আঙুলি থকা মানুহৰ সংখ্যা অধিক। বিশেষকৈ দ্বিতীয় গাঁঠি থকা লোকৰ সংখ্যাই অধিক।

প্ৰত্যেক আঙুলিৰ মূৰবোৰৰ তুলনামূলক বিচাৰ

তৰ্জনী

সূক্ষ্মাগ্ৰ হলে দৈৱানুভূতি, প্ৰকৃত ধাৰ্মিক।
ডিম্বাকৃতি হলে অধ্যয়নপ্ৰিয়, অনুভূতিপ্ৰৱণ।
চাৰিচুকীয়া হলে সত্যপ্ৰিয়, সত্যবাদী।
স্থূলাগ্ৰ হলে কাম কৰাৰ অত্যাধিক আগ্ৰহ।

মধ্যমা

সূক্ষ্মাগ্ৰ হলে ঈশ্বৰৰ প্ৰতি অত্যাধিক অনুৰাগ।
ডিম্বাকৃতি হলে ধৰ্মৰ বিষযত সুস্থ মনোভাব।
চাৰিচুকীয়া হলে বিজ্ঞতা।
স্থূলাগ্ৰ হলে কৰ্মপ্ৰিয।

অনামিকা

সূক্ষ্মাগ্ৰ হলে আদৰ্শবাদী, শিল্পী, কবি।
ডিম্বাকৃতি হলে শিল্পী মনোবৃত্তি।
চাৰিচুকীয়া হলে শিল্প-সাহিত্যত সত্যৰ প্ৰকাশ।
স্থূলাগ্ৰ হলে চলন্ত শিল্পী (নাট্যকাৰ, অভিনেতা আদি)

কনিষ্ঠা

সূক্ষ্মাগ্ৰ হলে বিজ্ঞানৰ খাটিৰতে বিজ্ঞানক ভালপোৱা।
ডিম্বাকৃতি হলে কৌশল।
চাৰিচুকীয়া হলে শিক্ষকতাত সামৰ্থ্য।
স্থূলাগ্ৰ হলে সক্ৰিয় ব্যৱসায়ত পটুতা।

চতুৰ্থ অধ্যায়

এতিয়া আমি হাতৰ সম্পৰ্কে আলোচনা কৰোঁ ঃ

(চিত্ৰ নং—৫)

বিশেষভাৱে উল্লেখযোগ্য কেইখনমান হাত হ'ল

(১) সাধাৰণ হাত, (২) চাৰিচুকীয়া বা প্ৰয়োজনীয় হাত, (৩) স্থূলাগ্ৰ বা কৰ্মী হাত, (৪) শিল্পী হাত, (৫) দাৰ্শনিক হাত, (৬) মানসিক বা আদৰ্শবাদী হাত (সূক্ষ্মাগ্ৰ), (৭) নিষ্ঠুৰ হত্যাকাৰীৰ হাত, (৮) অতি নিষ্ঠুৰ হত্যাকাৰীৰ হাত, (৯) জন্মাৱধি মূৰ্খৰ হাত, (১) মিশ্ৰিত হাত।



সাধাৰণ হাত চাৰিচুকিয়া হাত

চিত্ৰ নং—৫

সাধাৰণ হাত

এই হাত সভ্য জাতিৰ মাজত প্ৰায়েই দেখা নেযায়। এই হাত শীত প্ৰধান দেশৰ মানুহৰ হাততেই প্ৰায় দেখা যায়। কিৰোৰ মতে, "এই হাত এস্কিমো, আইছলেণ্ড, ল্যাপ লেণ্ড, ৰাছিয়া আৰু

ছাইবেৰিয়াৰ উত্তৰ অংশত বাস কৰা লোকসকলৰ মাজত দেখা যায়। আৰু এই মানুহবোৰৰ প্ৰকৃতি শীতল আৰু আবেগহীন। এনেকি, এওঁলোকৰ স্নায়ুকেন্দ্ৰও উন্নত ধৰণৰ নহয়। গতিকে, অন্যান্য ধৰণৰ মানুহে দুখ-কষ্ট, যন্ত্ৰণা আদিক যিমান তীব্ৰভাবে অনুভৱ



কৰ্মী হাত (স্থূলাগ্ৰ)



শিল্পী হাত (ভিন্নাকৃতি)

কৰে, এওঁলোকে তেনেভাবে নকৰে। এওলোকৰ প্ৰকৃতি আৰু মনৰ আকাঙ্ক্ষাও পশুৰ দৰে। কোনো ৰকমেহে এওলোকক পশুৰপৰা পৃথক কৰিব পাৰি।'

চাৰিচুকীয়া বা প্ৰয়োজনীয় হাত

কিৰোৰ মতে, এই হাত ছুইডেন, ডেন্‌মাৰ্ক, জাৰ্মানী, হলেণ্ড, ইংলেণ্ড আৰু স্কটলেণ্ডৰ মানুহৰ হাতত প্ৰচুৰ পৰিমাণে দেখা পোৱা যায়। এই হাতৰ লোকসকলৰ এটি প্ৰধান গুণ হ'ল, শৃঙ্খলা, যুক্তি-শক্তি আৰু দেশৰ প্ৰচলিত ৰীতি নীতি মানি চলা। এওঁলোকৰ

ভিতৰত আবেগপ্ৰৱণতা আৰু বাহ্যাড়ম্বৰ বেছি দেখা নেযায়। দৃঢ় ইচ্ছা আৰু উদ্দেশ্য লৈ জীৱনৰ ধৰাবন্ধা কাম কৰি যায়। এওঁলোকে জীৱনৰ বাস্তৱ ফালটোৰ প্ৰতি বিশেষভাৱে লক্ষ্য ৰাখে।

দাৰ্শনিক হাত



আদৰ্শবাদী হাত (সূক্ষ্মাগ্ৰ)

স্থূলাগ্ৰ বা কৰ্মী হাত

কিৰোৱে কৈছে যে, আমেৰিকানবোৰ হৈছে এই হাতৰ মানুহ। এওলোক উদ্যমী আৰু চঞ্চল। অনুসন্ধানকাৰী আৰু গৱেষক। এওঁলোকে শিল্প-বিজ্ঞান আৰু যন্ত্ৰ বিজ্ঞানৰ গৱেষণাত প্ৰচুৰ প্ৰতিভা দেখুৱাব পাৰে। এওঁলোকে যেতিয়া কোনো বস্তু আৱিষ্কাৰ কৰে চাবিচুকীয়া হাতৰ ধৈৰ্য্যলৈ আৱিষ্কাৰ নকৰে। এওঁলোকে খুব দ্ৰুত ধাৰণা কৰিব পাৰে কাৰণেই সকলো বস্তুৰেই অতি কম সময়ৰ ভিতৰতে আৱিষ্কাৰ কৰে। এওঁলোকৰ প্ৰতিভা বহুমুখী। কিন্তু এওঁলোক বৰ চঞ্চল। প্ৰতি মুহূৰ্ত্তে মত পৰিবৰ্ত্তন কৰে, এইয়ে এওঁলোকৰ দোষ। নতুন নতুন শিল্প, বিজ্ঞান আৰু পৰিকল্পনাৰ যোগে মানৱজাতিক

উন্নতিৰ শিখৰত আগবঢ়াই নিবলৈকে পৃথিবীৰ সমগ্ৰ মানৱ সমাজে আজি এই সূচ্যগ্ৰ হাতৰ লোকসকলৰ প্ৰতি উৎসুক নেত্ৰে চাই আছে।

শিল্পী হাত

এই হাতৰ মানুহ ইউৰোপৰ দক্ষিণাংশত, গ্ৰীচ, ইটালি, স্পেইন ফৰাচী আৰু আয়াৰলেণ্ড আদি দেশত প্ৰচুৰ পৰিমাণে দেখা যায় বুলি কিৰোৱে কয়। তেওঁ আৰু কয় যে, নানা জাতিৰ সংমিশ্ৰণৰ ফলত পৃথিবীৰ নানা স্থানত এনে হাতৰ লোক এতিয়া দেখিবলৈ পোৱা যায়।



নিষ্ঠুৰ হাত

মিশ্ৰ হাত

এই হাতৰ লোকসকলৰ প্ৰধান বৈশিষ্ট্য আবেগপ্ৰৱণতা, শিল্পী-অনুভূতি আৰু ক্ৰোধ আদি। এই হাতৰ মানুহে চাবিচুকীয়া আৰু কৰ্মীহাতৰ মানুহৰ নিচিনাকৈ টকা-পইচা জমা কৰিব নোৱাৰে। এওঁলোকৰ ব্যৱসায় বুদ্ধি কম। কিন্তু প্ৰকৃতিয়ে এওঁলোকক কল্পনা-শক্তি প্ৰদান কৰি কবিতা আৰু উপন্যাস আদি লিখাৰ শক্তি দি, পূৰ্বোক্ত ক্ষতি বহু পৰিমাণে পূৰণ কৰিছে।

দাৰ্শনিক হাত

কিবোৰ মতে এই হাতৰ মানুহ প্ৰাচ্যদেশতেই বিশেষভাবে দেখা যায়। ইউৰোপৰ যিবোৰ মানুহে আধুনিক কালৰ উপযোগী হিন্দুধৰ্ম, (ব্ৰহ্মবিদ্যা) বৌদ্ধ ধৰ্ম বা এই ধৰণৰ ধৰ্ম, নীতি আৰু আদৰ্শক ভাল পায় সেইসকল লোকৰ হাত এই দাৰ্শনিক হাতৰ দৰে। এই হাতৰ লোকসকলে ধৰ্মালোচনা আৰু নিগূঢ় তত্ত্বৰ বিষয়ে অনুসন্ধান কৰিবলৈ ভাল পায়। কিন্তু পৃথিৱীৰ মানুহে এওঁলোকক পগলা বুলিহে ভাবে। প্ৰকৃততে এই পগলাবোৰ নেথাকিলেহে পৃথিৱীখন পগলা হৈ গ'লহেঁতেন যেন লাগে।

আধ্যাত্মিক বা আদৰ্শবাদী হাত

এই হাতৰ মানুহ কোনো বিশেষ জাত বা জাতিৰ মাজতহে দেখা যায় এনে নহয়, কেতিয়াবা কেতিয়াবা অতি বাস্তৱবুদ্ধি থকা উদ্যমশীল দেশ বা জাতিৰ মাজতো দেখা যায়। কিন্তু এই হাতৰ মানুহৰ বাস্তববুদ্ধি বা উদ্যম কোনোটিয়েই নাই। হয়তো এই প্ৰকাৰ হাত সকলো প্ৰকাৰ হাতৰ মিলিত ফলৰ প্ৰকাশ। সাধাৰণ মানুহৰ দৰে এওলোকৰ পাঁচোটি জ্ঞানেন্দ্ৰিয়ৰ ঠাইত হয়তো সাতোটি জ্ঞানেন্দ্ৰিয় আছে। এই হাতৰ মানুহবোৰ যেন স্বৰ্গৰো নহয়—পৃথিবীৰো নহয়। এওঁলোক জগতৰ কঠিন কামবোৰৰ উপযোগী নহয় বুলিয়েই হয়তো বাস্তৱবুদ্ধিও এওলোকৰ অকণো নাই। হয়তো মানৱজাতিৰ মিলিত চিন্তাৰ সাৰাংশখিনি মানুহক দিয়াৰ বাবেই এওলোকে জন্ম গ্ৰহণ কৰিছে। জগতৰ কোনো বস্তুৱেই বৃথাই সৃষ্টি হোৱা নাই। প্ৰত্যেক বস্তুৰেই এটি প্ৰয়োজনীয়তা আছে আৰু থাকে। হয়তো এই হাতৰ মানুহবোৰহে পৃথিবীৰ আটাইতকৈ প্ৰয়োজনীয় প্ৰাণী। এইয়া কিবোৰ কথা।

নিষ্ঠুৰ হত্যাকাৰীৰ হাত

ঈশ্বৰে যেন কোনো অজ্ঞেয় অথবা দুৰ্জ্জেয় উদ্দেশ্য সাধনৰ উদ্দেশ্যেই ইহঁতক সৃষ্টি কৰিছে। ইহঁতৰ হাতৰ তলুৱাৰ ৰং ৰঙা। হাত শকত, গধুৰ, স্বাভাৱিকতকৈ বহল, আঙুলিবোৰ ভাঁজ খাব নোখোজা, দৃঢ়, চুটি কিন্তু পাক খোৱা। বুঢ়া আঙুলি চুটি, গদাৰ দৰে। দেখিবলৈ কদাকাৰ। পশুৰ হাঁতোৰাতকৈ অলপহে উন্নত। কৰতলৰ মূলৰেখা তিনিটাই মাত্ৰ। শিৰোৰেখা আৰু হৃদয়-ৰেখা চুটি। বহু সময়ত শিৰোৰেখাই হৃদয় ৰেখাক গ্ৰাস কৰে। আৰু প্ৰায়ভাগৰে হৃদয়ৰেখা নথকা। ফাঁচী কাঠত মৰিব লগা হ'লে আয়ুস ৰেখাও চুটি, ছিগা অথবা বেয়াকৈ কৰ্তিত হয়।

আকৌ, জন্মাৱধি মূৰ্খৰ হাতো দেখাত প্ৰায় এই হত্যাকাৰীৰ হাতৰ দৰেই হয। কিন্তু ইহঁতৰ তলুৱা অথবা ৰেখাৰ ৰং ৰঙা নহয়। আৰু বুঢ়া আঙুলি গদাৰ দৰে নহয়। ভাঁজ খুৱালে আঙুলিবোৰ সামান্য পিচলৈ ভাঁজ খায়। শিৰোৰেখা চুটি যদিও উৰ্দ্ধমুখী নহয়।

প্ৰাথমিক হাতৰ কথা পূৰ্বে কিছু কোৱা হৈছে। এই হাত মূৰ্খৰ হাততকৈ কিছু উন্নত ধৰণৰ।

এতিয়া মিশ্ৰিত হাতৰ কথা কিছু উল্লেখ কৰা হ'ল।

তৰ্জনী, কনিষ্ঠা সূক্ষ্মাগ্ৰ আৰু অনামিকা, মধ্যমা ডিম্বাকৃতি

ভাল হাতত আকাশলঙ্ঘী উচ্চাকাঙ্ক্ষা, বিজ্ঞানক বিজ্ঞানৰ খাটিৰত ভালপোৱা, সুস্থ ধৰ্মীয় বিশ্বাস আৰু শিল্প সাহিত্যৰ উচ্চ ধাৰণা তথা প্ৰতিভা।

বেয়া হাতত বলিয়াৰ গৌৰৱ, অনবৰত দুৰভিসন্ধিমূলক চিন্তা, কুসংস্কাৰ আৰু শিল্প-সাহিত্যৰ ভুল প্ৰয়োগ।

তৰ্জনী-কনিষ্ঠা সূক্ষ্মাগ্ৰ আৰু অনামিকা মধ্যমা চাৰিচুকীয়া

ভাল হাতত আকাশলঙ্ঘী উচ্চাকাঙ্ক্ষা, বাগ্মীবীৰ, বিজ্ঞতা আৰু শিল্প-সাহিত্যৰ শুদ্ধ পথপ্ৰদৰ্শক।

বেয়া হাতত বলিয়াৰ গৌৰৱ, কূটনীতিত অতি দক্ষ লোক, মনুষ্য-বিদ্বেষী আৰু অসৎ উদ্দেশ্য সাধনৰ বাবে শিল্প-সাহিত্যৰ অপপ্ৰয়োগ।

তৰ্জনী কনিষ্ঠা ডিম্বাকৃতি আৰু অনামিকা মধ্যমা চাবিচুকীয়া

ভাল হাতত উচ্চ আদৰ্শ থকা শিল্প সাহিত্য অধ্যয়নৰ বাবে আগ্ৰহ, বিজ্ঞান আৰু আবিষ্কাৰৰ স্পৃহা, কৃষিপ্ৰিয়, বিজ্ঞ, শিল্প, সাহিত্য, গীত আদিৰ প্ৰতি ধাবিত মন।

বেয়া হাতত বৃথা গৰ্ব, ব্যৱসায়-বাণিজ্যত অসাধুতা, ধৰ্মৰ বিষয়ে ভুল ধাৰণা, টকাৰ লোভত শিল্প-সাহিত্যৰ সাধনা।

তৰ্জনী কনিষ্ঠা ডিম্বাকৃতি আৰু অনামিকা-মধ্যমা স্থূলাগ্ৰ

ভাল হাতত ভ্ৰমণ কাহিনী পঢ়িবলৈ আগ্ৰহ, অতি দূৰ দেশলৈ যোৱাৰ কল্পনা, অক্লান্ত কৰ্মী, বুৰঞ্জী বিষয়ক লিখক, চিত্ৰকৰ আদি।

বেয়া হাতত নিজৰ ক্ষুদ্ৰ জ্ঞানক 'বিৰাট জ্ঞান' বুলি ভাবি গৰ্বত ওফন্দি থকা, বৃথা প্ৰচাৰ, অধৰ্মী আৰু অদৰ্কাৰত অৰ্থব্যয়।

আঙুলিৰ পাববোৰৰ ভিতৰ ফালটো ফুলা ফুলা ধৰণৰ হ'লে জাতক কিছু পৰিমাণে স্বাৰ্থপৰায়ণ হয়।

পঞ্চম অধ্যায়

প্ৰত্যক আঙুলিৰ গুৰিত আৰু তলুৱাত নটি গ্ৰহৰ নখন পৰ্বত আছে। (চিত্ৰ নং—৬) যেনে (১) বৃহস্পতিৰ আঙুলিৰ গুৰিত বৃহস্পতিৰ পৰ্বত। (শিৰোৰেখাৰ সীমাৰেখা পৰ্য্যন্ত)



চিত্ৰ নং—৬

(২) শনিৰ আঙুলিৰ গুৰিত শনিৰ পৰ্বত। (হৃদয়ৰেখাৰ সীমা পৰ্য্যন্ত)

(৩) সূৰ্য্যৰ আঙুলিৰ গুৰিত সূৰ্য্যৰ পৰ্বত। (হৃদয়ৰেখাৰ সীমা পৰ্য্যন্ত)

(৪) বুধৰ আঙুলিৰ গুৰিত বুধৰ পৰ্বত। (হৃদয়ৰেখাৰ শেষ সীমা পৰ্য্যন্ত)

(৫) কনিষ্ঠা আঙুলিৰ তলৰ ফালে হৃদয়ৰেখা আৰু শিৰোৰেখাৰ মাজৰ ঠাইখণ্ড মানসিক মঙ্গলৰ পৰ্বত।

(৬) মানসিক মঙ্গলৰ পৰ্বতৰ তলতেই প্ৰথম বলয়ৰেখাৰ সীমালৈকে চন্দ্ৰৰ পৰ্বত।

(৭) বুঢ়া আঙুলিৰ গুৰিত প্ৰথম বলয়ৰেখা আৰু আয়ুসৰেখাৰ নিম্নাংশ পৰ্য্যন্ত শুক্ৰৰ পৰ্বত।

(৮) বৃহস্পতিৰ পৰ্বত আৰু শুক্ৰৰ পৰ্বতৰ মাজৰ ঠাইখণ্ড, আয়ুসৰেখাৰ উৰ্দ্ধাংশ পৰ্য্যন্ত, সক্ৰিয় মঙ্গলৰ (ৰাহুৰ) পৰ্বত।

(৯) হৃদয়ৰেখা, আয়ুসৰেখা আৰু স্বাস্থ্যৰেখাৰ মধ্যৰ ঠাইখণ্ড (কৰতলৰ মধ্যখণ্ড) মঙ্গলৰ সমতলভূমি। প্ৰাচ্যত ইয়াক কেতুৰ সমতল ক্ষেত্ৰ অথবা পৰ্বত বুলিও কোৱা হয।

বৃহস্পতিৰ পৰ্বত (অথবা ক্ষেত্ৰ)

যি জাতকৰ বৃহস্পতিৰ ক্ষেত্ৰ সুগঠিত আৰু পুষ্ট হয় সেই জাতক উচ্চাকাঙ্ক্ষী, অহঙ্কাৰী আৰু ভাল কামত উৎসাহ আৰু ক্ষমতা লাভৰ আকাঙ্ক্ষা থকা বুজায়।

শনিৰ পৰ্বত

শনিৰ ক্ষেত্ৰ পুষ্ট আৰু সুগঠিত হ'লে জাতকৰ পবিত্ৰ আৰু উচ্চাঙ্গ সঙ্গীতপ্ৰীতি, বিপদসূচক বিষয়ৰ অধ্যয়ন, কাৰ্য্যত আন্তৰিকতা, ধৰ্মীয় কাৰ্য্যত বিজ্ঞতা, শান্ত পৰিবেশ আৰু নিৰ্জনতাপ্ৰিয় হোৱা বুজায়।

সূৰ্য্যৰ পৰ্বত

এই ক্ষেত্ৰটি পুষ্ট আৰু সুগঠিত হ'লে জাতকৰ সুন্দৰ বস্তুৰ প্ৰতি বিশেষ আকৰ্ষণ, শিল্প সাহিত্য, কবিতা, চিত্ৰাঙ্কন বিদ্যাৰ প্ৰতি আন্তৰিকতা আৰু কল্পনাসম্ভূত কৰ্মৰ প্ৰতি অনুৰাগ থকা বুজায়। এই জাতকৰ মন আৰু চিন্তা সৌন্দৰ্য্যপিপাসু হয়।

বুধৰ পৰ্বত

জাতকৰ এই ক্ষেত্ৰটি পুষ্ট আৰু সুগঠিত হ'লে পৰিবৰ্তনশীলতা, ভ্ৰমণ, দ্ৰুত চিন্তা, তীক্ষ্ণবুদ্ধি আৰু বাগ্মীতা প্ৰকাশ কৰে।

মানসিক মঙ্গলৰ পৰ্বত

এই ক্ষেত্ৰটি পুষ্ট আৰু সুগঠিত হ'লে এই ক্ষেত্ৰই মানসিক বল, আত্মসংযম, অন্যায় কামত বাধাদান কৰাৰ ক্ষমতা আৰু ভগবানৰ ওপৰত বিশ্বাস থকা বুজায়।

চন্দ্ৰৰ পৰ্বত

যদি এই ক্ষেত্ৰ পুষ্ট আৰু সুগঠিত হয় তেন্তে এই ক্ষেত্ৰই কল্পনা শক্তি, মাৰ্জিত ৰুচি, উচ্চ আদৰ্শ, সুন্দৰৰ প্ৰতি অনুৰাগ, কবিতা আৰু কল্পনাসম্ভূত উপন্যাসৰ প্ৰতি উৎসুকতা আৰু ৰোমাণ্টিক প্ৰেমৰ সূচনা কৰে।

শুক্ৰৰ পৰ্বত

যি জাতকৰ এই ক্ষেত্ৰটি সুগঠিত আৰু সুপুষ্ট, সেই জাতকৰ প্ৰেম-প্ৰীতি, সহানুভূতি, পৰোপকাৰ প্ৰবৃত্তি, সঙ্গীত-সাহিত্যৰ প্ৰতি আগ্ৰহ অনুৰাগ, বিপৰীত লিঙ্গৰ প্ৰতি আসক্তি আৰু সৌন্দৰ্য্যপ্ৰীতিৰ প্ৰতি আকাঙ্ক্ষা থকা বুজায়। এই জাতক শাৰীৰিক শক্তিসম্পন্ন হয়।

সক্ৰিয় মঙ্গলৰ পৰ্বত (বাহুৰ) অথবা ক্ষেত্ৰ

এই ক্ষেত্ৰটি সুগঠিত আৰু পুষ্ট হ'লে সক্ৰিয় সাহস আৰু যুদ্ধপ্ৰিয় স্বভাৱ সূচনা কৰে। যদি অস্বাভাৱিকভাৱে বৃহৎ হয় তেন্তে ক্ষুদ্ৰ ক্ষুদ্ৰ কথাতেই হাই কাজিয়া কৰি ফুৰা বিধৰ স্বভাৱ হয়।

মঙ্গলৰ সমতলভূমি

এই ক্ষেত্ৰটি সুগঠিত হ'লে অৰ্থাৎ হাতৰ অন্যান্য পৰ্বতবোৰৰ সমান হ'লে এই ক্ষেত্ৰই জাতকৰ মনলৈ স্বাৰ্থপৰতাৰ ভাব আনি দিয়ে। এওঁলোকে লাভ-লোকচানৰ হিচাপ নকৰাকৈ কোনো কামতে হাত নিদিয়ে। এওঁলোক অঙ্ক শাস্ত্ৰত পাৰদৰ্শী হয় আৰু এই শ্ৰেণীৰ জাতক বহু ভূ সম্পত্তিৰ মালিক হয়। তদুপৰি, আঙুলিৰ গঢ়ন অনুযায়ী পৰ্বতবোৰৰো গুণাগুণ বেলেগ বেলেগ ধৰণৰ হয়। বিশ্ববিখ্যাত হস্তৰেখাবিদ চেণ্ট জাৰমেইনৰ মতে

শনিৰ পৰ্বত

আঙুলিৰ মুৰৰ গঢ়ন	স্বাভাৱিক	অস্বাভাৱিক	অস্তিত্বহীন
সূক্ষ্মাগ্ৰ	শোকৰ কবিতা ৰচনাকাৰী।	অস্বাভাবিক—অসুস্থ মনোভাৱাপন্ন।	সকলো ধৰণৰ অলৌকিকতাক অগ্ৰাহ্য।
ডিম্বাকৃতি	অসুস্থ অস্বাভাৱিক মনোভাৱ।	শিল্প বিষয়ত অতি শোকাতুৰ মতামত।	শিল্প সম্পৰ্কে বাস্তৱতাবাদী।
চাৰিচুকীয়া	নি সঙ্গতা নিৰ্জনতাপ্ৰিয়।	মানুহৰ প্ৰতি ঘৃণা।	সকলো বিষয়ত অতি উদাসীনতা।
মূলাগ্ৰ	কৃষি কৰ্ম্মপ্ৰিয় য ত কোনো লোকচানৰ ভয় নাই তেনে কৰ্মত লিপ্ত।	ঘৃণাবশত আনৰ প্ৰতি আক্ৰমণাত্মক মনোভাৱ।	আনৰ প্ৰতি উদাসীন হৈ কঠোৰ কিন্তু অক্লান্ত কৰ্মী।

বৃহস্পতিৰ পৰ্বত

আঙুলিৰ মূৰৰ গঢ়ন	স্বাভাৱিক	অস্বাভাৱিক	অস্তিত্বহীন
সূক্ষ্মাগ্ৰ	উচ্চ ধাৰ্মিক ভাব।	কুস স্কাৰাপন্ন।	আগ্ৰহহীন।
ডিম্বাকৃতি	উচ্চ গৰ্ব ভাব।	বৃথা শিল্পী মনো ভাৱ।	আনৰ প্ৰতি শ্ৰদ্ধাহীন।
চাবিচুকীয়া	নিজৰ কামত গৌৰৱ মনোভাৱ।	বৃথা গৰ্ব।	আত্মবিশ্বাসহীন।
স্থূলাগ্ৰ	ডাঙৰ দৃ সাহসিক কামত গৰ্ব।	অহঙ্কাৰী।	নীচ মনোবৃত্তি সম্পন্ন।

শুক্ৰৰ পৰত

আঙুলিৰ মূৰৰ গঢ়ন	স্বাভাৱিক	অস্বাভাৱিক	অস্তিত্বহীন
সূক্ষ্মাগ্ৰ	আদশবাদী প্ৰেমিক।	পাপযুক্ত কল্পনা কাৰী।	অনাসক্ত প্ৰেমিক।
ডিম্বাকৃতি	পদাৰ্থপ্ৰিয় কবি স্বভাৱ।	অস গতি—সামঞ্জস্যহীন।	শিল্পীয়ে নিজৰ শিল্পৰ সৈতে এক হৈ যোৱা।
চাবিচুকীয়া	পৰিয়ালৰ প্ৰতি অকৃত্ৰিম ভাল পোৱা তথা প্ৰেম।	কামুকতা।	বিপৰীত লিঙ্গৰ ৰূপগুণৰ প্ৰতি উদাসীনতা।
স্থূলাগ্ৰ	জাতকে তেওঁৰ অবিৰত উত্তেজনা দূৰীকৰণাৰ্থে নিজৰ স্বামীবা স্ত্ৰীক বন্ধুভাৱে বিচনাত বিচাৰে।	এই জাতকে যি কোনো ঠাইতেই নিজৰ যি কোনো এজন প্ৰিয়তম অথবা প্ৰিয়তমা বিচাৰি উলিয়ায়।	এই জাতকে বিপৰীত লিঙ্গক গ ল গ্ৰ হ বু লি ভাবে।

সূৰ্য্যৰ পৰ্বত

আঙুলিৰ মূৰৰ গঢ়ন	স্বাভাৱিক	অস্বাভাৱিক	অস্তিত্বহীন
সূক্ষ্মাগ্র	ধুনীয়া কল্পনাকাৰী প্ৰতিভাশীল।	অসুস্থ প্ৰতিভা।	অ শি ল্পী সু ল ভ কল্পনা।
ডিম্বাকৃতি	গুণী শিল্পী আদৰ্শবাদী লিখক।	প্ৰতিভাৰ বিকৃত প্ৰকাশ।	আ দ ৰ্শ হী ন চতুৰতা।
চাৰিচুকীয়া	বাস্তৱ শিল্পী।	কামুকতাই স্বাভাৱিক প্ৰতিভাক বাধা দিব।	বুদ্ধিদীপ্ত কামৰ প্ৰতি অনিচ্ছা।
স্থূলাগ্র	উত্তেজনাপূৰ্ণ শিল্প কৰ্মক আ াকি অথবা লিখি ভাল পায়।	প্ৰতিভাহীন বাগাড়ম্বৰ।	শিল্প কৰ্মত ঘৃণা।

মঙ্গলৰ উচ্চ পৰ্বত (মানসিক মঙ্গল)

আঙুলিৰ মূৰৰ গঢ়ন	স্বাভাৱিক	অস্বাভাৱিক	অস্তিত্বহীন
সূক্ষ্মাগ্র	শ্বহীদ হোৱাৰ সৎসাহস।	ধ ৰ্ম ত না ম ত হত্যাকাৰী।	ভীৰু কাপুৰুষ।
ডিম্বাকৃতি	দেশসেৱক হোৱাৰ সাহস থকা।	বৃথা আস্ফালন কাৰী।	জনতাৰ সন্মুখীন হ বলৈ ভয়াতুৰ।
চাৰিচুকীয়া	সাহসী সৈনিক।	অকৃতকাৰ্য্য বিদ্ৰোহকাৰীৰ বৃথা তৰ্জন গৰ্জন।	দৈনন্দিন কামতো ভয়াতুৰ।
স্থূলাগ্র	আৱিষ্কাৰৰ বাবে সাহসী অনুসন্ধান কাৰী।	দু ষ্ট ৰ শ ক্তি প্ৰদৰ্শন।	যুদ্ধক্ষেত্ৰৰ পৰা পলায়নকাৰী।

বুধৰ পৰ্বত

আঙুলিৰ মূৰৰ গঢ়ন	স্বাভাৱিক	অস্বাভাৱিক	অস্তিত্বহীন
সূক্ষ্মাগ্ৰ	বিজ্ঞানী ডাক্তৰ।	নতুন ধৰ্মৰ কল্পনাকাৰী।	সুস্থ চিন্তাৰ সৈতে অসুস্থ বুদ্ধি।
ডিম্বাকৃতি	সুবক্তা।	পদাৰ্থ বিষয়ত দক্ষ আৱিষ্কাৰক।	কোনো দৈহিক অথবা মানসিক দুৰ্বলতাৰ বাবে বাক্পটুতাহীন।
চাৰিচুকীয়া	ডাঙৰ উদ্ভাৱনকাৰী তথা আৱিষ্কাৰক।	বিপদজনক ভয়ঙ্কৰ চক্ৰান্তকাৰী।	বিজ্ঞান অথবা বাণিজ্য বিষয়ত দক্ষতাহীন।
স্থূলাগ্ৰ	ডাঙৰ উদ্ঘাটনকাৰী তথা আৱিষ্কাৰক।	অবিৰত অপৰাধ কাৰী।	প্ৰয়োজনীয় বিষয়ত নিষ্ক্ৰিয়তা।

চন্দ্ৰৰ পৰ্বত

আঙুলি মূৰৰ গঢ়ন	স্বাভাৱিক	অস্বাভাৱিক	অস্তিত্বহীন
সূক্ষ্মাগ্ৰ	উৎকৃষ্ট কল্পনাকাৰী	বৰ বলিয়ালি।	কল্পনাশক্তিহীন।
ডিম্বাকৃতি	মেধাবী শিল্পী।	বৃথা গৰ্ব।	শিল্পৰ অনুকৰণ প্ৰিয় অভিনেতা।
চাৰিচুকীয়া	কবিতাৰ প্ৰতি সুস্থ প্ৰেম।	সাধাৰণ জ্ঞানৰ অভাৱ।	নিৰস বিৰক্তিকৰ জীৱন।
স্থূলাগ্ৰ	প্ৰকৃতি প্ৰিয়।	চিঞৰ বাখৰকাৰী পগলা।	কৰিব পৰা কাম বোৰতো মনো যোগহীনতা।

মঙ্গলৰ অনুচ্চ পৰ্বত (সক্ৰিয় মঙ্গল)

আঙুলিৰ মূৰৰ গঢ়ন	স্বাভাৱিক	অস্বাভাৱিক	অস্তিত্বহীন
সূক্ষ্মাগ্ৰ	স্বৰ্গীয় সহিষ্ণুতা ঈশ্বৰৰ ইচ্ছাৰ ওচৰত আত্ম সমৰ্পণ।	স শোধনৰ বাবে নিজৰ শৰীৰক অন্যায়ভাৱে শাস্তি দিয়া কাৰ্য্য।	অনুভূতিশীল সংবেদনশীল আত্মা।
ডিম্বাকৃতি	নিজৰ সুখ দুখৰ প্ৰতি উদাসীন মনোভাৱাপন্ন হীন ব্যক্তি।	কঠোৰ হৃদয়।	অলপতে অসন্তুষ্ট।
চাৰিচুকীয়া	ধৈৰ্য্য সহ্য।	অলপতে অধৈৰ্য্য নিৰ্দয়তা নিষ্ক্ৰিয়।	দৈহিক বা মানসিক কষ্টৰ প্ৰতি ভয়াতুৰ।
স্থূলাগ্ৰ	ভয়ৰ প্ৰতি কষ্টৰ প্ৰতি অথবা দুখৰ প্ৰতি অৱজ্ঞা ভাৱাপন্ন ব্যক্তি।	সক্ৰিয় নিষ্ঠুৰতা নিৰ্দয়তা।	কাপুৰুষ।



চিত্ৰ নং—৮

চিত্র নং ৭ব—এই তিনি ধৰণৰ ৰেখাৰ মধ্যবিন্দুকেই পৰ্বতবোৰৰ মধ্যস্থান বুলি ধৰা হয়।



চিত্ৰ নং—৭

এইবোৰৰ উপৰিও আৰু আঠবিধ অতি প্রয়োজনীয় চিহ্ন আমি বুজি লোৱা উচিত। যেনে (১) দ্বীপ চিহ্ন, (২) চতুষ্কোণ, (৩) ত্রিকোণ (৪) তৰা চিহ্ন, (৫) জাল চিহ্ন, (৬) পূৰণ চিহ্ন, (৭) শূন্য চিহ্ন আৰু (৮) ফোঁট চিহ্ন। (চিত্র নং—৮)

ষষ্ঠ অধ্যায়

এতিয়া আমি ৰেখা সম্পৰ্কে আলোচনা কৰাৰ আগতে ঘটনাবোৰৰ কাল নিৰূপণ অথবা বয়স উলিয়াই লোৱাৰ চেষ্টা কৰোঁহঁক। ভাগ্যৰেখা আৰু শিৰোৰেখা য'ত লগ লাগিছে, সেই ঠাইত ৩৫ বছৰ ধৰা হয়। আৰু য'ত হৃদয়ৰেখা আৰু ভাগ্যৰেখা লগ লাগিছে, সেই ঠাইত ৫০ বছৰ ধৰা হয়। সূৰ্য্যৰেখাৰ ক্ষেত্ৰতো সেই একে নিয়মেই খাটে। শিৰোৰেখা, হৃদয়ৰেখা আৰু আয়ুস-ৰেখাৰ বয়সো তলৰ চিত্ৰত দিয়া হ'ল।

তদুপৰি আঙুলিৰ গুৰিবোৰতো বয়সৰ হিচাপ দিয়া হ'ল। তলৰ চিত্ৰবোৰ চালেই (চিত্ৰ নং—৯, ১ , ১১, ১২ আৰু ১৩) সকলো কথা পৰিষ্কাৰ হ'ব।

ৰেখাবোৰৰ চৰিত্ৰ বা স্বভাৱ

আমাৰ হাতত যিবোৰ ৰেখা আছে সেইবোৰৰ ৰং লৈয়ো ৰেখাৰ চৰিত্ৰ বেলেগ বেলেগ হ'ব পাৰে। যেনে ধৰক,

(১) যদি ৰেখাবোৰৰ ৰং নিস্তেজ হয় তেন্তে জাতক বৰ দুৰ্বল বুলি বুজিব লাগিব।

(২) আৰু যদি হালধীয়া ধৰণৰ হয় তেন্তে জাতকে যকৃতৰ অসুখত ভোগাৰ চিন। এই জাতক সদায় 'মন মৰা কানীয়া' ধৰণৰ লোক হ'ব।

(৩) যদি ৰঙা হয় তেন্তে জাতকৰ আক্ৰমণকাৰীৰ স্বভাৱ হ'ব। আৰু যদি বেছি ৰঙা হয় তেন্তে মৃগী বেমাৰ আৰম্ভ হোৱাৰ চিন বুজায়। গতিকে এই ৰেখাবোৰৰ ৰং স্বাভাৱিক হোৱা উচিত।

এই ৰেখাবোৰ চুটি আৰু ছিগা নহৈ দীঘল আৰু পোন হোৱা উচিত। আকৌ ৰেখাবোৰ বৰ বেছি গভীৰ অথবা বৰ বেছি অগভীৰ হোৱাও অনুচিত।



চেণ্ট জাৰমেইনৰ মতে পৰমায়ু বিচাৰ

চিত্ৰ নং—১

কোনো জাতকৰ হাতত কোনো ৰেখা নেথাকিলেও আয়ুসৰেখা কিন্তু সকলোৰে হাতত থাকিবই। বিশেষকৈ আয়ুসৰেখা, শিৰোৰেখা আৰু হৃদয়ৰেখা সকলোৰে হাতত থকা উচিত। ইয়াৰ এটি ৰেখাৰ অভাৱত জাতকৰ বহু ক্ষতিসাধন হ'ব পাৰে।



চেণ্ট জাৰমেইনৰ মতে

চিত্ৰ নং—১

কোনো ৰেখা বৰ বেয়াকৈ থকাতকৈ সেই ৰেখাটো নথকাই ভাল। যি হাতৰ স্নায়ুয়ে কাম নকৰে, সেই হাতৰ ৰেখাবোৰ আপোনাআপুনি মচ খাই যায়।



কিৰোৰ মতে পৰমায়ু বিচাৰ

চিত্ৰ নং—১১

এই ৰেখাবোৰৰ বিষয়ে বিস্তাৰিত আলোচনা কৰাৰ আগতে কৰতলৰ ৰং সম্পৰ্কেও চুআষাৰ কৈ থওঁ। এই কৰতলৰ ৰং পাঁচ ধৰণৰ হয়।

(১) গুলপীয়া, (২) ৰঙা, (৩) হালধীয়া, (৪) নীলা আৰু (৫) ক'লা। ইয়াৰ ভিতৰত গুলপীয়া ৰঙটোৱেই আটাইতকৈ উত্তম ৰঙৰ হাত বুজায়। এই হাতৰ জাতক প্ৰচুৰ উদ্যমী, সাহসী আৰু জ্ঞানী হয়।



কিৰোৰ মতে

চিত্ৰ নং—১২



ভারতীয় হস্তরেখাবিদের মতে পরমায়ু বিচার

চিত্র নং—১৩

আয়ুসৰেখা

এই ৰেখাই স্বাভাৱিক অৱস্থাত বৃহস্পতিৰ কাষৰপৰা আৰম্ভ হৈ শুক্রৰ আৰু সক্রিয় মঙ্গলৰ পৰ্বত ঘেৰি থাকে। এই ৰেখা যিমান দীঘল হয়, সিমানেই আয়ুস বাঢে। কিন্তু এইটো জাতকৰ স্বাভাৱিক আয়ুসহে। আকস্মিক দুৰ্ঘটনাত জাতকৰ ইয়াতকৈ পূৰ্বেও মৃত্যু হ'ব পাৰে। যেনে ধৰক, শিৰোৰেখা যদি ছিগা থাকে আৰু দুয়োখন হাততেই ঠিক একে ঠাইতে ছিগা থাকে তেন্তে নিশ্চিত মৃত্যু বুজায়।

আকৌ আয়ুসৰেখা যদি খুব চুটি হয়, কিন্তু ওচৰত মঙ্গল ৰেখা থাকে অথবা, সুচিহ্নিত ভাগ্যৰেখা থাকে তেন্তে ইহঁতেই জাতকৰ দীৰ্ঘ আয়ুসৰেখাৰ দৰে কাম কৰিব। (চিত্র নং—১৪, ১৫)



চিত্র নং—১৪



চিত্র নং—১৫

যদি এই আয়ুসৰেখাৰপৰা কোনো ঊৰ্দ্ধমুখী শাখাৰেখা বাহিৰ ওলাই বুধৰ পৰ্বতলৈ যায় তেন্তে প্ৰয়োজনীয় হাত হ'লে বিজ্ঞান অথবা ব্যৱসায়ত উন্নতি বুজায়। আকৌ কৰ্মী হাতত আৱিষ্কাৰ বা গৱেষণা,—আৰু শিল্পী হাতত ফট্‌কা বা কোনো দু সাহসিক কামত

অজস্র টকা লাভৰ নিৰ্দেশ কৰে। অৰ্থাৎ হাতৰ গঢন অনুযায়ী ফল লাভ হয়। (চিত্ৰ নং—১৬)



চিত্ৰ নং—১৬



চিত্ৰ নং—১৭

আয়ুসৰেখা ক্ষুদ্ৰ ক্ষুদ্ৰ ৰেখাযুক্ত হ'লে অথবা দেখাত শিকলিৰ দৰে হ'লে দুৰ্বল পাকস্থলী আৰু জীৱনীশক্তিৰ অভাৱৰ কথা সোঁৱৰাই দিয়ে। (চিত্ৰ নং—১৭)

অগভীৰ, বহল আয়ুসৰেখাই পাশৱিক শক্তি নিৰ্দেশ কৰে। কিন্তু গভীৰ পাতল ৰেখাই জাতকৰ মানসিক শক্তিৰ নিৰ্দেশ দিয়ে, আৰু এই ৰেখাৰ ৰোগ প্ৰতিৰোধক ক্ষমতাও বৰ বেছি।

আয়ুসৰেখাৰ দ্বাৰা বেষ্টিত শুক্ৰ ক্ষেত্ৰৰ পৰিধি যদি ডাঙৰ আৰু উচ্চ হয়, আৰু লগতে শিৰোৰেখাও চন্দ্ৰৰ ফালে হেলনীয়া হৈ থাকে তেন্তে জাতক বাৰে বাৰে প্ৰেমত পৰিব।

আয়ুসৰেখা বৃহস্পতিৰ ক্ষেত্ৰৰপৰা ওলালে জাতকৰ উচ্চাকাঙ্ক্ষা জন্মে, নিজৰ ওপৰত কৰ্তৃত্ব থাকে। কিন্তু যদি আয়ুসৰেখাৰ ভিতৰৰ ফালৰপৰা অৰ্থাৎ সক্ৰিয় মঙ্গলৰ ক্ষেত্ৰৰপৰা ওলায় তেন্তে জাতকৰ নিজৰ ওপৰত কৰ্তৃত্ব নাথাকিব আৰু বৰ দন্দুৰা বা দন্দুৰী স্বভাৱৰ হ'ব।

আয়ুসৰেখাৰপৰা ওলোৱা কোনো উৰ্দ্ধমুখী শাখা ৰেখাই যদি ভাগ্যৰেখাক স্পৰ্শ কৰি ভাগ্যৰেখাৰ সৈতে মিলি যায় তেন্তে সি জাতকৰ অত্যন্ত সৌভাগ্য সূচনা কৰে (চিত্ৰ নং—১৮)। যদি দেখা যায়, এই ৰেখাটো ২১ বছৰ বয়সত ভাগ্যৰেখাৰ ফালে গৈছে তেন্তে এই ভাগ্যৰ পুনৰাবৃত্তি ঘটিব আকৌ ৪২ বছৰ বযসত। আকৌ যদি উৰ্দ্ধগামী এই শাখাৰেখাটি ভাগ্যৰেখাৰ সৈতে জড়িত হৈ আন এটি



চিত্ৰ নং—১৮



চিত্ৰ ন —১৯

ভাগ্যৰেখাৰ দৰে ভাগ্যৰেখাৰ ওচৰে ওচৰে গৈ থাকে তেন্তে সি জাতকৰ দুই ধৰণৰ ভাগ্য বুজাব। প্ৰথম এই ৰেখাটি আয়ুসৰেখাৰপৰা ওলাওতেই এটি দিন পাব আৰু ভাগ্যৰেখাত ইয়াৰ দ্বিতীয় দিনটি পাব। যদি আয়ুসৰেখাটি ভাল হয় তেন্তে দ্বিতীয ভাগ্যটি বৰ সৌভাগ্যদায়ক হ'ব। (চিত্ৰ নং—১৯)

এই আয়ুসৰেখাই যদি বুঢ়া আঙুলিৰ দ্বিতীয় পৰ্বৰ সক্ৰিয় মঙ্গলৰ ওচৰৰপৰা ওলাই মণিবন্ধৰ ফালে আহে আৰু শুক্ৰৰ ক্ষেত্ৰও সৰু আৰু চাপৰ হয় তেন্তে, এই জাতকৰ জীৱনীশক্তি কম হ'ব। তিৰোতা মানুহৰ প্ৰতি এওঁৰ এটি বিৰক্তিকৰ ভাব থাকিব। এওঁ

বিবাহিত জীৱনত সোমাবলৈ ইচ্ছা নকৰিব , আৰু সোমালেও তেওঁৰ সংসাৰ সুখৰ নহ'ব। (চিত্ৰ নং—২)



চিত্ৰ নং—২



চিত্ৰ নং—২১

এই আয়ুসৰেখাই যদি বৃহস্পতিৰ ক্ষেত্ৰৰপৰা ওলাই শেহৰ কালে (মণিবন্ধৰ ওচৰত) ঘূৰণীয়াভাবে শুক্ৰৰ ক্ষেত্ৰৰ ফালে সোমাই আছে তেন্তে এই জাতকে নিজৰ জন্মঠাই এৰি আন ঠাইলৈ যাবলৈ ইচ্ছা নকৰিব। (চিত্ৰ নং—২১)

এতিয়া আমি সাধাৰণভাৱে এই আয়ুসৰেখাৰ প্ৰকৃত গুণাগুণৰ বিষয়ে আলোচনা কৰোঁ।

যদি এই ৰেখাৰ আৰম্ভণিতে দ্বীপ-চিহ্ন থাকে তেন্তে বংশানুক্ৰমে ভুগি অহা অসুখ বুজায়। কেতিয়াবা এই দ্বীপ চিহ্নই জাতকৰ জন্ম সম্পৰ্কে ৰহস্য অথবা গুপ্ত কাৰণ থকা বুজায়। (চিত্ৰ নং– ২২)

এই ঠাইৰ বাহিৰে এই দ্বীপ-চিহ্ন আয়ুসৰেখাৰ য'তেই থাকে, ঠিক সেই বয়সত জাতকৰ ভীষণ অসুখ হোৱা বুজায়। (চিত্ৰ নং—২৩)

এই আয়ুস-ৰেখাৰ কোনো ঠাই যদি কোনো শক্তিশালী ৰেখাই পথালিভাৱে কাটে তেন্তে সেই বয়সত জাতকৰ ভীষণ অসুখ অথবা মৃত্যু বুজাব। অৱশ্যে, দুয়োখন হাততেই যদি তেনে চিহ্ন থাকে

তেতিয়াহে মৃত্যু সম্পৰ্কে নিশ্চিত সিদ্ধান্ত লব পাৰি। নতুবা সেই বয়সত অসুখ আদিকেই বুজিব লাগিব। (চিত্ৰ নং—২৪)



চিত্ৰ নং—২২



চিত্ৰ নং—২৩



চিত্ৰ নং—২৪



চিত্ৰ নং—২৫

আয়ুস ৰেখাৰ যি ঠাইত ছিগা থাকে, ঠিক সেই ঠাইৰ একেবাৰে ওচৰতে গাত গা লগাই ভাগ্যৰেখা অথবা মঙ্গলৰেখাই যদি সহায়

নকৰে আৰু দুয়োহাততে এই ছিগা চিহ্ন স্পষ্টভাৱে থাকে তেন্তে জাতকৰ মৃত্যু নিশ্চিত। এই সম্পৰ্কে আৰু নিশ্চিত হ ব পাৰি, যদি ছিগা ঠাইত আয়ুসৰেখাই শুক্ৰৰ পৰ্বতৰ ফালে দুয়োখন হাততে মুখ ঘূৰাই থাকে, তেন্তে সেই মৃত্যু অনিবাৰ্য্য। (চিত্ৰ নং—২৫)

আয়ুস-ৰেখাৰ যি ঠাইত ফোঁট চিহ্ন থাকে সেই বয়সত জাতকৰ অসুখ হ'ব। (চিত্ৰ নং—২৬)



চিত্ৰ নং—২৬



চিত্ৰ নং -২৭

আয়ুস-ৰেখাৰ শেষৰ অংশ—চন্দ্ৰৰ ওচৰত যদি দুই ফেৰেঙনি যুক্ত হয় তেন্তে জাতকে নিজৰ জন্মস্থান পৰিত্যাগ কৰি অন্য ঠাইত বসবাস কৰিব। (চিত্ৰ নং—২৭)

আয়ুস-ৰেখা যদি শেষৰ ফালে চন্দ্ৰৰ পৰ্বতৰ নামনি অংশত শেষ হয় তেন্তে জাতকে কোনো ঠাইত স্থায়ী বসতি কৰিব নোৱাৰি ভ্ৰমণতেই কাল কটাব। তদুপৰি বৃদ্ধ বয়সত অৰ্থ-সঙ্কটে দেখা দিব। (চিত্ৰ নং—২৮)

কোনো মানুহৰ আয়ুসৰেখা যদি কিছুদূৰ আগবাঢ়ি আহি আকৌ হঠাতে ঘূৰি চন্দ্ৰৰ পৰ্বতত গৈ শেষ হয় তেন্তে তেওঁ সন্তান জন্ম দিয়াত

অত্যন্ত কষ্ট পাব। অথবা সন্তান জন্ম দিয়া বিষয়ত অক্ষম হ'ব। (চিত্র নং—২৯)

আয়ুৰেখাৰপৰা যিবোৰ শাখাৰেখা ওলাই উৰ্দ্ধগামী হৈ (হাতৰ আঙুলিৰ মূৰৰ ফালে উৰ্দ্ধ আৰু বলয়ৰেখাৰ ফালে নিম্ন বুলি ধৰে) কোনো পৰ্বতাভিমুখী হৈ আগবাঢ়ি যায়, ঠিক সেই বয়সত জাতকে



চিত্ৰ নং—২৮



চিত্ৰ নং—২৯

নিজৰ ভৱিৰ ওপৰত থিয় দিবলৈ যত্ন কৰা বুজায়। ৰেখাৰ সুস্থতা আৰু দৈৰ্ঘ্য অনুপাতে জাতকৰ কৃতকাৰ্য্যতাৰ সংকেত দিযে।

আয়ুস ৰেখাৰপৰা কোনো শাখাৰেখা ওলাই যদি নিম্নগামী হয় সেই বয়সৰপৰা জাতকৰ জীৱনীশক্তি কমি যাব।

যদি আয়ুসৰেখা শিকলিৰ দৰে হয় তেন্তে জাতক অত্যন্ত বেমাৰী হ'ব। আয়ুসৰেখা যিমানখিনি ঠাইলৈ শিকলিৰ দৰে থাকিব অথবা দুৰ্বল হ'ব, ঠিক সিমানখিনি বয়সলৈকে জাতক বেমাৰী হৈ থাকিব। (চিত্ৰ ন —৩)

আয়ুসৰেখা যি ঠাইত ছিগে সেই ঠাইডোখৰ যদি পুনৰ ছিগা ৰেখাটোৰে কেনেবাকৈ জোৰা লাগি পুনৰ স্বাভাৱিক গতিৰে যাবলৈ

আৰম্ভ কৰে তেন্তে ছিগা বয়সত জাতক মৃত্যুৰপৰা ৰক্ষা পৰিব। (চিত্ৰ নং—৩১)



চিত্ৰ ন —৩



চিত্ৰ নং—৩১



চিত্ৰ নং—৩২



চিত্ৰ নং—৩৩

আয়ুসৰেখাৰপৰা কোনো শাখাৰেখা বাহিৰ ওলাই কোনো বাধা নোপোৱাকৈ যদি বৃহস্পতিৰ পৰ্বতলৈ যায় আৰু বৃহস্পতিৰ

পর্বত স্বাভাবিক হয় তেন্তে জাতকৰ উচ্চকাঙ্ক্ষা পূৰণ হ'ব। (চিত্র নং—৩২)

আয়ুসৰেখা কিছুদূৰ গৈ হঠাতে যদি বৈ যায় আৰু সেই ঠাইত শুক্রৰ বাহিৰৰ ফালে (মঙ্গলৰ সমতল ক্ষেত্রৰ ফালে) দুটি দুটি দুটি বা তিনিটি সমান্তৰাল ৰেখা আয়ুসৰেখাৰ গা লগাই থাকে আৰু দুয়োখন হাততে এনে চিহ্ন থাকে তেন্তে জাতকৰ হঠাতে মৃত্যু হ'ব (চিত্র নং—৩৩)। যদি সেই দুটি দুটি সমান্তৰাল ৰেখা নেথাকে তেন্তে জাতকৰ সেই বয়সত স্বাভাৱিক মৃত্যু হ'ব। (চিত্র নং—৩৩)

আয়ুসৰেখা কিছুদূৰ গৈ হঠাতে যদি কোনো ফোঁট চিহ্নত বৈ যায়, আৰু এই চিহ্ন দুয়ো হাততে থাকে তেন্তে জাতকৰ কোনো দুৰ্ঘটনাত অথবা কাজিয়াত মৃত্যু হ'ব। (চিত্র নং—৮৪)



চিত্র নং—৩৪



চিত্র নং—৩৫

আয়ুসৰেখাৰ আৰম্ভণিৰ ওচৰৰপৰা যদি কোনো শাখাৰেখা ওলাই আয়ুসৰেখাৰ দৰেই দীঘল হৈ আয়ুসৰেখাৰ সমান্তৰালভাবে প্রথম বলয়ৰেখাৰ কাষলৈ আছে তেন্তে জাতক বা জাতিকাৰ ভয়ঙ্কৰ মূৰৰ বিষ হ'ব। অৱশ্যে শিৰোৰেখা আৰু হৃদয়ৰেখা ভাল থাকিলে

বিষয়বপৰা অব্যাহতি পাব। অৱশ্যে এই ৰেখা থকা জাতক বা জাতিকা অত্যন্ত অনুভূতিপ্ৰৱণ বুলি বুজিব লাগিব। (চিত্ৰ নং—৩৫)

আয়ুসৰেখাৰ শেষৰ ফালে কোনো শাখাৰেখা ওলাই যদি সেই ৰেখা চন্দ্ৰৰ পৰ্বত অতিক্ৰম কৰি হাতৰ একেবাৰে কাষলৈকে যায় তেন্তে দীঘলীয়া সমুদ্ৰযাত্ৰা অথবা বহুদূৰ ভ্ৰমণ নতুবা অবিৰাম ভ্ৰমণৰ সুবিধা পাব। (চিত্ৰ নং—৩৬) আৰু যি বয়সৰপৰা সেই শাখাৰেখাটি ওলাব, সেই সময়ৰপৰা যদি আয়ুসৰেখাটি কিছুমান চুলিৰ থোপাৰ দৰে দুৰ্বল হৈ আগবাঢ়ে, জাতক নিশ্চয় বলিয়াৰ দৰে হৈ পৰিব।



চিত্ৰ ন —৩৬



চিত্ৰ নং—৩৭

আয়ুসৰেখাৰপৰা কোনো শাখাৰেখা উৰ্দ্ধগামী হৈ ওলাই আহি যদি শিৰোৰেখাত লাগে (শিৰোৰেখা অতিক্ৰম কৰিব নেলাগে) জাতকে সন্মান আৰু সম্পত্তি লাভ কৰিব। (চিত্ৰ ন —৩৭)

আয়ুসৰেখাৰ দুয়োফালে কিছুমান শাখাৰেখা ওলাই যদি উৰ্দ্ধমুখী হৈ গতি কৰে তেন্তে জাতকৰ স্বাস্থ্য অত্যন্ত ভাল হ'ব। তেওঁ সন্মান আৰু ধনো লাভ কৰিব। (চিত্ৰ নং—৩৮)

আয়ুসৰেখাৰ ওপৰত থকা কোনো ফোঁট-চিহ্নৰপৰা কোনো শাখা-

ৰেখা ওলাই যদি নিম্নাভিমুখী হয় তেন্তে জাতকে বাত-বিষত অথবা তেনে ধৰণৰ বেমাৰত ভুগিব।

আয়ুসৰেখা যি ঠাইত ছিগে, ছিগা ঠাইৰ দুয়োডাল ৰেখা যদি কোনো চতুষ্কোণে আৱৰি ৰাখে তেন্তে জাতক মৃত্যুৰপৰা ৰক্ষা পৰিব। (চিত্ৰ নং—৩৯)



চিত্ৰ ন —৩৮



চিত্ৰ ন—৩৯

আয়ুসৰেখাৰ আৰম্ভণিতেই যদি শিৰোৰেখা আৰু হৃদয়ৰেখা আহি যুক্ত হয় অৰ্থাৎ লগ লাগে তেন্তে জাতকৰ হঠাতে মৃত্যু ঘটিব। কিন্তু উপযুক্ত বয়সত মৃত্যু হ'ব। এনে জাতক বিশেষভাৱে দেশসেৱক হয় যদিও এইটো অতি দুৰ্ভাগ্যৰ চিহ্ন। এইটোৱে নিৰ্দেশ কৰে যে জাতকৰ নিজৰ প্ৰকৃতিৰ দোষত নিজৰ বিপদ আৰু অনিষ্টৰ প্ৰতি আওকাণ কৰি অন্য মানুহৰ প্ৰতি ভুল আচৰণ হেতু ভীষণ বিপদত পৰে। (চিত্ৰ নং—৪)

আয়ুসৰেখাৰ আৰম্ভণিতেই যদি হৃদয়ৰেখা আহি যুক্ত হয় আৰু শিৰোৰেখা অতি চুটি অথবা দুৰ্বল হয় তেন্তে সদায়, হঠাতে ডাঙৰ অসুখ অথবা দুৰ্ঘটনা ঘটাৰ সম্ভাৱনা থাকিব। যদি বৃহস্পতিৰ পৰ্বত

ভাল হয় তেন্তে মূৰৰ ভিতৰলৈ অত্যন্ত বেছি ৰক্ত প্ৰবাহিত হ'ব। যদি সূৰ্য্যৰ পৰ্বত ভাল হয় তেন্তে চকুত আঘাত পোৱা বুজাব। যদি বুধৰ পৰ্বত ভাল হয় তেন্তে তীব্ৰ পিত্তৰ বেমাৰ বুজাব। যদি মানসিক মঙ্গলৰ পৰ্বত ভাল হয় তেন্তে ফুচফুচৰ সাংঘাতিক অসুখ হ'ব। যদি চন্দ্ৰৰ পৰ্বত ভাল হয় তেন্তে পক্ষাঘাত ৰোগ বুজাব। যদি শুক্ৰৰ পৰ্বত ভাল হয় তেন্তে গণোৰিয়া বেমাৰ বুজাব। (চিত্ৰ নং—৪১)



চিত্ৰ নং—৪২



চিত্ৰ ন —৪১

আয়ুসৰেখা যিমানবাৰেই চুটি, পথালি ৰেখাৰ দ্বাৰা কটাকুটা হ'ব সিমানবাৰেই অসুখ বুজাব। (চিত্ৰ নং—৪২)

আয়ুসৰেখাৰপৰা ধুনীয়া সূৰ্য্যৰেখা বাহিৰ হৈ যদি সূৰ্য্যৰ পৰ্বতলৈ আহে আৰু সূৰ্য্যৰ পৰ্বত ভাল হয় তেন্তে জাতকে শিল্পবিদ্যা, সঙ্গীতবিদ্যা আৰু সাহিত্যত কৃতকাৰ্য্য হ'ব। এইটোৱে জাতকক সৌভাগ্যবান বুজায়।

আয়ুসৰেখাৰ আৰম্ভণিতে যদি পূৰণ চিহ্ন থাকে তেন্তে সেই বয়সত জাতকৰ দুৰ্ঘটনা ঘটাৰ শঙ্কা থাকে।

আয়ুসৰেখাৰ আৰম্ভণিতে যদি কোনো তিৰোতা মানুহৰ ওচৰা-ওচৰিকৈ দুটা পূৰণ চিহ্ন থাকে তেন্তে জাতিকা অত্যন্ত কামবিহ্বলা আৰু দুশ্চৰিত্রা হ'ব। (চিত্র নং—৪৩)



চিত্র নং—৪২



চিত্র নং—৪৩

আয়ুসৰেখাৰ ওপৰত তৰা-চিহ্ন থাকিলে ভীষণ দুৰ্ঘটনা বুজায়।

আয়ুসৰেখাৰ ভিতৰৰ ফালে শুক্রৰ ক্ষেত্রত যদি কোনো তৰা চিহ্ন অথবা পূৰণ চিহ্ন আয়ুসৰেখাৰ প্ৰায় গাত লাগি থাকে তেন্তে জাতকক তেওঁৰ কোনো বন্ধু বা আত্মীয়ই বৰ কষ্ট দিব।

আয়ুসৰেখাৰ ওপৰত যদি দুটা স্পষ্ট শূন্য চিহ্ন থাকে তেন্তে এই জাতকৰ দুয়োটা চকুৰেই কণা হ'ব। (চিত্র নং—৪৪)

আয়ুসৰেখাৰ ওপৰত যদি দ্বীপ-চিহ্ন থাকে আৰু স্বাস্থ্যৰেখা সাপৰ দৰে ভাঁজ খোৱা হয় তেন্তে জাতক পিত্ত বেমাৰী আৰু হজম শক্তিহীন হ'ব।

আয়ুসৰেখাৰ ওপৰত যদি দ্বীপ-চিহ্ন থাকে আৰু স্বাস্থ্যৰেখাই যি ঠাইত শিৰোৰেখাক অতিক্রম কৰিছে, সেই অতিক্রম কৰা ঠাইত

যদি তৰা-চিহ্ন থাকে তেন্তে এই ৰেখাযুক্ত তিৰোতাই সন্তান জন্ম দিব নোৱাৰিব। অথবা বন্ধ্যাত্বৰ সূচনা কৰিব। (চিত্র নং—৪৫)



চিত্র নং—৪৪



চিত্র নং—৪৫

আয়ুস ৰেখা যাৰ ভাল,
দূৰৈত থাকে তাৰ কাল।

সপ্তম অধ্যায়

শিৰোৰেখা

শিৰোৰেখা প্ৰধানকৈ তিনি ঠাইৰপৰা আৰম্ভ হয়। বৃহস্পতিৰ পৰ্বতৰ মধ্যস্থলৰপৰা, আয়ুসৰেখাৰ আৰম্ভণিৰপৰা আৰু আয়ুসৰেখাৰ ভিতৰৰ সক্ৰিয় মঙ্গলৰ ক্ষেত্ৰৰপৰা। এই ৰেখাক বুদ্ধিৰেখা বা মগজুৰ ৰেখা বুলি ধৰা হয়।

হাতৰ বেলেগ বেলেগ গঢ়ন অনুযায়ী এই ৰেখাৰো বেলেগ বেলেগ ফল লাভ হয়। উদাহৰণস্বৰূপে, চাৰিচুকীয়া হাতত যদি এই ৰেখা হেলনীয়া হৈ থাকে তেন্তে ইয়াৰপৰা জাতকে যি ফল পাব, শিল্পী হাতৰ জাতকে সেই ফল নেপায়। কাৰণ, ব্যৱহাৰিক চাৰিচুকীয়া হাতত শিৰোৰেখাই ব্যৱহাৰিক বুদ্ধি প্ৰদান কৰে। তেনেকৈ শিল্পীহাতে কাল্পনিক বুদ্ধিৰ যোগান ধৰে। সাধাৰণ হাতত শিৰোৰেখা চুটি, পোন আৰু মোটা হয়। কিন্তু যদি ইয়াৰ ওলোটাটো দেখা যায় তেনে ইয়াৰ ফলো ওলোটা হ'ব। ধৰক, শিল্পী বা মানসিক (আদৰ্শবাদী) হাতত শিৰোৰেখা যদি বৰ বেছিকৈয়ো হেলনীয়া হৈ থাকে তথাপি কল্পনাশক্তি খুব বেছি বৃদ্ধি নকৰে। কিন্তু এনেকুৱা বেছি হেলনীয়া শিৰোৰেখা যদি চাৰিচুকীয়া বা কৰ্মী হাতত থাকে তেন্তে সেই শিৰোৰেখাই জাতকক ব্যৱহাৰিক বুদ্ধিৰেই কল্পনাপ্ৰসূত কামবোৰ কৰি যাবলৈ উদ্‌গণি দিব। আকৌ ধৰক, দাৰ্শনিক হাতভৰ শিৰোৰেখা স্বাভাৱিকতে হেলনীয়া হৈ থাকে। কিন্তু সেয়ে নহৈ যদি তেওঁৰ শিৰোৰেখা পোন হৈ থাকে তেন্তে বুজিব লাগিব সেই জাতক সমালোচনাপ্ৰিয়, বিশ্লেষণপ্ৰিয় আৰু মনুষ্য বিদ্বেষী হ'ব। তেওঁ বাস্তৱ আৰু অবাস্তৱৰ সীমাত থিয় হৈ বাস্তৱক গালি পাৰিব, আকৌ অবাস্তৱকো বিদ্ৰূপ কৰিব। তেওঁৰ নিজৰ

খেয়াল-খুচীমতে কেতিয়াবা বাস্তববাদী হ'ব আৰু কেতিয়াবা মহা ধাৰ্মিকো হ'ব। অৰ্থাৎ, হাতৰ গঢন অনুযায়ী জাতকৰ ওপৰত শিৰোৰেখাই বেলেগ বেলেগ প্ৰভাৱ বিস্তাৰ কৰে। সাধাৰণ হাত, কৰ্মী হাত আৰু প্ৰয়োজনীয় হাতত শিৰোৰেখা পোন হৈ থাকে। শিল্পী হাত, আদৰ্শবাদী হাত আৰু দাৰ্শনিক হাতত শিৰোৰেখা সাধাৰণতে হেলনীয়া হৈ থাকে। ইয়াৰ ওলোটা হ'লে সেই অনুযায়ী ফল লাভ হয়।

শিৰোৰেখা যদি দুৰ্বল হয় তেন্তে জাতকৰ জীবনলৈ অহা বহু সুযোগ জাতকে হেৰুৱাব লগাত পৰে। যদি ই বৃহস্পতিৰ ক্ষেত্ৰৰপৰা আৰম্ভ হৈ আয়ুসৰেখাক স্পৰ্শ কৰি মানসিক মঙ্গলৰ ক্ষেত্ৰলৈ যায় তেন্তে এই শিৰোৰেখা অতি শক্তিশালী ৰেখা বুলি বিবেচিত হয়। এই জাতকে অন্য মানুহবোৰক এনে কৌশলেৰে পৰিচালিত কৰে যে


চিত্ৰ নং—৪৬

সচাকৈয়ে সেই মানুহবোৰক তেওঁ পৰিচালনা কৰিছেনে নাই—তেওঁলোকৰ নিজৰে সন্দেহ জন্মে। তেওঁ অতি দুসাহসিক পৰিকল্পনাতো ভীষণ সতৰ্কতা অৱলম্বন কৰে। তেওঁৰ শাসন বৰ কঠোৰ, সেইবুলি তেওঁ ক্ষমতাৰ অপপ্ৰয়োগ নকৰে। আনক পৰিচালনা কৰিব পৰাৰ গৌৰৱত তেওঁ গৰ্ব অনুভৱ কৰে। (চিত্ৰ নং—৪৬)

বৃহস্পতিৰ ক্ষেত্ৰৰপৰা ওলাই অহা আৰু এবিধ শিৰোৰেখা আছে। কিন্তু এইবিধ ৰেখা আগৰ বিধৰ দৰে শক্তিশালী নহয়। এই জাতকে জনতাক পৰিচালনা কৰিব পাৰে যদিও কামবোৰ বৰ লৰালৰিকৈ কৰাৰ ফলত বিশৃঙ্খলাবো সৃষ্টি হয়।

যদি কোনো লোকৰ শিৰোৰেখাৰ প্ৰথমাংশ সবলভাৱে গৈ শেহৰ কালে অলপ হেলনীয়া হয় তেন্তে সেই লোকে সকলো কামতে কল্পন আৰু বাস্তৱবুদ্ধিৰ সামঞ্জস্য ৰক্ষা কৰি কাম কৰিব। (চিত্ৰ নং—৪৭)

এতিয়া আমি এই শিৰোৰেখাৰ প্ৰকৃত গুনাগুণৰ বিষয়ে আলোচনা কৰোঁ।

যি লোকৰ তৰ্জনীৰ তলত শিৰোৰেখাৰ গা লাগি কোনো পূৰণ চিহ্ন থাকে সেই লোকে প্ৰভুত্ব কৰিব খোজা ইচ্ছাৰ বাবে অথবা তেওঁৰ স্বেচ্ছাচাৰিতাৰ বাবে মূৰত আঘাত পাব।



চিত্ৰ নং—৪৭



চিত্ৰ নং—৪৮

যদি মধ্যমাৰ তলত এই চিহ্ন থাকে তেন্তে কোনো জন্তু অথবা গাড়ীৰ দ্বাৰা মূৰত আঘাত পাব। অনামিকাৰ তলত এই চিহ্ন থাকিলে হঠাতে পৰি গৈ মূৰত আঘাত পাব। যদি কনিষ্ঠাৰ তলত এই চিহ্ন থাকে তেন্তে লেবৰেটৰীত বৈজ্ঞানিক গবেষণা কৰোঁতে অথবা দুৰ্গম ঠাইত ব্যৱসায় কৰিবলৈ গৈ মূৰত আঘাত পাব। (চিত্ৰ নং—৪৮)

শিৰোৰেখাৰ আৰম্ভনিতে দ্বীপ-চিহ্ন থাকিলে জাতকে উত্তৰাধিকাৰী সূত্ৰে পোৱা মগজুৰ অসুখত ভোগাৰ পূৰ্ণ সম্ভাৱনা থাকে। যদি

তৰ্জনীৰ (বৃহস্পতিৰ ক্ষেত্ৰৰ তলত) তলত এই দ্বীপ-চিহ্ন থাকে তেন্তে বাল্যকালত জাতকৰ ধৈৰ্য্য আৰু উচ্চাকাংক্ষাৰ অভাৱ থকা বুজাব। মধ্যমাৰ (শনিৰ ক্ষেত্ৰৰ তলত) তলত এই দ্বীপ-চিহ্ন থাকিলে জাতকৰ মূৰৰ তীব্ৰ বিষ আৰু চিন্তাক্লিষ্টতা বুজাব। বহুক্ষেত্ৰত এই জাতক বধিৰ হয়। যদি অনামিকাৰ তলত এই দ্বীপ-চিহ্ন থাকে তেন্তে চকুৰ অসুখ বুজায়। কনিষ্ঠাৰ তলত, শিৰোৰেখাৰ মূৰত এই দ্বীপ চিহ্ন থাকিলে জাতক বৃদ্ধ বয়সত মূৰৰ বিকাৰৰ বাবে অথবা চিন্তা-ভাৱনাত বলিযা হোৱাৰ সম্ভাৱনা থাকিব। (চিত্ৰ নং—৪৯)



চিত্ৰ নং—৪৯



চিত্ৰ নং—৫০

যদি শিৰোৰেখাই নিজৰ স্থান ত্যাগ কৰি পোনে পোনে উৰ্দ্ধমুখী হৈ হৃদয়ৰেখাক গ্ৰাস কৰে তেন্তে জাতকে ধনৰ লোভত বলিয়া হৈ নৰহত্যা কৰিব। যদি এই ৰেখাই মধ্যমাৰ (শনিৰ ক্ষেত্ৰৰ তলত) তলত হৃদয়ৰেখাক গ্ৰাস কৰে তেন্তে সেই বয়সত (২৫ বছৰৰ পূৰ্বে) জাতকে নৰহত্যা কৰিব। শনিৰ ক্ষেত্ৰ আৰু সূৰ্য্যৰ ক্ষেত্ৰৰ মাজভাগত দুয়ো ভাল ৰেখা মিলিত হলে ৩৫ বছৰ বয়সৰ পূৰ্বে জাতকে নৰহত্যা কৰিব। যদি বুধৰ ক্ষেত্ৰৰ তলত গ্ৰাস কৰে তেতিয়াহলে ৪৫ বছৰ বয়সৰ পূৰ্বে জাতকে নৰহত্যা কৰিব। (চিত্ৰ নং– ৫)

আকৌ, কোনো জাতকৰ হাতত তেওঁৰ হেলনীয়া শিৰোৰেখা কিছুদূৰ যোৱাৰ পিচত হঠাতে যদি অলপ ওপৰমুখী হৈ কিছু পোন হৈছে তেন্তে বুজিব লাগিব যে সেই বয়সত জাতকৰ কোনো এটি অস্বাভাৱিক পৰিবৰ্ত্তন ঘটিছে। এই হেলনীয়া ৰেখা থকা জাতক যদিও বাস্তৱবাদী নহয় তথাপি এই সময়ত তেওঁ নিজৰ বিষয়-বুদ্ধিৰ পৰিচয় দি যি কোনো বিপদৰপৰা হাত সাৰি থাকিবলৈ সক্ষম হয়। (চিত্ৰ নং—৫১)



চিত্ৰ ন —৫১



চিত্ৰ নং—৫২

আকৌ, যদি কোনো জাতকৰ পোন শিৰোৰেখা কিছুদূৰ গৈয়ে হঠাৎ হেলনীয়া হৈ যায় অথবা, সেই পোন ৰেখাৰপৰা কোনো শাখা ৰেখা ওলাই হেলনীয়া হৈ যায়, তেন্তে বুজিব লাগিব এই বয়সত জাতকৰ বাস্তৱ জ্ঞান কিছু কমি জাতক কল্পনাপ্ৰৱণ হৈ পৰিব। এইখিনি সময়ত জাতকৰ আৰ্থিক স্বচ্ছলতা বাঢিব। যাৰ ফলত তেওঁ কল্পনাপ্ৰধান কামত হাত দিবলৈ সুযোগ পাব। (চিত্ৰ নং—৫২)

দুটি বেলেগ বেলেগ শিৰোৰেখা থাকিলে জাতকে দুই ধৰণৰ বেলেগ বেলেগ জীৱন যাপন কৰিব। এই জাতকে নিজৰ প্ৰতিভা আৰু বুদ্ধিৰ বলত যথেষ্ট সন্মান আৰু টকা-পইচা আৰ্জিব।

অথবা, শিৰোৰেখা যদি কিছুমান চুটি চুটি ৰেখাৰে গঠিত দঘলীয়া সমষ্টি হয় তেন্তে সেই জাতক বলিয়া হ'লে সহজে ভাল নহয়। (চিত্র নং—৫৩)

শিৰোৰেখাত যদি চতুষ্কোণ থাকে তেন্তে সেই জাতকে ভীষণ দুৰ্ঘটনাৰপৰাও ৰক্ষা পৰিব পাৰে।



চিত্র নং—৫৩



চিত্র নং—৫৪

শিৰোৰেখাত যদি ক'লা ফোঁট-চিহ্ন থাকে আৰু স্বাস্থ্যৰেখাৰ ওপৰত পূৰণ চিহ্ন থাকে তেন্তে জাতক অন্ধ হ'ব। (চিত্র নং—৫৪)

শিৰোৰেখাৰপৰা কোনো শাখাৰেখা ওলাই যদি বৃহস্পতিৰ ক্ষেত্ৰলৈ যায় আৰু সেই ৰেখা বৃহস্পতিৰ পৰ্বতত থকা তৰা-চিহ্নত গৈ শেষ হয় তেন্তে জাতকৰ উচ্চাকাঙ্খা পূৰণ হ'ব। (চিত্র নং—৫৫)

শিৰোৰেখা যদি চন্দ্ৰৰ পৰ্বতৰ তল ভাগলৈ গৈ প্ৰথম বলয়ৰেখাৰ ওচৰত কোনো পূৰণ চিহ্ন অথবা তৰা চিহ্নত শেষ হয় আৰু হৃদয়ৰেখাও শুভ হয় তেন্তে জাতকৰ ভবিষ্যৎ খুব উজ্জ্বল হয়। চিত্র নং—৫৬)

কিন্তু এই শিৰোৰেখা যদি চন্দ্ৰৰ পৰ্বতৰ মধ্য-খণ্ডত থকা কোনো তৰা-চিহ্নত শেষ হয় তেন্তে জাতক পানীত ডুবি মৰিব, অথবা উন্মাদ হৈ যি কোনো প্ৰকাৰে আত্মহত্যা কৰিব। (চিত্র নং—৫৭)

শিৰোৰেখাৰ যি ঠাইত পূৰণ চিহ্ন থাকিব, সেই বয়সত জাতকে মূৰত আঘাত পাব। যদি শিৰোৰেখা ছিগি যায় আৰু আনখন



চিত্ৰ নং—৫৫



চিত্ৰ নং—৫৬



চিত্ৰ নং—৫৭



চিত্ৰ নং—৫৮

হাততো তেনে চিহ্ন থাকে তেন্তে মূৰৰ আঘাতৰ ফলত জাতকৰ মৃত্যু ঘটিব।

শিৰোৰেখাৰপৰা যদি কোনো শাখাৰেখা ওলাই বৃহস্পতিৰ (তৰ্জনী আঙুলিৰ) ক্ষেত্ৰলৈ যায় আৰু তাত কোনো পূৰণ চিহ্নৰ দ্বাৰা বাধাপ্ৰাপ্ত হয়, অথবা অন্য কোনো চুটি ৰেখাৰ দ্বাৰা কৰ্তিত হয় তেন্তে জাতকৰ উচ্চাকাঙ্ক্ষা বাধাপ্ৰাপ্ত হ'ব। চিত্ৰ নং—৫৮)

শিৰোৰেখা যদি মানসিক মঙ্গলৰ ক্ষেত্ৰলৈ যায় আৰু মঙ্গলৰ পৰ্বত উচ্চ হয় আৰু স্বাস্থ্যৰেখাই বৃহৎ ত্ৰিভুজৰ সৃষ্টি কৰা শিৰো-ৰেখাৰ ওপৰত নীলাভ কোনো ফোঁট-চিহ্ন থাকে তেন্তে জাতকে সকলো সময়তে নৰহত্যাৰ বাবে প্ৰচেষ্টা চলাব। (চিত্ৰ নং—৫৯)



চিত্ৰ নং—৫৯



চিত্ৰ নং—৬০

শিৰোৰেখা যদি চন্দ্ৰৰ ক্ষেত্ৰলৈ যায় আৰু সূৰ্য্যৰ ক্ষেত্ৰৰ তলত,— এই ৰেখাৰ ওপৰত যদি দুই-তিনিটা বগা ফোঁট-চিহ্ন থাকে আৰু হৃদয়ৰেখা চুটি চুটি দুই-তিনি ডাল ৰেখাৰে পথালিভাৱে ছেদিত হয় তেন্তে জাতক নাম কৰা সাহিত্যিক হ'ব।

নিস্তেজ শিৰোৰেখাৰ ওপৰত যদি দুই-তিনিটা ক'লা ফোঁট-চিহ্ন থাকে আৰু আয়ুসৰেখা আৰম্ভণিতেই ফেৰেঙনিযুক্ত হয় তেন্তে জাতকৰ ভয়ঙ্কৰ মগজুৰ বেমাৰ হ'ব। যি জাতকৰ শিৰোৰেখা

গাঁঠিৰ দৰে পাক-খোৱা আৰু হৃদয়ৰেখা দুৰ্বল হয় তেনে জাতক নৰহত্যাৰ বাবে বলিয়া হ'ব। শিৰোৰেখা যদি নিস্তেজ হয় তেন্তে সেই ভাব পুৰ্বে আছিল বুলি বুজিব লাগিব। আৰু যদি এতিয়াও ৰক্তাভ হৈয়ে আছে তেন্তে সেই নৰহত্যাৰ মনোবৃত্তি এতিয়াও সতেজ হৈয়ে আছে বুলি বুজিব লাগিব। (চিত্ৰ নং—৬০)

যদি আয়ুসৰেখাৰ সৈতে শিৰোৰেখা যুক্ত নহয় কিন্তু দুয়োৰেখাৰ মাজতে (আৰম্ভণিতে) এটি পূৰণ চিহ্নৰ দ্বাৰা দুয়োটি ৰেখা সংযুক্ত হয় তেন্তে বৃদ্ধ বয়সৰ হেতু সদায় বৰ সাংঘাতিক ঘৰুৱা অশান্তিৰ সন্মুখীন হ'ব লাগিব। (চিত্ৰ নং—৬১)



চিত্ৰ নং—৬১



চিত্ৰ নং—৬২

কোনো ঢৌ খেলা শিৰোৰেখা যদি শেহৰফালে উৰ্ধমুখী হৈ ঠিক তেনেকুৱাই ঢউখেলা হৃদয়ৰেখাৰ শেষ অংশত নিজক বিলীন কৰি দিয়ে তেন্তে জাতকে কাৰোবাৰ দ্বাৰা মোহিত হৈ নিৰ্বোধ ভাল পোৱাৰ দ্বাৰা নিজৰ বিপদ নিজে মাতি আনিব। (চিত্ৰ নং—৬২)

আৰম্ভণিতে আয়ুসৰেখাৰ লগত সংযুক্ত থাকি যদি শিৰোৰেখাই শনিৰ ক্ষেত্ৰত হঠাতে উৰ্ধমুখী হৈ হৃদয় ৰেখাক স্পৰ্শ কৰে তেন্তে

উত্তেজিত অথবা ভাবপ্ৰৱণ হৈ জাতকে কোনো মাৰাত্মক দুৰ্ঘটনা ঘটাব। (চিত্ৰ নং—৬৩)

আৰম্ভণিতে আয়ুসৰেখাৰ লগত সংযুক্ত থাকি হেলনীয়া শিৰো-ৰেখাই যদি বৃহস্পতিৰ ক্ষেত্ৰৰপৰা ওলাই অহা হৃদয়ৰেখাত সূৰ্য্য ক্ষেত্ৰৰ তলত হঠাতে মুখ ঘূৰাই ওপৰমুখী হৈ সেই ৰেখাত নিজক বিলীন কৰি দিয়ে তেন্তে ভাবিব নোৱাৰা সুখ—মাথো। এজনকেই ভালপোৱা বুজায়। কিন্তু এই সুখ অথবা ভালপোৱা ইমান বেছি



চিত্ৰ নং—৬৩



চিত্ৰ নং—৬৪

হয় যে শেহত গৈ ইয়েই সাংঘাতিক বিপদ কঢ়িয়াই আনে (চিত্ৰ নং—৬৪)। অৱশ্যে ইয়াৰ ফলত এই জাতকে কেতিয়াবা নৰহত্যাও কৰিব পাৰে। (হাতৰ অন্যান্য চিহ্নবোৰ চাই বুজিব লাগিব) আকৌ শিৰোৰেখাৰ অকল এটি শাখা ৰেখাহে যদি তালৈ যায় তেন্তে জাতক অত্যন্ত সৌন্দৰ্য্যপ্ৰেমী বুলি বুজিব লাগিব। (চিত্ৰ নং—৬৫)

শিৰোৰেখা যদি স্বাস্থ্যৰেখাৰ লগত মিলি যায় আৰু আয়ুস ৰেখা আৰম্ভণিতে ফেৰেঙনিযুক্ত হয় তেন্তে জাতকে মগজুৰ বেমাৰত ভুগিব। (চিত্ৰ নং—৬৬)

শিৰোৰেখাৰপৰা যদি কোনো শাখাৰেখা ওলাই পোনে পোনে বৃহস্পতিৰ ক্ষেত্ৰলৈ যায় তেন্তে জাতকৰ উচ্চাকাঙ্ক্ষা সেই সময়ত কৃতকাৰ্য্য হোৱা বুজায়। (চিত্ৰ নং—৬৭)



চিত্ৰ নং—৬৫



চিত্ৰ নং—৬৬



চিত্ৰ নং—৬৭



চিত্ৰ নং—৬৮

ভাঁজ খোৱা বেঁকা বেঁকি আঙুলি, শিৰোৰেখা কিছুমান টুকুৰা-টুকুৰি ভঙা খণ্ডৰেখাতে গঠিত হৈ যদি চন্দ্ৰৰ ক্ষেত্ৰলৈ যায় আৰু

হৃদয়ৰেখাও শিৰোৰেখাৰ দৰেই টুকুৰা-টুকুৰি খণ্ডৰেখাৰে বিকৃতভাৱে দীঘলীয়া হয়—লগতে, আয়ুসৰেখা আৰু শিৰোৰেখাৰে গঠিত বৃহৎ ত্ৰিভূজ ক্ষেত্ৰত স্পষ্ট এটি পূৰণ চিহ্ন থাকে তেন্তে বুজিব লাগিব যে, জাতকে পূৰ্ণমাত্ৰাত এতিয়া মৃগীৰোগত ভূগি আছে। শেহত গৈ এই জাতক অত্যন্ত মূৰ্খ হৈ পৰিব। (চিত্ৰ নং—৬৮)

শিৰোৰেখা যদি ভগ্ন হয় আৰু শনিৰ ক্ষেত্ৰলৈ নামি অহা ভাগ্য-ৰেখাক হৃদয় ৰেখাৰপৰা ওলোৱা কোনো নিম্নগামী শাখা ৰেখাই বৃহৎ চতুৰ্ভূজৰ ভিতৰত স্পৰ্শ কৰি ভাগ্যৰেখাত এটি সৰু ত্ৰিভূজৰ সৃষ্টি তেন্তে জাতক হয়তো অবিবাহিত হৈয়ে ৰৈ যাব, আৰু তেওঁৰ প্ৰিয়তম কোনো ব্যক্তিৰ সোনকালেই মৃত্যু হব পাৰে। (চিত্ৰ নং—৬৯)



চিত্ৰ নং—৬৯



চিত্ৰ নং—৭

শিৰোৰেখা যদি হৃদয়ৰেখাৰ একেবাৰে কাষেৰে পোন হৈ মানসিক মঙ্গলৰ ক্ষেত্ৰলৈ গৈ হাতৰ কাষ পায়, বুঢ়া আঙুলিও কৰতলৰ ভিতৰমুখী হয়, আঙুলিবোৰো ৰৰ লগা লগি হয় আৰু আনফালে বৃহস্পতি আৰু শুক্ৰৰ পৰ্বত যদি একেবাৰে অস্তিত্বহীন হয় তেন্তে জাতক অত্যন্ত স্বাৰ্থপৰ আৰু কৃপণ হ'ব। (চিত্ৰ নং—৭)

শিৰোৰেখা যদি অলপ নিম্নমুখী হৈ গৈ ফেৰেঙনিযুক্ত হয় তেন্তে জাতকে সাধাৰণ জ্ঞানেৰে কল্পনাপ্ৰৱণতাক নিয়ন্ত্ৰণ কৰিব পাৰিব। কিন্তু এই শিৰোৰেখাৰ শাখাটি (ফেৰেঙনি) যদি অলপ দীঘলীয়া হৈ চন্দ্ৰৰ পৰ্বতত উঠে আৰু হাতৰ তলুৱা স্থূল বা কোমল হয় আৰু বুঢ়া আঙুলি বৰ চুটি হয়, জাতকক বিশ্বাস কৰিলে নিজে ঠগ খাব লাগিব। (চিত্ৰ নং—৭১)



চিত্ৰ নং—৭১



চিত্ৰ নং—৭২

আকৌ, এই শিৰোৰেখাৰ শাখা ফেৰেঙনিটি যদি অত্যন্ত দীঘলীয়া হৈ চন্দ্ৰৰ পৰ্বতৰ একেবাৰে তলভাগ পায় তেন্তে সেই জাতকে প্ৰথমে নিজক ঠগিহে আনক ঠগিব পাৰিব। কিন্তু ভাল হাতত এই জাতকে নিজৰ প্ৰতিভা তথা সুচতুৰ বুদ্ধিৰো পৰিচয় দিব পাৰিব। শিৰোৰেখাৰ এটি শাখা চন্দ্ৰৰ ক্ষেত্ৰলৈ আৰু আনটো শাখা বুধৰ ক্ষেত্ৰৰ তলত হঠাতে ওপৰমুখী হৈ ভাঁজ লৈ হৃদয়ৰেখা ছেদ কৰি যদি বুধৰ ক্ষেত্ৰ তথা কনিষ্ঠা আঙুলিৰ গুৰিলৈকে যায় তেন্তে এই জাতক অতি চতুৰ বুদ্ধিৰ ব্যৱসায়ী হ'ব। টকাৰ বাবে তেওঁ কৰিব নোৱাৰা কাম একো নাথাকে। (চিত্ৰ নং—৭২)

যদি শিৰোৰেখাৰপৰা ওলোৱা এটি শাখাৰেখাই হাতৰ ইমূৰে বুধৰ ক্ষেত্ৰৰ তলত হঠাতে ওপৰমুখী হৈ ভাঁজ গৈ হৃদয়ৰেখাৰ শেষ অংশত স্পৰ্শ কৰেগৈ (ছেদ নকৰে) আৰু আনটো শাখা চন্দ্ৰৰ ক্ষেত্ৰলৈ যায় তেনেহলে জাতকে কোনো প্ৰেমিক বা প্ৰেমিকাৰ বাবে সকলো ত্যাগ কৰিব। (চিত্ৰ নং—৭৩)



চিত্ৰ নং—৭৩



চিত্ৰ নং—৭৪

আকৌ ঠিক সেই একে ধৰণৰে শিৰোৰেখাযুক্ত জাতকৰ ভাগ্যৰেখাই যদি শনিৰ ক্ষেত্ৰলৈ নামে আহোঁতে হৃদয়ৰেখাতে বৈ যায় তেন্তে জাতকে তেওঁৰ এই ভালপোৱাতেই নিজৰ জীৱন তথা ভাগ্যক ছাৰখাৰ কৰি দিয়ে। (চিত্ৰ নং—৭৪)

শিৰোৰেখা যদি সামান্য নিম্নাভিমুখী হৈ হাতৰ একেবাৰে কাষলৈকে আহে আৰু স্বাস্থ্যৰেখা পোন হৈ দীঘলীয়াকৈ বুধৰ ক্ষেত্ৰলৈ আহে তেন্তে জাতকৰ স্মৰণশক্তি তীক্ষ্ণ হ'ব। অলপ হেলনীয়া শিৰোৰেখা যদি সূৰ্য্যৰ ক্ষেত্ৰৰ তলত হঠাতে ঊৰ্ধমুখী হৈ ভাঁজ লৈ তৃতীয় আৰু চতুৰ্থ আঙুলিৰ মাজৰ ঠাইত হৃদয়ৰেখাত লাগোঁ-নালাগোঁকৈ থাকে তেন্তে এই জাতক শিল্পকৰ্ম ও কৃতকাৰ্য্য হ'ব। (চিত্ৰ নং—৭৫)

অলপ হেলনীয়া শিৰোৰেখাই যদি বুধৰ তলত হঠাতে ঊৰ্দ্ধমুখী হৈ ভাঁজ লৈ হৃদয়ৰেখাৰ শেষ অংশত অথবা কনিষ্ঠাৰ মাজভাগত হৃদয়-ৰেখাত স্পৰ্শ কৰে (ছেদ নকৰে) তেন্তে জাতক নামকৰা অভিনেতা বা অভিনেত্ৰী হ'ব। (চিত্ৰ নং—৭৬)



চিত্ৰ নং—৭৫



চিত্ৰ নং—৭৬

শিৰোৰেখা যিমানে চুটি হয় জাতকৰ বুদ্ধি, সাহস, উৎসাহ আদিও সিমানে কয়। শিৰোৰেখাই যদি শনিৰ ক্ষেত্ৰৰ তলত হঠাতে ভাঁজ লৈ হৃদয়ৰেখাক ছেদ কৰি শনিৰ পৰ্বতত গৈ উঠে তেন্তে জাতক প্ৰায় পাগলৰ দৰে হ'ব। অথবা, মূৰত আঘাত পাই মৃত্যু বৰণ কৰিব (চিত্ৰ নং—৭৭)। শিৰোৰেখাই যদি পোনে পোনে শনিৰ ক্ষেত্ৰত হৃদয়ৰেখাক গ্ৰাস কৰে তেন্তে জাতকে ২৫ বছৰ বয়সৰ ভিতৰত নৰহত্যা কৰিব। (চিত্ৰ নং—৭৮)

যাৰ শিৰোৰেখাই শনিৰ ক্ষেত্ৰৰ তলত হঠাতে ভাঁজ লৈ হৃদয়-ৰেখাক ছেদন নকৰে তেন্তে আঘাত বৰ মাৰাত্মক নহয়। অথবা জাতকৰ মগজুৰো বেছি বিকৃতি নঘটে। যদি এই হেলনীয়া শিৰোৰেখাই বুধৰ ক্ষেত্ৰৰ তলত হঠাতে ঊৰ্দ্ধমুখী হৈ ভাঁজ লৈ

হৃদয়-ৰেখাক ছেদ কৰি সূৰ্য্যৰ পৰ্বতত উঠে তেন্তে জাতকে সুকুমাৰ কলা অথবা সাহিত্যত কৃতকাৰ্য্য হ'ব। (চিত্ৰ নং—৭৯)



চিত্ৰ নং—৭৭



চিত্ৰ নং—৭৮



চিত্ৰ নং—৭৯



চিত্ৰ নং—৮০

আকৌ যদি এই হেলনীয়া শিৰোৰেখা বুধৰ ক্ষেত্ৰৰ তলত ভাঁজ খাই নিম্নাভিমুখী হৈ ৰৰণীৰ কাঁটাৰ দৰে হয় তেন্তে জাতকৰ গভীৰ আত্মবিশ্বাস আৰু আত্ম-অহঙ্কাৰে জীৱনলৈ দুখ কঢ়িয়াই আনিব।

শিৰোৰেখা যদি আয়ুসৰেখাৰ অলপ বেছি ওপৰৰপৰা আৰম্ভ হৈ চন্দ্ৰৰ ক্ষেত্ৰলৈ যায় আৰু হৃদয়ৰেখা চুটি আৰু দুৰ্বল হয় তেন্তে জাতক বৰ দন্দুৰা আৰু গোঁৱাৰ মনোবৃত্তিৰ হ'ব। আৰু যদি এই শিৰোৰেখা চুটি হৈ হৃদয়ৰেখাৰ ফালে ধেনুভিৰীয়াকৈ ভাঁজ খাই থাকে (হৃদয়ৰেখাক স্পৰ্শ নকৰাকৈ) তেনেহলে এই জাতক সকলো কামৰ বাবে অমনোযোগী হ'ব। দায়িত্বজ্ঞানহীনো হ'ব পাৰে। (চিত্ৰ নং—৮০)

শিৰোৰেখা যদি আয়ুসৰেখাৰ ভিতৰৰপৰা শুক্ৰৰ ক্ষেত্ৰৰপৰা বাহিৰ ওলাই মানসিক মঙ্গলৰ পৰ্বত অতিক্ৰম কৰি হাতৰ একেবাৰে কাষ পায়গৈ তেন্তে জাতক বৰ খিটখিটীয়া, ধৈৰ্য্যহীন আৰু অতি খঙাল স্বভাৱৰ হ'ব। (চিত্ৰ নং—৮১)



চিত্ৰ নং—৮১



চিত্ৰ নং—৮২

শিৰোৰেখা যদি ক্ষুদ্ৰ ক্ষুদ্ৰ দ্বীপ চিহ্নেৰে গঠিত হয় আৰু আঙুলিৰ নখবোৰ ঘাট-কটা আৰু ভাঁজ লগা ধৰণৰ হয় তেন্তে জাতকে যক্ষ্মা (ক্ষয়ৰোগত) ৰোগত ভুগিব। (চিত্ৰ নং—৮২)

যাৰ শিৰোৰেখা দীঘলীয়া কিন্তু ঢেউ খেলোৱা হৈ সূৰ্য্য আৰু বুধৰ ক্ষেত্ৰৰ তলত হৃদয়ৰেখাক ছোওঁ-নোছোওঁকৈ পুনৰ নিম্নগামী হৈ কৰপ্ৰান্তৰ ফালে আহে, তেনে জাতক বলিয়া হ'ব। (চিত্ৰ নং—৮৩)

শিৰোৰেখা যদি বৰ চুটি হয় আৰু হৃদয়ৰেখাও বৰ চুটি হয় তেন্তে জাতক অকল বুদ্ধিহীনেই নহয়—হৃদয়হীন আৰু ভয়ংকৰ স্বভাৱৰো হ'ব পাৰে। (চিত্ৰ নং—৮৪)

যি লোকৰ শিৰোৰেখা অলপ ভাঁজ লগা, দুৰ্বল আৰু হৃদৰৰেখাৰ ফালে ক্ৰমান্বয়ে আগবাঢ়ি গৈ বুধৰ ক্ষেত্ৰত হৃদয়ৰেখাৰ ওচৰ পায়গৈ আনফালে স্বাস্থ্যৰেখা যদি আয়ুসৰেখাৰপৰা আৰম্ভ হৈ বুধৰ ক্ষেত্ৰত শিৰোৰেখা আৰু হৃদযৰেখাক কাটেগৈ তেতিয়াহলে সেই জাতক বৰ দুৰ্বল হ'ব , আৰু দুৰ্বল হৈ প্ৰায়েই মূৰ্ছা যাব।



চিত্ৰ নং—৮৩



চিত্ৰ নং-

শিৰোৰেখাই যদি আয়ুসৰেখাৰ আৰম্ভনিৰপৰা আৰম্ভ হৈ বুধৰ ক্ষেত্ৰৰ তলৰপৰা মুখ ঘূৰাই নিম্নাভিমুখী হৈ আকৌ বৰশীৰ দৰে আয়ুসৰেখাৰ ওচৰলৈ ঘূৰি আহি আয়ুসৰেখাৰ গাত লাগোঁ-নেলাগোঁকৈ ৰৈ থাকে তেন্তে সেই জাতক উদ্যমহীন, কাপুৰুষ হ'ব।

শিৰোৰেখা যদি আয়ুসৰেখাৰ আৰম্ভনিৰপৰা একেলগে আৰম্ভ হৈ শনিৰ ক্ষেত্ৰৰ তলত হৃদয়ৰেখাক ছোও-নোছোওঁকৈ আগবাঢ়ি গৈ আকৌ নিম্নগামী হৈ মানসিক মঙ্গলৰ পৰ্বতলৈ আহি হাতৰ একেবাৰে

কাষ পায়হি তেন্তে জাতকে হাঁপানি ৰোগ বা শুকান ৰেমাৰত (জ্বৰত) ভুগিব। (চিত্ৰ নং—৮৫)



চিত্ৰ নং—৮৫



চিত্ৰ নং—৮৬

শিৰোৰেখা যদি পোন হৈ মানসিক মঙ্গলৰ পৰ্বতলৈ আহি হাতৰ একেবাৰে কাষ পায়, হাতৰ তলুৱা দুভাগ কৰাৰ দৰে কৰি পেলায আৰু হৃদয়ৰেখা শনিৰ ক্ষেত্ৰৰপৰা ওলায় তেন্তে জাতক অত্যন্ত খকুৱা, লোভী, স্বাৰ্থপৰ আৰু বৈষযিক বিষয়ত চতুৰ হ'ব। এওঁৰ কোনো আদৰ্শ বোলা বস্তু নেথাকিব। (চিত্ৰ নং—৮৬)



চিত্ৰ নং—৮৭

শিৰোৰেখা যদি আয়ুসৰেখাৰ সৈতে বহুদূৰ লগ লাগি আহি পিচত পৃথক হয় তেন্তে এই জাতকে মুহূৰ্তে মুহূৰ্তে নিজৰ মতামত বা মতবাদ সলনি কৰিব। এই জাতক ভয়াতুৰ আৰু কাপুৰুষ হ'ব। (চিত্ৰ নং—৮৭)

শিৰোৰেখা শনিৰ ক্ষেত্ৰত ৰেয়াকৈ ছিগিলে, সেই জাতকৰ কাঁচী কাঠতো মৃত্যু হ'ব পাৰে। সেই ছিগা ঠাইডোখৰ যদি কোনো চতুষ্কোণে আৱৰি থাকে, তেন্তে জাতক সেই বিপদৰপৰা ৰক্ষা পৰিব।

"কম বয়সতেই যাৰ ভাগ্যত
ধন-জন, মান-সন্মানে দিয়ে দেখা,
তাৰ গুৰিতেই বুজিব লাগিব
সুচিহ্নিত দীঘলীয়া শিৰোৰেখা।"

অষ্টম অধ্যায়

হৃদয়ৰেখা

এই ৰেখাৰ শুদ্ধ অৱস্থিতি বৃহস্পতি, শনি, সূৰ্য্য আৰু বুধৰ পৰ্বতৰ ঠিক নিম্নাংশত। এই ৰেখা তিনি ঠাইৰপৰা আৰম্ভ হয়। (১) বৃহস্পতিৰ ক্ষেত্ৰৰপৰা, (২) প্ৰথম আৰু দ্বিতীয় আঙুলিৰ মাজৰপৰা আৰু (৩) শনিৰ ক্ষেত্ৰৰ কেন্দ্ৰস্থলৰপৰা।

এই ৰেখা প্ৰেমৰ ৰেখা, হৃদয়ৰ দয়া-মমতা আৰু হৃদ্-যন্ত্ৰ বিষয়ক ৰেখা। আৰম্ভনিতে যদি এই ৰেখা ফেৰেঙনিযুক্ত হয়—এটি শাখা বৃহস্পতি আৰু আনটি শাখা শনিৰ ক্ষেত্ৰৰপৰা ওলায়, আৰু দুয়োটি শাখাৰ মাজৰ ব্যৱধান যদি বেছি হয় তেন্তে এই জাতকৰ প্ৰেম স্থায়ী আৰু আদৰ্শবাদী নহ'ব। (চিত্ৰ নং—৮৮)



চিত্ৰ নং—৮৮



চিত্ৰ নং—৮৯

এই ৰেখা অকল শনিৰ ক্ষেত্ৰৰপৰা ওলালে জাতকে অকল নিজৰ স্বাৰ্থৰ প্ৰতিহে বিশেষভাৱে মন দিব। আনৰ স্বাৰ্থৰ প্ৰতি অন্ধ হ'ব। তদুপৰি, জাতক বৰ বেছি কামুক প্ৰকৃতিৰ হ'ব। (চিত্ৰ নং—৮৯)

যদি এই ৰেখা অস্বাভাৱিকভাৱে দ আৰু বহল হয় তেনেহলে জাতকে মৃগী ৰোগত ভুগিব। এই ৰেখাই যদি নিজৰ স্বাভাৱিক ঠাইৰ সলনি আঙুলিৰ গুৰিৰ ফালে, শুক্ৰবলয়ৰ দৰে অৱস্থান কৰে তেন্তে জাতক বৰ কামুক, হিংস্ৰক আৰু ঈৰ্ষাপৰায়ণ ব্যক্তি হ'ব। (চিত্ৰ নং—১০)



চিত্ৰ নং—১



চিত্ৰ নং—১১

যাৰ হাতৰ এই ৰেখা বৃহস্পতিৰ ক্ষেত্ৰৰ ইমূৰৰপৰা আৰম্ভ হৈ একেবাৰে বুধৰ ক্ষেত্ৰৰ সিমূৰলৈ গৈ (কৰ-প্ৰান্তলৈ) হাতখনক দুভাগত বিভক্ত কৰি অৱস্থান কৰে, সেই জাতকৰ ভালপোৱাত মাত্ৰাধিক্য ঘটিব, আৰু জাতক বৰ আবেগপ্ৰৱণ হ'ব। লগতে, চন্দ্ৰৰ পৰ্বত যদি উচ্চ হয় তেন্তে জাতকে নিজৰ সঙ্কীৰ্ণ স্বাৰ্থৰ বশৱৰ্তী হৈ নিজকে অশেষ যন্ত্ৰণাত নিক্ষেপ কৰিব। তদুপৰি জাতক বৰ ঈৰ্ষাপৰায়ণ লোক হ'ব। (চিত্ৰ নং—১১)

এই ৰেখা যদি দুৰ্বল চুটি চুটি ৰেখাৰ সমষ্টিৰে গঠিত হয়, আৰু শিৰোৰেখাও অনুৰূপ দুৰ্বল হয় তেনেহলে জাতক বৰ হৃদয়হীন, বুদ্ধিহীন আৰু অনিষ্টকাৰী হ'ব।

যদি এই ৰেখা বৃহস্পতিৰ আঙুলিৰ (তৰ্জনী) তৃতীয় পৰ্বৰপৰা আৰম্ভ হৈ বুধ-ক্ষেত্ৰৰ একেবাৰে শেষ সীমাত শেষ হয়হি তেন্তে জাতক প্ৰায় সকলো ক্ষেত্ৰতে বিফলকাম হ'ব। (চিত্ৰ নং—৯২)

এই ৰেখা যদি আৰম্ভণিতে সৰু দুই ফেৰেঙনিযুক্ত হয়, এটি শাখা বৃহস্পতিৰ পৰ্বতৰ মধ্য অংশ আৰু আনটো শাখা প্ৰথম আৰু দ্বিতীয় আঙুলিৰ মাজৰপৰা কম ব্যৱধানত উঠে, আৰু শুক্ৰৰ ক্ষেত্ৰত এটি


চিত্ৰ নং—৯২


চিত্ৰ নং—৯৩

পূৰণ চিহ্ন থাকে তেন্তে জাতকে প্ৰেমৰ বিষয়ত অত্যন্ত সুখী হ'ব। তেওঁ এজনকেই কেৱল ভাল পাব। (চিত্ৰ ন —৯৩)

কোনো শাখা নোহোৱাকৈ যদি এই ৰেখা বৃহস্পতি আৰু শনিৰ আঙুলিৰ ঠিক মাজ খণ্ডৰপৰা ওলাই আহে, আৰু ৰেখাৰ অৱস্থান স্বাভাৱিকতকৈ অলপ ওপৰত হয় তেন্তে এই হাতৰ গৰাকীয়ে তেওঁৰ প্ৰেমিক বা প্ৰেমিকাৰ সৈতে সুখী নহ'ব। জীৱনৰ এছোৱা দীঘলীয়া সময় কঠোৰ শ্ৰম আৰু যুদ্ধ বাগৰতেই শেষ হ'ব। এইটোৱে এটি বৈচিত্ৰহীন আৰু বিৰক্তিকৰ জীৱনকে বুজায় (চিত্ৰ নং—৯৪)। যদি এই ৰেখা চুটি হয়, আৰু অকল (শাখাহীনভাৱে) শনিৰ ক্ষেত্ৰৰপৰা আৰম্ভ হয়, আনপিনে শিৰোৰেখাও চুটি হয় আৰু শনিৰ ক্ষেত্ৰৰ তলত

এই শিৰোৰেখাক কোনো পূৰণ চিহ্নই কাটি দিয়ে তেন্তে জাতকৰ অকাল মৃত্যু হ'ব (চিত্ৰ নং—৯৫)। এই ৰেখাৰ আৰম্ভনিতে বৃহস্পতিৰ ক্ষেত্ৰত যদি ধুনীয়া ছুই ফেৰেঙনিযুক্ত হয় আৰু বুঢ়া আঙুলিৰ প্ৰথম পৰ্ব শক্তিশালী হয় তেন্তে জাতকৰ প্ৰেম স্থায়ী, গভীৰ আৰু আদৰ্শবাদী হ'ব।



চিত্ৰ নং—৯৪



চিত্ৰ নং—৯৫

যদি এই ৰেখা বৃহস্পতিৰ ক্ষেত্ৰত ছুই ফেৰেঙনিযুক্ত হয় আৰু শিৰোৰেখাৰো আৰম্ভণিতে ছুই ফেৰেঙনিযুক্ত হয়, তদুপৰি ইয়াৰ এটা শাখা মঙ্গলৰ সক্ৰিয় পৰ্বতৰপৰা ওলাই আহি শনিৰ ক্ষেত্ৰৰ তলভাগতো যুক্ত হৈ হাতৰ ইটো কাষলৈ—মঙ্গলৰ মানসিক পৰ্বতৰ নিম্নভাগলৈ আহে তেন্তে বহুদিনৰ পিচত প্ৰেমিক-প্ৰেমিকাৰ বিযাৰ ভিতৰেদিয়েই মিলন হ'ব। (চিত্ৰ নং—৯৬)

কোনো জাতকৰ হাতৰ অস্বাভাৱিক গভীৰ হৃদয়ৰেখা, শক্তিশালী শুক্ৰবলয়, চন্দ্ৰৰ পৰ্বত বহু চুটি চুটি, ভগ্নাংশ ৰেখাযুক্ত হলে সেই জাতকে অযুক্তিকৰভাৱে ঈৰ্ষাপৰায়ণ হৈ নিজৰ বিপদ নিজে মাতি আনিব (চিত্ৰ নং—৯৭)। স্বাভাৱিক স্থানত অৱস্থিত হৃদয়-ৰেখাৰপৰা ওপৰমুৱাকৈ উঠা শাখাৰেখাবোৰে জাতকৰ হৃদয়-শুদ্ধি

তথা অফুৰন্ত মৰম, দয়া আৰু ভালপোৱা আদি বুজায়। কিন্তু নিম্নাভিমুখী শাখাৰেখা ওলালে সেই ৰেখাবোৰে জাতকৰ ঈৰ্ষা-পৰায়ণতা আৰু চৰিত্ৰৰ দোষ আদি বুজাব। যদি এই হৃদয়ৰেখা বুধৰ ক্ষেত্ৰত ছিগে তেন্তে সেই জাতক অত্যন্ত অৰ্থলোভী হব আৰু নিজৰ খামখেয়ালিৰ বাবে তেওঁলোকৰ ভালপোৱা বিনষ্ট হ'ব। যদি ছিগা ৰেখাডাল সিডোখৰ ছিগা ৰেখাৰ ওপৰত আকৌ জোৰা দিয়াৰ দৰে ওপৰা-ওপৰিকৈ থাকে তেন্তে তেওলোক আকৌ লগ হোৱাৰ



চিত্ৰ ন —৯৬



চিত্ৰ নং—৯৭

সম্ভাবনা থাকিব। এই জাতকৰ যকৃতৰ দোষ থাকিব। দুয়ো হাতত থাকিলে বেমাৰ বেছি হ'ব। (চিত্ৰ নং—৯৮)

যদি এই ৰেখা সূৰ্য্যৰ ক্ষেত্ৰৰ তলত ছিগে তেনেহলে বুজিব লাগিব যে জাতকৰ বৃথা গৰ্ব আৰু অহঙ্কাৰৰ ফলতেই এই এৰা-এৰি হৈছে। আৰু জোৰা দিয়াৰ দৰে ওপৰা ওপৰিকৈ থাকিলে পুনৰ মিলন হ'ব। জাতকৰ হৃদযন্ত্ৰৰ দোষ থাকিব। দুয়োখন হাতত এই চিহ্ন থাকিলে এই বেমাৰ জটিল হ'ব। (চিত্ৰ নং—৯৯)

যদি এই ৰেখা শনিৰ ক্ষেত্ৰৰ তলত ছিগে আৰু দুয়োখন হাততে ছিগা থাকে তেন্তে তেজৰ দোষযুক্ত প্ৰৱাহৰ হেতু জাতক অল্পায়ু হ'ব।

অৱশ্যে জোৰা দিয়াৰ দৰে ওপৰা-ওপৰিকৈ থাকিলে মৃত্যুৰপৰা উদ্ধাৰ পাব। এই জাতকৰ ভালপোৱা নষ্ট হ'ব—নিজৰ কৰ্ম বা দোষৰ বাবে নহয়—সিটো পক্ষৰ ভুলৰ বাবেহে এই এৰা-এৰি হ'ব। জোৰা দিয়া থাকিলে এই বিপদৰপৰা অব্যাহতি পাব। (চিত্ৰ নং—১)



চিত্ৰ নং—৯৮



চিত্ৰ নং—৯৯

যাৰ এই ৰেখা চুটি চুটি ভগ্নাংশ ৰেখাৰে গঠিত হয়, তেওঁ বিপৰীত লিঙ্গক ঘৃণাৰ চকুৰে চাব। এই জাতকৰ বিযা নহয। আৰু কেনেবাকৈ হ'লেও ভাগি যাব। (চিত্ৰ নং—১০১)

এই হৃদয়ৰেখা শিৰোৰেখা আৰু আয়ুসৰেখাৰ সৈতে একেলগে সংযুক্ত হৈ আৰম্ভ হলে সি এটি অশুভ লক্ষণ বুলি ধৰিব পাৰি। কিন্তু শিৰোৰেখাত যদি এটি পূৰণ চিহ্ন থাকে তেন্তে জাতকৰ হঠাতে মৃত্যু ঘটিব। অৱশ্যে উপযুক্ত বয়সত হে মৃত্যু ঘটিব। প্ৰেমৰ ক্ষেত্ৰত এই জাতকে নিজৰ আকাঙ্ক্ষা পূৰণৰ বাবে কোনো বাধাই নেমানিব (চিত্ৰ নং—১ ২ । যদি আৰম্ভনিতে এই ৰেখা আয়ুসৰেখা আৰু শিৰোৰেখাৰ সৈতে সংযুক্ত থাকে আৰু ইয়াৰ এটি শাখা বৃহস্পতিৰ ক্ষেত্ৰলৈ প্ৰেৰণ কৰে আৰু এই প্ৰেৰিত শাখাটিক কোনো চুটি ৰেখাই

ছেদন কৰে তেন্তে জাতকৰ ভালোপোৱাই দুখ-কষ্ট, আৰ্থিক ক্ষতি এনেকি মৃত্যু পৰ্য্যন্ত আনিব। (চিত্ৰ নং—১০৩)



চিত্ৰ নং—১



চিত্ৰ নং—১ ১



চিত্ৰ নং—১ ২



চিত্ৰ নং—১০৩

দুই ফেৰেঙনিযুক্ত হৈ আৰম্ভ হোৱা এই ৰেখাৰ এটি শাখা যদি শনিৰ ক্ষেত্ৰলৈ গৈ পুনৰ ৰবশীৰ কাঁটাৰ দৰে তললৈ মুখ ঘূৰাই দিয়ে

তেন্তে জাতকে ভুল ঠাইত তেওঁৰ প্ৰেম নিবেদন কৰিব। জাতকৰ চাকৰি অথবা ব্যৱসায়ত বিঘিনি ঘটিব—এই ভুল ঠাইত প্ৰেম নিবেদন কৰাৰ বাবেই। (চিত্ৰ নং—১ ৪)

এই হৃদয়ৰেখা বৃহস্পতি আৰু শনিৰ ক্ষেত্ৰৰ মাজৰপৰা আৰম্ভ হৈ বুধৰ ক্ষেত্ৰৰ তলত মুখ ঘূৰাই নিম্নগামী হৈ আহি যদি শিৰোৰেখাৰ শেহত নিজক বিলীন কৰি দি একেবাৰে কাষৰ ফালে আহি শেষ হয় তেন্তে জাতক অল্পায়ু হ'ব। (চিত্ৰ নং—১ ৫)



চিত্ৰ নং—১০৪



চিত্ৰ নং—১০৫

যদি এই ৰেখাৰ শেহৰ ফালে কোনো শাখাৰেখা নৰখাকৈ (লঠামুৰাকৈ) শেষ হয় তেন্তে জাতক সন্তানহীন হ'ব। এই ৰেখা যদি শনিৰ ক্ষেত্ৰৰ তলেদি শিৰোৰেখাৰপৰা আৰম্ভ হয়, আৰু শনিৰ ক্ষেত্ৰত কোনো চুটি আৰু পথালি ৰেখাই ইয়াক ছেদন কৰে তেন্তে সেই জাতক বা জাতিকাই এনে এজন বা এজনী মানুহৰ সৈতে বিয়াত বহিব যিয়ে তেওঁৰ জীৱনলৈ গভীৰ দুখ আৰু কষ্ট কঢ়িয়াই আনিব। কাৰণ জাতকে প্ৰকৃততে ভুল পাত্ৰ বা পাত্ৰীতহে প্ৰেম নিবেদন কৰিব। (চিত্ৰ নং—১০৬) এই ৰেখাৰ ওপৰত, বুধৰ

ক্ষেত্ৰত যদি কোনো এটি গভীৰ ফোঁট চিহ্ন থাকে তেনেহলে জাতকে কোনোবা ডাক্তৰ, বিজ্ঞানী অথবা ব্যৱসায়ীৰপৰা এই ভালপোৱাৰ বিষয়ত আঘাত বা কষ্ট পাব। আৰু স্বাস্থ্যৰেখাও যদি ঢৌ খেলোৱা হয় তেন্তে বদ্‌হজমৰ বাবে হৃদ্ যন্ত্ৰৰ ধপধপনি উঠি থাকিব।

এই ৰেখাৰপৰা যদি কোনো শাখাৰেখা বুধৰ ক্ষেত্ৰৰ তলৰপৰা বাহিৰ হৈ তললৈ নামি আহি চন্দ্ৰৰ পৰ্বতত কোনো তৰা-চিহ্নত শেষ হয় তেন্তে জাতকে বংশানুক্ৰমে চলি অহা বলিয়ালিত ভুগিব। (চিত্ৰ নং—১ ৭)



চিত্ৰ নং—১০৬



চিত্ৰ নং—১ ৭

এই ৰেখাৰ ওপৰত শনিৰ ক্ষেত্ৰত যদি কোনো দীঘলীয়া ৰঙা ফোঁট থাকে তেন্তে সেই জাতকে মৃগী ৰোগত ভুগিব। আকৌ এই ৰেখাৰ ওপৰত যদি বগা ফোঁট থাকে তেন্তে তেনে জাতকে প্ৰেম বিষয়ত কৃতকাৰ্য্য হ'ব।

যদি এই ৰেখাৰপৰা কোনো শাখাৰেখা ওলাই শিৰোৰেখাত খুন্দা মাৰে আৰু আৰম্ভনিৰ শাখাটো বৃহস্পতিৰ ক্ষেত্ৰৰপৰা উঠে তেন্তে জাতকে প্ৰেমত পৰি বিয়া পাতিব। (চিত্ৰ নং—১ ৮)

কৰতলত যদি হৃদয়ৰেখাৰ কোনো অস্তিত্ব নাথাকে তেন্তে জাতক

হৃদয়হীন মনোবৃত্তিৰ হ'ব, আৰু লগতে শুক্ৰৰ ক্ষেত্ৰ যদি ওখ হয় তেন্তে জাতক জঘন্য কামুক প্ৰকৃতিৰ লোক হব।

যদি এই ৰেখাৰ আৰম্ভনিৰ মুখ বৃহস্পতিৰ ফালে ওপৰ মুৰাহৈ নেথাকি নিম্নাভিমুখী হৈ শিৰোৰেখাৰ আৰম্ভনিৰ ফালেহে মুখ ঘূৰাই (ছেদন নকৰাকৈ বা লগ নলগাকৈ) থাকে তেন্তে জাতকে ভালপোৱাৰ বিষয়ত হতাশ হব লাগিব। বিপৰীত লিঙ্গৰপৰা সকলো সময়তে ভুল বুজা বুজি ঘটিব। তদুপৰি প্ৰযোজনীয় সময়ত তেওলোকে কোনো



চিত্ৰ নং—১ ৮



চিত্ৰ নং—১ ৯

বন্ধু-বান্ধৱৰপৰা সহায় নেপায়। বন্ধু আৰু শত্ৰু নিৰ্বাচনত প্ৰায়েই ভুল কৰিব। কিন্তু এই জাতক জেদী হ'লেও তেওঁৰ এখন অতি কোমল আৰু মৰমীয়াল অন্তকৰণ থাকিব। (চিত্ৰ নং—১০৯) বৃহস্পতিৰ আঙুলিৰ তৃতীয় পৰ্বৰপৰা এই ৰেখা আৰম্ভ হ'লে তেওঁ নিজৰ পতি বা পত্নীৰ প্ৰতি অতিমাত্ৰাই বিশ্বাসী হোৱা বাবে অশান্তি আহিব। এই ৰেখা অশুভ ৰেখা।

যদি এই ৰেখাৰপৰা কিছুমান শাখাৰেখা পোনভাৱে ওলাই শিৰোৰেখাৰ ওচৰত বৈ যায় (ছেদন নকৰে) তেন্তে জাতক বিপৰীত লিঙ্গৰ দ্বাৰা খুব বেছিকৈ প্ৰভাৱিত হ'ব। (চিত্ৰ নং—১১০)

যদি এই ৰেখা এডালৰ ঠাইত সমানে দুডাল থাকে তেন্তে গভীৰ ভালপোৱাৰ ফলত জাতকৰ জীৱনলৈ কষ্ট আহিব। এনে ৰেখা



চিত্ৰ নং—১১



চিত্ৰ নং—১১১



চিত্ৰ নং—১১২



চিত্ৰ নং—১১৩

তিবোতা মানুহৰ হাতত থাকিলে সেই জাতিকাই 'তিবোতা মানুহৰ সাধাৰণতে হোৱা' সকলো অসুখৰ পৰা মুক্তি পাব। যদি এই ৰেখাত

কেইবাটিও দ্বীপ চিহ্ন থাকে তেন্তে সেই জাতকে প্ৰত্যেকটো দ্বীপ চিহ্নতে অবৈধ প্ৰণয়ৰ সৈতে জড়িত থকা বুজাব। (চিত্ৰ নং—১১১)

যদি এই ৰেখাত সূৰ্য্যৰ ক্ষেত্ৰৰ তলত দ্বীপ চিহ্ন থাকে আৰু ভাগ্যৰেখাই এই ৰেখা ছেদন কৰি শনিৰ ঘৰলৈ আগবঢ়াৰ আগতেই এই ভাগ্যৰেখাতো দ্বীপ চিহ্ন থাকে অৰ্থাৎ দুয়োটি দ্বীপ-চিহ্ন মুখামুখিকৈ থাকে তেন্তে এই জাতকৰ অবৈধ প্ৰণয় কোনো কালেই শেষ নহ'ব। ফলত তেওঁ বহু দুখ-কষ্টৰ মাজেদি দিন কটাব। (চিত্ৰ নং—১১২)



চিত্ৰ নং—১১৪

যদি এই ৰেখাত শনিৰ ক্ষেত্ৰৰ তলত দ্বীপ চিহ্ন থাকে তেন্তে জাতকৰ ভবিষ্যৎ বিপদসঙ্কুল হ'ব আৰু এওঁ শিৰাৰ বেমাৰত ভুগিব। (চিত্ৰ নং—১১৩)

এই ৰেখাৰপৰা কোনো শাখাৰেখা ঢৌ খেলোৱাৰ দৰে বাহিৰ ওলাই যদি চন্দ্ৰৰ পৰ্বতলৈ নামি আহে আৰু মানসিক মঙ্গলৰ পৰ্বত বিশেষভাৱে উচ্চ হয় তেন্তে জাতকৰ মনত নৰহত্যাৰ প্ৰবৃত্তি জাগিব (চিত্ৰ নং—১১৪)

"পাৰিবাৰিক সুখ শান্তি
তাৰ কপালতহে থাকে লেখা,
বৃহস্পতিৰ ক্ষেত্ৰত আছে যাৰ
দুমুখীয়া হৃদয় ৰেখা।"

নৱম অধ্যায়

ভাগ্যৰেখা

এই ৰেখাক 'ভাগ্যৰেখা' এই কাৰণেই কোৱা হৈছে যে ইয়াৰ ভিতৰেদিয়েই মানুহে নিজৰ ভাগ্যক দেখা পায়, কিন্তু ই ভাগ্য নিৰূপন নকৰে। এই ভাগ্যৰেখাৰ দ্বাৰা জাতকে তেওঁৰ জীৱনৰ উদ্দেশ্যও পৰিষ্কাৰভাবে দেখিবলৈ সক্ষম হয়।

এই ৰেখা কৰতলৰ প্ৰথম বলয়ৰেখাৰপৰা আগবাঢ়ি শনিৰ ক্ষেত্ৰলৈ আহে। কেতিযাবা ই আয়ুস ৰেখাৰপৰা উঠে, তলুবাৰ মাজভাগৰ পৰা উঠে, শিৰোৰেখাৰপৰা উঠে, হৃদয়ৰেখাৰপৰা উঠে আৰু চন্দ্ৰৰ ক্ষেত্ৰৰপৰাও উঠে। যাৰ এই ভাগ্যৰেখা নাথাকে, তেও অনুভূতিহীন হয়। তেওৰ জীবন অতি সাধাৰণ আৰু অনুল্লেখনীয হৈ পৰে। এইখিনিতে মনত ৰাখিব লাগিব যে দাৰ্শনিক, আদৰ্শবাদী আৰু শিল্পী হাতৰ দীঘলীয়া ভাগ্যৰেখাই যিমানখিনি কাম কৰে, চাৰিচুকীয়া কৰ্মী আৰু সাধাৰণ হাতত ইয়াৰ সিকি পৰিমাণেও তাতোকৈ দহগুণ বেছি কাম কৰে।

এতিয়া আমি সাধাৰণভাৱে ভাগ্যৰেখাৰ প্ৰকৃত গুণাগুণ সম্পৰ্কে আলোচনা কৰোঁ।

যেতিয়া এই ৰেখা প্ৰথম বলয়ৰেখাৰপৰা আৰম্ভ হৈ পোনে পোনে শনিৰ ক্ষেত্ৰলৈ যায তেও অতি কম বয়সতই নিজৰ অথবা পৰিয়ালৰ আন কাৰোবাৰ ভৰণ-পোষণৰ দায়িত্ব নিজৰ কান্ধত তুলি লব লগা হয়। তেওঁ সাধাৰণতে ভাগ্যবান হয। (চিত্ৰ নং—১১৫)

যদি এই ৰেখা মণিবন্ধৰ তিনিওটা বলয়কে ছেদন কৰি আগুৱাই আহে তেন্তে কিছুমান গভীৰ দুখে জাততক আৱৰি ৰাখে।

(চিত্ৰ নং—১১৬)

যদি এই ৰেখা প্ৰথম বলয়ৰেখাৰপৰা আৰম্ভ হৈ হৃদয়ৰেখাত আহি ৰৈ যায় তেন্তে জাতকে প্ৰেমৰ বিষয়ত গোটেই জীৱন জুৰি কষ্ট ভোগে। কিন্তু ৰেখাটিয়ে যদি হৃদয়ৰেখাৰ লগত এক হৈ মিলি বৃহস্পতিৰ ক্ষেত্ৰলৈ যায় তেন্তে জাতকৰ জীৱনলৈ সুখ আহিব। (চিত্ৰ নং—১১৭)



চিত্ৰ নং—১১৫



চিত্ৰ নং—১১৬

যদি প্ৰথম বলয়ৰেখাৰ অলপ ওপৰৰপৰা আৰম্ভ হৈ এই ৰেখা পোনে পোনে আহি শনিৰ পৰ্বতত ৰৈ যায় তেন্তে এই জাতক বৰ ভাগ্যবান হয়। দুডাল ভাগ্যৰেখা থকাটো অত্যন্ত শুভলক্ষণ। আকৌ এই দুয়োডালি সুগঠিত ভাগ্যৰেখা যদি বিভিন্ন দুডোখৰ ঠাইলৈ যায় তেন্তে এই জাতক অত্যন্ত ভাগ্যবান পুৰুষ হ'ব।

এই ৰেখা প্ৰথম বলয়ৰেখাৰ ওচৰৰপৰা আৰম্ভ হৈ যদি পোনে পোনে শনিৰ পৰ্বত পাৰ হৈ শনিৰ (মাধ্যমা) আঙুলিৰ তৃতীয় পৰ্বলৈ সোমাই যায় জাতকৰ ভাগ্যত বহুতো বিপৰ্য্যয় ঘটিব। তেও যি কামেই নকৰক তাক ক'ৰপৰা আৰম্ভ কৰিব আৰু ক'ত শেষ কৰিব, সেই কথা ঠিক কৰাত বৰ অসুবিধা পাব। নিজৰ অন্যায় আচৰণৰ বাবে তেওঁৰ

বন্ধু-বান্ধৱবোৰে তেওঁক ঘৃণা কৰিব আৰু অপমানজনকভাৱে নেতৃত্বৰ-পৰা আঁতৰাই দিব। (চিত্র নং—১১৮)



চিত্র নং—১১৭



চিত্র নং—১১৮

যদি এই ৰেখা প্রথম বলয়ৰেখাৰ ওচৰৰপৰা আৰম্ভ হৈ শনিৰ ক্ষেত্রলৈ আহি পুনৰ বৃহস্পতিৰ ফালে মুখ ঘূৰাই বৃহস্পতিৰ পৰ্বতৰ ওপৰত বৈ যায় তেন্তে জাতকে তেওঁৰ জীৱনত বৰ উল্লেখযোগ্য কৃতকাৰ্য্যতা লাভ কৰিব। (চিত্র নং—১১৯)

যদি এই ৰেখা প্রথম বলয়ৰেখাৰ অলপ ওপৰৰপৰা আৰম্ভ হৈ শনিৰ আঙুলিৰ তৃতীয় পৰ্বলৈ গৈ বৈ যায়, আৰু এই আঙুলিৰ প্রথম পৰ্বত তৰা চিহ্ন থাকে তেন্তে জাতকৰ বৰ অপমানজনকভাৱে মৃত্যু হ'ব। এনেকি জেলতো মৃত্যু হ'ব পাৰে। (চিত্র নং—১২)

যদি এই ৰেখা অস্বাভাৱিকভাৱে গভীৰ আৰু বহল হৈ শনিৰ ক্ষেত্রলৈ যায় তেন্তে জাতকৰ কোনো কামতে মন নবহিব। তেওঁ গোটেই জীৱন জুৰি উদ্বিগ্নতা আৰু হতাশাৰ মাজেদি চলিব লাগিব। এনেকি, তেওঁৰ পক্ষাঘাত ৰোগো হ'ব পাৰে।

যাৰ ভাগ্যৰেখা প্রথম বলয়ৰেখাৰ ওপৰভাগৰপৰা চুটি চুটিকৈ

ভাগ্নি শনিব ক্ষেত্রলৈ আছে তেওঁৰ জীৱনত বহু বিপৰ্য্যয় ঘটিব। অৱশ্যে সেইবোৰ যদি ওপৰা-ওপৰিকৈ জোৰা দিয়াৰ দৰে হয় তেন্তে, জীৱনৰ সেই পৰিবৰ্তনবোৰে খুব বেছি আঘাত দিব নোৱাৰে আৰু জাতকে বিপদৰপৰা সহজে ৰক্ষা পৰিব। (চিত্ৰ নং—১২১) চন্দ্ৰৰ ক্ষেত্ৰৰপৰা কোনো ৰেখা আহি ভাগ্যৰেখাক স্পৰ্শ কৰাৰ লগে লগে যদি ভাগ্যৰেখা ছিগি যায় তেন্তে বুজিব লাগিব যে জাতকে যাক ভাল পায় তেওঁৰ বিশ্বাসঘাতকতাৰ ফলত জাতকৰ মৃত্যু ঘটিব। অথবা জাতক নিজেও পানীত পৰি মৰিব পাৰে নতুবা অন্য প্ৰকাৰে আত্মহত্যাও কৰিব পাৰে (চিত্ৰ নং—১২২)



চিত্ৰ নং—১১৯



চিত্ৰ নং—১২০

এই ভাগ্যৰেখা যদি বৃহৎ চতুৰ্ভুজত শিৰোৰেখাৰ ওপৰত আৰু হৃদয়ৰেখাৰ তলত ছিগি গৈ পুনৰ হৃদয়ৰেখাৰপৰা উঠিবলৈ ধৰে আৰু সি স্পষ্ট হৈ উঠে তেন্তে জাতকে বিপৰীত লিঙ্গৰ কাৰোবাৰ সহায়ত পূৰ্বে ক্ষতি হোৱা সকলোখিনিকে পুনৰ পূৰণ কৰি লবলৈ সক্ষম হ'ব। কিন্তু ইয়াৰ পিচত তেওঁ বিপদ আহিব পৰা বা লোকচান ভৰিব লগা হোৱা কোনো কাৰবাৰত হাত নিদিব। (চিত্ৰ নং—১২৩

এই ভাগ্যৰেখা যদি প্ৰথম বলয়ৰেখাৰ অলপ ওপৰভাগৰপৰা

উঠি আহি পোনে পোনেই বৃহস্পতিৰ পৰ্বতত উঠেগৈ তেন্তে জাতক সকলো বিষয়তে সফলকাম হ'ব। এই ৰেখাই কেতিয়াবা বৰ উজ্জল তথা ভাগ্যবৰ্দ্ধক বিবাহো বুজায়। (চিত্ৰ নং—১২৪)



চিত্ৰ নং—১২১



চিত্ৰ নং—১২২



চিত্ৰ নং—১২৩



চিত্ৰ নং—১২৪

যদি এই ভাগ্যৰেখা প্ৰথম বলয়ৰেখাৰ ওপৰভাগৰপৰা পোনে

পোনেই শিৰোৰেখা আৰু হৃদয়ৰেখা ছেদ কৰি বুধৰ ক্ষেত্ৰলৈ আহে (স্বাস্থ্যৰেখাৰ সৈতে মিলাই নেপেলাব) তেন্তে জাতকে ব্যৱসায়যোগে বহু ধন ঘটিব। (চিত্ৰ নং—১২৫)

এই ভাগ্যৰেখা যদি তলৰপৰা উঠি আহি শিৰোৰেখাত ৰৈ যায় আৰু দুয়োহাততে এই চিহ্ন দেখা যায় তেন্তে বুজিব লাগিব যে জাতকৰ বুদ্ধিৰ দোষত ভাগ্য সেই বয়সলৈ ঠিকভাৱে আহি পুনৰ ৰৈ গৈছে। (চিত্ৰ নং—১২৬)



চিত্ৰ নং—১২৫



চিত্ৰ নং—১২৬

এই ভাগ্যৰেখা যদি ঢেউ খেলোৱা হয় আৰু আয়ুসৰেখাও দুৰ্বল হয়, আৰু ই শিৰোৰেখাত আহি ৰৈ যায় তেন্তে বুজিব লাগিব জাতকৰ দুৰ্বল মগজুৰ বাবে জীৱনলৈ বহু দুৰ্য্যোগ আহিব। (চিত্ৰ নং— ১২৭) যদি ভাগ্যৰেখা শিৰোৰেখাৰপৰা উঠি শনিৰ ক্ষেত্ৰলৈ যায় তেন্তে জাতকে ৮৫ বছৰৰ পিচত উন্নতি কৰিব ধৰিব। (চিত্ৰ নং—১২৮)

যদি প্ৰথম বলয়ৰেখাৰ ওপৰভাগৰপৰা ওলোৱা ভাগ্যৰেখা পোনে পোনে শনিৰ ক্ষেত্ৰলৈ যায় আৰু এই ভাগ্যৰেখাৰপৰা দুটি শাখাৰেখা বাহিৰ হৈ এটি বৃহস্পতিৰ পৰ্বতত আৰু আনটি সূৰ্য্যৰ পৰ্বতত উঠৈগৈ

তেন্তে জাতকৰ জীৱনলৈ ধন-জন, মান-সন্মান, গৌৰৱ, প্ৰতিপত্তি সকলো আহিব। (চিত্ৰ নং—১২৯)



চিত্ৰ নং—১২৭



চিত্ৰ নং—১২৮

ভাগ্যৰেখাক যেতিযাই চুটি চুটি ৰেখাই কাটে ঠিক সেই বয়সত জাতকে কিছু কষ্টৰ সন্মুখীন হৈ সেইবোৰ পাৰ হৈ আহিব লগাত পৰে।

যদি ভাগ্যৰেখাৰপৰা শাখাৰেখা উৰ্দ্ধমুখী হৈ বাহিৰ ওলাই সূৰ্য্যৰেখাৰ দৰে সূৰ্য্যৰ ক্ষেত্ৰলৈ ধাবিত হয় তেন্তে জাতক সম্পত্তিবান হ'ব। তেওঁৰ বুদ্ধিৰ অথবা শিল্প প্ৰচেষ্টা কৃতকাৰ্য্য হ'ব। (চিত্ৰ নং—১৩)

যদি ভাগ্যৰেখা প্ৰথম বলযৰেখাৰ ওপৰভাগৰপৰা আৰম্ভ হৈ শিৰোৰেখা আহি নৌপাওতেই ছিগি যায় কিন্তু লগে লগে অন্য এটি ভাগ্যৰেখাই ছিগা ৰেখাটিক ওপৰা-ওপৰিকৈ জোৰা দিয়াৰ দৰে ওলাই আহি পোনে পোনে গৈ বৃহস্পতিৰ পৰ্বতত উঠে তেন্তে জাতকৰ প্ৰথম পত্নীৰ (বা পতিৰ) বিয়োগত যি দ্বিতীয় পত্নী (বা পতি) লাভ কৰিব এই পতি বা পত্নী অত্যন্ত ভাগ্যবান বা ভাগ্যৱতী হ'ব। ইয়াৰ ফলত জাতকৰ উন্নতি হ'ব। (চিত্ৰ নং—১৩১)

কিন্তু জাতকৰ ভাগ্যৰেখা যদি শুক্ৰৰ ক্ষেত্ৰৰ ভিতৰৰপৰা আৰম্ভ হয় তেন্তে জাতকে এনে কোনো পাত্ৰীৰ প্ৰেমত পৰিব যাক হয়তো



চিত্ৰ নং—১২৯



চিত্ৰ ন —১৩



চিত্ৰ নং—১৩১



চিত্ৰ নং—১৩২

কোনোদিনেই আনিব নোৱাৰিব। জাতকৰ সেই প্ৰেমিকা হয়তো বিবাহিতাও হ'ব পাৰে। (চিত্ৰ নং—১৩২)

মঙ্গলৰ সমতল ক্ষেত্ৰৰ মাজৰপৰা ভাগ্যৰেখা উঠি যদি শনিৰ ক্ষেত্ৰলৈ আগুবাই যায় তেন্তে জাতকে বহু কষ্টৰ পিচত সুখ-শান্তিৰ মুখ দেখিবলৈ পাব। ভাগ্যৰেখা আয়ুসৰেখাৰপৰা উঠি যদি শনিৰ ক্ষেত্ৰলৈ যায় তেন্তে জাতকে নিজৰ ভাগ্য নিজে গঢ়ি লব। পিতৃ সম্পত্তি লাভ কৰাৰপৰা তেওঁ বঞ্চিত হব। (চিত্ৰ নং—১৩৩)

যদি আয়ুসৰেখাৰপৰা উঠা ভাগ্যৰেখা সূৰ্য্যৰ ক্ষেত্ৰলৈ গৈ সূৰ্য্যৰ পৰ্বতত উঠে তেন্তে জাতকে সাহিত্য বা শিল্পবিষয়ত উন্নতি কৰি বহু ধন ঘটিব। (চিত্ৰ নং— ১৩৪)



চিত্ৰ নং—১৩৩



চিত্ৰ নং—১৩৪

যদি চন্দ্ৰৰ ক্ষেত্ৰৰপৰা কোনো প্ৰভাৱশালী গভীৰ ৰেখা ওলাই আহি ভাগ্যৰেখাৰ লগত এক হৈ যায় আৰু এই ভাগ্যৰেখা চন্দ্ৰৰপৰা অহা ভাগ্যৰেখাতকৈ অলপ দুৰ্বল হয় তেন্তে জাতক স্ত্ৰৈণ বা তিৰোতাৰ অধীনত থাকিব। (চিত্ৰ নং—১৩৫)

প্ৰথম বলয়ৰেখাৰ ওপৰভাগৰপৰা শনিৰ ক্ষেত্ৰলৈ ওলাই অহা ভাগ্যৰেখাৰ মধ্যভাগত যদি কোনো পূৰণ চিহ্নই কাটি দিয়ে তেন্তে জাতকৰ জীৱনত (সেই বয়সত) ভীষণ ধুমুহা আহিব।

আৰু যদি এই ভাগ্যৰেখা শনিৰ পৰ্ব্বতত উঠাৰ লগে লগে কোনো চতুষ্কোণে ৰেখাৰ মূৰটো আৱৰি ৰাখে তেন্তে জাতক মৃত্যুৰপৰা ৰক্ষা পৰিব। (চিত্ৰ নং—১৩৬) যদি এই ভাগ্যৰেখা শনিৰ পৰ্বতত উঠাৰ



চিত্ৰ নং—১৩৫



চিত্ৰ নং—১৩৬

লগে লগে ৰেখাৰ মূৰটো কোনো পূৰণ চিহ্নই কটাকটি কৰে আৰু বুধৰ পৰ্বতৰ ওপৰত কিছুমান চুটি চুটি ৰেখাৰ অবিন্যস্ত সংমিশ্ৰণ দেখা যায় তেন্তে জাতকৰ কিবা দোষণীয় কৰ্মৰ ফলত অন্যৰ হাতত শোচনীয় মৃত্যু ঘটিব (চিত্ৰ নং—১৩৭)। প্ৰথম বলয়ৰেখাৰ ওপৰ ভাগৰপৰা বাহিৰ ওলাই অহা ভাগ্যৰেখাৰ ঠিক অগ্ৰভাগত যদি দ্বীপ-চিহ্ন থাকে কিম্বা যিকোনো ভাগ্যৰেখাৰ আৰম্ভণিতে যদি স্পষ্ট দ্বীপ-চিহ্ন থাকে তেন্তে সেই জাতকক জাৰজ সন্তান বুলি বুজিব লাগিব। ভাগ্যৰেখাটি অলপ দুৰ্বল হ'লে এই কথাটি একেবাৰে সত্য বুলি প্ৰমানিত হয়। (চিত্ৰ নং—১৩৮) ভাগ্যৰেখা যদি কোনো তৰা-চিহ্নৰপৰা আৰম্ভ হৈ শনিৰ ক্ষেত্ৰলৈ আহে তেন্তে জাতকৰ শৈশৱকালত পিতৃ-মাতৃৰ কোনো ডাঙৰ দুৰ্ঘটনা ঘটিছিল বুলি বুজিব লাগিব। লগে লগে যদি শুক্ৰৰ ক্ষেত্ৰতো দেখা যায় আন এটি তৰা-চিহ্ন আছে তেন্তে বুজিব লাগিব, সেই শৈশৱকালত জাতকৰ পিতৃ বা মাতৃ ঢুকাইছিল।

(চিত্ৰ নং—১৩৯) যদি শনিৰ ক্ষেত্ৰত ভাগ্যৰেখাৰ মূৰত তৰা-চিহ্ন থাকে তেন্তে আনৰ ভুল-দোষৰ বাবে জাতকৰ জীৱনলৈ দুৰ্ভাগ্য



চিত্ৰ নং—১৩৭



চিত্ৰ নং—১৩৮



চিত্ৰ নং—১৩৯



চিত্ৰ নং—১৪

নামি আহিব। কৰতলৰ অন্যান্য চিহ্নবোৰ ভাল হ'লে ইয়াক সৌভাগ্যসূচক বুলিও ধৰিব পাৰি। (চিত্ৰ নং—১৪০)

এই ধৰণে শেষ হোৱা ভাগ্যৰেখাৰ লগতে যদি চন্দ্ৰৰ পৰ্বততো এটি তৰা-চিহ্ন থাকে তেনেহলে জাতকে মৃগী অথবা পক্ষাঘাত ৰোগত ভুগিব। অৱশ্যে শনিৰ ক্ষেত্ৰত অকল তৰা-চিহ্ন থাকিলেও পক্ষাঘাত অথবা মৃগীৰোগৰ লক্ষণ দেখা যায়।

ভাগ্যৰেখাৰ মধ্যখণ্ডৰ যি ঠাইতেই দ্বীপ-চিহ্ন থাকিব ঠিক সেই বয়সতেই জাতকৰ মূৰৰ ওপৰেদি প্ৰৱল ধুমুহা ব'ব। বহু আৰ্থিক ক্ষতি আৰু মান সন্মানো নষ্ট হ'ব।

ভাগ্যৰেখাৰ মধ্যখণ্ডত যদি দ্বীপ-চিহ্ন থাকে আৰু লগত বৃহস্পতিৰ ক্ষেত্ৰতো তৰা-চিহ্ন থাকে তেন্তে জাতকে বা জাতিকাই কোনো উচ্চ থাপৰ মানুহৰ সৈতে দোষনীয়ভাৱে প্ৰেমত পৰি ক্ষতিগ্ৰস্ত হ'ব। আৰু



চিত্ৰ নং—১৪১



চিত্ৰ নং—১৪২

যদি এই তৰা-চিহ্নটো সূৰ্য্যৰ ক্ষেত্ৰত থাকে তেনেহলে জাতক বা জাতিকাই কোনো সাহিত্যিক বা শিল্পীৰ প্ৰেমত পৰি ক্ষতিগ্ৰস্ত হ'ব, নতুবা এই তৰা চিহ্ন যদি বুধৰ ক্ষেত্ৰত থাকে তেতিয়া জাতক বা জাতিকাই কোনো বৈজ্ঞানিক, ডাক্তৰ বা ব্যৱসায়ীৰ প্ৰেমৰ বান্ধোনত পৰি ভীষণৰূপে ক্ষতিগ্ৰস্ত হ'ব। (চিত্ৰ নং—১৪১)

ভাগ্যৰেখাৰ শেষত, শনিৰ ক্ষেত্ৰত যদি (ভাগ্যৰেখাৰ ওপৰত)

দ্বীপ-চিহ্ন থাকে তেন্তে এই জাতক ৰজা হ'লেও শেষ বয়সত ভিক্ষাৰী হ'ব লাগিব। ইয়াৰ অন্যথা নহয়। (চিত্র নং—১৪২)

যদি ভাগ্যৰেখাৰ গাত লাগোঁ-নেলাগোঁকৈ কৰতলৰ বৃহৎ ত্রিভূজৰ ভিতৰত কোনো সূক্ষ্ম ত্রিকোণ থাকে তেন্তে জাতকৰ সৈন্যবিভাগত যথেষ্ট উন্নতি বুজায়, অথবা সেই বয়সত যুদ্ধত জয়ী হয়।

ভাগ্যৰেখাৰ আৰম্ভণিতেই যদি দুটা দ্বীপ চিহ্ন থাকে তেন্তে এই জাতকৰ 'দ্বিতীয় দৃষ্টি' থাকিব। অন্তত টোপনিত খোজ কাঢ়ি ফুৰিব।

ভাগ্যৰেখা যদি হঠাতে ছিগি যায় আৰু সেই ছিগা ঠাইৰপৰা নতুন এটি ভাগ্যৰেখা উঠিবলৈ আৰম্ভ কৰে তেন্তে বুজিব লাগিব যে জাতকৰ নতুন ভাগ্যৰেখাৰে নতুন ব্যৱসায় আৰম্ভ হ'ব। আকৌ, কোনো জাতিকাৰ ভাগ্যৰেখা যদি শুক্রক্ষেত্রৰ ভিতৰৰপৰা উঠে আৰু ৰেখাৰ আৰম্ভণিতে দ্বীপ চিহ্ন থাকে তেন্তে এই জাতিকাক কোনোবাই পলুৱাই নিব অথবা কাৰোবাৰ সৈতে নিজেই পলাই যাব।

ভাগ্যৰেখা যদি শিৰোৰেখাৰপৰা উঠি ভাঁজ খাই শনিৰ ক্ষেত্রলৈ যায় তেন্তে বহু কষ্টৰ শেষতহে জাতকৰ ভাগ্য উদয় হ'ব ভাগ্যৰেখাহীন মানুহে কঠোৰ পৰিশ্রম কৰিহে জীৱনত উন্নতি সাধিব পাৰে।

"যাৰ ভাগ্যৰেখাটি নহয় পুষ্ট,
তাৰ ভাগ্যাধিপতি সদায় ৰুষ্ট।"

দশম অধ্যায়

সূৰ্য্যৰেখা

সূৰ্য্য নোলালে পৃথিবী যেনেকৈ অন্ধকাৰ হয়, মানুহৰ জীৱনতো সূৰ্য্যৰেখা নেথাকিলে পোহৰৰ মুখ সতকাই দেখা নেপায়। এনেকি ধুনীয়া ভাগ্যৰেখা থকা লোকেও সূৰ্য্যৰেখাৰ অভাৱত জীৱনকালত স্বীকৃতি পোৱা দেখা নেযায়। এই ৰেখাৰ ক্ষুদ্ৰ এটি অংশইও ভাগ্যৰেখাক ভীষণ শক্তি যোগায়। এই ৰেখাই মানুহক অকল যশস্যাই আনি নিদিয়ে, ধন-জন আদি কৰি সকলো দিয়ে। এই ৰেখাধাৰী জাতকে সহজে অন্য মানুহৰ ওপৰত নিজৰ প্ৰভাব বিস্তাৰ কৰিব পাৰে। এওঁলোকে অতি সহজেই পুৰস্কাৰ পায়, প্ৰসিদ্ধি লাভ কৰে আৰু সন্মান পায়। এই ৰেখা থকা মানুহৰ চাৰিত্ৰিক ধাৰাটিও উজ্জ্বল। এওঁলোকৰ সকলো সময়তে হাঁহি থকা মুখখনেই জীৱনৰ সহায়ক হৈ পৰে।

এই জাতক যি কামতেই লিপ্ত নেথাকক তেওঁ সেই কামৰ দ্বাৰা নিজৰ চেষ্টাৰ দ্বাৰা সুনাম আৰু সন্মান অৰ্জন কৰিব পাৰে। এই ৰেখাটিয়ে অৰ্থৰ বিষয়ত জাতকক স্বাবলম্বী কৰে। জনপ্ৰিয় লোক-সকলৰ হাতত্তহে এই ৰেখা থাকে। যেনে, ৰাইজৰ নেতা, অভিনেতা, গায়ক, শিল্পী সাহিত্যিক আৰু বক্তাসকলৰ হাতত সচৰাচৰ এই ৰেখা থাকে। কিন্তু অতি কোমল মাংসল হাতত এই ৰেখাৰ কোনো মূল্য নাই। মুঠতে, এই ৰেখাকো অন্য এক ধৰণৰ অতি প্ৰয়োজনীয় ভাগ্য-ৰেখা বুলিয়েই ধৰিব পাৰি।

এই সূৰ্য্যৰেখা ভাগ্যৰেখাৰ দৰে প্ৰথম বলয়ৰেখাৰ ওপৰভাগৰপৰা আৰম্ভ হৈ শুক্ৰ আৰু চন্দ্ৰ ক্ষেত্ৰৰ সোমাজেৰে ওপৰমুৱা হৈ পোনে পোনে কোনো বাধাপ্ৰাপ্ত নোহোৱাকৈ সূৰ্য্যৰ পৰ্বতলৈ গতি কৰে

আৰু এইদৰে কোনো বাধা নোপোৱাকৈ কোনো জাতকৰ হাতত যদি এই সূৰ্য্যৰেখা উঠে তেন্তে এই জাতকৰ ভাগ্যত ধন-জন, টকা-পইচা, মান-সন্মান সকলো আহিব। অৱশ্যে হাতৰ অন্য ৰেখাও সেই অনুযায়ী কিছু ভাল হ'ব লাগিব। (চিত্র নং—১৪৩) যদি এই ৰেখা বহল, দীঘল আৰু গভীৰ হয় তেন্তে জাতকে নিজৰ বুদ্ধি-বৃত্তি অত্যাধিক প্রয়োগ কৰাৰ ফলত জীৱনীশক্তি কমি যায় আৰু ইয়াৰ ফলত পক্ষাঘাত কিম্বা হৃদ্-ৰোগত ভুগিবলগীয়া হয়।



চিত্র ন —১৪৩



চিত্র নং—১৪৪

এই ৰেখা যদি পোন আৰু দীঘল হয় আৰু ইয়াৰ ৰং ৰঙা হয় তেন্তে, এই জাতক অত্যন্ত ভাগ্যবান আৰু শক্তিশালী শিল্পী অথবা সাহিত্যিক হ'ব। চুটি আৰু নিস্তেজ হ'লে শিল্প বা সাহিত্যৰ বাবে যি আগ্রহ তাক কাৰ্য্যকৰী কৰিবলৈ শক্তি নেপায়। যদি এই ৰেখা ঢৌ খেলোৱা হয় তেন্তে মনলৈ একাগ্রতা অনা টান হয়। যি খণ্ডৰপৰা পোন হয়, সেই সময়ৰপৰা জাতক কৃতকাৰ্য্য হয়। ভাল সূৰ্য্যৰেখাই বিপদকালত জাতকক প্রচুৰ শক্তি যোগায়।

যদি এই ৰেখা হৃদয়ৰেখাত আহি বৈ যায় আৰু ভাগ্যৰেখা চুটি চুটি ৰেখাৰে বহু ঠাইত কৰ্তিত হয়, আনফালে স্বাস্থ্যৰেখাৰ মধ্যভাগৰ

ওপৰত দ্বীপ-চিহ্ন থাকে তেন্তে ধন-সম্পত্তি হেৰুৱাই জাতক দেউলীয়া হ'ব। (চিত্ৰ নং—১৪৪) যদি এই ৰেখা আয়ুসৰেখাৰপৰা আৰম্ভ হৈ পোনে পোনে সূৰ্য্যৰ পৰ্বতত উঠেহি আৰু দুয়োহাততে একে চিহ্ন থাকে তেন্তে তেওঁৰ উজ্জ্বল ভৱিষ্যৎ আৰু শিল্প সাহিত্যও কৃতকাৰ্য্য হৱ। (চিত্ৰ নং—১৪৫)



চিত্ৰ নং—১৪৫



চিত্ৰ নং—১৪৬

এই ৰেখা যদি ভাগ্যৰেখাৰপৰা আৰম্ভ হৈ সূৰ্য্যৰ ক্ষেত্ৰলৈ যায় তেন্তে জাতক শিল্প সাহিত্যত কৃতকাৰ্য্য হ ব। টকা পইচা আৰু বহু যশস্যাও আৰ্জন কৰিব। এই ৰেখাৰ মূৰটো সূৰ্য্যৰ পৰ্বতত উঠি যদি তৰা চিহ্নত লগ হয় তেন্তে জাতকৰ বুদ্ধি আৰু জ্ঞানৰ বাবে জাতক অতি বিখ্যাত আৰু যশস্বী পুৰুষ হ'ব। (চিত্ৰ ন,—১৪৬)

এডাল ভাল সূৰ্য্যৰেখা, সূৰ্য্যৰ আঙুলি (তৃতীয়া) যদি শনিৰ আঙুলিৰ (দ্বিতীয়াৰ) সমানে দীঘল অথবা অলপ মাথো। চুটি হয়, শিৰোৰেখা যদি চন্দ্ৰৰ পৰ্বতলৈ হেলনীযা হৈ নামি আছে, আৰু বুধৰ পৰ্বত ভাল হয় তেন্তে জাতকে নিজৰ বুদ্ধিৰে বহু টকা ঘটিব, এই জাতক ডাঙৰ জুৱাৰী অথবা ফট্‌কা আদি কাৰবাৰৰ ডাঙৰ অংশীদাৰ হ ব। আৰু এই সূৰ্য্যৰেখা যদি আৰম্ভণিতে চন্দ্ৰৰ

ক্ষেত্ৰৰপৰা ওলাই সূৰ্য্যৰ পৰ্বতলৈ আহে, দীঘল শিৰোৰেখাও চন্দ্ৰৰ ক্ষেত্ৰৰ ফালে হেলনীয়া হৈ থাকে তেন্তে জাতক বিখ্যাত ভ্ৰমণকাৰীও হ'ব। আৰু এই ভ্ৰমণৰ যোগেদি ধন-জন আৰু যশস্যা গোটাব। (চিত্ৰ নং—১৪৭)

যদি এই ৰেখা অকল সূৰ্য্যৰ ক্ষেত্ৰতহে উঠে আৰু শুক্ৰ আৰু চন্দ্ৰৰ পৰ্বত শক্তিশালী হয় তেন্তে জাতকৰ সুকুমাৰ কলা আৰু সাহিত্যৰ প্ৰতি প্ৰবল অনুৰাগ থাকিব। আঙুলিৰ নখবোৰ চুটি চুটি হলে এই জাতক শিল্প-সাহিত্যৰ সমালোচক হ'ব। (চিত্ৰ নং—১৪৮)



চিত্ৰ নং—১৪৭



চিত্ৰ নং—১৪৮

এডাল ভাল সূৰ্যৰেখা, ভাল ভাগ্যৰেখা আৰু বৃহস্পতিৰ পৰ্বত যদি উচ্চ হয় তেন্তে জাতকৰ প্ৰখৰ বুদ্ধিমত্তা আৰু শক্তিশালী মনৰ বাবে জাতকৰ সকলো আকাঙ্ক্ষাই পূৰণ হ'ব। এই জাতকো বৰ যশস্বী হয়। যদি এই ৰেখা পোন আৰু দীঘল হয়, কৰতলো বৰ দ হয় আৰু আঙুলিবোৰ পাক খোৱা বিধৰ হয় আৰু বুধৰ ক্ষেত্ৰ উচ্চ হয় তেন্তে তেওঁৰ বুদ্ধি বেয়া কামত প্ৰয়োগ কৰিব। কিন্তু অৱশেষত জাতকে তেওঁৰ ষড়যন্ত্ৰ কাৰ্য্যকৰী কৰিবলৈ সক্ষম নহ'ব।

এই ৰেখা যদি দুয়োখন হাতত ধুনীয়াকৈ অঙ্কিত হয় আৰু বৃহস্পতিৰ ক্ষেত্ৰও (পৰ্বত) শক্তিশালী হয় তেন্তে জাতক দেশৰ প্ৰেছিডেণ্ট বা ৰজা হোৱাৰ সম্ভাৱনা থাকে। এই ৰেখা যদি মঙ্গলৰ সমতল ক্ষেত্ৰৰপৰা উঠি সূৰ্য্যৰ পৰ্বতলৈ আহে তেন্তে বহু কষ্ট আৰু যুঁজ-বাগৰৰ পিচত জাতকৰ উন্নতি হয়। (চিত্ৰ নং—১৪৯) এই ৰেখা যদি চুটি চুটি টুকুৰা টুকুৰ ৰেখাৰে গঠিত হয় তেন্তে জাতকৰ পাণ্ডিত্যই টকা বা যশস্যা আনিবলৈ সক্ষম নহ'ব।

যদি এই ৰেখা কৰতলৰ বৃহৎ চতুৰ্ভুজৰ ভিতৰত ছিগে আৰু পুনৰ হৃদয়ৰেখাৰপৰা ভালভাৱে আৰম্ভ হয় তেন্তে কোনো আপোন মানুহৰ দ্বাৰা জাতক বাধাপ্ৰাপ্ত হৈ বহুত দুৰ্ভোগ ভোগ কৰিব। কিন্তু অৱশেষত জাতক কৃতকাৰ্য্য হ'ব। (চিত্ৰ নং—১৫০)



চিত্ৰ নং—১৪৯



চিত্ৰ নং—১৫০

যদি এই ৰেখা প্ৰথম বলয়ৰেখাৰ ওপৰভাগৰপৰা আৰম্ভ হৈ সূৰ্য্যৰ পৰ্বতলৈ উঠি আহোঁতে বিবাহ-ৰেখাক খুন্দা মাৰি বৈ যায় তেন্তে এই বিবাহৰ দ্বাৰা জাতকৰ সুনাম নষ্ট হ'ব—বদনাম আহিব আৰু আৰ্থিক ক্ষতিও হ'ব। (চিত্ৰ নং—১৫১)

এই ৰেখা যদি সূৰ্য্য-পৰ্বতত উঠি দুই ফেৰেঙনিযুক্ত হয় তেন্তে

জাতকৰ দুটি বিষয়ত সমানে দক্ষতা থাকিব। আৰু যদি তিনিটা ফেৰেঙনিযুক্ত হয় তেন্তে ভাবিব নোৱাৰাকৈ ধন ঘটিব। (চিত্ৰ নং—১৫২)

যদি এই ৰেখা সূৰ্য্যৰ ক্ষেত্ৰলৈ নগৈ শনিৰ ক্ষেত্ৰলৈ যায় আৰু ভাগ্যৰেখাও শনিৰ ক্ষেত্ৰত উঠি আহি থাকে (কিন্তু দুয়োডাল নলগাকৈ সমান্তৰালভাৱে) তেন্তে জাতকে তেওঁৰ ভাগ্য গঢ়িবলৈ অবিৰাম প্ৰচেষ্টা চলাব আৰু কৃতকাৰ্য্যও হ'ব। (চিত্ৰ নং—১৫৩)



চিত্ৰ নং—১৫১



চিত্ৰ নং—১৫২

কৰতলৰপৰা সূৰ্য্য পৰ্বতত আহি উঠি থকা সূৰ্য্যৰেখাত, শিৰো-ৰেখাৰপৰা ওলে বা এটি শাখাৰেখা উৰ্দ্ধমুখী হৈ ওলাই আহি কৰতলৰ বৃহৎ চতুৰ্ভূজৰ ভিতৰত (হৃদয়ৰেখাৰ ওচৰত) সূৰ্য্যৰেখাৰ সৈতে যদি এক হৈ মিলি যায, জাতকে নিজৰ বুদ্ধিৰ বলত বহু টকা ঘটিব। কিন্তু শিৰোৰেখাৰ এই শাখা ৰেখাটোৱে যদি সূৰ্য্যৰেখাক কাটি হৃদয়ৰেখাক স্পৰ্শ কৰে তেন্তে জাতকৰ নিজৰ বুদ্ধিৰ দোষত বহুত লোকচানৰ সম্মুখীন হ'ব। বিশেষকৈ জাতকৰ তিৰোতা মানুহৰ প্ৰতি আসক্তিয়েই এই লোকচানৰ প্ৰধান কাৰণ হ'ব। (চিত্ৰ নং—১৫৪)

যদি মঙ্গলৰ সমতল ক্ষেত্ৰত অথবা চন্দ্ৰৰ ক্ষেত্ৰত ভাগ্যৰেখাৰপৰা

বাহিৰ ওলোৱা নিম্নাভিমুখী কোনো ৰেখাই সূৰ্য্যৰেখাক স্পৰ্শ কৰে তেন্তে যুটীয়া ব্যৱসায়ত (Partnership) জাতক লাভবান হ'ব (চিত্ৰ নং—১৫৫)। আৰু যদি সেই শাখাৰেখাই সূৰ্য্যৰেখা ছেদন কৰি যায় তেন্তে এই যুটীয়া ব্যৱসায়ত লোকচান হ'ব।



চিত্ৰ নং—১৫৩



চিত্ৰ নং—১৫৪



চিত্ৰ নং—১৫৫



চিত্ৰ নং—১৫৬

এই সূৰ্য্যৰেখা সূৰ্য্যৰ পৰ্বতলৈ আগবাঢ়োতে মানসিক মঙ্গলৰ

পর্বতৰপৰা কোনো ৰেখা (হৃদয়ৰেখা আৰু শিৰোৰেখাৰ মাজভাগৰপৰা ওলোৱা) ওলাই আহি সূর্য্যৰেখা ছেদন কৰি আগবাঢে তেন্তে কোনোবা শক্তিশালী শত্ৰুৱে জাতকৰ বহুত লোকচান ঘটাব। (চিত্ৰ নং—১৫৬) সূর্য্যক্ষেত্ৰলৈ আহি সূর্য্য পর্বতত উঠি থকা এই ৰেখাক যদি হৃদযৰেখাৰ ওপৰ ভাগত আৰম্ভ হোৱা শনিৰ ক্ষেত্ৰৰপৰা ওলাই অহা কোনো ৰেখাই ছেদন কৰে তেন্তে টকা-পইচাৰ অভাৱে জাতকৰ সকলো প্ৰতিভা নষ্ট কৰিব। (চিত্ৰ নং—১৫৭) এই ৰেখা সূর্য্য পর্বতলৈ আহি যদি সূর্য্য পর্বতত কোনো তৰা-চিহ্নত শেষ হয় তেন্তে জাতকে নিজৰ উন্নতি সধাত অন্যান্য ভাই-বন্ধুৰ সহায় আৰু শুভেচ্ছাত কৃতকার্য্য হ'ব। এই ৰেখাৰ ওপৰত তৰা চিহ্ন—শিল্প-সাহিত্য ক্ষেত্ৰত উন্নতিৰ চিহ্ন।



চিত্ৰ নং—১৫৭



চিত্ৰ নং—১৫৮

এই ৰেখাই যি ঠাইত হৃদয়ৰেখাক ছেদ কৰি সূর্য্য পর্বতলৈ যায়, সেই হৃদয়ৰেখাৰ সংযোগ ঠাইত যদি কোনো ক'লা ফোঁট চিহ্ন থাকে, অথবা এই ক'লা ফোঁট চিহ্নৰ ওপৰেৰে সূর্য্যৰেখা পাৰ হৈ যায় তেন্তে জাতক অতি সোনকালেই অন্ধ হোৱাৰ সম্ভাৱনা থাকিব। (চিত্ৰ নং—১৫৮)

সূৰ্য্য পৰ্বতলৈ বিস্তাৰিত হৈ থকা এই ৰেখাৰ গাত লাগোঁ-নালাগোঁকৈ শনিৰ ক্ষেত্ৰৰ ফালে যদি এটি পূৰণ চিহ্ন থাকে তেন্তে জাতক ধাৰ্মিক মনোভাবাপন্ন হ'ব। আৰু যদি ওচৰা ওচৰিকৈ দুটা পূৰণ চিহ্ন থাকে আৰু শিৰোৰেখা হেলনীয়া হৈ চন্দ্ৰৰ ক্ষেত্ৰত বেছিকৈ নামি থাকে তেন্তে জাতক ধৰ্মোন্মাদ হ'ব। (চিত্ৰ নং—১৫৯)

এই ৰেখা কোনো পূৰণ চিহ্ন অথবা চুটি চুটি ৰেখাৰ দ্বাৰা কৰ্তিত হলে জাতকে বহুত লোকচান আৰু বাধাৰ সন্মুখীন হ'ব।

এই ৰেখাৰ আৰম্ভণিতে যদি দ্বীপ-চিহ্ন থাকে তেন্তে দোষযুক্ত প্ৰেমৰ বাবে জাতকৰ উন্নতিত বাধা আহিব। আকৌ এই ৰেখাই ইয়াকো বুজায় যে কোনো উচ্চ বংশৰ অবৈধ সন্তানে তেওঁৰ উজ্জ্বল ভৱিষ্যত গঢ়াৰ বাবে সক্ষম হ'ব। অবশ্যে এই ৰেখাডাল দীঘল, সবল আৰু বাধাগ্ৰস্ত হ'ব নেলাগিব। (চিত্ৰ নং—১৬)



চিত্ৰ নং—১৫৯



চিত্ৰ নং—১৬

এই ৰেখাৰ মাজভাগত যদি দ্বীপ-চিহ্ন থাকে তেন্তে জাতকে চকুৰ অসুখত ভুগিব আৰু চাকৰিৰ ক্ষেত্ৰত বদনাম আহিব। (কিন্তু ভাগ্য ৰেখাত ঠিক এইভাৱে দ্বীপ-চিহ্ন থাকিলে, জাতক বহু দুৰ্যোগত পৰিব, বহু লোকচান ভৰিব)। (চিত্ৰ নং—১৬১) এই দীৰ্ঘ আৰু ধুনীয়া

সূৰ্য্যৰেখাৰ ছুয়োকাষে (সূৰ্য্য পৰ্বতত যদি আৰু ছুডাল চুটি চুটি সমান্তৰাল সূৰ্য্যৰেখা থাকে তেন্তে জাতকৰ টকা-পইচা, যশস্যা,



চিত্ৰ নং—১৬১



চিত্ৰ নং—১৬২

গৌৰৱ আদি ভাবিব নোবাৰাকৈ বৃদ্ধিপ্ৰাপ্ত হ ব। অবশ্যে সেই চুটি ৰেখা ছুডাল যদি বেয়া অথবা ঢউ খেলোবা হয় তেন্তে জাতকৰ প্ৰতিভা ভুল পথে পৰিচালিত হ'ব। (চিত্ৰ নং—১৬২)

যদি অকল সূৰ্য্য পৰ্বতত থিয় আৰু পোন তিনিডাল সূৰ্য্যৰেখা থাকে তেন্তে এই জাতকক Jack of all trade and master of none' বুলি ক ব। প্ৰবাদ আছে,—যদি সূৰ্য্য পৰ্বতত তেনে চুটি আৰু থিয় সূৰ্যৰেখা থাকে তেন্তে জাতকে কেতিয়াও টকা পইচাৰ ক্ষেত্ৰত কষ্ট নেপায়। (চিত্ৰ নং—১৬৩)



চিত্ৰ নং—১৬৩

"যি জাতকৰ সূৰ্য্যৰেখা ধুনীয়া আৰু পুষ্ট,
সেই জাতকৰ ভাগ্যদেৱতা সদায় সন্তুষ্ট।"

একাদশ অধ্যায়

স্বাস্থ্যৰেখা

মনত ৰাখিব লাগিব যে আমি যি ধৰণে জীৱন যাপন কৰোঁ তাৰেই ফল স্বাস্থ্যৰেখাই ঘোষণা কৰে। এই ৰেখা স্নায়ুমণ্ডলী আৰু মনৰ সৈতে জড়িত। সেই বাবে আমি ধাৰণা কৰিব পাৰোঁ যে এই 'সৰ্বজ্ঞাত্বা' মনটিয়ে আমাৰ একেবাৰে সৰুকালৰপৰাই স্নায়ু-মণ্ডলীৰ সংঘৰ্ষৰ ইতিবৃত্ত সম্পৰ্কে সকলো কথা পৰিষ্কাৰকৈ জানিব পাৰে। আৰু সেই বাবেই ই প্ৰয়োজন অনুযায়ী কেতিযাবা ওপৰত আৰু কেতিয়াবা তলত থাৰ্মোমিটাৰৰ দৰে আত্মপ্ৰকাশ কৰে। এই ৰেখাই নিৰ্দেশ কৰা অসুখবোৰ শৰীৰৰ অন্য ঠাইতো লক্ষ্য কৰা প্ৰয়োজন। যেনে, শিকলিৰ দৰে আয়ুসৰেখাই শৰীৰৰ স্বাভাবিক দুৰ্বলতা প্ৰকাশ কৰে। শিকলিৰ দৰে শিৰোৰেখাই মস্তিষ্কৰ অসুখ নিৰ্দেশ কৰে। এই স্বাস্থ্যৰেখা পৰীক্ষা কৰাৰ সময়ত আমি নখবোৰৰ প্ৰতিও চকু দিব লাগে। এই ৰেখাটি পৰীক্ষা কৰি জাতকৰ আসন্ন অসুখ বিসুখ সম্পৰ্কে নিৰ্ভুলভাৱে ভৱিষ্যৎ বাণী কৰিব পাৰি। আমাক সাবধান কৰি আমাৰ গতিপথত ঈশ্বৰে আমাৰ কৰতলত বহুত সাবধান বাণী অঙ্কিত কৰে। কিন্তু আমাৰ অন্ধবিশ্বাসৰ বাবেই সেইবোৰলৈ আমি মন-কাণ নকৰোঁ। যেতিয়া কৰোঁ তেতিয়া হয়তো সময় একেবাৰে পাৰ হৈ যায়।

এই ৰেখা বলয়ৰেখাৰ ওপৰভাগৰপৰা অথবা আয়ুসৰেখাৰ কাষৰপৰা আৰম্ভ হৈ বুধৰ ক্ষেত্ৰলৈ আহে। ইয়াক যকৃতৰেখা বা আয়ুসৰেখাৰ সহায়কাৰী ৰেখাও বোলে। হাতত এই ৰেখা যেযাভাৱে থকাতকৈ নথকাটোৱেই উত্তম। অৱশ্যে ভাল হাতত ভালভাৱে থাকিলে ই

জাতকক ব্যবসায় বাণিজ্য, বিজ্ঞান, স্বাস্থ্য আদি বিষয়ত প্ৰচুৰ সহায় কৰে। তলত এই বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰা হৈছে।

এই ৰেখা যদি প্ৰথম বলয়ৰেখাৰ অলপ ওপৰভাগৰপৰা আৰম্ভ হৈ পোনে পোনে কোনো বাধাপ্ৰাপ্ত নোহোৱাকৈ বুধৰ ক্ষেত্ৰলৈ আহি বুধৰ পৰ্বতত উঠে আৰু আয়ুসৰেখাও ভাল হয়, তেন্তে এই জাতক দীৰ্ঘদিন জীয়াই থাকিব, ব্যৱসায-বাণিজ্যত বহু উন্নতি সাধিব আৰু হজমশক্তি বেছি হ'ব। এই জাতকৰ শিৰোৰেখাটি যদি ভাল হয় তেন্তে স্মৰণশক্তিও বেছি হ'ব। (চিত্ৰ নং—১৬৪)



চিত্ৰ নং—১৬৪



চিত্ৰ নং—১৬৫

যাৰ এই ৰেখা নাথাকে তেওঁ উদ্যোগী আৰু খৰতকীয়া স্বভাৱৰ লোক হয়। যদি এই ৰেখাই আয়ুসৰেখাৰ শেষভাগৰপৰা আৰম্ভ হৈ বুধৰ ক্ষেত্ৰত দুই ফেৰেঙনিযুক্ত হৈ শেষ হয় তেন্তে বৃদ্ধ বয়সত জাতকে বৰ দুৰ্বল আৰু ক্লান্তি অনুভৱ কৰিব। (চিত্ৰ নং—১৬৫)

এই ৰখাই যদি ঢউ খেলি খেলি সূৰ্য্যৰ ক্ষেত্ৰলৈ আহে আৰু সূৰ্য্য আঙুলিৰ (তৃতীয়া) তৃতীয় পৰ্বত তৰা চিহ্ন থাকে আৰু জাতক যদি বৰ গৰম দেশৰ মানুহ হয় তেন্তে তেওঁ সাংঘাতিক জ্বৰত ভুগিব। (চিত্ৰ নং—১৬৬)

এই ৰেখা যদি আয়ুসৰেখাৰ একেবাৰে কাষৰপৰা ওলাই আহি শিৰোৰেখাত হৈ যায় আৰু আয়ুসৰেখা চুটি চুটি টুকুৰা ৰেখাৰ দ্বাৰা কৰ্তিত হয় তেন্তে যকৃতৰ দোষৰ বাবে জাতকৰ মূৰৰ অথবা মগজুৰ অসুখ হ ব। (চিত্ৰ নং—১৬৭)



চিত্ৰ নং—১৬৬



চিত্ৰ নং—১৬৭

এই ৰেখা যদি আয়ুসৰেখাৰপৰা বাহিৰ ওলাই আহি বুধৰ ক্ষেত্ৰত প্ৰবেশ কৰে কিন্তু হৃদযৰেখাৰ মাজভাগ বৰ বেছিকৈ ভাজ খাই শিৰোৰেখাৰ ফালে যোৱাৰ ফলত আৰু কৰতলৰ বৃহৎ চতুভু জ ঠেক, সঙ্কীৰ্ণ হৈ যোৱাৰ ফলত, জাতকৰ বদহজমৰ বাবে স্বাস্থ্য ভাগি গৈ সঘনে মূৰ্ছা যোৱাৰ ভয থাকিব। (চিত্ৰ নং—১৬৮) আৰু যদি এই ৰেখা প্ৰথম বলযৰেখাৰ ওপৰভাগৰপৰা ওলাই (আয়ুসৰেখাৰ অলপ ওচৰ চাপি আৰু প্ৰথম বলয়ৰেখাটো নিছিগা হয) পোনে পোনে সূৰ্য্যৰ পৰ্বতত আহি উঠে (এইটো সূৰ্য্যৰেখা বুলি ভুল নকৰিব) তেন্তে জাতকৰ বহু সা সম্পত্তি হ'ব। (চিত্ৰ নং—১৬৯)

এই ৰেখা আয়ুসৰেখাৰ শেষ প্ৰান্তৰপৰা ওলাই আহি যদি দুই ফেৰেঙনিযুক্ত হৈ শিৰোৰেখাত বৈ যায় তেন্তে জাতক গুপ্তবিদ্যাৰ বাবে অত্যন্ত আগ্ৰহী হ'ব। তদুপৰি সন্মান আৰু ক্ষমতালাভৰ বাবে তেওঁৰ

অত্যন্ত লোভ হব। অৱশ্যে এইটোৱে জাতকৰ অগজুত বেয়া প্ৰতিক্ৰিয়া কৰিব পাৰে। (চিত্ৰ নং—১৭০)



চিত্ৰ নং—১৬৮



চিত্ৰ নং—১৬৯



চিত্ৰ নং—১৭



চিত্ৰ নং—১৭১

য'দ বুধৰ ক্ষেত্ৰলৈ বিস্তাৰিত হৈ থকা এই ৰেখাৰপৰা দুডাল বা এডাল শাখা ৰেখা ওলাই সূৰ্য্যৰ ক্ষেত্ৰলৈ যায় তেন্তে জাতকৰ ব্যৱসায়ত শুভ পৰিবৰ্তন ঘটিব। (চিত্ৰ নং—১৭১) যদি এই ৰেখা চুটি চুটি

টুকুৰাৰ সমষ্টিৰে গঠিত হয় তেন্তে জাতকে যকৃতৰ বেমাৰত ভুগিব আৰু ব্যৱসায়ত লোকচান ভৰিব। এই ৰেখা আয়ুসৰেখাৰ শেষভাগৰ ওচৰৰপৰা ওলাই আহি যদি শিৰোৰেখাত বৈ গৈ পুনৰ হৃদয়ৰেখাৰ পৰা ওলাই বুধৰ ক্ষেত্ৰলৈ আগবাঢে তেন্তে জাতকে সাংঘাতিক মগজুৰ বেমাৰত ভুগিব। (চিত্ৰ নং—১৭২)



চিত্ৰ নং—১৭২



চিত্ৰ নং—১৭৩

বুধৰ ক্ষেত্ৰলৈ বিস্তাৰিত এই ৰেখাৰ গাত লাগোঁ নেলাগোঁকৈ বৃহৎ ত্ৰিভুজত (মঙ্গলৰ সমতল ক্ষেত্ৰত) যদি এটি তৰা চিহ্ন থাকে তেন্তে জাতকৰ অন্ধতা বুজায়। (চিত্ৰ নং—১৭৩) আৰু এই তৰা-চিহ্নটো যদি ৰেখাটোৰ ওপৰত থাকে তেন্তে তিৰোতা মানুহ হ'লে সন্তান জন্ম দিয়াত কষ্ট পাব। বিশেষকৈ তৰা-চিহ্ন টা যদি—যিখিনি ঠাইত এই ৰেখাই শিৰোৰেখাক ছেদন কৰিছে—সেই ছেদিত ঠাইখণ্ডত থাকে তেন্তে এই জাতিকাই সন্তান জন্ম দিব নোৱাৰিব। আৰু যদি লগতে আয়ুসৰেখাডাল বুঢ়া আঙুলিৰ ওচৰৰপৰা আৰম্ভ হয় (শুক্ৰ-ক্ষেত্ৰ কম আৰু চাপৰ হয়) তেন্তে জাতিকা নি সন্তান হ'ব। এই জাতক-জাতিকাই পাণ্ডুৰোগত ভোগাৰ খুব সম্ভাৱনা থাকে। (চিত্ৰ নং—১৭৪)

যদি এই ৰেখাই ভাগ্যৰেখাক ছেদ কৰি আহি শিৰোৰেখাক ছেদ কৰে আৰু এনে ধৰণে এটি সাধাৰণ ত্ৰিভূজৰ সৃষ্টি কৰে তেন্তে



চিত্ৰ নং—১৭৪



চিত্ৰ নং—১৭৫

জাতকৰ গুপ্তবিদ্যাৰ প্ৰতি অত্যন্ত আগ্ৰহ থাকিব আৰু দৈবানুভূতি অনুভৱ কৰিব। যদি এই ত্ৰিভূজটি পোন আৰু পৰিষ্কাৰ হয় তেন্তে জাতক আলোক দৃষ্টিশক্তিসম্পন্ন অথবা অতীন্দ্ৰিয় দৃষ্টিশক্তিসম্পন্ন ব্যক্তি হ'ব। (চিত্ৰ নং—১৭৫)

যদি এই ৰেখা আয়ুসৰেখাৰ শেষভাগৰ ওচৰৰপৰা আয়ুস-ৰেখাৰ গাত লাগোঁ নেলাগোঁকৈ ওলাই আহি মানসিক মঙ্গলৰ পৰ্বতত শিৰোৰেখাক ছেদ কৰি সামান্য আগুৱাই গৈ ৰৈ যায়,



চিত্ৰ নং—১৭৬

আৰু মঙ্গলৰ পৰ্বতত এনেদৰে এটি পূৰণ চিহ্নৰ সৃষ্টি কৰে তেন্তে জাতক গুপ্তবিদ্যাত বৰ অভিজ্ঞ হ'ব। (চিত্ৰ নং—১৭৬)

যদি এই ৰেখা ঢউ খেলি খেলি বৰ দুৰ্বলভাৱে আয়ুসৰেখাৰপৰা ওলাই আহি বুধৰ পৰ্বত পায় আৰু আয়ুসৰেখাত দুই তিনিটা নীলা বা ৰঙা ফোঁট চিহ্ন থাকে তেন্তে বদ্ হজমৰ বাবে বা যকৃতৰ অসুখৰ বাবে এই জাতকে হৃদ্‌ৰোগত ভুগিব। এনেকি মেলেৰীয়া আৰু টাইফয়েড ৰোগত ভোগাৰো সম্ভাৱনা থাকিব। যদি এই ধৰণৰ ৰেখাত লাগোঁ- নলাগোঁকৈ কোনো পূৰণ-চিহ্ন থাকে তেন্তে জাতকৰ জীৱনত সাংঘাতিক পৰিবৰ্তন ঘটিব। কি ধৰণৰ পৰিবৰ্তন ঘটিব সেই বিষয়টি ভাগ্যৰেখাত বা সূৰ্য্যৰেখাত চালেই ধৰা পৰিব। (চিত্ৰ নং—১৭৭)



চিত্ৰ নং—১৭৭



চিত্ৰ নং—১৭৮

বুধৰ পৰ্বতলৈ সুন্দৰভাৱে বিস্তাৰিত হৈ থকা এই ৰেখাৰ ওপৰত বুধৰ ক্ষেত্ৰত যদি এটি পূৰণ চিহ্ন থাকে আৰু শিৰোৰেখাত এটি শূন্য-চিহ্ন থাকে নতুবা (শূন্য চিহ্ন নাথাকিলে) সূৰ্য্যক্ষেত্ৰৰ তলত শিৰোৰেখা বা হৃদয়ৰেখা অকমান ছিগা থাকে তেন্তে এই জাতক অন্ধ হ'ব। চিত্ৰ নং—১৭৮)

"যদি স্বাস্থ্যৰেখাটি দীঘলীয়া আৰু পোন হয়,
ডাক্তৰক দিব লগা ধনখিনি ঘৰতে ৰয়।
আৰু এই বাবেই হস্তৰেখাবিদসকলে কয়,
'হেৰা, ব্যৱসায়ত নামা' লোকচানৰ নাই ভয়।"

দ্বাদশ অধ্যায

শুক্ৰ বলয় বা শুক্ৰ ৰেখা

এই ৰেখা তৰ্জনী আৰু মধ্যমাৰ সো-মাজৰপৰা ধেমুভিৰীয়া হৈ ওলাই আহি পুনৰ অনামিকা আৰু কনিষ্ঠাৰ মাজত শেষ হয়। এই ৰেখাৰ অৰ্থৰ সৈতে প্ৰবৃত্তি ৰেখাৰ কিছু সামঞ্জস্য আছে। যাৰ হাতত এই ৰেখা থাকে, এই জাতক কামুক প্ৰকৃতিৰ হোৱা বাবে জাতকৰ সততে নৈতিক অধ পতন ঘটে। জাতিকা হ'লে গাভৰু নৌহওঁতেই মাক হ বলৈ আগবাঢ়িব। এই ৰেখাৰ জাতক জাতিকাৰ ওপৰত যদি মাক বাপেকে সৰু কালৰেপৰাই তীক্ষ্ণ দৃষ্টি নেৰাখে তেন্তে জাতকে পঙ্কিল পথত নামি জীৱনটো নষ্ট কৰি পেলোৱাৰ আশঙ্কা থাকিব। ইযাৰ বাবে জাতকে মাৰাত্মক যৌন ৰোগত ভুগিব। এনেকি গণোৰিয়া আদি বেমাৰ হৈ জাতকৰ শৰীৰ ৰুগ্ন হৈ পৰিব। এই জাতক বৃদ্ধ বয়সলৈকে কামুক হৈ থাকিব। কিন্তু সেয়ে হলেও এই জাতক বা জাতিকা বৰ লজ্জাশীল হ ব। প্ৰথম অবস্থাত মাক-বাপেকে জাতকক নিয়ন্ত্ৰণ কৰিব পাৰিলে পিচলৈ বয়স বৃদ্ধি হোৱাৰ লগে লগে জাতকে নিজেই নিজক নিয়ন্ত্ৰণ কৰিব পাৰিব। এই জাতকৰ বিপদ-গ্ৰস্ত মানুহৰ প্ৰতি এখন বৰ কোমল অন্ত কৰণ থাকিব। এই ৰেখা-ধাৰী জাতকৰ অন্য এটি উজ্জ্বল দিশো আছে। জাতকে নিজক নিযন্ত্ৰণ কৰিব পাৰিলে আৰু কৰতলৰ অন্যান্য ৰেখা আৰু পৰ্বতবোৰ ভাল হ'লে এই জাতকে বিশ্ববিখ্যাত শিল্পী, লেখক আৰু কবি স্বৰূপে অমৰ কীৰ্তি ৰাখি যাব পাৰিব। এই জাতকৰ প্ৰায় সকলোবোৰ লেখাই দুখৰ ৰঙেৰে বোলোৱা হ'ব। আৰু এওঁলোকৰ অদ্ভুত

প্ৰতিভাৰ দ্বাৰা মানৱ সমাজ যথেষ্ট লাভবান হ'ব। এতিয়া এই বিষয়ে বিস্তাৰিতভাবে আলোচনা কৰা যাওক।

যদি এই ৰেখা তৰ্জ্জনী আৰু মাধ্যমাৰ সো মাজৰপৰা ধেনুভিৰীযাহৈ বাহিৰ ওলাই আহি অনামিকা আৰু কনিষ্ঠাৰ সো মাজত বৈ যায়, শুক্ৰৰ ক্ষেত্ৰ যদি ওখ হয়, চন্দ্ৰৰ পৰ্বত অত্যাধিক উচ্চ হয আৰু আয়ুস ৰেখাৰ কাষত মঙ্গলৰেখা স্পষ্টভাৱে থাকে তেন্তে এই জাতকে অত্যন্ত পাপ কৰ্মত লিপ্ত হবলৈকো অকণো কুণ্ঠা বোধ নকৰিব। অৱশ্যে সকু অৱস্থাতে মাক-বাপেক সাৱধান হ'লে সন্তানক এই বিপদৰপৰা ৰক্ষা কৰিব পাৰিব। (চিত্ৰ নং—১৭৯)



চিত্ৰ নং—১৭৯



চিত্ৰ নং—১৮

যদি এই ৰেখাক বিবাহ ৰেখাই ছেদন কৰেহি তেন্তে জাতকে তেওঁৰ মূৰ্চ্ছা যোৱা ধৰণৰ অসুখৰ যাবে বৰ স্বাৰ্থপৰ হৈ নিজৰ পত্নী বা পতিৰ স্বাৰ্থ উপেক্ষা কৰাৰ বাবে অশান্তিৰ সৃষ্টি হ'ব। অথবা, এৰা-এৰি হব। (চিত্ৰ নং—১৮)

এই ৰেখাক যদি কিছুমান চুটি চুটি, টুকুৰা টুকুৰি ৰেখাই অথালি-পথালিকৈ কেইবা ঠাইতো ছেদন কৰে তেন্তে জাতকে তেওৰ অত্যন্ত

প্ৰেমিক স্বভাৱৰ কাৰণে প্ৰায়েই মূৰ্ছা যোৱা ৰোগীৰ দৰে মূৰ্ছা যাব। যদি এই ৰেখা দুৰ্বল হয় আৰু হাতৰ অন্যান্য ৰেখা, বং আৰু পৰ্বতবোৰ ভাল হয়, তদুপৰি সূৰ্য্যৰ ক্ষেত্ৰত এই ৰেখাক অন্য কোনো সৰু, গভীৰ এটি পথালি ৰেখাই ছেদন কৰে তেন্তে জাতকৰ ইন্দ্ৰিয় লিপ্সাৰ বাবেই বহুত আৰ্থিক ক্ষতি হ ব। আৰু এইদৰে কৰ্তিত শুক্ৰৰেখাধাৰী জাতকৰ হাতৰ অন্যান্য ৰেখা আদিও যদি বেয়া হয়, জাতকৰ ভাগ্য অত্যন্ত লাম্পট্যৰ বাবে চুৰমাৰ হ'ব। যদি এই ৰেখা একেলগে একে ধৰণে দুডাল বা তিনিডাল থাকে আৰু ইয়াৰ ঠিক সো-মাজতে বা গাত লাগি কোনো তৰা-চিহ্ন থাকে তেন্তে অত্যন্ত ঘৃণনীয় লাম্পট্যৰ বাবে জাতকৰ যৌনাঙ্গৰ বেমাৰ হ'ব আৰু ইয়াৰপৰা তেওঁ উদ্ধাৰ নেপাব। এই জাতকে বিয়া নকৰোৱাটোৱেই আটাই কৈ ভাল। অথবা, বিবাহ আদিৰ সময়ত দুযো-পক্ষই এই বিষয়টো চাই লোৱা উচিত। (চিত্ৰ নং—১৮১)

আৰু যদি এই ৰেখাত (একেলগে দুই বা তিনি ডাল থকা ৷ তৰা-চিহ্ন নেথাকেও তথাপি জাতক অতি লম্পট হ'ব।


চিত্ৰ নং—১৮১

যদি এই ৰেখাৰ প্ৰথম মূৰটি তৰ্জনী আৰু মধ্যমাৰ মাজৰপৰা বাহিৰ ওলাই আহি দ্বিতীয় মূৰটি অনামিকা আৰু কনিষ্ঠাৰ মাজত নোসোমাই মুখখন খোলা কৰি ৰাখে আৰু দেখাত এই ৰেখাটো বেছি গভীৰ নহৈ দুৰ্বল হয় তেন্তে এই ৰেখাযুক্ত জাতকৰ গাত অসুস্থ আৰু অস্বাভাৱিকভাৱে সকলো সময়তে আৰু প্ৰায় সকলো বিষয়তে এটি স্নায়বিক উত্তেজনা অথবা উৎকণ্ঠাৰ ভাব পৰিলক্ষিত হ'ব। (চিত্ৰ নং—১৮২)

যদি এই ৰেখা কোনো এঠাইত ছিঙা ভঙা থাকে আৰু কৰতলৰ অন্যান্য ৰেখাবোৰ ভাল হয় তেন্তে জাতকৰ মূৰ্ছাৰোগ নহয়। কিন্তু লম্পট স্বভাৱ থাকিবই। যদি এই ৰেখা বেছি গভীৰ আৰু ৰক্তাভ হয় আৰু ই ভাগ্যৰেখা আৰু সূৰ্য্যৰেখাক বলপূৰ্বক কাটি পেলায় তেন্তে জাতকৰ প্ৰতিভা তেওঁৰ পাশৱিক চিন্তা তথা ইচ্ছাৰ ফলত ভীষণভাৱে



চিত্ৰ নং—১৮২



চিত্ৰ নং—১৮৩

ক্ষতি।।স্ত হ ব। আৰু ইয়াৰ ফলত জাতকৰ ব্যৱসায-বাণিজ্য আৰু চাকৰি আদিতো ক্ষতিগ্ৰস্ত হ'বলগীয়া হ'ব। (চিত্ৰ নং—১৮১)

এই ৰেখা যদি অলপ দুৰ্বল হয় আৰু ভাগ্যৰেখা আৰু সূৰ্য্যৰেখাক কটাৰ সলনি শক্তিশালী ভাগ্যৰেখা আৰু সূৰ্য্যৰেখাইহে ইয়াক কাটি আগবাঢ়ি যায় তেন্তে (এই সময়ত এই ৰেখা কোনো এঠাইত অলপ ছিগা থাকিলে আৰু ভাল হয়) এই জাতকৰ শিল্প, সাহিত্য আৰু কবিত্ব আদিৰ প্ৰতিভাই জগতক চমক্ খুৱাই দিব। নিপীড়িত জনতাৰ প্ৰতিও এই জাতকৰ সহানুভূতি থাকিব। এই জাতকে অতি বিপদ কালতো ধৈৰ্য্য নেহেৰুৱায়। আৰু এওঁলোক সকলো সময়তে স্বাধীনচিতীয়া হৈ থাকিব।

এই ৰেখা যি জাতকৰ হাতত সম্পূর্ণভাৱে অঙ্কিত হৈ নেথাকি অৰ্দ্ধ-চিহ্নিত হৈ থাকে সেই জাতকৰ স্বৰচিত, কবিতা, গল্প, প্ৰবন্ধ আৰু ছবি আদি মুদ্ৰিত হৈ প্ৰকাশ পোৱা টান হ'ব। অৱশ্যে প্ৰকাশৰ সুযোগ নেপালেও এইবোৰ বিষয়ত জাতকৰ কিছু পৰিমাণে প্ৰতিভা থাকিবই। এই ৰেখাযুক্ত জাতকৰ সকলো সময়তে উপস্থিত বুদ্ধি থাকিব, আৰু জাতক চতুৰ তাৰ্কিক হ'ব। কিন্তু তেওঁৰ সঘনে মত পৰিবৰ্তন ঘটিব। এই ৰেখাধাৰী জাতকৰ যদি কোনো বিষয়ত ভাল লাগে তেন্তে সেই বিষয়ত তেওঁ যিমানখিনি উৎসাহ দেখুৱাব লাগে, সিমানখিনিয়েই দেখুৱাব। কিন্তু দ্বিতীয়বাৰ তেওঁৰ ভিতৰত সেই বিষয়ে কোনো উদ্যম দেখা টান হ'ব। কেতিয়াবা এই জাতক উৎসাহত ভৰপূৰ হৈ থাকে আৰু কেতিয়াবা হতাশাত ভাগি পৰে। এই জাতক তীক্ষ্ণ বুদ্ধিৰ হয়।

'দেউতা! যেতিয়ালৈকে মোৰ হাতত এই শুক্ৰৰেখা দেখিবা,
তেতিয়ালৈকে মোৰ ওপৰত তুমি কঠোৰ শাসন ৰাখিবা।

ত্ৰয়োদশ অধ্যায়

বিবাহৰেখা

মানুহৰ জীৱনত এই বিবাহৰেখাৰ গভীৰ মূল্য আছে। এই ৰেখাই নিজৰ স্বামী বা পত্নীৰ বহু কথাই প্ৰকাশ কৰে। এই ৰেখাৰপৰাই জাতক বা জাতিকাৰ স্বাভাবিক প্ৰণয়, অবৈধ প্ৰণয় আদিক 'প্ৰকৃত বিবাহৰ'পৰা পৃথক কৰিব পাৰি। কিন্তু জাতকৰ অবৈধ প্ৰণয় যদি অতি গভীৰ হয়, তেওৰ জীৱনৰ ওপৰত ই অত্যন্ত গভীৰ প্ৰভাৱ বিস্তাৰ কৰে। এই অবৈধ প্ৰণযক প্ৰকৃত বিবাহৰপৰা পৃথক কৰিব নোবাৰি। কিয নোৱাৰি? ইযাৰ উত্তৰত বিশ্ববিখ্যাত হস্তৰেখাবিদ কিৰোৱে কৈছে "আমাৰ চাৰিওফালে প্ৰতিদিনে, প্ৰতিমুহূৰ্তে, কত হেজাৰ বিজাৰ ৰহস্যজনক ঘটনা ঘটিযেই আছে। যেনেকৈ এইবোৰৰ কোনো কাৰণ আমি বিচাৰি নেপাওঁ তেনেকৈ এই অঘটনবোৰৰো কোনো কাৰণ আমি বিচাৰি নেপাও। গতিকে ইয়াৰ সঠিক ব্যাখ্যা দিব নোবাৰি। প্ৰকৃতিৰ সমস্ত ৰহস্যবোৰৰ কথা যদি আমাৰ জনা নেথাকে তেন্তে এই ধৰণৰ অদ্ভুত আৰু বিধিহীন ঘটনাবোৰ আমি স্বীকাৰ কৰি লোবাৰ বাহিৰে আমাৰ কোনো গত্যন্তৰ নেথাকে। ভাটৌ চৰাইৰ দৰে সন্দেহবাদীয়ে 'কিয়? কিয়?' কৰিলেও ইয়াৰ কোনো উত্তৰ নাই। মুঠতে ইয়াকে কব পাৰি যে, নিউইযৰ্কৰ টেলিগ্ৰাফ যন্ত্ৰত টিপা দিলে, লণ্ডনৰ টেলিগ্ৰাফ যন্ত্ৰত যদি শব্দ হয তেন্তে বিদ্যুতত্তকৈও সূক্ষ্ম ইথাৰে আৱৰি থকা এই বিশ্ব ব্ৰহ্মাণ্ডত প্ৰত্যেক মানুহৰ সৈতে প্ৰত্যেক মানুহৰ হয়তো কিবা যোগসূত্ৰ থাকিবও পাৰে।"

এই সম্পৰ্কে আমি আৰু বেছি তৰ্কৰ মাজলৈ নগৈ মাথোন এই ৰেখাটিৰ স্বাভাৱিক গুণাগুণ সম্পৰ্কে বহলাই আলোচনা কৰোঁ।

কনিষ্ঠা আঙুলিৰ গুৰিৰপৰা ধৰি হৃদয় ৰেখাৰ শেহলৈকে কৰ-প্ৰান্তৰ এই স্থান ডোখৰত অৰ্থাৎ পৰ্বতৰ একেবাৰে কাষত এই ৰেখাৰ স্থান।

এই ৰেখাডাল হৃদয়ৰেখাৰ যিমান ওচৰত থাকিব সিমান সোনকালেই জাতক বা জাতিকাৰ বিয়া হ'ব। বুজিবৰ বাবে এই কনিষ্ঠা আঙুলিৰ মূলৰপৰা হৃদযৰেখাৰ সীমালৈকে সমানে চাৰিভাগ কৰি লওক। যদি এই ৰেখাটো দীঘল আৰু গভীৰ হয় আৰু ই প্ৰথম ভাগত থাকে তেন্তে জাতকৰ সোতৰৰপৰা একৈশ বছৰৰ ভিতৰত বিবাহ হ'ব। আৰু যদি দ্বিতীয় ভাগত থাকে তেন্তে একৈশৰপৰা আঠাইশ বছৰৰ ভিতৰত। তৃতীয় ভাগত থাকিলে আঠাইশৰপৰা পঁয়ত্ৰিশ বছৰ বয়সৰ ভিতৰত। চতুৰ্থ ভাগত থাকিলে পঁয়ত্ৰিশ বছৰৰ পিচত বিবাহ সম্পন্ন হ'ব বুলি বুজিব লাগিব।

এই ৰেখাই যদি ওপৰৰ ফালে (কনিষ্ঠা আঙুলিৰ মূলৰ ফালে) মুখ ঘূৰাই থাকে তেন্তে জাতকে বিবাহ পাশত আৱদ্ধ নহ'ব। অথবা



চিত্ৰ নং—১৮৪



চিত্ৰ নং--১৮৫

এই জাতকে বিযাৰ প্ৰতি ঘৃণা প্ৰকাশ কৰিব। (চিত্ৰ নং—১৮৪) এই ৰেখাই কিছুদূৰ স্পষ্টভাৱে পোন হৈ আগুৱাই আহি যদি হঠাতে

তলৰ ফালে মুখ ঘূৰাই হৃদয়ৰেখাৰ ফালে যায় তেন্তে জাতক বা জাতিকা অবিবাহিত হৈ থাকিব। (চিত্ৰ নং—১৮৫) যদি ভাঁজটো লাহে লাহে লয় তেন্তে বুজিব লাগিব যে জাতক বা জাতিকাৰ পত্নী বা পতি বেমাৰী হৈ লাহে লাহে মৃত্যু বৰণ কৰিব। ডাক্তৰ বা কবিৰাজে এই বেমাৰ ভাল কৰা বৰ টান হ'ব। (চিত্ৰ নং—১৮৬)



চিত্ৰ নং—১৮৬



চিত্ৰ নং—১৮৭

এই ৰেখা পোন হৈ কিছুদূৰ আগবাঢ়ি আহি হঠাতে যদি দুই ফেৰেঙনিযুক্ত হয় তেন্তে জাতক বা জাতিকাৰ নিজৰ পত্নী বা পতিৰ সৈতে এৰা-এৰি হ'ব। অৱশ্যে যাৰ হাতত এই চিহ্ন থাকে, তেওঁৰ নিজৰ দোষৰ বাবে এই এৰা-এৰি নহয়, সিটো পক্ষৰ ভুল বুজাবুজিৰ ফলতহে এই ঘটনা ঘটিব। (চিত্ৰ নং—১৮৭)

আকৌ এই ৰেখা আৰম্ভণিতেই যদি দুই ফেৰেঙনিৰ দৰে ওলাই আহি পুনৰ এক হৈ আগবাঢ়ে তেন্তে বুজিব লাগিব, জাতকৰ দোষৰ বাবে অথবা জাতক কিছুদিন বিশেষ কাৰণত দূৰৈত থাকিবলগীয়া হোৱাত (এই এৰা-এৰিৰ বাবে মনত আঘাত পাই) আৰম্ভণিতে এই ফেৰেঙনি দেখা যায়। পিচত আকৌ মিলন হোৱাৰ আশা থাকে।

এই ৰেখা পোনে পোনে আগবাঢ়ি গৈ যদি সূৰ্য্যৰেখাৰ লগ লাগি ওপৰমুৱা হৈ সূৰ্য্যৰ পৰ্বতৰ ফালে যায় তেন্তে জাতক বা জাতিকাৰ কোনো ধনী মানুহৰ সৈতে অথবা উচ্চবংশত বিবাহ হ'ব। এইটো বৰ ভাল চিহ্ন। (চিত্ৰ নং—১৮৮) কিন্তু এই ৰেখাটোৰ সূৰ্য্যৰেখাৰ লগ লাগি যদি নিম্নগামী হৈ হৃদয়ৰেখাৰ ফালে আগবাঢে তেন্তে জাতক বা জাতিকাৰ কোনো দুৰ্ভগীয়া, দুষ্ট মানুহৰ সৈতে বিয়া হৈ ভাগ্যলৈ বহু দুখ-কষ্ট কঢ়িয়াই আনিব।



চিত্ৰ নং—১৮৮



চিত্ৰ নং—১৮৯

এই ৰেখা যদি শেহত গৈ দুই ফেৰেঙনিযুক্ত হৈ, এ শাখা অলপটি দীঘলীয়া হৈ হৃদযৰেখাৰ ফালে নামি যায় তেন্তে বিবাহ বিচ্ছেদৰ ৰায় জাতকৰ অনুকূলে হ'ব। যদি এই ফেৰেঙনিযুক্ত আনটি শাখা অলপ আগুবাই আৰু ওপৰৰ ফালে গৈ সূৰ্য্যৰ পৰ্বতত উঠে তেন্তে এওঁলোকৰ যোৰা "পাভ যোৰা" হ'ব। অৰ্থাৎ দুয়োৰো ভবিষ্যৎ অত্যন্ত উজ্জ্বল হ'ব। এই ৰেখাৰ মূৰত যদি দ্বীপ-চিহ্ন থাকে আৰু আনফালে বুঢ়া আঙুলিৰ মূলৰ ৰেখাটিতো এই একে দ্বীপ-চিহ্ন থাকে তেন্তে জাতকে নিজৰ কুটুম্ব বা পৰিয়ালৰ ভিতৰতেই কাবোবাক বিয়া কৰাব।

এই ৰেখাৰ গাতে যদি আৰু এটি তেনেকুৱা দীঘল আৰু গভীৰ ৰেখা থাকে তেন্তে জাতক বা জাতিকাৰ অবৈধ প্ৰণয় থকা বুজাব। (চিত্ৰ নং—১৮৯)

যদি এই দ্বিতীয় ৰেখাটো অলপ দূৰৈত থাকে তেন্তে জাতক বা জাতিকাৰ বিযাৰ সমস্ত বন্দোবস্ত হৈও শেষ মুহূৰ্ত্তত সকলো পণ্ড হৈ যাব পাৰে। এই ৰেখাটো যদি কিছুমান দ্বীপ চিহ্নেৰে গঠিত হয় অথবা ৰেখাটিৰপৰা কিছুমান সৰু সৰু শাখাৰেখা ওলাই তলমুৱা হৈ হৃদয়ৰেখাৰ ফালে আহে তেন্তে জাতকৰ বিযা বাৰে বাৰে ভাঙি যাব। এই জাতকৰ ধ্বজভঙ্গ ৰোগো বিযা ভঙাৰ বিশেষ এটি কাৰণ হৈ পৰিব। এই জাতকে বিয়া নকৰোৱাই মঙ্গল। (চিত্ৰ নং—১৯০)



চিত্ৰ নং—১৯



চিত্ৰ ন —১৯১

আকৌ ভালকৈ মনত ৰাখিব এই ৰেখা যদি পোনে পোনে কিছুদূৰ আগুবাই গৈ হৃদযৰেখাৰ ফালে ভাঁজ লয়, আৰু ঠিক এই ভাঁজ লোৱা ঠাইতেই এটি পূৰণ চিহ্ন থাকে বা পূৰণ চিহ্নই ৰেখাডাল কাটি দিয়ে তেন্তে এই জাতকে যাকেই বিয়া কৰাব তেওঁৰ লগে লগে মৃত্যু ঘটিব। একাধিকবাৰ বিয়া হলেও একে ঘটনাৰে পুনৰাবৃত্তি ঘটিব। (চিত্ৰ নং—১৯১)

যদি এই ৰেখাক বুধৰ পৰ্বতত থকা কোনো পথালি ৰেখাই ছেদন কৰে তেন্তে জাতকৰ বিবাহৰ ক্ষেত্ৰত তুমুল বিৰোধিতা ঘটিব। কনিষ্ঠা আঙুলিৰ মূলৰপৰা পথালিভাৱে যিবোৰ ৰেখা বাহিৰ ওলাই আহি এই বিবাহ-ৰেখাত লাগিব এইবোৰেই জাতকৰ সন্তান বা ল'ৰা-ছোৱালী। ইয়াৰ গভীৰ আৰু দীঘল ৰেখাবোৰ ল'ৰা, আৰু অগভীৰ, চুটি ৰেখাবোৰ ছোবালী বুজাব। যদি এইবোৰ ৰেখাৰ গাত ক'লা ফোঁট চিহ্ন, দাগ, কটা ছিঙা অথবা দ্বীপ চিহ্ন থাকে তেন্তে সেই অনুপাতে সন্তানৰ অসুখ বা মৃত্যু বুজাব। যদি কোনো তিৰোতা মানুহৰ হাতৰ এই ৰেখাৰপৰা (ভাল ৰেখা সত্বেও) কিছুমান চুলিৰ দৰে সৰু সৰু পাতল ৰেখা ওলাই নিম্নাভিমুখী হৈ হৃদয়ৰেখালৈ আহে তেন্তে তেওৰ স্বামী সকলো সময়তেই বেমাৰী হৈ থাকিব।

এই ৰেখাৰ ওপৰত ক লা তিল চিহ্ন থাকিলে এই জাতিকা বিধবা হ'ব। কেতিয়াবা আকৌ জাতিকাৰ বিবাহ নৌহওতেই সন্তান হোৱাৰো আশঙ্কা থাকিব। এই গভীৰ আৰু দীঘল বিবাহ ৰেখাৰ ওচৰত যিমানবোৰ অগভীৰ আৰু চুটি ৰেখা দেখা যায়, সেইবোৰ এসময়ত জাতক জাতিকাৰ সাধাৰণ প্ৰণয় বুলি বুজিব লাগিব।


চিত্ৰ ন —১৯২

বিবাহৰেখাৰ আৰম্ভণিতে যদি দ্বীপ-চিহ্ন থাকে তেন্তে বিবাহত পলম হ'ব আৰু দুটি বিমুগ্ধ আত্মা বহুদিন এৰা এৰি হৈ থাকিব লাগিব। যদি এই দ্বীপ চিহ্নটি বিবাহৰেখাৰ মাজত থাকে তেন্তে জীৱনৰ মাজভাগত এই চিহ্নই কোনো গভীৰ কষ্ট অথবা বিচ্ছেদ নিৰ্দেশ কৰে। আৰু এই চিহ্নটি যদি ৰেখাটিৰ একেবাৰে শেহৰ ফালে

থাকে তেন্তে এই বিবাহিত জীৱন শেষ হ'ব এজনৰ ওচৰৰপৰা আনজনৰ বিচ্ছেদৰ দ্বাৰা। (চিত্র নং—১৯২)

যদি এই ৰেখাটি ছুটুকুৰা হৈ থাকে, আৰু ইয়াৰ ছিগাৰ ব্যৱধান অলপ বেছি হয় তেন্তে হঠাতে বিবাহিত জীৱনৰ পৰিসমাপ্তি ঘটিব। যদি গোটেই ৰেখাটি দ্বীপ-চিহ্নেৰেই শিকলিৰ আকাৰত গঠিত হয়, আৰু শুক্রৰ ক্ষেত্র সৰু হয় তেন্তে জাতকে বিবাহ-পাশত আৱদ্ধ নোহোৱাটোবেই অতি উত্তম।

যদি বৃহস্পতিৰ ক্ষেত্র উচ্চ থাকে, বিবাহৰেখাৰ ওপৰত ত্রিকোণ বা চতুষ্কোণ থাকে তেন্তে বিবাহৰ দ্বাৰা অর্থলাভ বা স্ত্রী-ভাগ্যে ধনলাভ, উচ্চপদ, অথবা সন্মান প্রাপ্তি বুজায়। লগতে, বৃহস্পতিৰ ক্ষেত্রতো যদি পূৰণ-চিহ্ন থাকে তেন্তে এইটো অতি উত্তম চিহ্ন। (চিত্র নং—১৯৩)



চিত্র নং—১৯৩



চিত্র নং—১৯৪

বিবাহৰেখাৰ তলত—হৃদয়ৰেখা আৰু মানসিক মঙ্গলৰ ভিতৰত (কৰপ্রান্তত) বিবাহৰেখাৰ দৰে যদি কোনো ৰেখা থাকে তেন্তে সেই ৰেখাবোৰে জাতকৰ একাধিক বিবাহ বুজায়। (চিত্র নং—১৯৪)

"যদি কাৰোবাৰ বিবাহ ৰেখাটি বেয়াকৈ ছিগি যায়,
তেন্তে তেওঁৰ সমান দুর্ভগীয়া এই পৃথিবীত নাই!"

চতুৰ্দশ অধ্যায়

প্রবৃত্তি ৰেখা

এই ৰেখাই অৰ্ধচক্ৰাকাৰে শুক্ৰৰ ক্ষেত্ৰৰ সৈতে চন্দ্ৰৰ ক্ষেত্ৰক যোগ কৰে। আকৌ কেতিয়াবা এই ৰেখা অকল চন্দ্ৰৰ ক্ষেত্ৰৰপৰা মণিবন্ধৰ ওচৰলৈ আহে। প্ৰথমটিয়ে অস যত ইন্দ্ৰিয়-লিপ্সা আৰু কামুকতা নিৰ্দেশ কৰে। আৰু ই যি বয়সত অত্যধিক লাম্পট্যৰ বাবে আয়ুসৰেখাক ছেদন কৰিব, ঠিক সেই বয়সতে এই জাতকৰ মৃত্যু ঘটিব। ই এটি অদ্ভুত ৰেখা।

কিন্তু দ্বিতীয় ৰেখাটি—যিটো অকল মণিবন্ধলৈকে যায় সি সিমান বেযা নহয। এই ৰেখাটিযে জাতকৰ অত্যন্ত ইন্দ্ৰিয়জ স্বপ্ন, কামনা আৰু কল্পনা আদি নিৰ্দেশ কৰে যদিও অকল জাতকৰ বাবেহে এইটো ক্ষতিকৰ, আনৰ বাবে নহয়। (চিত্ৰ নং—১৯৫)



চিত্ৰ নং—১৯৫

এই ৰেখাধাৰী জাতক সাধাৰণতে মদ্যপানকাৰী হয়, আৰু মদ খালে এওঁলোকৰ নিজৰ ওপৰতে কৰ্তৃত্ব নেথাকে। শিৰো-ৰেখা যদি দুৰ্বল হয়, সৰু সৰু দ্বীপ চিহ্ন থাকে আৰু চন্দ্ৰৰ ক্ষেত্ৰৰ ফালে হেলনীয়া হৈ থাকে তেন্তে জাতকে অতি সোনকালেই অধঃ-পতনৰ শেষ সীমাত উপনীত হ'বগৈ। (চিত্ৰ নং—১৯৬)

এই ৰেখা যদি কিছুমান সৰু সৰু দ্বীপ-চিহ্নেৰে গঠিত হয় তেন্তে

জাতকে ক্ষয়ৰোগত ভূগিব। এই ৰেখাৰপৰা কোনো শাখাৰেখা ওলাই যদি স্বাস্থ্যৰেখা আৰু সূৰ্য্যৰেখাক ছেদন কৰে তেন্তে বিপৰীত লিঙ্গৰ আকৰ্ষণে জাতকৰ টকা-পইচা আৰু ব্যৱসায়ত যথেষ্ট লোকচান ঘটাব।

এই ৰেখাধাৰী জাতকৰ বুঢ়া আঙুলি যদি সুদীৰ্ঘ আৰু শক্তিশালী হয়, আৰু হাতৰ অন্যান্য ৰেখা আদিও ভাল হয় তেন্তে তেওঁ শিল্প-সাহিত্যত নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিব পাৰিব। কেতিয়াবা কেতিয়াবা এই ৰেখা স্বাস্থ্যৰেখাৰ লগতো সমান্তৰালভাৱে উঠে। আৰু মঙ্গলৰ সমতল ক্ষেত্ৰৰপৰা অলপ আতৰত উঠি স্বাস্থ্যৰেখাৰ



চিত্ৰ নং—১৯৬



চিত্ৰ নং—১৯৭

দৰে ই বুধৰ ক্ষেত্ৰত শেষ হয়গৈ। এই ৰেখাডাল চিনি উলিওৱাত পাঠকে যাতে ভুল নকৰে। (চিত্ৰ নং—১৯৭)

এই ৰেখা যদি স্বাস্থ্যৰেখাৰ সৈতে সমান্তৰালভাৱে উঠি স্বাস্থ্যৰেখাৰ সৈতে বিনা সংঘৰ্ষই পোনে পোনে বুধৰ আঙুলিৰ কৰ-প্ৰান্তৰ ফালে আহে তেন্তে জাতকৰ অৰ্থৰ প্ৰতি যিমান লালসা নাৰীৰ প্ৰতিও সিমানেই লালসা থাকিব। এই ৰেখাই যদি সমান্তৰালভাৱে থকা স্বাস্থ্যৰেখাক ছেদন কৰে আৰু এই ৰেখাৰ

ওপৰত এটি ক'লা ফোঁট-চিহ্ন থাকে তেন্তে সেই বয়সত জাতকে যকৃতৰ ভীষণ অসুখত ভুগিব আৰু ব্যৱসায় চুৰমাৰ হ'ব। ইয়াৰ মূলতেই বিপৰীত লিঙ্গৰ প্ৰতি থকা প্ৰবল যৌনলিপ্সা। (চিত্ৰ নং—১৯৮)


চিত্ৰ নং—১৯৮


চিত্ৰ ন —১৯৯

এই ৰেখাই যদি আয়ুসৰেখাক ছেদ কৰি শুক্ৰৰ ক্ষেত্ৰৰ ভিতৰৰ-পৰা ঢউ খেলি খেলি বুধৰ ক্ষেত্ৰৰ ফালে ওলাই আহোঁতে হৃদয়ৰেখাত ৰৈ যায় তেন্তে জাতকে কামভাবত তথা কৰ্মত ভীষণ বেযাকৈ লিপ্ত থাকি নিজৰ আয়ুস কমাই পেলাব। এওঁৰ নৈতিকতাৰো অধ পতন ঘটিব। (চিত্ৰ ন — ``৯)

গভীৰ আৰু পোন হৈ বুধৰ ক্ষেত্ৰলৈ অহা এই ৰেখাত যদি তৰা-চিহ্ন থাকে তেন্তে জাতকে বহু ধন ঘটিব। কিন্তু দুখৰ বিষয়, এওঁৰ এই সমস্ত ধন বা টকা-পইচা বিপৰীত লিঙ্গৰ ভোগ-লালসাতে শেষ কৰি পেলাব।

'প্ৰকৃততে প্ৰবৃত্তি- ৰথা কাৰো নথকাই ভাল,
থাকিলে জাতকৰ বাবে ইয়েই হয়গৈ কাল।"

পঞ্চদশ অধ্যায়

মঙ্গলৰেখা

এই ৰেখা শুক্ৰৰ ভিতৰফালৰপৰা, সক্ৰিয় মঙ্গলৰ ক্ষেত্ৰৰপৰা ওলাই আহি আয়ুসৰেখাৰ কাষে কাষে গতি কৰে। এই ৰেখাক দ্বিতীয় আয়ুসৰেখা বুলিও ধৰিব পাৰি।

যদি আয়ুসৰেখা কোনো ঠাইত ছিগি যায় আৰু তাত যদি ধুনীয়া মঙ্গলৰেখা থাকে তেন্তে জাতকক এই মঙ্গলৰেখাই ৰক্ষা কৰিব। মঙ্গলৰেখা জীৱনী শক্তি প্ৰদানকাৰী ৰেখা। এই মঙ্গলৰেখাই শৰীৰত অতিপাত শক্তি যোগায। বিশেষকৈ এই ৰেখা সৈন্য বিভাগত কাম কৰা প্ৰায়ভাগ মানুহৰ হাততে দেখা যায। ডাঙৰ ডাঙৰ সামৰিক বিষযাসকলৰ হাতত এই ৰেখা সাধাৰণতে থাকেই।

এই ৰেখা যদি গভীৰ আৰু আয়ুসৰেখাৰ দৰেই প্ৰায় দীঘল হয় আৰু বৃহস্পতিৰ পৰ্বত ভাল হয তেন্তে এই ৰেখাই জাতকক আত্মসন্মান তথা আত্মগৌৰৱ আনি দিয়ে। এনেকি ই জাতকৰ উজ্জ্বল ভবিষ্যতৰো দ্বিধাহীন প্ৰতিশ্ৰুতি দিযে। যদি এই ৰেখা হাতৰ সাধাৰণ ৰঙতকৈ অলপ গুলপীয়া ৰঙৰ হয, আৰু হাতৰ অন্যান্য ৰেখা আদি ভাল হয তেন্তে জাতকে সমাজৰ কোনো মুখ্য নেতাৰ অথবা নাযকৰ উপদেশ দাতা আৰু সাহায্যকাৰী হয। সৈন্য বিভাগতো সেনাপতিৰ সাহায্যকাৰীৰূপে এনে ধৰণৰ জাতকক দেখা যায।

কিন্তু এই ৰেখা যদি অতি গভীৰ, বহল আৰু ৰক্তাভ হয আৰু হাত মোটা আৰু টান হয়, মঙ্গলৰ পৰ্বতো অতি উচ্চ হয় তেন্তে এই জাতক অলপতে উত্তেজিত হ'ব, ভয়ানক ধৰ্ষণকাৰী হ'ব আৰু নায়কৰ দৰে আদেশকাৰী হ'ব।

মঙ্গল ৰেখাৰপৰা কোনো শাখা-ৰেখা ওলাই আয়ুসৰেখাক অতিক্ৰম কৰি যদি চন্দ্ৰৰ পৰ্বতত কোনো তৰা-চিহ্নত শেষ হয় তেন্তে জাতকে তেওঁৰ জীৱনটো অসৎ কৰ্মতে শেষ কৰিব। (চিত্ৰ নং— ২০)

এই মঙ্গলৰেখাই আয়ুসৰেখাৰ যিমানখিনি ঠাই জুৰি থাকে, ঠিক সিমানখিনি সময়লৈকে ই কাম কৰে। এই ৰেখাটিৰ নামৰ-পৰাই বুজা যায় ই এটি অতি শক্তি-শালী আৰু যুদ্ধং দেহি মনোভাৱৰ ৰেখা। এই ৰেখাটি বিপদজনক জীৱন যাপন কৰা লোকসকলৰ হাতত থকাটো অতি উত্তম।



চিত্ৰ ন —২

(যদি) মঙ্গলৰেখাটি থাকে ভালে,
উন্নতি বুজায় যুদ্ধ কালে।

ষষ্ঠদশ অধ্যায

দৈবানুভূতি ৰেখা

এই ৰেখা দাৰ্শনিক, শিল্পী আৰু আধ্যাত্মিক হাতত বেছিকৈ দেখা যায়। কৰতলৰ বুধৰ ক্ষেত্ৰৰপৰা চন্দ্ৰৰ ক্ষেত্ৰ পৰ্য্যন্ত এই ৰেখা অৰ্ধবৃত্তাকাৰে বিস্তৃত থাকে। এই ৰেখা কেতিযাবা কেতিয়াবা স্বাস্থ্যৰেখাৰ ভিতৰেদিও যোৱা দেখা যায়। স্বাস্থ্যৰেখাৰ সৈতে একেলগে থাকিলেও এই ৰেখাটিক চিনোতে একো টান নহয়। যাৰ হাতত এনে ধৰণৰ স্পষ্ট আৰু অন্য কোনো ধৰণৰ ৰেখাৰে বিশেষভাবে কৰ্তিত নোহোবা গভীৰ ৰেখা আছে, সেই জাতকে ভবিষ্যতে কি ঘটনা দুৰ্ঘটনা ঘটিব পাৰে নভবা নিচিন্তাকৈযে কৈ দিব পাৰে। সেইটো কেনেকৈ সম্ভৱ সেই সম্পৰ্কে সুধিলে তেওঁ কিন্তু সেই বিষযত একো ক'ব নোবাৰে। মুঠতে এইবোৰ সম্পৰ্কে তেও যি ভবিষ্যৎ বাণী কৰিব সেইটো নিশ্চয় ফলিয়াবই। এই জাতকবো গুপ্ত বিদ্যাৰ প্ৰতি প্ৰবল আগ্ৰহ থাকিব। অৱশ্যে জাতকে বেছিকৈ মদ খালে এই ৰেখাই নিজৰ দৈৱশক্তি হেৰুৱাই পেলায়। পুৰুষতকৈ তিৰোতা মানুহৰ হাততেই এই ৰেখা বেছিকৈ দেখা যায়। আনহাতে, এই ৰেখাৰ সৈতে শনিৰ ক্ষেত্ৰত যদি এটি স্পষ্ট পূৰণ চিহ্ন দেখা যায় তেন্তে জাতক গুপ্তবিদ্যাৰ প্ৰতি বলিযা হৈ উঠিব। (চিত্ৰ নং—২ ১)



চিত্ৰ নং—২ ১

এই দৈবানুভূতি ৰেখা যদি চুটি চুটি, টুকুৰা-টুকুৰ ৰেখাৰে গঠিত হয় তেন্তে জাতকে দৈৱানুভূতি শক্তি হেৰুৱাই পেলাব। অথবা, তেওঁৰ সেই শক্তি নেথাকিব।

শুক্ৰৰ ক্ষেত্ৰৰপৰা ওলোৱা কিছুমান প্ৰভাৱকাৰী ৰেখাই যদি এই ৰেখা ছেদন কৰে তেন্তে জাতকৰ বন্ধু-বান্ধৱ অথবা আত্মীয়-কুটুম্বই তেওঁক এই বিত্তাৰপৰা বিৰত ৰাখিবলৈ চেষ্টা কৰিব, বা বাধা দিব। এই ৰেখাৰ আৰম্ভণিতেই যদি দ্বীপ-চিহ্ন থাকে তেন্তে জাতকে টোপনিতে খোজ কঢ়াৰ শক্তি থাকিব। আৰু কিছু পৰিমাণে অতীন্দ্ৰিয় দৃষ্টিশক্তিসম্পন্ন বা আলোক দৃষ্টিশক্তিসম্পন্ন ব্যক্তি হ'ব।

গভীৰ স্পষ্ট আৰু অকৰ্তিতভাবে যাৰ হাতত এই অৰ্ধবৃত্তাকাৰ দৈবানুভূতি ৰেখা আছে (যদি তেওঁ মদপী নহয়) তেন্তে সেই জাতকে তেওঁৰ নিজৰ স্বাভাৱিক শক্তিৰ বলত পৰিষ্কাৰ, আশ্চৰ্য্যজনক সপোনত দৈব-বাণী পাব আৰু সেই দৈব-বাণীৰ ফল নধৰাকৈ নেথাকিব। বিজ্ঞানে ইযাৰ কোনো ব্যাখ্যা আজিলৈকে দিব পৰা নাই, আৰু বোধকৰো দিব নোৱাৰিবও।

এই ৰেখা বেছিভাগ ক্ষেত্ৰত আধ্যাত্মিক হাততেই দেখিবলৈ পোৱা যায়।

"বিজ্ঞানে যাক নেপায় ঢুকি ,
সেই ৰেখাৰ নাম দৈবানুভূতি !'

সপ্তদশ অধ্যায়

বলযৰেখা

এই বলয়ৰেখা প্ৰত্যেক মানুহৰ হাতত তিনিডালকৈ থাকে। কিছুমান পুৰণিকালৰ মানুহৰ হাতত চাৰিডালো থাকিব পাৰে। যদি এই তিনিডাল ৰেখাই নিছিগা আৰু সুগঠিত হয় তেন্তে জাতকৰ জীৱনলৈ ধন-জন, টকা-পইচা, মান-সন্মান সকলো আহিব। তেওঁ নিষ্কণ্টক জীৱন-যাপন বুজাব।

প্ৰাচীন গ্ৰীক-সভ্যতাৰ কোনো এটি সময়ত সেই দেশৰ ছোৱালী বিয়া দিবৰ সময় হ'লে, সেই ছোৱালীক গীৰ্জাৰ পুৰোহিতৰ ওচৰলৈ লৈ যোৱা হয়। পুৰোহিতে ছোৱালীজনীৰ প্ৰথম বলয়ৰেখাটি পৰীক্ষা কৰি যদি দেখে যে বলয়ৰেখাটি ধেনুভিৰীযাকৈ ওপৰৰ ফালে ভাঁজ খোৱা তেন্তে সেই ছোৱালীৰ বিবাহ বন্ধ কৰি দি গীৰ্জাতেই সেৱিকা অথবা, দেৱদাসী কৰি ৰাখি থোৱা হৈছিল। ইয়াৰ কাৰণ হৈছে, এই ছোৱালী সন্তানৰ মাতৃ হ'বলৈ অনুপযুক্ত। এওঁলোকৰ এই বিশ্বাসত সত্যতা আছিল। কাৰণ, এতিয়া দেখা গৈছে যে এই ৰেখাধাৰী জাতিকা শাৰীৰিকভাৱে ভিতৰি ভিতৰি বৰ দুৰ্বল। এই ৰেখাই গৰ্ভধাৰণ যন্ত্ৰৰ দুৰ্বলতা স্পষ্টভাৱে প্ৰকাশ কৰে।

যদি এই তিনিওডাল বলয়ৰেখা বৰ দুৰ্বলভাৱে গঠিত হয় তেন্তে জাতকৰ জীৱন বৰ কষ্টকৰ হয়। বাকী দুটা বলয়ৰেখাতকৈ প্ৰথম বলয়ৰেখাটোকে বেছি মূল্য দিয়া হয়। এটি বলয়ৰেখাৰ বছৰ ২৩ৰ পৰা ২৮ বছৰ ধৰা হয়। দুটি বলয়ৰেখাৰ বয়স ৪৬ৰ পৰা ৫৮ বছৰ ধৰা হয়। আৰু তিনিওটা বলয়ৰেখা যদি ভাল হয়, ৬৯ৰ পৰা ৮৪ বছৰ বয়স ধৰা হয়। কিছুমানে এটি বলয়ৰেখাত ৩০ বছৰো

ধৰে। তিনিওটা বলয়ৰেখা ভাল হ'লেও আয়ুসৰেখা যদি দুৰ্বল হয় তেন্তে জাতকৰ স্বাস্থ্য ভাল নহব।

যদি এই ৰেখাবোৰ শিকলিৰ দৰে হয় তেন্তে জাতকে জীৱনলৈ উন্নতি আনিবলৈ ভীষণ কষ্ট কৰিব লাগি যদিও অৱশেষত কৃতকাৰ্য্য হ'ব। (চিত্ৰ নং—২০২) এই প্ৰথম বলয়ৰেখাক স্পৰ্শ কৰি কোনো



চিত্ৰ নং—২ ২



চিত্ৰ নং -২ ৩

সৰলৰেখাই যদি আয়ুসৰেখাৰ মাজেৰে গৈ বৃহস্পতিৰ পৰ্বতত উঠে তেন্তে এই জাতকৰ ভাগ্যত এটি দীঘলীয়া ভ্ৰমণ ঘটিব। আৰু এই ভ্ৰমণ কালত জাতক অতি লাভবান হ'ব। (চিত্ৰ নং—২০৩)

যদি এই প্ৰথম বলয়ৰেখাৰপৰা সমান্তৰালভাৱে দুটি পোনৰেখা শনিৰ পৰ্বতলৈ গৈ সেই ঠাইত দুয়ো দুয়োকো ছেদ কৰি আগবাঢে তেন্তে এই জাতকে তেওঁৰ দ্বিতীয় ভ্ৰমণটিৰপৰা ওভতি আহিব নোৱাৰিব। অৰ্থাৎ তেওঁৰ মৃত্যু ঘটিব। (চিত্ৰ নং—২০৪)

যদি এই প্ৰথম বলয়ৰেখাৰপৰা আৰম্ভ হৈ কোনো ৰেখা পোনে পোনে সূৰ্য্যৰ পৰ্বতত উঠেগৈ তেন্তে জাতকৰ ভ্ৰমণকালত তেওঁ বিদেশত লগ পোৱা ডাঙৰ ডাঙৰ নেতা আৰু নায়ক আদিৰ সংস্পৰ্শত

নিজৰ সন্মান বঢ়াব পাৰিব। এই ভ্ৰমণ বৰ সুখৰ আৰু লাভজনক হ'ব। (চিত্ৰ নং—২০৫)



চিত্ৰ ন —২ ৪



চিত্ৰ নং—২ ৫



চিত্ৰ নং—২ ৬



চিত্ৰ ন —২

যদি এই ধৰণে কোনো পোন ৰেখা প্ৰথম বলয়ৰেখাৰপৰা আৰম্ভ হৈ ক'তো বাধা নোপোৱাকৈ (স্বাস্থ্যৰেখাৰ দৰে) বুধৰ পৰ্বতত

উঠেগৈ তেন্তে জাতকে এই ভ্ৰমণৰ দ্বাৰা হঠাতে বহু টকা-পইচা গোটাবলৈ সক্ষম হ'ব। (চিত্ৰ নং—২০৬)

এই বলয়ৰেখাৰপৰা যিবোৰ ৰেখা বাহিৰ ওলাই চন্দ্ৰৰ পৰ্বতলৈ আহে, সেইবোৰক স্থলপথেৰে ভ্ৰমণ যোগ থকা বুজায়। ৰেখাবোৰ যিমান দীঘল হয়, ভ্ৰমণো সিমানই দীঘলীয়া হয়। একেলগে দুটা সমান্তৰাল ভ্ৰমণৰেখা থাকিলে—এই ভ্ৰমণত ভয় থাকিলেও লাভ আছে। এইবোৰ ভ্ৰমণ পূৰ্বে উল্লেখ কৰা দীঘলীয়া ভ্ৰমণবোৰতকৈ উজ্জ্বল আৰু লাভজনক নহয়। (চিত্ৰ নং—২০৭)



চিত্ৰ নং—২ ৮



চিত্ৰ নং—২ ৯

এই প্ৰথম বলয়ৰেখাটোৰ মাজত যদি তৰা-চিহ্ন থাকে তেন্তে জাতকে উত্তৰাধিকাৰীসূত্ৰে অজস্ৰ সম্পত্তি লাভ কৰিব। (চিত্ৰ নং—২ ৮) যদি এই ৰেখাটোৰ ওপৰত এটি পূৰণ-চিহ্নক আগুৰি এটি ত্ৰিকোণ থাকে তেন্তে জাতকে উত্তৰাধিকাৰীসূত্ৰে যথেষ্ট টকা-পইচা আৰু মাটি-বাৰী লাভ কৰিব।

আৰু যদি ৰেখাটোৰ ওপৰত অকল এটা কোণীয়া (Λ) থাকে তথাপি জাতকে উত্তৰাধিকাৰীসূত্ৰে বহু টকা-পইচা লাভ কৰিব আৰু বৃদ্ধ বয়সত সন্মানো পাব। (চিত্ৰ নং ২০৯)

যদি এই প্ৰথম বলয়ৰেখাৰপৰা পোনে পোনে ঢউ খেলি খেলি কোনো ৰেখা ওপৰমুৱা হৈ উঠে তেন্তে জাতকে গোটেই জীৱন দুখতে কটাব। এই বলয়ৰেখাৰ তিনিওটা ৰেখা যদি ওপৰমুৱা হৈ একেলগে ছিগি আকৌ একেলগে তলমুৱা হয় আৰু এই ভাঙন যদি শনিৰ ক্ষেত্ৰৰ তলত হয় তেন্তে নিজৰ বৃথা অহঙ্কাৰ আৰু বিশ্বাসঘাতকী স্বভাৱে জাতকক ধ্বংস কৰিব। (চিত্ৰ নং—২১)



চিত্ৰ নং—২১



চিত্ৰ নং—২১১

প্ৰথম বলয়ৰেখাটি ওপৰৰ ফালে ধেনুভিৰীয়া হৈ থাকিলে মহিলাই সন্তান জন্ম দিয়াত কষ্ট পাব। (চিত্ৰ নং—২১১)

"যাৰ বলয়ৰেখাৰ তিনিওডালেই ভাল,
তেওঁ ধনে জনে জীয়াই থাকে ছকুৰি কাল।'

অষ্টাদশ অধ্যায়

আধিভৌতিক ৰেখা

সচৰাচৰ এই পূৰণ-চিহ্নটি বৃহৎ চতুৰ্ভুজৰ ভিতৰতেই পোৱা যায়। চতুৰ্ভুজৰ অলপ ইকাষে সিকাষেও ই থাকিব পাৰে। এই চিহ্নটিয়ে আধিভৌতিক আৰু আধ্যাত্মবাদীতাৰ প্ৰতি স্বাভাৱিক প্ৰৱণতা দেখুৱায়।

এই চিহ্নটি যদি চতুৰ্ভুজৰ তলৰ ফালে চন্দ্ৰৰ ক্ষেত্ৰৰ ফালে থাকে এই জাতকে একো কাৰণ নোহোৱাকৈ কুসংস্কাৰৰ বশবৰ্তী হৈ এই বিদ্যাৰ চৰ্চা কৰে। অৱশ্যে কেতিয়াবা এও এই বিদ্যা লাভত সফলকাম হয় আৰু ইয়াৰ দ্বাৰা আনক প্ৰভাৱিত কৰিব পাৰে। ইয়াৰ দ্বাৰা এও কিছুমান পদ্য আদিও লিখিবলৈ সক্ষম হয় যিবোৰত ভবিষ্যত বাণীও থাকে।



চিত্ৰ নং—২১২

এই বিদ্যাটি যেতিয়া চতুৰ্ভুজৰ মধ্যস্থলত থাকে (শনিৰ ক্ষেত্ৰৰ তলত) তেতিয়া এই জাতকে এই বিদ্যাক ধৰ্মৰ এটি অঙ্গস্বৰূপে ধৰে আৰু সেইভাৱেই অধ্যয়ন কৰে। আধিভৌতিকতাৰ প্ৰভাৱ এওঁলোকৰ জীৱনত প্ৰভাৱিত হয়। এনে ধৰণৰ কোনো কোনো জাতকে এওঁলোকৰ গবেষণাসমূহ গ্ৰন্থাকাৰে প্ৰকাশ কৰি নিজৰ জীৱিকা উলিয়ায়। (চিত্ৰ নং—২১২)

এই চিহ্ন বৃহস্পতিৰ ক্ষেত্ৰত থাকিলে এই বিদ্যাৰ প্ৰতি প্ৰকৃততে আসক্তি থকা বুজায়। এই পূৰণ-চিহ্নটি অন্য ৰেখাৰ দ্বাৰা কৰ্তিত হ'লে ইয়াৰ গুণাগুণ নষ্ট হয়।

"আধিভৌতিক ৰেখা আছে যাৰ,
গুপ্তবিদ্যাৰ প্ৰতি আসক্তি তাৰ।"

ঊনবিংশ অধ্যায়

শনিৰেখা

এইটো এটি অশুভ চিহ্ন। শনিৰ পৰ্বতক ঘেৰি অৰ্ধবৃত্তাকাৰে শনিৰ আঙুলিৰ গুৰিত এই ৰেখা থাকে। যাৰ হাতত এই ৰেখা থাকে তেওঁ কোনো বিষযতে কেতিযাও সফলতা লাভ কৰিব নোবাৰে। এই জাতকৰ কোনো আশাও কেতিয়াও পূৰণ হোৱা দেখা নেযায়। তেওঁলোকৰ দুৰ্ভাগ্যৰ বাবে তেওঁলোকৰ চৰিত্ৰ বা প্ৰকৃতিযেই দাযী। এই জাতকৰ বৃহৎ বৃহৎ পৰিকল্পনা থাকে, সৰু কামৰ কথা তেওঁলোকে ভাবিবই নোৱাৰে, কিন্তু কৰ্মত বিপৰীত টোহে দেখা যায়। কোনো কাম নিয়াৰিকৈ শেষ কৰাৰ ধৈৰ্য্য তেও লোকৰ নাই। তেওলোক নিজৰ আত্মীয কুটুম্বৰপৰা এক প্ৰকাৰ বিচ্ছিন্নই হৈ পৰে। নি সঙ্গতা আৰু নীৰৱতা এওলোকৰ অতি প্ৰিয।



চিত্ৰ নং—২১৩

এওঁলোকে সচৰাচৰ বিযা নকৰায়। কৰালেও বৰ নাটকীয় ভাৱে এই বিবাহ ব্যৰ্থ হয়। এওলোক ভীষণ জেদী। কাৰো পৰামৰ্শৰ প্ৰতি কাণ নিদিয়ে। এওঁলোকৰ জীৱন নানান দুখ কষ্ট আৰু দৰিদ্ৰতাৰ মাজেদি চলি গৈ শেহাস্তৰত শোচনীয় দুৰ্ঘটনাত এদিন শেষ হয়। মুঠতে এই জাতক বৰ দুৰ্ভগীয়া। (চিত্ৰ নং—২১৩)

"যাৰ হাতত আছে এই শনি ৰেখা
তাৰ কপালত মাথো দুখেই লেখা!"

বিংশ অধ্যায়

সন্তানৰেখা

নি সন্দেহে সন্তানৰেখা নিৰ্ণয় কৰা অলপ কষ্টসাধ্য। পশ্চিমৰ হস্তৰেখাবিদসকলে (১) এই ৰেখা বুধৰ ক্ষেত্ৰত বুধৰ আঙুলিৰ গুৰিৰপৰা কৰ-প্ৰান্তলৈকে অতি ক্ষুদ্ৰ ক্ষুদ্ৰ যিবোৰ থিয় ৰেখা ওলাই আহি বিবাহৰেখাক স্পৰ্শ কৰিছে, সেইবোৰকেই সন্তানৰেখা বুলি কয়। (চিত্ৰ নং—২১৪)



চিত্ৰ নং—২১৪



চিত্ৰ নং—২১৫

(২) পাশ্চাত্যৰ কোনো কোনো হস্তৰেখাবিদে শুক্ৰ ক্ষেত্ৰৰ একেবাৰে নামনি অংশত, আয়ুসৰেখাই ঘেৰি ৰখা ঠাইত, কৰ-প্ৰান্তৰপৰা শুক্ৰ ক্ষেত্ৰলৈ থিয়ভাৱে ওলাই অহা ৰেখাবোৰকেই সন্তানৰেখা বুলি কয়। (চিত্ৰ নং—২১৫) অৱশ্যে এই ৰেখা ভাই-ভনীৰহে ৰেখা।

(৩) কিছুমানে আকৌ চন্দ্র ক্ষেত্ৰৰ কৰ প্ৰান্তৰপৰা পথালি ভাৱে ওলোৱা ৰেখাবোৰকেই সন্তানৰেখা বুলি কয়। (চিত্র নং—২১৬)

(৪) কিছুমানে আকৌ বুঢ়া আঙুলিৰ প্ৰথম গাঁঠিটোৰ পিঠিৰ ফালে থকা ভাঁজবোৰ হিচাপ কৰি সেই ভাবেই সন্তানৰ সংখ্যা বাহিৰ কৰে।



চিত্র নং—২১৬



চিত্র নং—২১৭

(৫) কনিষ্ঠা আঙুলিৰ তৃতীয় পৰ্বৰ থিয়ৰেখাবোৰকো সন্তান ৰেখা বুলি ধৰা হয়। (চিত্র নং—২১৭)

গভীৰ আৰু দীঘল ৰেখাবোৰ পুত্ৰৰ ৰেখা। অগভীৰ, চুটি ৰেখাবোৰ কন্যাৰ ৰেখা। ছিঙা-ভঙা আৰু অস্পষ্ট ৰেখাবোৰে গৰ্ভপাত বা সন্তানৰ মৃত্যু বুজায়।

একবিংশ অধ্যায

পূৰ্বে উল্লেখিত ৰেখাবোৰৰ উপৰিও আৰু বহু প্ৰৰণৰ ৰেখা বা চিহ্ন দেখা যায়। এইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল (১) ৰজা সলোমনৰ ৰেখা, (২) জ্ঞানৰেখা, (৩) অষ্টকোণ (৪) দ্বীপ চিহ্ন (৫) নেপচুনৰ পৰ্বত আৰু (৬) মুদ্ৰা-চিহ্ন।

(১) সলোমনীয ৰেখা



চিত্ৰ নং—২১৮

অতি গুণী আৰু জ্ঞানী ৰজা সলোমনৰ তৰ্জনী আঙুলিৰ গুৰিত, বৃহস্পতিৰ পবতক ঘেৰি এই ৰেখা আছিল বাবে ইযাক সলোমনীয অঙ্গুৰী অথবা ৰেখা বোলা হয। এই ৰেখাটি আধিভৌতিক আৰু আধ্যাত্মিকতাৰ চিহ্ন। এই ৰেখাৰ জাতকে এই বিদ্যাত গুৰু হোবাৰ মনোবৃত্তি প্ৰকাশ কৰে। অবশ্যে এই জাতকৰ এই বিষয়ত যথেষ্ট জ্ঞানো থাকে। (চিত্ৰ নং—২১৮)

(২) জ্ঞানৰেখা

শুক্ৰক্ষেত্ৰৰ মধ্যভাগত, বুঢ়া আঙুলিৰ গুৰিৰপৰা আয়ুসৰেখাৰ ওচৰলৈ (আয়ুসৰেখাক স্পৰ্শ নকৰা) যদি এডাল গভীৰ পথালিৰেখা থাকে তেন্তে এই জাতক জ্ঞানী আৰু বুদ্ধিমান হয়। এও যি কোনো বিদ্যা ততালিকে আয়ত্ত কৰিব পাৰে।

বুঢ়া আঙুলিৰ দ্বিতীয় পৰ্বৰ গুৰিত যদি এটি স্পষ্ট দ্বীপ-চিহ্ন থাকে তেন্তে ইযাৰ দ্বাৰাও জাতকে নিজৰ যশ, জ্ঞান আৰু প্ৰতিষ্ঠা লাভ কৰিব পাৰে। কবিগুৰু ৰবীন্দ্ৰনাথ আৰু বহুতো বিখ্যাত ব্যক্তিৰ এই দ্বীপ চিহ্ন আছিল। এই জ্ঞান চিহ্ন কৰ্তিত হ'লে কোনো এটি সময়ত জাতকৰ জ্ঞানলাভত বাধা জন্মা বুজায়। (চিত্ৰ নং—২১৯)



চিত্ৰ নং—২১৯



চিত্ৰ নং—২২

(৩) অষ্ট কোণ

কৰতলৰ যি কোনো ঠাইত যদি এই অষ্ট কোণ থাকে তেন্তে সেই জাতক বহু ভূ সম্পত্তিৰ মালিক হয়। এওৰ ধন জন, মান-মৰ্য্যাদাও বাঢ়ে। অষ্ট কোণ নহৈ যদি ছয় কোণীযাও হ্য তথাপি ইয়াৰ কিছু সুফল জাতকে লাভ কৰিব। (চিত্ৰ নং—২২)

(৪) দ্বীপ-চিহ্ন

প্ৰথম, দ্বিতীয় আৰু তৃতীয আঙুলিৰ গুৰিত দ্বীপ চিহ্ন থকা ভাল। প্ৰথম বা তৰ্জনীৰ গুৰিত দ্বীপ-চিহ্ন থাকিলে জাতক যশস্বী হয়। দ্বিতীয় বা মধ্যমাৰ গুৰিত থাকিলে জাতক জ্ঞানী হয়। আৰু

অনামিকাৰ গুৰিত থাকিলে জাতক স্ত্ৰী পুত্ৰসহ সুখী হয় অথবা পৰ-ধন প্ৰাপ্তি বুজায়। বুঢ়া আঙুলিৰ গুৰিত অথবা গৰ্ভত থাকিলে জাতক ধনী, মানী, দাতা, যশস্বী, সমাজবৰেণ্য আৰু দীৰ্ঘজীৱি হয়। কৰতলৰ অন্যান্য ঠাইত থাকিলে এই দ্বীপ-চিহ্নই জাতকৰ অপকাৰ সাধে।

(৫) নেপচুনৰ পৰ্বত

এই চিহ্ন শুক্ৰ আৰু চন্দ্ৰ দুযো পৰ্বতৰ চেপাত প্ৰথম বলয়ৰেখাৰ গাত লাগি (মাজত) হাতৰ মণিবন্ধত থাকে। এই ক্ষুদ্ৰ পৰ্বতটি এটি মটৰ মাহৰ বৃত্তৰ সমান ওখ আৰু ডাঙৰ হয়। হাতত এই চিহ্ন থাকিলে জাতকে দৈৱানুভূতি লাভ কৰে। কিন্তু এই চিহ্ন খুব কম মানুহৰ হাততহে দেখা যায়। (চিত্ৰ নং—২২১)



চিত্ৰ নং—২২১



চিত্ৰ নং—২২২

(৬) মুদ্ৰা চিহ্ন

আঙুলিৰ মূৰত থকা চক্ৰাকাৰ চিহ্নকেই মুদ্ৰা (Whorl) চিহ্ন বোলে। এনেধৰণৰ পাঁচবিধ মুদ্ৰা আছে। ইয়াৰ ভিতৰত ফুল মুদ্ৰাই উল্লেখযোগ্য আৰু অতি উত্তম মুদ্ৰা। (চিত্ৰ নং—২২২)

বুঢা আঙুলিৰ মূৰত যদি এই ফুল-মুদ্ৰা-চিহ্ন থাকে তেন্তে জাতকে প্ৰচুৰ ঐশ্বৰ্য্য লাভ কৰিব। যদি এই আঙুলিৰ গুৰিত এটি দ্বীপ-চিহ্নও থাকে তেন্তে আৰু ভাল হয়। তৰ্জনীৰ মূৰত এই ফুল-মুদ্ৰা থাকিলে জাতকে ধন আৰু মান দুয়োটাকেই লাভ কৰিব। মধ্যমাৰ মূৰত এই ফুল মুদ্ৰা থাকিলে দৈবধন পায়। জাতক জ্ঞানী আৰু সাধক হয়। অনামিকাৰ মূৰত এই মুদ্ৰা থাকিলে জাতকে বন্ধু-বান্ধৱৰ সহায়ত যথেষ্ট ধন উপাৰ্জন কৰে। কিন্তু আত্মীয়-স্বজনৰ সদ্ভাবৰপৰা এই জাতক বঞ্চিত হয়। কনিষ্ঠাত এই মুদ্ৰা থাকিলে ব্যবসায-বাণিজ্যৰ দ্বাৰা জাতকে বহু ধন উপাৰ্জন কৰে। তেওঁলোকৰ দাম্পত্য জীৱন সুখী হয। পাঁচোটি আঙুলিত এই ফুল-মুদ্ৰা-চিহ্ন থাকিলে জাতক বৰ সৌভাগ্যশালী হয়।

বাকী চাৰিটা মুদ্ৰা সিমান উল্লেখনীয় নহয়।

দ্বাবিংশ অধ্যায়

শুক্র ক্ষেত্র আৰু সক্রিয মঙ্গলৰ প্রভাবকাৰী ৰেখা

এই ৰেখাক কিছুমানে বিৰক্তি প্রদাযণকাৰী ৰেখা অথবা 'দুখৰ ৰেখা' বুলিও অভিহিত কৰে। তথাপি যিহেতু জাতকৰ ভাগ্যৰ ওপৰত এই ৰেখাৰ যথেষ্ট প্রভাৱ আছে গতিকে ইযাক আমি 'প্রভাৱকাৰী ৰেখা'ই বুলিমহঁক।

মনত ৰাখিব লাগিব যে এই ৰেখাই সকলো সমযতে আযুসৰেখাক ছেদন কৰি বাহিৰ ওলায। আৰু ই আযুসৰেখাক ছেদ কৰি ভাগ্যৰেখা সূৰ্য্যৰেখা, শিৰোৰেখা হৃদযৰেখা, এনেকি বিবাহ-ৰেখাকো কাটিব পাৰে। এই ঘটনাবোৰৰ বযস উলিয়াবৰ সময়ত সদায় আযুসৰেখাক যি ঠাইত কাটে সেই ঠাইৰপৰাই বযস উলিয়াই লব লাগিব, অন্য ঠাইত নহয।



চিত্র ন —২২৩

যদি এই ৰেখাই শুক্রৰ ক্ষেত্রত থকা এটি তৰা চিহ্নৰপৰা আয়ুস ৰেখাক ছেদ কৰি ওলাই (চিত্র ন,—২২৩) আহি পোনে পোনে সূৰ্য্যৰ পৰ্বতত গৈ উঠে তেন্তে জাতকৰ কোনো বন্ধু-বান্ধৱ অথবা আত্মীয-কুটুম্বৰ কাজিযাৰ ফলত মৃত্যু ঘটিব।

যদি শুক্র ক্ষেত্রৰ ভিতৰত থকা কোনো তৰা-চিহ্নৰপৰা আযুসৰেখাক ছেদ কৰি ওলোৱা এনে ৰেখা শনিৰ ক্ষেত্রত গৈ দুই

মুখীয়া ফেৰেঙনি হয় তেন্তে জাতক বা জাতিকাৰ পত্নী বা পতি হয় পাগল হ'ব নতুবা মৰিব। এই বিবাহ অতি দুৰ্ভাগ্যজনক বিবাহ। (চিত্ৰ নং—২২৪)



চিত্ৰ নং—২২৪



চিত্ৰ নং—২২৫

শুক্ৰ ক্ষেত্ৰৰ তৰা-চিহ্নৰপৰা আয়ুসৰেখা ছেদ কৰি এনেধৰণে ওলাই অহা ৰেখাই যদি শনিৰ ক্ষেত্ৰলৈ যোৱা ভাগ্যৰেখাৰ লগ লাগি উৰ্ধমুখী হয় তেন্তে জাতকৰ বন্ধু-বান্ধৱ বা কুটুম্বৰ সৈতে লাগি থকা কাজিয়াযেই জাতকৰ উন্নতিৰ কাৰণ হ'ব। (চিত্ৰ নং—২২৫)

শুক্ৰৰ ক্ষেত্ৰৰ তৰা-চিহ্নৰপৰা এনেধৰণে ওলাই অহা ৰেখাই যদি সূৰ্য্যৰ ক্ষেত্ৰলৈ যোৱা সূৰ্য্যৰেখাৰ লগ লাগি উৰ্ধমুখী হয় তেন্তে জাতকৰ কোনো বন্ধু বান্ধৱ বা কুটুম্বৰ মৃত্যুৱে জাতকক বহু সম্পত্তিৰ মালিক কৰিব। কিন্তু এই ৰেখাই যদি সূৰ্য্যৰেখা ছেদন কৰে তেন্তে এই মৃত্যুৱে জাতকৰ বহু লোকচান সাধিব। (চিত্ৰ নং—২২৬)

এনে ধৰণে শুক্ৰৰ ক্ষেত্ৰৰ তৰা-চিহ্নৰপৰা ওলোৱা ৰেখাই যদি পোনে পোনে আহি ভাগ্যৰেখা কাটি দিয়ে তেন্তে জাতকৰ কোনো প্ৰিয় বন্ধু অথবা কুটুম্বৰ মৃত্যু ঘটিব, যাৰ ফলত তেওঁৰ যথেষ্ট ক্ষতি

হ'ব। কিন্তু অকল যদি আয়ুসৰেখাহে কাটে তেন্তে সেই বয়সত (আয়ুসৰেখাত বয়স পাব) কোনো বন্ধু অথবা আত্মীয়ৰ মৃত্যু ঘটিব। (চিত্ৰ নং—২২৭)



চিত্ৰ ন—২২৬



চিত্ৰ নং—২২৭

শুক্ৰৰ ক্ষেত্ৰৰপৰা (তৰা-চিহ্ন নথকা) ওলাই অহা এনে ধৰণৰ ৰেখাই আহিবৰ সময়ত যদি আয়ুসৰেখাৰপৰা উৰ্দ্ধমুখী হৈ ওলাই অহা কোনো চুটি শাখা-ৰেখাক ছেদ কৰি ওলাই আহে আৰু আহি সূৰ্য্যৰেখাকো কাটে তেন্তে জাতকৰ কোনো বন্ধু বা আত্মীযৰ মৃত্যুত এৰি থৈ যোৱা সম্পত্তিৰ বাবে জাতকে মোকৰ্দ্দমা কৰিব লাগিব। কিন্তু এই মোকৰ্দ্দমাত জাতক হাৰিব। আৰু যদি এই ৰেখাই সূৰ্য্য ৰেখাটি নেকাটি সূৰ্য্য ৰেখাতেই মিলি যায় তেন্তে জাতকে মোকৰ্দ্দমাত জিকিব। (চিত্ৰ ন—২২৮)

শুক্ৰক্ষেত্ৰৰপৰা ওলোৱা এই ৰেখাই যদি অকল আয়ুসৰেখাক ছেদ কৰি পোনে পোনে আহি পুনৰ বিবাহৰেখাকো কাটে তেন্তে বিবাহ বিচ্ছেদৰ বায় জাতকৰ বিৰুদ্ধে হ'ব। (চিত্ৰ ন—২২৯)

যদি এই ধৰণে বিবাহৰেখা ছেদনকাৰী প্ৰভাৱকাৰী ৰেখাত দ্বীপ-

চিহ্ন থাকে তেন্তে জাতকৰ দোষযুক্ত পঙ্কিল প্ৰেমৰ বাবেই বিবাহ-বিচ্ছেদ ঘটিব।



চিত্ৰ ন —২২৮



চিত্ৰ ন —২২৯

শুক্ৰ ক্ষেত্ৰত থকা কোনো ক'লা ফোঁটৰপৰা ওলাই অহা প্ৰভাবকাৰী ৰেখাই যদি আয়ুসৰেখাৰ ঊৰ্ধমুখী কোনো চুটি শাখা-ৰেখাক কাটে আৰু বৃহস্পতিৰ পৰ্বতত পূৰণ চিহ্ন থাকে তেন্তে জাতকৰ লাভ মেৰেজ'ৰ পুনৰ অবসান ঘটিব। (চিত্ৰ নং—২৩)

শুক্ৰক্ষেত্ৰৰপৰা ওলাই অহা প্ৰভাবকাৰী ৰেখা যদি ফেৰেঙনি-যুক্ত হৈ শিৰোৰেখাত বৈ যায় তেন্তে জাতকৰ পত্নীৰ সৈতে এৰাএৰি অথবা বিবাহ-বিচ্ছেদ ঘটিব। (চিত্ৰ নং—২৩১)

শুক্ৰৰ ক্ষেত্ৰৰপৰা ওলাই অহা ৰেখাই যদি সূৰ্য্যৰেখাৰ সৈতে মিলি ঊৰ্ধমুখী হয় তেন্তে জীৱন-যুদ্ধত জাতকে তেওঁৰ কোনো বন্ধু বা কুটুম্বৰপৰা যথেষ্ট সহায় পাব আৰু অৱশেষত কৃতকাৰ্য্য হ'ব।

শুক্ৰৰ ক্ষেত্ৰৰপৰা ওলাই অহা প্ৰভাৱকাৰী ৰেখা যদি হৃদয়ৰেখা অতিক্ৰমি শনিৰ পৰ্বতত উঠে আৰু চন্দ্ৰৰ ক্ষেত্ৰৰপৰা ওলাই অহা ভগ্যেৰেখাইও (সংঘৰ্ষ নলগাকৈ) শনিৰ পৰ্বতত উঠে তেন্তে

জাতকৰ কোনো আত্মীয়ই জাতকৰ প্ৰেমত বাধা দিব। (চিত্ৰ নং—২৩২)



চিত্ৰ নং—২৩



চিত্ৰ নং—২৩১



চিত্ৰ ন —২৩২



চিত্ৰ ন —২৩৩

শুক্ৰক্ষেত্ৰৰপৰা ওলাই অহা এই প্ৰভাৱকাৰী ৰেখাই যদি ভাগ্য-ৰেখা ছেদ কৰে তেন্তে জাতকৰ আত্মীয় অথবা বন্ধুৱে জাতকৰ সকলো

কামতে শত্রুতা কৰি জাতকৰ ক্ষতি সাধিব। এই প্ৰভাৱকাৰী ৰেখাই আয়ুসৰেখাৰ উৰ্দ্ধমুখী চুটি শাখা-ৰেখাক কাটিলেই "মোকৰ্দ্দমা" বুলি বুজিব লাগিব।

এই ৰেখা যদি উৰ্দ্ধমুখী হৈ ওলাই আহি শনিৰ পৰ্বতত দুই ফেৰেঙনিযুক্ত হৈ ৰৈ যায় তেন্তে জাতকৰ এই বিবাহ 'অত্যন্ত দুখজনক বিবাহ বুলি ধৰিব লাগিব। এই ৰেখাই যদি আয়ুস-ৰেখাৰ উৰ্দ্ধমুখী চুটি শাখাৰেখাক ছেদ কৰি ভাঁজ লৈ শনিৰ পৰ্বতত আহি উঠে তেন্তে নিশ্চিত বিবাহ বিচ্ছেদ বুলি বুজিব লাগিব। (চিত্ৰ নং—২৩৩)

আকৌ এই ৰেখা যদি পোনে পোনে বৃহস্পতিৰ পৰ্বতত আহি উঠে তেন্তে জাতকৰ উন্নতি হ'ব, পদোন্নতি ঘটিব। চিত্ৰ নং—২৩৪)



চিত্ৰ নং—২৩৪



চিত্ৰ নং—২৩৫

আকৌ এই ৰেখা যদি পোনে পোনে আহি শনিৰ পৰ্বতত উঠে তেন্তে জাতকৰ কোনো দুৰ্ঘটনা (এক্সিডেণ্ট) ঘটিব। এই দুৰ্ঘটনা জন্তু অথবা গাড়ীৰ দ্বাৰাও হ'ব পাৰে। আকৌ যদি এই ৰেখাটি আৰু উৰ্দ্ধমুখী হৈ শনিৰ আঙুলিৰ তৃতীয় পৰ্বত উঠেগৈ তেন্তে

জাতিকা হ'লে সন্তান জন্ম দিয়াত কষ্ট পাব আৰু সকলো সময়তে পেটৰ বিষ থাকিব। (চিত্র নং—২৩৫)

কিন্তু এই ৰেখাই যদি ধুনীয়া ভাগ্যৰেখাৰ কাষে কাষে আগুৱাই আহি ভাগ্যৰেখাৰ ভগ্নীৰেখা স্বৰূপে শনিৰ পৰ্বতত আহি ৰয় তেন্তে জাতকৰ কোনো বন্ধু অথবা আত্মীয়ৰ সহায়ত বহু সম্পত্তি গোটাব। যদি আয়ুসৰেখাক এই ধৰণৰ চুটি চুটি বহুতো প্ৰভাবকাৰী ৰেখাই কেইবা ঠাইতো কাটে তেন্তে সেই সেই বয়সত জাতকক তেওঁৰ বন্ধু অথবা আত্মীয়বোৰে তেওঁৰ সকলো কামতে বাধাৰ সৃষ্টি কৰিব অথবা যথেষ্ট ক্ষতি সাধিব।

যদি কোনো গভীৰ প্ৰভাৱকাৰী ৰেখা বুঢ়া আঙুলিৰ দ্বিতীয় পৰ্বৰপৰা পোনে পোনে আহি আয়ুসৰেখাক কাটে তেন্তে জাতকে যাক আটাইতকৈ বেছি ভাল পায় তেওঁৰ বিশ্বাসঘাতকতাই মনত গভীৰ শোকৰ সঞ্চাৰ কৰিব। অথবা জাতকৰ অতি প্ৰিয়জনৰ মৃত্যুত গভীৰ শোক পাব। (চিত্র নং—২৩৬)



চিত্র নং—২৩৬



চিত্র নং—২৩৭

আকৌ এই একে ধৰণৰ গভীৰ প্ৰভাৱকাৰী ৰেখাই যদি বুঢ়া আঙুলিৰ প্ৰথম পৰ্বৰপৰা ওলাই আহি অকমান ধেনুভাঁজ লৈ

আয়ুসৰেখাক কাটে তেন্তে জাতক আত সাৱধান হোৱা উচিত—কোনোবাই চোকা লোহাৰ অস্ত্ৰেৰে আঘাত কৰি তেওঁৰ মৃত্যু ঘটাব। (চিত্ৰ নং—২৩৭)

যদি এই ৰেখা কোনো দ্বীপ-চিহ্নৰপৰা আৰম্ভ হৈ আয়ুসৰেখাৰ উৰ্ধমুখী চুটি শাখাৰেখাক কৰ্তন কৰি সূৰ্য্যৰেখাৰ সৈতে মিলি উৰ্ধমুখী হয় তেন্তে এই জাতকে ভুল ঠাইত প্ৰেম নিবেদন কৰিব আৰু মোকৰ্দমা লাগিব, যদিও মোকৰ্দমাত জাতকৰেই শেষত জয়লাভ হ'ব। (চিত্ৰ নং—২৩৮)



চিত্ৰ নং—২৩৮



চিত্ৰ নং—২৩৯

যদি এই ৰেখা শুক্ৰক্ষেত্ৰৰপৰা বাহিৰ ওলাই পোনে পোনে বৃহস্পতিৰ পৰ্বতলৈ উঠি আহি বৃহস্পতিৰ পৰ্বতত কোনো তৰা-চিহ্নত শেষ হয় তেন্তে জাতকৰ উচ্চাকাঙ্ক্ষা অভাৱনীয়ভাৱে পূৰণ হ'ব।

কিন্তু এই ৰেখা পোনে পোনে বৃহস্পতিৰ ক্ষেত্ৰত উঠোতে তৰা-চিহ্নৰ সলনি যদি দ্বীপ-চিহ্নতহে শেষ হয় তেন্তে জাতকে শ্বাস-যন্ত্ৰৰ অসুখত সাংঘাতিকভাৱে ভুগিব। এই ধৰণৰ চুডাল প্ৰভাৱকাৰী ৰেখাই কৰ-কেন্দ্ৰৰ ফালে আগুৱাই আহি ভাগ্যৰেখাৰ ওপৰত থকা

কোনো তৰা-চিহ্নিত হৃদয়োডাল লগ লাগি যদি বৈ যায় তেন্তে বুজিব লাগিব যে জাতকে একেলগে, একে সময়তে দুই ঠাইত দুটি প্রেমাভিনয় চলাই আছে। আৰু জাতকৰ এই কাৰ্য্যই জাতকক ধ্বংস কৰিব। আকৌ ইযাৰ অৰ্থ এইটোও হয় যে একেটা বিপদেই দুবাৰ আহিব। (চিত্ৰ নং—২৩৯)

এই ৰেখা শুক্ৰৰ ক্ষেত্ৰৰপৰা ওলাই আহি যদি শিৰোৰেখাৰ ওপৰত থকা কোনো তৰা চিহ্নিত লগ লাগে তেন্তে জাতকৰ কোনো আত্মীয অথবা বন্ধুবে জাতকৰ প্ৰতি কৰা হিংসামূলক কাৰ্য্যৰ বাবে সাংঘাতিক মূৰৰ বিষ অথবা মগজুৰ বেমাৰত ভুগিব। আকৌ এই ৰেখাই যদি শিৰোৰেখাৰ সলনি হৃদযৰেখাত খুন্দা মাৰে আৰু খুন্দা মৰা ঠাইত এই তৰা চিহ্ন থাকে তেন্তে জাতকৰ বন্ধু বা আত্মীযৰ হিংসামূলক কাৰ্য্যই অন্তৰত আঘাত দিব অথবা জাতকে হৃদ যন্ত্ৰৰ সাংঘাতিক অসুখত ভুগিব। (চিত্ৰ নং—২৪)



চিত্ৰ নং—২৪



চিত্ৰ ন —২৪১

এই প্ৰভাৱকাৰী অলপ চুটি ৰেখাই যদি আযুসৰেখাক কাটে আৰু সূৰ্য্যৰেখাই শিৰোৰেখাক ছেদ কৰি সূৰ্য্যৰ পৰ্বতলৈ আগ-

ৰাটে াতে শিৰোৰেখাৰ কৰ্তিত ঠাইত যদি তৰা অথবা ফোঁট-চিহ্ন থাকে তেন্তে জাতকে চকুৰ অসুখত ভুগিব। (চিত্র নং ২৪১)

যদি এই ৰেখা শুক্রক্ষেত্রৰ তৰা চিহ্নৰপৰা বাহিৰ ওলাই মঙ্গলৰ সমতলত আকৌ কোনো এটি তৰা-চিহ্নতেই শেষ হয় তেন্তে বুজিব লাগিব যে জাতকৰ কোনো প্রিয়বন্ধু অথবা কুটুম্বৰ আকস্মিক মৃত্যুত জাতকৰ জীৱনলৈ ভীষণ দুর্য্যোগ নামি আহিব। (চিত্র ন —২৪২)



চিত্র নং—২৪২



চিত্র ন —২৪৩

এইদৰে শুক্রক্ষেত্রৰ তৰা চিহ্নৰপৰা নামি অহা ৰেখা যদি শিৰোৰেখাত গৈ শেষ হয় আৰু ঠিক সেই ঠাইতেই পুনৰ এটি তৰা চিহ্ন থাকে তেন্তে জাতকৰ অতি প্রিয় বন্ধু বা কুটুম্বৰ মৃত্যুত মানসিক আঘাতৰ বাবে জাতক প্রায় পাগল হৈ উঠিব। (চিত্র নং—২৪৩)

আকৌ এইদৰে শুক্রক্ষেত্রৰ তৰা চিহ্নৰপৰা ওলাই অহা ৰেখাই যদি সূর্য্যৰেখাক স্পর্শ কৰে আৰু ঠিক সেই স্পর্শ কৰা ঠাইতেই এটি পৰিষ্কাৰ দ্বীপ-চিহ্ন থাকে তেন্তে জাতকৰ কোনো বন্ধু বা আত্মীয়ৰ মৃত্যুত ভীষণ আর্থিক ক্ষতি হ'ব। (চিত্র নং—২৪৪)

আয়ুসৰেখাৰ ওপৰত থকা কোনো ফোঁট-চিহ্নৰপৰা যদি এই প্ৰভাৱকাৰী ৰেখা বাহিৰ ওলাই শিৰোৰেখা ছেদ কৰি মানসিক



চিত্ৰ ন —২৪৪



চিত্ৰ ন —২৪৫

মঙ্গলৰ পৰ্বতত থকা কোনো তৰা-চিহ্নত লগ লাগে তেন্তে জাতকে সাংঘাতিক অৰ্শৰোগত ভুগিব। (চিত্ৰ নং—২৪৫)

সক্ৰিয় মঙ্গলৰ প্ৰভাৱকাৰী ৰেখা

এই ৰেখা সক্ৰিয় মঙ্গলৰ পৰ্বতত (আয়ুসৰেখাৰ ভিতৰৰ ফালে) আৰম্ভ হৈ নিম্নাভিমুখী হৈ অলপ আহিযেই যদি আয়ুসৰেখাক চুই দিয়ে তেন্তে তেওঁ যদি জাতিকা (ছোৱালী) হয়, কম বয়সত তেওঁক কোনো কামাতুৰ পুৰুষে গোপনে উপভোগ কৰি জীৱনলৈ দুৰ্যোগ নমাই আনিব। আৰু যদি অ্যয়ুসৰেখাক চুই দিয়াৰ সময়ত এই ৰেখা দুটা বা তিনিটা শাখাযুক্ত হয় তেন্তে জাতিকাক সেই কামাতুৰ পুৰুষে বাৰে বাৰে উপভোগ কৰি বিৰক্ত কৰিব। তেওঁৰ বদনামো আহিব। (চিত্ৰ নং—২৪৬)

এই ৰেখা সক্ৰিয় মঙ্গলৰ পৰ্বতত আৰম্ভ হৈ কিছুদূৰ আয়ুসৰেখাৰ কাষে কাষে সমান্তৰালভাৱে নিম্নাভিমুখী হৈ আগবাঢ়ি আহি পুনৰ

লাহে লাহে আয়ুসৰেখাৰ কাষৰপৰা আতৰি শুক্ৰক্ষেত্ৰৰ ভিতৰফালে যদি সোমাই পৰে তেন্তে জাতক বা জাতিকাৰ জীৱনক প্ৰভাৱিত কৰা বিপৰীত লিঙ্গৰ এই মানুহজন তেওঁৰ জীৱনৰপৰা লাহে লাহে আতৰি যাব। ক'ৰবাত এই ৰেখা যদি অনুজ্জ্বল হয়, সেইখিনি সময়ত তেওৰ জাতকৰ ওপৰত প্ৰভাব কম পৰিব আৰু ৰেখাটি পুনৰ



চিত্ৰ নং—২৪৬



চিত্ৰ নং—২৪৭

উজ্জ্বল তথা গভীৰ হৈ কাষ চাপি আহিলে, তেওঁ পুনৰ জাতকৰ একেবাৰে কাষ চাপি আহিব। এইধৰণে এই সক্ৰিয় মঙ্গলৰপৰা আৰম্ভ হোৱা শুক্ৰৰ ক্ষেত্ৰত যিমানবোৰ এনেধৰণৰ ৰেখা দেখা যায় এই আটাইবোৰ জাতক বা জাতিকাৰ ওপৰত প্ৰভাৱকাৰী বিপৰীত লিঙ্গৰ ব্যক্তি বুলি বুজিব লাগিব। (চিত্ৰ নং—২৪৭)

ত্ৰয়োবিংশ অধ্যায়

চন্দ্ৰৰ ক্ষেত্ৰ আৰু মানসিক মঙ্গলৰ প্ৰভাৱকাৰী ৰেখা

শুক্ৰৰ ক্ষেত্ৰৰ দৰে চন্দ্ৰ আৰু মানসিক মঙ্গলৰ ক্ষেত্ৰৰপৰাও দুই এটি ৰেখা ওলাই আহি জাতকক প্ৰভাবিত কৰে।

যদি চন্দ্ৰৰ পৰ্বতৰপৰা কোনো প্ৰভাবকাৰী ৰেখা ওপৰমুখী হৈ ভাগ্যৰেখাৰ ফালে আগুবাই আহি ভাগ্যৰেখাৰ সৈতে মিলি এক হৈ ওপৰমুৱা হৈ গৈ থাকে তেন্তে এই জাতকৰ এই প্ৰভাৱকাৰী ৰেখাৰ ব্যক্তিৰ সৈতে বিবাহ হ'ব আৰু এই বিবাহে জাতকৰ জীৱনলৈ বহু সুখ-শান্তি আনিব। কিন্তু এই ৰেখাডালে যদি ভাগ্যৰেখাক কাটি দিযে তেন্তে এই বিবাহে জাতকৰ জীৱনলৈ কষ্ট আনিব অথবা এই সম্পৰ্কত জাতকৰ বদনাম হ'ব। (চিত্ৰ নং—২৪৮)



চিত্ৰ নং —২৪৮

কেতিযাবা এই ৰেখাই জাতকৰ যুগ্ম ব্যৱসাযো বুজায। দুযোখন হাতত থাকিলে দুটা ব্যবসায় বুজায়। ভাগ্যৰেখাক নেকাটিলে এই যুগ্ম ব্যবসায়েৰে জাতকে অবাধে ধন ঘটিব।

যদি এই ৰেখা ভাগ্যৰেখাত নেলাগি ভাগ্যৰেখাৰ কাষে কাষে সমান্তৰালভাৱে গৈ থাকে তেন্তে এই প্ৰভাৱকাৰী ব্যক্তিৰ সৈতে জাতিকাৰ মিলন হওঁতে পলম হ'ব। বিশেষকৈ সমাজক দেখুৱাই

(সমাজৰেই ভয়ত) মিলন হওঁতে বৰ পলম হ'ব। এই প্ৰভাৱিত ৰেখাৰ ব্যক্তি বৰ কামুক হ'ব। আৰু যদি এই জাতকৰ বিবাহৰেখা স্পষ্ট নেথাকে তেন্তে এই মিলনে সমাজত কোনোদিনে স্বীকৃতি নেপাব। এওঁলোকে গোটেই জীৱন দুখতে কটাব। (চিত্ৰ নং—২৪৯)



চিত্ৰ ন —২৪৯



চিত্ৰ ন —২৫

যদি এই ৰেখা জাতকৰ ভাগ্যৰেখাতকৈ গভীৰ আৰু শক্তিশালী হয় আৰু ক্ষীণ ভাগ্যৰেখাৰ সৈতে মিলি ওপৰমুৱা হৈ আগবাঢে তেন্তে এই জাতক স্ত্ৰৈণ হ'ব। এওঁৰ প্ৰকৃত মালিক ঘৈণীযেকহে হ'ব। (চিত্ৰ ন —২৫)

এই ৰেখাই ভাগ্যৰেখাক স্পৰ্শ কৰাৰ পূৰ্বেহ যদি দুই ফেৰেঙনি যুক্ত হৈ এটা শাখাই ভাগ্যৰেখাক ছুই ওপৰমুৱা হৈ আগবাঢে আৰু আনটো শাখাই সূৰ্য্যৰেখাস্বৰূপ হৈ সূৰ্য্যৰ পৰ্বতত গৈ উঠে তেন্তে এই জাতকৰ এই বিবাহৰ ভৱিয়তে ধন জন, টকা পইচা, মান-সম্মান সকলো আহিব। তাতে যদি বৃহস্পতিৰ পৰ্বতত এটি পূৰণ চিহ্ন আৰু এটি তৰা চিহ্ন থাকে তেন্তে এই জাতক বা জাতিকা অত্যন্ত ভাগ্যবান বুলি পৰিগণিত হ'ব। (চিত্ৰ নং—২৫১)

মানসিক মঙ্গলৰ পৰ্বতৰ নামনিৰ কৰপ্ৰান্তৰৰপৰা এনে ধৰণৰ প্ৰভাৱকাৰী ৰেখা ওলাই সূৰ্য্যৰ ক্ষেত্ৰৰ তলত ভাঁজ লৈ হৃদয়ৰেখাক



চিত্ৰ ন —২৫১



চিত্ৰ ন —২৫২

ছেদন কৰি যদি সূৰ্য্যৰেখাৰ দৰে সূৰ্য্য পৰ্বতত উঠৈগৈ তেন্তে এই জাতকে বলপূৰ্বক ধন ঘটিব অথবা সন্মান লাভ কৰিবলৈ আপ্ৰাণ চেষ্টা চলাব। অৱশেষত কিছু পৰিমাণে কৃতকাৰ্য্যও হ'ব। (চিত্ৰ নং—২৫২)

চতুৰ্বিংশ অধ্যায়

মঙ্গলৰ সমতল ক্ষেত্ৰ

কৰতলৰ বৃহৎ চতুৰ্ভুজ আৰু বৃহৎ ত্ৰিভূজৰ দুয়োডোখৰ ঠাই মিলি মঙ্গলৰ সমতল ক্ষেত্ৰ। মঙ্গলৰ এই সমতল ক্ষেত্ৰকে বৃহৎ চতুৰ্ভুজ আৰু বৃহৎ ত্ৰিভুজে দুভাগ কৰিছে।

কৰতলৰ বৃহৎ চতুৰ্ভুজ

শিৰোৰেখা আৰু হৃদযৰেখাৰ মাজৰ ঠাইখিনিক বৃহৎ চতুৰ্ভুজ বোলা হয়। মানসিক মঙ্গলৰ পৰ্বত আৰু বৃহস্পতিৰ পৰ্বত এই চতুৰ্ভুজৰপৰা বাদ দিয়া হয়। (চিত্ৰ নং—২৫৩)

যদি এই চতুৰ্ভুজ বহল হয় তেন্তে জাতকৰ মনো বহল হয। যদি এই চতুৰ্ভুজ বৰ ঠেক হয় তেন্তে জাতকৰ মনো বৰ ঠেক হয।



চিত্ৰ ন —২৫৩

যদি শিৰোৰেখাই নিজৰ ঠাই এৰি হৃদয়ৰেখাৰ ওচৰলৈ গৈ এই চতুৰ্ভুজক ঠেক কৰে তেন্তে জাতকৰ মনোভাৱ অতি ঠেক হ'ব। এওৰ বুদ্ধিক হৃদয়ৰ অনুভূতিযে গ্ৰাস কৰিব। আৰু যদি হৃদয়ৰেখাই নিজৰ ঠাই এৰি আহি শিৰোৰেখাৰ ওচৰেৰে যায় তেন্তে জাতকৰ হৃদয়ানুভূতিক বুদ্ধিয়ে নাশ কৰিব, অৰ্থাৎ জাতকৰ বদান্যতা, মহানুভৱতা আৰু মৰমীয়াল অন্তকৰণ নেথাকিব। থাকিব মাথো নীচতা আৰু স্বাৰ্থপৰতা। (চিত্ৰ নং—২৫৪)

এই চতুৰ্ভূজ যদি দুৰ্বলভাৱে অঙ্কিত থাকে তেন্তে জাতক বুদ্ধিহীন, দয়াহীন হিংসুক, ঈৰ্ষাপৰায়ণ আৰু সকলো কামতে নিৰুৎসাহী মনোভাৱৰ লোক হ'ব।

যদি এই চতুৰ্ভূজ বৰ বেছি বহল হয় তেন্তে জাতক অত্যন্ত স্বাধীনচিতীয়া হব, যিটোৱে জাতকৰ জীৱনলৈ দুখ কষ্ট কঢ়িয়াই আনিব। কাৰণ, এইভাৱে লোৱা প্ৰত্যেকটো সিদ্ধান্তই ভুল হ'ব। আনৰ প্ৰতি অত্যধিক স্নেহান্ধতা প্ৰকাশ কৰিবলৈ গৈও জাতক বিপদত পৰিব।



চিত্ৰ নং—২৫৪



চিত্ৰ নং—২৫৫

আকৌ ধৰক, হৃদযৰেখাই যদি বৰ বেছি ওপৰলৈ উঠি গৈ অবস্থান কৰে তেন্তে এইটোবে জাতকৰ জীবনলৈ অত্যধিক কামুকতা আৰু ঈৰ্ষাপৰাযণতা আনি দিযে। আৰু যদি শিৰোৰেখা কৰতলৰ বৰ তললৈ নামি আহি অবস্থান কৰে তেন্তে জাতকৰ বুদ্ধি আৰু বিবেকে নিজৰ শক্তি হেৰুৱাই পেলায়। (চিত্ৰ ন —২৫৫)

এই চতুভূজৰ ভিতৰত বহুত হিজিবিজি ৰেখা থকাটো ভাল নহয়। যদি এই চতুৰ্ভূজ স্বাভাৱিক, ধুনীয়া আকাৰৰ হয় আৰু

কৰপ্ৰান্তৰ ফালে বেছি বহল হয় তেন্তে জাতক "অন্তৰ খোলা মানুহ" বুলি পৰিচিত হ'ব।

আৰু এই চতুৰ্ভুজ যদি শনিৰ ক্ষেত্ৰতকৈ সূৰ্য্যৰ ক্ষেত্ৰৰ ফালে বেছি বহল হয় তেন্তে বাইজৰ যি কোনো মতামতৰ প্ৰতি এই জাতক অত্যধিক অনুভূতিপ্ৰৱণ হ'ব। এই চতুৰ্ভুজ যদি বৰ ঠেক হয় আৰু স্বাস্থ্যৰেখা অতি দুৰ্বল হয় তেন্তে জাতকে হাপানী আৰু শুকান বেমাৰত ভুগিব।

যদি এই চতুৰ্ভুজ বৰ ঠেক আৰু হৃদয়ৰেখাও চুটি হয় আৰু আঙুলিবোৰ কৰতলৰ ভিতৰফালে ভাঁজ খোৱা হয় তেন্তে জাতকৰ ব্যৱহাৰ বা কথা-বতৰা বৰ কৰ্কশ আৰু কঠোৰ হ'ব।

মনত ৰাখিব, যদি এই চতুৰ্ভুজৰ ঠাইডোখৰ বৰ দ হয় তেন্তে জাতক বৰ কৃপণ আৰু যদি বৰ টান হয় তেন্তে বৰ পশু স্বভাৱৰ লোক হ'ব আৰু কোমল হ'লে এলেহুৱা আৰু দুৰ্বল শৰীৰৰ হ'ব। যদি এই চতুৰ্ভুজ বৰ ঠেক হয় আৰু বুধৰ পৰ্বতো অতি উচ্চ হয় নতুবা বুধৰ পৰ্বত বৰ বেয়াকৈ চুটি চুটি ৰেখাৰে কৰ্তিত হয় তেন্তে এই জাতক বৰ মিছলীয়া আৰু ধূৰ্ত হ'ব। যদি এই চতুৰ্ভুজ ৰক্তাভ ৰেখাৰে গঠিত হয় আৰু হৃদয়ৰেখা চুটি হয় আৰু মঙ্গলৰ পৰ্বত বৰ উচ্চ হয় তেন্তে এই জাতক বৰ নিষ্ঠুৰ হ'ব।

যদি ধুনীয়া চতুৰ্ভুজৰ ভিতৰত 'ৰঙা ৰঙা ফোঁট কিছুমান থাকে তেন্তে জাতকে কাৰোবাক হত্যা কৰিব, অথবা জাতককেই কোনোবাই হত্যা কৰিব। কথাটি জাতকৰ হাত ভালকৈ পৰীক্ষা কৰিলেই বুজিব পৰা যাব।

ভাল, স্বাভাৱিক চতুৰ্ভুজৰ ভিতৰত যদি শনিৰ ক্ষেত্ৰৰ তলত এটি ধুনীয়া পূৰণ-চিহ্ন থাকে তেন্তে জাতকৰ গুপ্তবিদ্যাৰ প্ৰতি অত্যন্ত আগ্ৰহ থাকিব আৰু সেই বিষয়ত কৃতকাৰ্য্যও হ'ব। অৱশ্যে এই পূৰণ-চিহ্ন যদি বৰ সৰু হয় আৰু হৃদয়ৰেখাত লাগি থাকে তেন্তে জাতকৰ ওপৰত বিপৰীত লিঙ্গৰ প্ৰভাৱ খুব বেছি থাকিব। আৰু যদি এই সৰু পূৰণ-চিহ্নটি শনিৰ ক্ষেত্ৰৰ তলত ভাগ্যৰেখা ছুই থাকে

তেন্তে ধাৰ্মিক মনোভাৱৰ কাৰণে জাতকৰ বৰ উন্নতি হ'ব। ডাঙৰ ডাঙৰ ধৰ্মযাজকসকলৰ হাতত এই চিহ্ন দেখা যায়। (চিত্ৰ নং—২৫৬) আৰু মনত ৰাখিব, এই চিহ্নটি যদি দুৰ্বল হয় আৰু ই সূৰ্য্যক্ষেত্ৰৰ তলত থাকে তেন্তে জাতক বৃথা অহঙ্কাৰী আৰু অতিপাত লোভী ব্যক্তি হ'ব। যদি এই পূৰণ-চিহ্ন বুধৰ ক্ষেত্ৰৰ তলত থাকে তেন্তে জাতকৰ মনোবৃত্তি ঠগ আৰু চোৰৰ দৰে হ'ব। আৰু যদি বৃহস্পতি ক্ষেত্ৰৰ তলত থাকে জাতক বৰ বেছি উচ্চাভিলাষী হ'ব।



চিত্ৰ ন —২৫৬



চিত্ৰ নং—২৫৭

আৰু যদি সি চন্দ্ৰক্ষেত্ৰৰ তলত থাকে তেন্তে জাতক পাগল হোৱাৰ সম্ভাৱনা থাকিব। আৰু মানসিক মঙ্গলৰ ক্ষেত্ৰৰ ওচৰত থাকিলে জাতক বৰ খঙাল আৰু শুক্ৰৰ ক্ষেত্ৰৰ তলত থাকিলে বৰ কামুক প্ৰকৃতিৰ লোক হ'ব।

সুগঠিত চতুৰ্ভুজৰ ভিতৰত শনিৰ ক্ষেত্ৰৰ তলত যদি তৰা-চিহ্ন থাকে তেন্তে জাতকৰ বৰ লাভজনক ব্যৱসায় থাকিব। আৰু যদি এই তৰা-চিহ্ন সূৰ্য্যক্ষেত্ৰৰ তলত থাকে তেন্তে জাতকৰ বহু যশস্যা, টকা-পইচা আৰু সন্মান বাঢ়িব শিল্প অথবা সাহিত্যৰ জৰিয়তে। (চিত্ৰ নং—২৫৭)। আৰু যদি বুধৰ ক্ষেত্ৰত এই তৰা-চিহ্ন থাকে

তেন্তে জাতকৰ যথেষ্ট মান-সন্মান আৰু যশস্যা আহিব, বিখ্যাত বিজ্ঞানী, বিখ্যাত ব্যৱসায়ী আৰু বিখ্যাত ইঞ্জিনীয়াৰ হিচাপে।

এই সুগঠিত চতুৰ্ভুজৰ ভিতৰত যদি ত্ৰিকোণ থাকে তেন্তে জাতকে বিজ্ঞান বিষয়ক কোনো গভীৰ অধ্যয়নত ৰত থাকিব। আৰু যদি এই চতুৰ্ভুজত শূন্য থাকে তেন্তে জাতকে চকুৰ অসুখত ভুগিব, আৰু এই শূন্য তিনি চাৰিটা বা দুই-তিনিটা শনিৰ ক্ষেত্ৰৰ তলত একেলগে থাকিলে জাতক বেমাৰী হ'ব। যদি মূল কোনো ৰেখাৰ অভাৱত চতুৰ্ভুজ গঠিত হ'ব নোৱাৰে—যেনে ধৰক, হৃদয়ৰেখা নাই—তেতিয়াহলে এই জাতক বৰ কঠোৰ হৃদয়ৰ হ'ব। আৰু যদি হাতৰ অন্যান্য ৰেখা ভাল হয় তেন্তে এই জাতকৰ অন্তৰৰ বা হৃদয় সম্পৰ্কীয় কাম দুৰ্বল হ'ব।

বৃহৎ ত্ৰিভুজ

কৰতলৰ এই বৃহৎ ত্ৰিভুজ শিৰোৰেখা, আয়ুসৰেখা আৰু স্বাস্থ্য-ৰেখাক লৈ গঠিত হৈছে। কোনো জাতকৰ হাতত ইয়াৰ কোনো মূলৰেখা নেথাকিলেও ত্ৰিভুজৰ প্ৰকৃত ঠাইখিনি বুজি লব লাগে। (চিত্ৰ নং—২৫৮)



চিত্ৰ নং—২৫৮

যদি স্বাস্থ্যৰেখাটো সুন্দৰ হয় আৰু ত্ৰিভুজটিও সুগঠিত হয় তেন্তে জাতকৰ মগজুৰে ধুনীয়া কাম কৰিব। কাৰণ, স্বাস্থ্যৰেখা-ডাল আয়ুসৰেখাৰপৰা যিমানে দূৰৈত থাকিব—ত্ৰিভুজটি যিমানে ডাঙৰ হ'ব—জাতকৰ দৃষ্টিভঙ্গী আৰু কৰ্মক্ষেত্ৰও সিমানেই বহল হ'ব। যদি স্বাস্থ্যৰেখাটো ঢউ খেলোৱা হয় আৰু শিৰোৰেখাও ঠিক তেনে ধৰণৰ হয় তেন্তে জাতকৰ ব্যৱসায় নষ্ট হ'ব।

যদি স্বাস্থ্যৰেখাডোৱে বৰ বেছিকৈ ধনুৰ দৰে ভাঁজ খাই ত্ৰিভুজটি ঠেক আৰু সৰু কৰি পেলায় তেন্তে জাতক ভীৰু, কাপুৰুষ আৰু নীচ মনোবৃত্তিৰ লোক হব। যদি সুগঠিত ত্ৰিভুজৰ ভিতৰখণ্ড ফুলি (ওফন্দি) থকা হয় আৰু দুয়োখন হাতত্তে এই চিহ্ন থাকে তেন্তে জাতক সততে আক্ৰমণকাৰী আৰু খৰচী হ'ব। অৱশ্যে এখন হাতত উখহা সমতল থাকিলে জাতক সাহসী আৰু উদাৰ হ'ব।

যদি এই ত্ৰিভুজ বৰ বেছি ডাঙৰ হয় তেন্তে মানুহজন বৰ দু সাহসী হয়, আৰু বৰ সৰু হ'লেও বৰ সৰু মনৰ বা নীচ মনৰ লোক হয়। এই সুগঠিত ত্ৰিভুজটি যদি বহু সৰু সৰু টুকুৰা-টুকুৰি ৰেখাৰে ছেদিত হয় তেন্তে জাতক অলপতে খং উঠা স্বভাৱৰ মানুহ হব।

আৰু যদি স্বাস্থ্যৰেখাটো ঢউ খেলোৱা হয়, আৰু শিৰোৰেখাটিও হাতৰ সিমূৰৰপৰা পোনে পোনেই আহি হাতখনক সমানে দুভাগ কৰি একেবাৰে ইমূৰলৈ অৰ্থাৎ, কৰপ্ৰান্তত আহি শেষ হয় তেন্তে এই জাতক বৰ কৃপণ আৰু স্বাৰ্থপৰ হ'ব।

এই ত্ৰিভুজৰ ভিতৰত যদি ভাগ্যৰেখা আৰু সূৰ্য্যৰেখা নেথাকে তেন্তে, এই জাতকক শিল্প অথবা বুদ্ধি বিষয়ক কোনো কামত লাগিবলৈ নিদি অন্য বিষয়ত হাত দিবলৈ শিকাব লাগে। বেছিভাগ ক্ষেত্ৰতে এই ধৰণৰ ত্ৰিভুজ থকা জাতকৰ আঙুলিবোৰ চাৰিচুকীয়া, স্থূলাগ্ৰ আৰু গাঁঠি থকা হয়। এই জাতকৰ মনৰ শক্তি আছে, কিন্তু বুদ্ধি কম।

আয়ুসৰেখা আৰু শিৰোৰেখাৰে গঠিত ত্ৰিভুজৰ এই কোণটি যদি বৰ জোঙা হয় তেন্তে জাতকৰ সাধাৰণ জ্ঞান বৰ শক্তিশালী হ'ব আৰু মন পৰিষ্কাৰ হ'ব। আৰু যদি স্বাস্থ্যৰেখা আৰু শিৰোৰেখাৰে গঠিত দ্বিতীয় কোণটি পৰিষ্কাৰ আৰু সুগঠিত হয় তেন্তে জাতক দীৰ্ঘায়ু হ'ব আৰু তেওঁ বুদ্ধিমান ব্যক্তিও হ'ব।

এই ত্ৰিভুজৰ শিৰোৰেখাটি যদি বৰ দুৰ্বল হয় আৰু ই বৰ বেছিকৈ চন্দ্ৰৰ ক্ষেত্ৰৰ ফালে হেলনীয়া হয়, আৰু চন্দ্ৰৰ ক্ষেত্ৰও চুটি চুটি টুকুৰা

ৰেখাৰে বেয়াকৈ কৰ্ত্তিত হয় তেন্তে জাতকে পক্ষাঘাত ৰোগত অথবা মৃগী বেমাৰত ভোগাৰ সম্ভাৱনা থাকিব।

এই ত্ৰিভুজৰ শিৰোৰেখা যদি চন্দ্ৰৰ ক্ষেত্ৰৰ ফালে বৰ হেলনীয়া হয় আৰু হৃদয়ৰেখাটিও ঢউ খেলোৱা হয়, আনহাতে শনিৰ পৰ্বতত তৰা চিহ্ন থাকে তেন্তে এই জাতকক (কম বয়সীয়া হ'লে) শিক্ষা বিষয়ত খুব বেছি জোৰ নকৰি প্ৰথমে স্বাস্থ্য ঠিক কৰি লোৱাহে কৰ্ত্তব্য। কাৰণ প্ৰথম অৱস্থাত এওঁৰ বুদ্ধি বৰ কম হ'ব।

এই ত্ৰিভুজৰ তৃতীয় কোণটি অৰ্থাৎ আয়ুসৰেখাৰ শেষডোখৰ আৰু স্বাস্থ্যৰেখাৰ আৰম্ভণিৰে গঠিত কোণটি যদি অকমান মুখ খোলা হয় আৰু ত্ৰিভুজটিও ডাঙৰ আৰু সুগঠিত হয় তেন্তে এই জাতকৰ শৰীৰ সকলো সময়তে ভালে থাকিব। সুগঠিত এই ত্ৰিকোণৰ ভিতৰত যদি কিছুমান ৰঙা ৰঙা ফোঁট থাকে তেন্তে জাতিকা গৰ্ভৱতী হৈছে বুলি বুজিব লাগিব।

সুগঠিত এই ত্ৰিভুজৰ ভিতৰত যদি ডাঙৰ পূৰণ-চিহ্ন থাকে তেন্তে এই চিহ্নটো 'যুদ্ধৰ চিহ্ন' বুলি বুজিব লাগিব। যদি এই চিহ্ন দুয়োহাততে স্পষ্টভাৱে থাকে আৰু মঙ্গলৰ পৰ্বত উচ্চ হয় তেন্তে জাতকে কাৰোবাক হত্যা কৰিব পাৰে। যদি এই ত্ৰিভুজৰ প্ৰথম কোণটিত সৰু পূৰণ-চিহ্ন থাকে আৰু এই চিহ্নই আয়ুসৰেখা আৰু শিৰোৰেখাক নোছোৱে তেন্তে জাতকৰ ওপৰত যি ফৌজদাৰী মোকৰ্দ্দমা হব, সেই মোকৰ্দ্দমাত জাতক জিকিব। আৰু যদি এই চিহ্নই কোনো ৰেখা ছুই থাকে তেন্তে তেওঁ মোকৰ্দ্দমাত হাৰিব। যদি সুগঠিত এই ত্ৰিভুজত কোনো ধুনীয়া তৰা-চিহ্ন থাকে তেন্তে বহু কষ্ট কৰাৰ পিচত হে জাতকৰ জীৱনলৈ টকা-পইচা আহিব। আৰু যদি দুয়োহাততে স্পষ্টভাৱে এই চিহ্ন থাকে তেন্তে জাতকৰ মৃত্যু কোনো দুৰ্ঘটনা আদিত হ'ব।

যদি সুগঠিত এই ত্ৰিভুজৰ ভিতৰত কোনো শূন্য চিহ্ন থাকে তেন্তে বিপৰীত লিঙ্গৰ মানুহৰপৰা জাতকে বহু কষ্ট পাব। আৰু যদি

চতুকোণ থাকে তেন্তে জাতকৰ জীৱনলৈ ভীষণ ধুমুহা আহিব, কিন্তু অৱশেষত ৰক্ষা পাব। আৰু ত্রিকোণ থাকে তেন্তে সৈন্য-বিভাগত কাম কৰা মানুহৰ পদোন্নতি হ'ব।



চিত্র ন —২৫৯

এই সুগঠিত ত্রিভুজটিৰ মাজেৰে যদি ভাগ্যৰেখা পোনে পোনে আহি এই বৃহৎ ত্রিভুজটি কাটি আকৌ ভাগ্যৰেখা, শিৰোৰেখা আৰু স্বাস্থ্যৰেখাৰে আৰু এটি সৰু ত্রিভুজ গঠিত কৰে তেন্তে এই জাতকৰ গুপ্তবিদ্যাৰ প্রতি অত্যন্ত আগ্রহ থাকিব। যদি এই ত্রিভুজটি সুগঠিত, পৰিষ্কাৰ আৰু পোন হয় তেন্তে জাতক আলোক দৃষ্টিসম্পন্ন অথবা অতীন্দ্রিয় দৃষ্টিশক্তিসম্পন্ন ব্যক্তি হ'ব। (চিত্র নং—২৫৯)

পঞ্চবিংশ অধ্যায়

কৰতলৰ পৰ্বত

এই পৰ্বতবোৰৰ কথা আগতে কৈছোঁৱেই। এইবাৰ কোন পৰ্বতে কি কি বেমাৰৰ উদ্ৰেক কৰে, সেই সম্বন্ধে কম।

যদি পৰ্বতবোৰ অস্বাভাৱিক হয় অথবা চুটি চুটি বহু ৰেখাৰে কৰ্তিত হয় তেন্তে এই অসুখবোৰে দেখা দিয়ে। যেনে ধৰক, বৃহস্পতিৰ (তৰ্জনীৰ) আঙুলিৰ গুৰিত থকা বৃহস্পতিৰ পৰ্বতৰ কথা। যদি এই পৰ্বত অস্বাভাৱিক হয় অথবা চুটি চুটি বহু ৰেখাৰ দ্বাৰা কৰ্তিত হয় তেন্তে জাতকৰ মৃগীৰোগ, হুচ হুচৰ অসুখ আৰু মূৰত অত্যাধিক তেজৰ সোঁত বোৱাৰ আশঙ্কা থাকিব। (চিত্ৰ নং—২৬)



চিত্ৰ নং—২৬



চিত্ৰ ন —২৬১

আকৌ শনিৰ পৰ্বত যদি তেনেকুৱা হয় তেনেহলে জাতকে অৰ্শৰোগ, ভৰিৰ অসুখ, (তেজৰ সোঁত ভৰিৰ ফালে বোৱা বাবে)

পক্ষাঘাত, দাঁত আৰু কাণৰ অসুখ, আধ-কপালীয়া (মূৰৰ বিষ) আৰু বাত-বিষত ভুগিব লাগিব। আকৌ, সূৰ্য্যৰ পৰ্বত যদি তেনেকুৱা হয় তেন্তে জাতকে হৃদ্‌যন্ত্ৰৰ ধপ্‌ধপনি আৰু চকুৰ অসুখত ভুগিব। আৰু যদি বুধৰ পৰ্বত তেনেকুৱা হয় তেন্তে জাতকে পিত্ত, যকৃত আৰু জণ্ডিছ বেমাৰত ভুগিব।

মানসিক মঙ্গলৰ পৰ্বত যদি বেয়া হয় তেন্তে জাতকে ডিঙিত ঘাৰ অসুখ, কফ'ৰাগ আৰু তেজৰ দোষৰ বেমাৰত ভুগিব। আৰু যদি চন্দ্ৰৰ পৰ্বত দোষনীয় হয় তেন্তে জাতকে মূত্ৰাশয়ৰ বেমাৰত, ৰক্তাল্পতা, ৰক্তহৃষ্টি, গাঁঠি বিষ, পানী জমা হোৰা, মূত্ৰাশয়ত শিল তৈয়াৰ হোৱা আৰু তিৰোতা মানুহে ভোগ কৰা অসুখত ভুগিব। (চিত্ৰ নং—২৬১) আৰু যদি শুক্ৰৰ পৰ্বত বেয়া হয় তেন্তে জাতকৰ যৌনাঙ্গৰ ভীষণ অসুখ হ'ব। সক্ৰিয় মঙ্গলৰ পৰ্বত বেয়া হ'লেও যৌনাঙ্গৰ ৰোগত ভোগাৰ আশঙ্কা থাকে।

ষড়্‌বিংশ অধ্যায়

আত্মহত্যাৰ লক্ষণ

যি জাতকৰ যি পৰ্বত বেছি উন্নত তথা সুগঠিত, সেই জাতকে যদি কেতিয়াবা আত্মহত্যা কৰিব লগা হয় তেন্তে তেওঁৰ আত্মহত্যাৰ ধৰণতেই বুজিব পাৰি তেওৰ গাত কি গ্ৰহৰ প্ৰভাৱ বেছি আছিল।

ধৰক, বৃহস্পতিৰ সুগঠিত পৰ্বত থকা জাতকে যদি কেতিয়াবা আত্মহত্যা কৰিব লগা হয় (এই জাতকে প্ৰায় আত্মহত্যা নকৰেই) তেন্তে তেও কোনো ডাঙৰ দুৰ্ঘটনাত, যি দুৰ্ঘটনা তেওৰ নিজৰ সৃষ্টি অথবা ডাঙৰ যুদ্ধত মৰিবলৈ আনন্দ পায়। অথবা, তেওঁৰ আকাশলংঘী গৌৰৱৰ সৌধ কোনো দুৰ্ঘটনাবশত ধূলিস্যাৎ হ'ব ধৰিলে, সেই সময়ত আত্মহত্যা কৰিবলৈ ভাল পায়।

শনি গ্ৰহৰ দ্বাৰা (সুগঠিত শনিৰ পৰ্বত থকা) প্ৰভাৱিত জাতকে কোনো গেছৰ সহায়ত আত্মহত্যা কৰিবলৈ ভাল পায়। মঙ্গল গ্ৰহৰ দ্বাৰা (সুগঠিত মানসিক মঙ্গলৰ পৰ্বত থকা) প্ৰভাৱিত ব্যক্তিয়ে বিভলভাৰ, ডেগাৰ অথবা ক্ষুৰেৰে নিজৰ ডিঙি কাটি অত্মহত্যা কৰিবলৈ ভাল পায়। আকৌ, বুধৰ দ্বাৰা (সুগঠিত বুধৰ পৰ্বত থকা) প্ৰভাৱিত ব্যক্তিয়ে বিহ খাই আত্মহত্যা কৰিবলৈ ভাল পায়। সেইদৰে চন্দ্ৰগ্ৰহৰ দ্বাৰা (অত্যধিক উচ্চ চন্দ্ৰৰ পৰ্বত থকা) প্ৰভাৱিত ব্যক্তিয়ে পানীত ডুবি মৰিবলৈহে বেছি ভাল পায়।

শুক্ৰগ্ৰহ আৰু সূৰ্য্যগ্ৰহৰ (সুগঠিত শুক্ৰ পৰ্বত আৰু সূৰ্য্য পৰ্বত থকা) জাতকে আত্মহত্যা কৰিব নোখোজে আৰু নকৰেও। এওঁলোকে জীৱনৰ শেষ মুহূৰ্ত্ততো ধৈৰ্য্য নেহেৰুৱায়। এওলোকে জীৱনটোক খুব ভাল পায।

এইবোৰ মৃত্যু হাতৰ অন্যান্য চিহ্নেৰে প্ৰমাণিত হ'লেহে পাঠকে এইবোৰ মৃত্যুৰ কথা হাত দেখুৱাওঁতাসকলক ক'ৰ। মুঠতে, আত্মহত্যাৰ লক্ষণ চায়ো কোন ব্যক্তিৰ ওপৰত কোন গ্ৰহৰ কিমান প্ৰভাৱ পৰে বুজিব পাৰি।

সপ্তবিংশ অধ্যায়

সংযুক্ত পৰ্বত

কেতিয়াবা কোনো জাতকৰ হাতত একাধিক গ্ৰহৰ প্ৰভাৱ থকা দেখা যায়—যি দুটা গ্ৰহৰ শক্তি প্ৰায়েই সমান। ফলত দুয়োটা গ্ৰহৰে প্ৰভাৱ (কিছু কটাকটি হৈ) জাতকৰ ওপৰত পৰে। (চেণ্ট্ জাৰ মেইনৰ ভাষাত) যেনে ধৰক—

(১) (ভাল হাতত) বৃহস্পতি আৰু শনিৰ পৰ্বত সুগঠিত হ'লে অতি সোনকালেই জাতক ভাগ্যবান বুলি পৰিচিত হ'ব। আৰু যদি বেয়া হাত হয় তেন্তে জাতকৰ আত্মহত্যাৰ প্ৰবৃত্তি জাগিব।

(২) আকৌ ভাল হাতত বৃহস্পতি আৰু সূৰ্য্যক্ষেত্ৰ সুগঠিত হ'লে যশস্যা আৰু সম্পত্তি একেলগে বুজাব। যদি বেয়া হাত হয় তেন্তে, আত্মহঙ্কাৰী হব আৰু অপৰিসীম দুখ-যন্ত্ৰণা ভোগ কৰিব।

(৩) বৃহস্পতি আৰু বুধৰ প্ৰভাৱ যদি সমান সমান হয় তেন্তে বিজ্ঞান, ব্যৱসায় আৰু প্ৰেমত কৃতকাৰ্য্যতা। বেয়া হাতত—মানুহক ভালপোৱাৰ ছলেৰে ঠগিব আৰু চুৰি কৰিব।

(৪) বৃহস্পতি আৰু মানসিক মঙ্গল (ভাল হাতত): সাহসিকতাৰ বলত কৃতকাৰ্য্যতা। (বেয়া হাতত) নিষ্ঠুৰ অত্যাচাৰী ব্যক্তি।

(৫) বৃহস্পতি আৰু চন্দ্ৰ (ভাল হাতত) জাতকৰ কল্পনাশক্তিক ধীৰস্থিৰ গৰ্বই নিয়ন্ত্ৰণ কৰিব। বেয়া হাতত সন্মান লাভৰ বাবে বলিয়ালি।

(৬) বৃহস্পতি আৰু শুক্ৰ (ভাল হাতত) আদৰ্শনীয় প্ৰেম, শ্ৰদ্ধাযুক্ত-শ্ৰদ্ধাপূৰ্ণ ভালপোৱা। (বেয়া হাতত) বৃথা অহঙ্কাৰত ডুবি মৰা। বৃথা গৰ্বত প্ৰলোভিত হোৱা।

(৭) **বৃহস্পতি আৰু সক্ৰিয় মঙ্গল** বীৰৰ দৰে সকলো ত্যাগ। অথবা ঈশ্বৰৰ ওচৰত আত্ম সমৰ্পণ। (বেয়া হাতত) সন্মান নষ্টৰ ভয়ত কাপুৰুষতা আহিব।

(৮) **শনি আৰু সূৰ্য্য** উচ্চ শিল্প আৰু সাহিত্য স্থুখৰ বঙেৰে বোলোৱা হ'ব—(বেয়া হাতত) ব্যাধিগ্ৰস্ত অসুস্থ মনোভাৱৰ বাবে মগজুৰ শক্তি বাধাগ্ৰস্ত, বাধাপ্ৰাপ্ত হ'ব।

(৯) **শনি আৰু বুধ** বিজ্ঞান আৰু গুপ্তবিত্থাৰ বাবে আসক্তি। (বেয়া হাতত) প্ৰৱঞ্চক মনোবৃত্তি।

(১০) **শনি আৰু মানসিক মঙ্গল** যুজাৰ মনোভাৱ। (বেয়া হাতত) মানুহৰ শিল্প সাহিত্য-সংস্কৃতিৰ প্ৰতি ঘৃণা, নিষ্ঠুৰতা।

(১১) **শনি আৰু চন্দ্ৰ** গুপ্তবিত্থাৰ প্ৰতি আসক্তি আৰু সামৰ্থ্য। (বেয়া হাতত) মনৰ অসুস্থতাবশত আত্মহত্যা কৰিবলৈ ইচ্ছা।

(১২) **শনি আৰু শুক্ৰ** আত্মবিশ্বাসী আৰু মানুহৰ প্ৰতি মৰমীয়াল। (বেয়া হাতত) গভীৰ ঈৰ্ষা, হিংসুক।

(১৩) **শনি আৰু সক্ৰিয় মঙ্গল:** ভয়ৰ বশৱৰ্তী হৈ পদত্যাগ অথবা ঈশ্বৰৰ ওচৰত আত্মসমৰ্পণ।

(১৪) **সূৰ্য্য আৰু বুধ** অসাধাৰণ বাগ্মীতা, খাঁটি ব্যাৱসায়ী। (বেয়া হাতত) ভয়ানক, আকৰ্ষণীয়তা চক্ৰান্ত ৰচনাকাৰী।

(১৫) **সূৰ্য্য আৰু মানসিক মঙ্গল** যুদ্ধক্ষেত্ৰত নাম কৰা আকাঙ্ক্ষা। সমাজত মুখ্য নেতাৰ দৰে আচৰণ। (বেয়া হাতত) যি কোনো (ঘৃণনীয় হলেও) কাৰ্য্য কৰি নিজৰ নাম প্ৰচাৰ কৰাৰ আগ্ৰহ।

(১৬) **সূৰ্য্য আৰু চন্দ্ৰ** আটাইতকৈ ধুনীয়া কল্পনাকাৰী। (বেয়া হাতত) শিল্প-সাহিত্যক অসুস্থ চিন্তাই বিপথে নিব।

(১৭) **সূৰ্য্য আৰু শুক্ৰ** ডাঙৰ লেখক বা শিল্পী। (বেয়া হাতত) হীনভাৱে বিখ্যাত হোৱাৰ চেষ্টা।

(১৮) **সূৰ্য্য আৰু সক্ৰিয় মঙ্গল** উৎসাহজনক সহিষ্ণুতা, ঈশ্বৰৰ ওচৰত আত্মসমৰ্পণ, ধাৰ্মিক। (বেয়া হাতত) কপট ধাৰ্মিক।

(১৯) **বুধ আৰু মানসিক মঙ্গল** বিজ্ঞানসম্মত যোদ্ধা। (বেয়া হাতত) লালসাত নিজৰ তৰোৱালকে বিকিব।

(২০) **বুধ আৰু চন্দ্ৰ** আৱিষ্কাৰৰ 'প্ৰতিভা' থকা লোক। (বেয়া হাতত) অবিৰাম কুবুদ্ধিৰে, দুৰ্নীতিৰে টকা ঘটাৰ আকাঙ্ক্ষা।

(২১) **বুধ আৰু শুক্ৰ** প্ৰেম আৰু বিজ্ঞতাৰ অনুভূতিক সংমিশ্ৰণ। (বেয়া হাতত) নিজৰ প্ৰেমাস্পদক পাবলৈ নিজৰ আত্মীয়ক বিনিময় কৰা।

(২২) **বুধ আৰু সক্ৰিয় মঙ্গল** অত্যন্ত অভাৱ-অনাটনৰ মাজতো নিজৰ পৰিকল্পনা কাৰ্য্যকৰী কৰিবলৈ ধৈৰ্য্য, অধ্যৱসায়।

(২৩) **মানসিক মঙ্গল আৰু শুক্ৰ** ধৰ্ম যোদ্ধা, দুৰ্গম দেশত আৱিষ্কাৰৰ উদ্দেশ্যে অনুসন্ধান অথবা ভ্ৰমণ। (বেযা হাতত) নিষ্ঠুৰতা, প্ৰতিশোধপৰায়ণতা আৰু অসাৱধনতা (ভবিষ্যৎ ফল সম্বন্ধে উদাসীন) অভিযানকাৰী সৈনিক।

(২৪) **মানসিক মঙ্গল আৰু শুক্ৰ** দেশীয় সৈনিক। (বেযা হাতত) যুদ্ধ বা প্ৰেমৰ ক্ষেত্ৰত পাষণ্ড, নিষ্ঠুৰ বিজয়কাৰী।

(২৫) **মানসিক মঙ্গল আৰু সক্ৰিয় মঙ্গল** নিষ্ক্ৰিয় আৰু সক্ৰিয় সাহসৰ ধুনীয়া, নিখুঁত সংযোগ। (বেয়া হাতত) অবিবেচকী বল প্ৰয়োগ।

(২৬) **চন্দ্ৰ আৰু শুক্ৰ** আদৰ্শনীয় প্ৰেম। (বেয়া হাতত) লাম্পট্যৰ চিন্তা।

(২৭) **চন্দ্ৰ আৰু সক্ৰিয় মঙ্গল** নিজৰ আদৰ্শৰক্ষাৰ বাবে কষ্ট-সহিষ্ণুতা, ধৈৰ্য্যশীলতা। (বেয়া হাতত) যি কোনো উপায়ে মূৰ্খৰ অহঙ্কাৰ তথা গৰ্ব পূৰণ কৰিবলৈ নেৰানেপেৰা চেষ্টা।

(২৮) **শুক্ৰ আৰু সক্ৰিয় মঙ্গল** বিপৰীত লিঙ্গৰপৰা নিজৰ দানৰ একো প্ৰতিদান নোপোৱা প্ৰেমিকৰ অসীম ধৈৰ্য্য। (বেয়া

হাতত) নিজৰ পত্নী বা প্ৰেমিকাক হত্যাকাৰী, অথবা পতি বা প্ৰেমিকক হত্যাকাৰিণী।

কোনো কোনো গ্ৰহৰ পৰ্বত কেতিয়াবা অন্য কোনো গ্ৰহৰ পৰ্বতৰ কালে হেলনীয়া হৈ অথবা ৰেখাৰ কালে কাষ চাপি থাকে। তেতিয়া সেই গ্ৰহটিয়ে (পৰ্বতে) নিজৰ দোষ-গুণ কিছু হেৰুৱাই আনটি গ্ৰহৰ (পৰ্বতৰ) অথবা, ৰেখাৰ দোষ-গুণো কিছু পৰিমাণে গ্ৰহণ কৰে। এইদৰে হেলনীয়া হৈ কাষ চাপি থাকিলে, কোন কোন গ্ৰহে (পৰ্বত) কি ধৰণৰ দোষ-গুণ গ্ৰহণ কৰে তাৰেই এখন থূলমূল ছবি চেণ্ট জাৰ মেইনৰ ভাষাত তলত দিয়া হ'ল।

বৃহস্পতিৰ পৰ্বত

বৃহস্পতিৰ আঙুলিৰ ওচৰত থাকিলে আত্ম অহঙ্কাৰ, বৃথা গৌৰৱ।

শনিৰ	„	„	„	আত্মসজাগতা।
হৃদয়ৰেখাৰ	„	„	„	শুদ্ধ প্ৰেমৰ বাবে গৌৰৱবোধ।
শিৰোৰেখাৰ	„	„	„	বুদ্ধিৰ বাবে গৌৰৱবোধ।
আয়ুসৰেখাৰ	„	„	„	নিজৰ পৰিয়ালটিক লৈ গৰ্ব।

শনিৰ পৰ্বত

শনিৰ আঙুলিৰ ওচৰত থাকিলে—ভীষণ নি সঙ্গতাপ্ৰিয়।

বৃহস্পতিৰ	„	„	„	বৰ অসুস্থ, অস্বাভাৱিক গৌৰৱবোধ।
সূৰ্য্যৰ	„	„	„	অলপ কম অসুস্থতা(গৌৰৱৰ প্ৰতি
হৃদয়ৰেখাৰ	„	„	„	প্ৰেমত আৱদ্ধ হোৱা।

সূৰ্য্যৰ পৰ্বত

সূৰ্য্যৰ আঙুলিৰ ওচৰত থাকিলে—বাজহুৱা কাম কৰাৰ আগ্ৰহ।

শনিৰ	„	„	„	পাশৱিক ভালপোৱা।
বুধৰ	„	„	„	নিজৰ শিল্প প্ৰতিভাৰ ব্যৱহাৰত বিচক্ষণতা।
হৃদয়ৰেখাৰ	„	„	„	ক্ষমাশীল ব্যক্তি।

বুধৰ পৰ্বত

বুধৰ আঙুলিৰ ওচৰত থাকিলে—				খেমেলীয়া। খাই উঠাৰ পিচত বক্তৃতাৰ ফুলজাৰি।
সূৰ্য্যৰ	„	„	„	অবিৰাম বক্তা। শিল্প প্ৰতিভা আৰু প্ৰেম প্ৰতিভাৰ স যুক্তিকৰণ।
হাতৰ কৰপ্ৰান্তৰ	„	„		ব্যৱসায়ত কৃতকাৰ্য্যতা।
উচ্চমঙ্গলৰ	„	„	„	বেতনভোগী সৈনিক। যুদ্ধৰ ব্যৱসায়ী।

মানসিক মঙ্গলৰ পৰ্বত

কৰপ্ৰান্তৰ	ওচৰত	থাকিলে—	সক্ৰিয় যোদ্ধা।
কৰ কেন্দ্ৰৰ	„	„	আক্ৰমণোদ্যত ব্যক্তি।
চন্দ্ৰৰক্ষেত্ৰৰ	„	„	মানুহক মোহাচ্ছন্ন কৰা বা মোহ-নিদ্ৰাত পেলাব পৰা শক্তি।

চন্দ্ৰৰ পৰ্বত

মানসিক মঙ্গলৰ	ওচৰত	থাকিলে—	ভাল গায়ক। নিজৰ কল্পনাক নিয়ন্ত্ৰণত ৰাখিব পৰা ব্যক্তি।
বলয় ৰেখাৰ	„	„	সমুদ্ৰ ভ্ৰমণৰ চিন্তা। অথবা, ব্যভিচাৰী চিন্তা।
শুক্ৰ ক্ষেত্ৰৰ	„	„	কল্পনা অথবা চিন্তাই, আবেগ অথবা অনুভূতিক তীব্ৰ কৰে।
কৰ কেন্দ্ৰৰ	„	„	চিন্তা অথবা কল্পনাই আক্ৰমণৰ বাবে শক্তি বৃদ্ধি কৰে।

শুক্ৰৰ পৰ্বত

বুঢ়া আঙুলিৰ	ওচৰত	থাকিলে—	আবেগ, অনুভূতিয়ে ইচ্ছাক শাসন কৰে।
বলয় ৰেখাৰ	„	„	কামভাব বৃদ্ধি কৰে।
চন্দ্ৰৰ ক্ষেত্ৰৰ	„	„	কামুকতা।

সক্ৰিয় মঙ্গলৰ (ৰাহুৰ) পৰ্বত

শুক্ৰৰ ক্ষেত্ৰৰ	ওচৰত	থাকিলে—	প্ৰেমৰ জৰিয়তে সহ্যগুণ লাভ।
বৃহস্পতিৰ ক্ষেত্ৰৰ	„	„	গৌৰৱৰ জৰিয়তে সহ্যগুণ লাভ।
বুঢ়া আঙুলিৰ	„	„	মনৰ উৎসাহৰ বাবেই (জৰিয়তে) সহ্যগুণ লাভ।

অষ্টবিংশ অধ্যায়

এতিয়া আমি আঙুলিবোৰত থকা চুটি চুটি, টুকুৰা-টুকুৰি ৰেখা ত্ৰিকোণ, চতুষ্কোণ, শূন্য, পূৰণ-চিহ্ন আৰু তৰা-চিহ্নসমূহৰ সম্পৰ্কে আলোচনা কৰোঁ।

প্ৰথমেই বুঢ়া আঙুলিত ধৰক

এই আঙুলিৰ প্ৰথম পৰ্বত (চিত্ৰ নং—২৬২) যদি দুটা বা তিনিটা স্পষ্ট আৰু সবল থিয় ৰেখা থাকে তেন্তে জাতকৰ ইচ্ছাশক্তিয়ে ভালকৈ কাম কৰিব। আৰু যদি বহুতো এনেধৰণৰ খেলিমেলি ৰেখা থাকে, সেই ৰেখা কাটি দিয়া অন্য ৰেখাও থাকে তেন্তে ইচ্ছাশক্তিয়ে ভালকৈ কাম কৰিব নোৱাৰিব।



চিত্ৰ নং—২৬২



চিত্ৰ নং—২৬৩

যদি এই আঙুলিৰ প্ৰথম পৰ্বতপৰা (চিত্ৰ নং—২৬৩) এটি স্পষ্ট ৰেখা নামি আহি আয়ুসৰেখা স্পৰ্শ কৰে তেন্তে এই জাতকক কোনোবা দুৰ্বৃত্তই লোহাৰ তীক্ষ্ণ অস্ত্ৰেৰে হত্যা কৰিব। আকৌ যদি কোনো জাতিকাৰ বুঢ়া আঙুলিৰ নখৰ ওচৰত এটি পূৰণ চিহ্ন থাকে

আৰু শুক্ৰৰ ক্ষেত্ৰ অন্যান্য ৰেখাৰে ভৰি থাকে তেন্তে জাতিকাৰ সতীত্ব নেথাকিব (চিত্ৰ নং—২৬৪)। আৰু ছুটা পূৰণ চিহ্ন থাকিলে



চিত্ৰ নং—২৬৪



চিত্ৰ ন —২৬৫



চিত্ৰ নং—২৬৬



চিত্ৰ নং—২৬৭

প্ৰেমৰ বিলাসিতা ভাল পাব। (চিত্ৰ নং—২৬৫) যদি এটি তৰা চিহ্ন থাকে তেন্তে জাতক বৰ সমালোচক হ'ব। (চিত্ৰ নং—২৬৬)

যদি এটি শূন্য চিহ্ন থাকে তেন্তে জাতকৰ ইচ্ছাশক্তিৰ স্থিৰ সঙ্কল্পৰ বাবে বিজয়ী হ'ব। যদি এটি চতুষ্কোণ থাকে তেন্তে উৎপীড়নকাৰী মনোবৃত্তিৰ হ'ব। দ্বিতীয় পৰ্বত দুটা বা তিনিটা চুটি থিয় ৰেখা থাকিলে জাতকৰ যুক্তিশক্তি আৰু বিবেকৰ শক্তি বেছি হ'ব। (চিত্ৰ নং—২৬৭) যদি এই ৰেখা থিয় নহৈ পথালি হয় তেন্তে জাতকে অযুক্তিকে যুক্তি বুলি ধৰিব আৰু সাধাৰণ জ্ঞানৰ অভাৱ হ'ব। (চিত্ৰ নং—২৬৮) যদি দুই ফেৰেঙনিযুক্ত ৰেখা থাকে



চিত্ৰ ন —২৬৮



চিত্ৰ নং—২৬৯

তেন্তে দ্বিধাগ্ৰস্ত মনোভাব বুজাব। পূৰণ চিহ্ন থাকিলে এই জাতকক অন্যই সহজতে প্ৰভাৱিত কৰিব পাৰিব। তৰা-চিহ্ন থাকিলে ভুল পথে যোৱাৰ সম্ভাৱনা। যদি ত্ৰিকোণ থাকে গভীৰ দাৰ্শনিক বা বৈজ্ঞানিক প্ৰতিভা। যদি চতুষ্কোণ থাকে তেন্তে মূৰ্খ, জেদী। শূন্য থাকিলে যুক্তিৰ জয় হব। যদি এটি দীঘলীয়া ৰেখা নামি আহি আয়ুস ৰেখাক স্পৰ্শ কৰে তেন্তে বিবাহিত জীৱনত কষ্ট আৰু অশান্তি আহিব। (চিত্ৰ নং—২৬৯)

এতিয়া আমি আন চাৰিটা আঙুলিৰ কথালৈ আহোঁ।

হস্তৰেখা—১৪

বুঢ়া আঙুলিটোৰ বাদে যদি সকলো আঙুলিৰ দীঘলীয়া থিয় ৰেখা আগৰপৰা গুৰিলৈকে থাকে তেন্তে এই জাতক সন্মানৰ প্ৰতি ভীষণ সজাগ থাকিব। (চিত্ৰ নং—২৭০)

যদি সকলো আঙুলিৰ প্ৰথম পৰ্বত কিছুমান খেলিমেলি পথালি ৰেখা থাকে তেন্তে জাতকৰ স্বাস্থ্য ভালে নাথাকিব।

যদি সকলো আঙুলিৰ প্ৰথম পৰ্বত কিছুমান চুটি চুটি ঢউ খেলোৱা পথালি ৰেখা থাকে তেন্তে সন্মুখত বিপদ থাকিব। বিশেষকৈ পানীত ডুবাৰ ভয় থাকিব।



চিত্ৰ নং—২৭



চিত্ৰ ন —২৭১

এতিয়া তৰ্জনী (বৃহস্পতিৰ আঙুলি) আঙুলিৰ ওপৰৰ প্ৰথম পৰ্বটি চাওঁ।

যদি এই পৰ্বত পূৰণ চিহ্ণ থাকে তেন্তে ধৰ্মৰ বাবে বলিয়ালি। কেতিয়াবা আকস্মিক মৃত্যুও বুজায়। (চিত্ৰ নং—২৭১)

যদি এই পৰ্বত তৰা-চিহ্ন থাকে, জাতকৰ জীৱনত এটি সাংঘাতিক ঘটনা ঘটিব যাৰদ্বাৰা তেওঁ বহু সম্পত্তিৰ মালিক হ'ব। (চিত্ৰ নং—২৭২)

যদি ত্রিকোণ থাকে তেন্তে গুপ্তবিদ্যা, পুৰণিকলীয়া যাদু আৰু ব্ৰহ্মবিদ্যা তথা ধৰ্মতত্ত্বৰ প্ৰতি আসক্তি আৰু আগ্ৰহ। শূন্য থাকিলে যুক্তিৰ ওপৰত বিশ্বাসৰ বিজয়।



চিত্ৰ ন —২৭২



চিত্ৰ ন —২৭৩

এই তৰ্জনী আঙুলিৰ দ্বিতীয় পৰ্বত যদি দুটা বা তিনিটা চুটি থিয় ৰেখা থাকে তেন্তে জাতকৰ মহৎ উদ্দেশ্য পূৰণৰ বাবে এওঁ বহুতৰ সহায় পাব। (চিত্ৰ নং—২৭৩) কিন্তু এই দ্বিতীয় পৰ্বত দুমুখীয়া চুটি ফেৰেঙনি থাকিলে অকৃতকাৰ্য্য হব।

যদি ওপৰৰ জোৰাটিত পূৰণ চিহ্ন থাকে তেন্তে জাতকে সাহিত্যত কৃতকাৰ্য্যতা লাভ কৰিব। এই পৰ্বত দুডাল থিয় ৰেখাৰ মাজত (এই ৰেখা প্ৰথম পৰ্বৰপৰা আহিব লাগিব) এটি তৰা-চিহ্ন যদি থাকে তেন্তে সতীত্ব বুজায় (চিত্ৰ নং—২৭৪)। যদি এই তৰা-চিহ্নৰ কাষত পোন থিয় ৰেখা নেথাকে, বেঁকা ৰেখা-চিহ্ন এটিহে থাকে তেন্তে জাতিকা অশিষ্টচাৰিণী আৰু অভদ্ৰ হ'ব।

যদি ত্ৰিকোণ থাকে তেন্তে জাতক তীক্ষ্ণ বুদ্ধিৰ, ধূৰ্ত ৰাজনীতিজ্ঞ হ'ব। (চিত্ৰ নং—২৭৫) চতুষ্কোণ থাকিলে উদ্দেশ্য সিদ্ধিৰ হকে

লাগি থাকিব। যদি শূন্য থাকে তেন্তে উচ্চাকাঙ্ক্ষা পূৰণ হ'ব। যদি এই দ্বিতীয় পৰ্ববপৰা আৰম্ভ কৰি একেবাৰে পোনে পোনে (স্থিৰ)



চিত্ৰ ন —২৭৪



চিত্ৰ নং—২৭৫



চিত্ৰ ন —২৭৬



চিত্ৰ নং—২৭৭

কোনো এটি সৰলৰেখা, আয়ুসৰেখা অতিক্ৰমি শুক্ৰৰ ক্ষেত্ৰত প্ৰৱেশ কৰে তেন্তে এই জাতক অত্যন্ত সবল চৰিত্ৰৰ লোক হ'ব। আৰু তেওঁ বৰ সম্মানিত ব্যক্তিও হ'ব। (চিত্ৰ নং—২৭৬) যদি এই

আঙুলিৰ তৃতীয় পৰ্বত এটি বা দুটি চুটি থিয় ৰেখা থাকে তেন্তে অন্য মানুহৰ ওপৰত এই জাতকৰ নিয়ন্ত্ৰণ ক্ষমতা থাকিব (চিত্ৰ নং —২৭৭)। আৰু যদি এই ৰেখা ঢউ খেলোৱা হয় তেন্তে জীৱনৰ এটি ভাল বস্তুৰ মোহে জাতকক শাসন কৰি থাকিব।

আয়ুসৰেখাত যদি উৰ্দ্ধমুখী শাখা-ৰেখা থাকে আৰু তৰ্জনীৰ এই তৃতীয় পৰ্বত দুডাল বা তিনিডাল থিয় চুটিৰেখা থাকে তেন্তে জাতকৰ জীৱনলৈ বহু সম্পত্তি আহিব। (চিত্ৰ নং ২৭৮)



চিত্ৰ ন —২৭৮



চিত্ৰ নং—২৭৯

আৰু এই পৰ্বত পথালি ৰেখা থাকিলে কোনোবাই জাতকক সম্পত্তি উইল কৰি দি যাব পাৰে। (চিত্ৰ নং ২৭৯)

দুমুখীয়া ৰেখা থাকিলে পৰিকল্পনা অথলে যাব। পূৰণ চিহ্ন থাকিলে বেয়া চিন্তা আৰু বেয়া স্বভাৱ বুজাব। আৰু যদি তৰা-চিহ্ন থাকে তেন্তে অশিষ্ট, অভদ্ৰ বুজাব। চতুষ্কোণ থাকিলে বেয়া কামুকতা বুজাব। শূন্য থাকিলে নিজৰ প্ৰিয় আকাঙ্ক্ষা পূৰণ হ'ব। যদি শুক্ৰক্ষেত্ৰৰপৰা এটি পোন থিয় ৰেখা পোনে পোনে আহি এই আঙুলিৰ তৃতীয় পৰ্বত উঠে তেন্তে জাতকৰ দুৰ্ঘটনাত মৃত্যুৰ আশঙ্কা বুজায়। (চিত্ৰ নং—২৮০)

এতিয়া আমি মধ্যমা (শনিৰ) আঙুলিৰ প্ৰথম পৰ্বটি চাওঁ।

যদি এই আঙুলিৰ প্ৰথম পৰ্বটিত চুটি চুটি (পোন) পথালি ৰেখা দুই-তিনিডাল থাকে তেন্তে জাতকে আত্মহত্যাৰ পাগলামি কৰিব। আৰু যদি দুই-তিনিডাল থিয় ৰেখা থাকে তেন্তে আত্মহত্যা কৰিব। (চিত্ৰ নং—২৮১) যদি ক'লা ফোঁট থাকে তেন্তে জাতকে পালাজ্বৰ, কঁপনি জ্বৰ আৰু পুৰণি মেলেৰিয়াত ভুগিব। যদি পূৰণ চিহ্ন থাকে তেন্তে জাতক কুসংস্কাৰাচ্ছন্ন হৈ বলিয়াৰ দৰে হ'ব।



চিত্ৰ নং—২৮



চিত্ৰ নং—২৮১

সেইদৰে যদি তৰা-চিহ্ন থাকে তেন্তে কোনো ভালৰ বাবে হওক বা বেয়াৰ বাবেই হওক এটি অসাধাৰণ ব্যক্তিত্ব বুজাব। (চিত্ৰ নং —২৮২) যদি দুয়ো হাতত থাকে তেন্তে গুপ্তহত্যাৰ ভয় আছে। এই চিহ্ন আঙুলিৰ মাজত নেথাকি যদি পৰ্বটিৰ কাষৰ ফালে থাকে তেন্তে স্বাস্থ্য বিষয়ত মৃত্যুবৰণ। যদি এই পৰ্বত এটি তৰা-চিহ্ন থাকে আৰু এই আঙুলিৰ গুৰিত (শনিৰ পৰ্বতত) এটি ত্ৰিকোণ থাকে তেন্তে লাম্পট্য, দুৰ্নীতিপৰায়ণ বুজাব। (চিত্ৰ নং—২৮৩) যদি এই আঙুলিৰ প্ৰথম পৰ্বত এটি তৰা-চিহ্ন আৰু দ্বিতীয় পৰ্বতো আন এটি তৰা-চিহ্ন থাকে তেন্তে এই জাতকৰ কাঁচী কাঠত মৃত্যু হ'ব।

এতিয়া এই আঙুলিৰ দ্বিতীয় পৰ্বৰ বিষয়ে আলোচনা কৰোঁ।

যদি এডাল থিয় সৰলৰেখাই প্ৰথম জোৰা আৰু দ্বিতীয় জোৰাটো ছেদন কৰে তেন্তে জাতক মূৰ্খ, জ্ঞানহীন হ'ব। (চিত্ৰ নং



চিত্ৰ নং—২৮২



চিত্ৰ নং—২৮৩



চিত্ৰ নং—২৮৪



চিত্ৰ নং—২৮৫

—২৮৪) আৰু যদি এই পৰ্বত দুই-তিনিডাল পথালি চুটি ৰেখা থাকে তেন্তে জাতক অজ্ঞ আৰু জেদী হ'ব। কিন্তু যদি এডাল বৰ গভীৰ

আৰু শকত পথালি চুটি ৰেখা তেন্তে জাতকৰ জেইলত (কাৰাগাৰত) মৃত্যু হ'ব। (চিত্ৰ নং—২৮৫) যদি এই পৰ্বত পূৰণ চিহ্ন থাকে তেন্তে জাতকৰ ভয়ানক আকস্মিক দুৰ্ঘটনা ঘটিব। আৰু যদি এটি তৰা চিহ্ন থাকে তেন্তে কোনো অপৰাধজনক কৰ্ম কৰাৰ বাবে অতি ভয়ানক আকস্মিক দুৰ্ঘটনা ঘটিব। (চিত্ৰ নং—২৮৬) যদি চতুষ্কোণ থাকে তেন্তে ভয়ানক আকস্মিক দুৰ্ঘটনা ঘটাৰ পূৰ্বাভাস। সেইদৰে শূন্য-চিহ্ন থাকিলে গুপ্তবিদ্যাৰ বিষয়ত বিৰাট কৃতকাৰ্য্যতা লাভ।



চিত্ৰ নং—২৮৬



চিত্ৰ নং—২৮৭

এইবাৰ এই আঙুলিৰ তৃতীয় পৰ্বটিৰ আলোচনা কৰোঁ।

যদি এই মধ্যমা আঙুলিৰ তৃতীয় পৰ্বত এডাল বা দুডাল থিয়ৰেখা আঙুলিটোৰ দ্বিতীয় পৰ্বৰপৰা তৃতীয় পৰ্বলৈ বিস্তাৰিত থাকে তেন্তে জাতকৰ উত্তম জ্ঞান থকা বুজাব। (চিত্ৰ নং—২৮৭)

এই পৰ্বটিত যদি মাত্ৰ এডাল থিয় ৰেখা (পৰ্বটিৰ ভিতৰতেই মাথো।) থাকে তেন্তে জাতকৰ সৈন্য বিভাগত উন্নতি তথা কৃতকাৰ্য্যতা বুজাব। যদি এই ৰেখাডাল বেঁকা (তিৰ্য্যক) ভাবে থাকে তেন্তে যুদ্ধত মৃত্যু বুজাব। যদি এই পৰ্বত কেইবাডালো চুটি থিয় ৰেখা

(নিহিগা অৱস্থাত) দেখা যায় তেন্তে কোনো খনি বা খনন কাৰ্য্যত বহু ধন লাভ কৰা বুজায়। আৰু যদি এই ৰেখা কেইডাল ছিঙা-ভঙা হয় তেন্তে জাতকৰ অত্যধিক বলিয়ালি বুজাব।

এই পৰ্বত যদি কিছুমান পথালি ৰেখা দেখা যায় তেন্তে বন্ধু-বান্ধৱৰ দ্বাৰা পৰিত্যক্ত অতি অকলশৰীয়া, দুৰ্ভগীয়া জীৱন বুজাব। যদি দুই ফেৰেঙনিযুক্ত এডাল চুটি ৰেখা থাকে তেন্তে অতি দুৰ্ভাগ্য-জনক চৰিত্ৰ বুজায়, যাৰ বাবে সমাজে ঘৃণা কৰিব। (চিত্ৰ নং ২৮৮) তিৰোতা মানুহৰ যদি পূৰণ চিহ্ন থাকে তেন্তে বন্ধ্যাত্ব বুজাব।



চিত্ৰ নং—২৮৮



চিত্ৰ ন —২৮৯

যদি এই পৰ্বত দুটি চুটি চুটি পথালি ৰেখাৰ মাজত এটি পূৰণ চিহ্ন থাকে তেন্তে জাতক 'চোৰ' হ'ব বা চোৰৰ মনোবৃত্তি থকা লোক হব। আনহাতে যদি এই পৰ্বত স্পষ্ট তৰা-চিহ্ন থাকে তেন্তে জাতক নৰহত্যাকাৰী হ'ব। যদি হাতৰ অন্যান্য ৰেখাসমূহ ভাল হয় তেন্তে জাতক নিজেই অন্যৰ দ্বাৰা 'খুন' হোৱাৰ সম্ভাৱনা থাকিব। (চিত্ৰ নং—২৮৯)

যদি এটি ত্ৰিকোণ থাকে তেন্তে জাতকৰ বেয়া স্বভাৱে নিজৰ

জীৱনলৈ দুৰ্ভাগ্য আনিব পাৰে। যদি চতুষ্কোণ থাকে তেন্তে কৃপণ আৰু দয়াহীন স্বভাৱৰ হ'ব।

শূন্য চিহ্ন থাকিলে দৰ্শন বিষয়ত জাতকৰ প্ৰচুৰ প্ৰতিভা থকা বুজাব। (চিত্ৰ নং—২৯০)

এতিয়া আমি তৃতীয় (সূৰ্য্যৰ) আঙুলিৰ বিষয়ে অলপ কওঁ।

এই তৃতীয় আঙুলিৰ প্ৰথম পৰ্বত যদি দুডাল বা তিনিডাল চুটি থিয় ৰেখা থাকে তেন্তে জাতকৰ শিল্প-প্ৰতিভা বলিয়ালিত পৰিণত



চিত্ৰ নং—২৯



চিত্ৰ নং—২৯১

হ'ব। আৰু যদি এই কেইডাল থিয় হৈ নেথাকি পথালিভাৱে থাকে তেন্তে জাতকৰ শিল্প-প্ৰতিভাই বা কৰ্মত বাধা পাব। বলিয়ালিও এটা কাৰণ হ'ব পাৰে।

যদি পূৰণ চিহ্ন থাকে তেন্তে অতি শুদ্ধ, পবিত্ৰতা আৰু সতীত্ব বুজাব। শিল্পীয়ে নিজৰ শিল্পৰ সৈতে এক হৈ যাব। আৰু প্ৰায়েই দেখা যায় যে জাতকে তেওঁৰ শিল্পৰ প্ৰতি অত্যাধিক অনুভূতিৰ কাৰণবশত বলিয়ালি কৰিব ধৰে।

যদি তৰা-চিহ্ন থাকে তেন্তে শিল্পীৰ শিল্পৰ প্ৰতি থকা অত্যাধিক

অনুভূতিৰ আচৰণবশত তেওঁ নিজৰ বলিয়ালিক যদি নিয়ন্ত্রণ কৰিব পাৰে তেন্তে শিল্পীৰ প্ৰতিভা চাৰিওফালে বিয়পি পৰিব। (চিত্র নং ২৯১)। যদি ত্রিকোণ থাকে তেন্তে সৌন্দর্য্য বিজ্ঞানৰ প্ৰতি জাতক ৰৰকৈ আকর্ষিত হ'ব। যদি চতুষ্কোণ থাকে তেন্তে অত্যন্ত ভাল— অন্তত এ'কা নহলেও শিল্পীৰ শিল্পকর্মত কৃতকার্য্যতা বুজায়। (চিত্র নং—২৯২)। যদি জাল চিহ্ন থাকে তেন্তে অতিপাত বলিয়ালি বুজাব।



চিত্র নং—২৯২



চিত্র নং—২৯৩

এতিয়া এই আঙুলিৰ দ্বিতীয় পৰ্বৰ কথা আলোচনা কৰোঁ।

ধৰক, এই দ্বিতীয় পৰ্বত যদি পূৰণ-চিহ্ন থাকে তেন্তে যিসকল লোক বৃথা আত্মগৌৰৱৰ প্ৰতিযোগিতাত নামে সেইসকল জাতক লোকৰ ভীষণ শত্রু বুলি পৰিগণিত হ'ব।

যদি দুমুখীয়া ফেৰেঙনি থাকে তেন্তে প্রচেষ্টা ভাগ হৈ যোৱাৰ বাবে জাতকে শিল্পকর্মত কৃতকার্য্য হোৱাত টান পাব। যদি চুটি চুটি পথালি চিহ্ন থাকে তেন্তে প্ৰতিভাৰ অভাৱ আৰু ঈর্ষাপৰায়ণতা বুজাব।

যদি এডাল থিয় চুটি ৰেখাই আঙুলিটোৰ দ্বিতীয় পৰ্ব্বৰপৰা তলৰ তৃতীয় পৰ্বলৈ বিস্তাৰিত হৈ থাকে তেন্তে জাতকৰ বিৰাট যশস্যা তথা প্ৰশংসা চাৰিওফালে বিয়পি পৰিব। (চিত্ৰ নং—২৯৩)।

যদি তৰা-চিহ্ন থাকে, জাতকৰ অসাধাৰণ প্ৰতিভা বুজাব। ত্ৰিকোণ চিহ্ন থাকিলে জাতকে শিল্প বিজ্ঞানৰ স্বৰ্গীয় ৰহস্য ভেদ কৰিবলৈ সক্ষম হ'ব। (চিত্ৰ নং—২৯৪)।



চিত্ৰ নং—২৯৪



চিত্ৰ নং—২৯৫

যদি চতুষ্কোণ থাকে তেন্তে জাতকৰ প্ৰতিভা মাত্ৰ কেইটিমান বিশেষ বিষযতে আৱদ্ধ থাকিব। সেইদৰে যদি শূন্য চিহ্ন থাকে তেন্তে জাতক অতি ঈৰ্ষাপৰায়ণ ব্যক্তি হ'ব।

এতিয়া এই তৃতীয় আঙুলিৰ তৃতীয় পৰ্বৰ কথা আলোচনা কৰোঁ।

যদি এই তৃতীয় পৰ্বত দুই-তিনিডাল চুটি থিয় ৰেখা দ্বিতীয় পৰ্বৰপৰা তৃতীয় পৰ্বৰ আঙুলিৰ গুৰিলৈ বিস্তাৰিত থাকে তেন্তে জাতকে বিপৰীত লিঙ্গৰ প্ৰৰোচনাত ওলোটা পথ গ্ৰহণ কৰি আৰ্থিক ক্ষতিৰ সন্মুখীন হোৱাৰ ভয় থাকিব। অৱশ্যে এনেকুৱা যদি মাত্ৰ এডাল ৰেখাহে থাকে আৰু সি অলপ চুটি হয় তেন্তে জাতকৰ জীৱনলৈ

সুখ আহিব। কিন্তু যদি কেইবাডালো পথালি ৰেখা থাকে তেন্তে অনবৰত দুৰ্ভাগ্য আহিব আৰু দৰিদ্ৰতাই এৰা নিদিব।

যদি দুমুখীয়া ৰেখা থাকে তেন্তে যশস্যা আৰু সম্পত্তিৰ প্ৰতি নিষ্ফল, অৰ্থহীন প্ৰচেষ্টা বুজাব। (চিত্ৰ নং ২৯৫)।

যদি পূৰণ-চিহ্ন থাকে তেন্তে ব্যৱসায়ত বাধাগ্ৰস্ত হ'ব। আৰু উচ্চাকাঙ্ক্ষা চূৰমাৰ হ'ব।

তৰা-চিহ্ন থাকিলে প্ৰশংসাৰ প্ৰতি অত্যধিক লালায়িত হ'ব আৰু শেহত গৈ ইয়াৰ বাবেই বলিয়া হৈ উঠিব। (চিত্ৰ নং ২৯৬)।

কিন্তু যদি ত্ৰিকোণ চিহ্ন থাকে তেন্তে নিজক ডাঙৰ কৰি গঢ়ি তুলিবলৈ জাতকৰ চতুৰ, বিজ্ঞানসম্মত বুদ্ধি থাকিব।

যদি জাল-চিহ্ন থাকে তেন্তে জাতকৰ দৰিদ্ৰতা, ঈৰ্ষাপৰায়ণতা থাকিব। আৰু তেওঁ সকলো বিষয়তে অপমানিত হ'ব।



চিত্ৰ ন —২৯৬

এতিয়া আমি চতুৰ্থ (বুধৰ) আঙুলিৰ কথা আলোচনা কৰোঁহঁক।

যদি এই চতুৰ্থ আঙুলিৰ গোটেইটো আঙুলিত এডাল থিয় সৰলৰেখা থাকে তেন্তে জাতক সত্যনিষ্ঠ আৰু সত্যবাদী হ'ব। আৰু যদি ঠিক এনে ধৰণৰ দুডাল ৰেখা থাকে তেন্তে জাতক সাধু আৰু ন্যায়পৰায়ণ হ'ব। (চিত্ৰ নং ২৯৭)।

আৰু যদি প্ৰথম পৰ্বৰপৰা তৃতীয় পৰ্বলৈ মাথো এডাল থিয় সৰলৰেখা থাকে তেন্তে জাতকৰ বিজ্ঞানসম্মত কামত কৃতকাৰ্য্যতা বুজাব।

যদি এই আঙুলিৰ প্ৰথম পৰ্বত দুডাল বা তিনিডাল চুটি থিয় ৰেখা থাকে তেন্তে জাতকে মধ্যস্থতাকাৰীৰ ভূমিকা লব, অথবা কেতিয়াবা বৰ ডাঙৰ কামত হাত দি বলিয়ালি কৰিব। আৰু যদি হাতৰ অন্যান্য ৰেখাসমূহ ভাল হয় তেন্তে এই চিহ্নৰ জাতকে গুপ্ত-বিদ্যাত কৃতকাৰ্য্যতা লাভ কৰিব আৰু বাগ্মীতা থাকিব। কিন্তু যদি চুটি চুটি পথালি ৰেখা থাকে তেন্তে জাতক অৰ্থহীন, মূল্যহীন, বৰ কথকী স্বভাৱৰ মানুহ হ'ব। সচৰাচৰ এই জাতক প্ৰায়েই মিছলীয়া আৰু চোৰ হয়। (চিত্ৰ নং—২৯৮)।



চিত্ৰ ন —২৯৭



চিত্ৰ নং—২৯৮

যদি দুমুখীয়া চুটি ৰেখা থাকে তেন্তে, ব্যৱসায়ত জাতকৰ সামান্যহে উন্নতি হ'ব।

যদি এই প্ৰথম পৰ্বত এটি পূৰণ-চিহ্ন থাকে (যদি ভাল হাত হয়) তেন্তে জাতকৰ ভবিষ্যৎবাণী কৰাৰ সামৰ্থ্য থাকিব। আৰু বেয়া হাত হ'লে, এই জাতকে চুৰি বা ডকাইতি কেছত পৰি ভীষণ কষ্ট পাব। (চিত্ৰ নং—২৯৯)। জাতকৰ যদি এই পৰ্বত তৰা-চিহ্ন থাকে তেন্তে তেওঁ বক্তাস্বৰূপে কৃতকাৰ্য্য হ'ব। কিন্তু ব্যৱসায়ত অকৃতকাৰ্য্য হোৱাৰ শঙ্কা বেছি। যদি ত্ৰিকোণ থাকে তেন্তে গুপ্তবিদ্যাৰ

প্ৰতি জাতকৰ আসক্তি থাকিব। এনে কি 'মৃতকৰ আত্মাক মাতি অনা বো চেষ্টা কৰিব।

যদি চতুষ্কোণ থাকে তেন্তে বাণিজ্যিক তথা ব্যৱসায়ীক প্ৰতিভা বুজাব। যদি জাল চিহ্ন থাকে তেন্তে বাস্তাত চিঞৰি চিঞৰি মেজিক দেখুওৱা ব্যক্তি হ'ব। অথবা স্বাভাৱিক চোৰ হ'ব।

এতিয়া আমি এই চতুৰ্থ আঙুলিৰ দ্বিতীয় পৰ্বটিৰ মাহাত্ম্য চাওঁ।



চিত্ৰ নং—২৯৯



চিত্ৰ নং—৩

যদি এই দ্বিতীয় পৰ্বত কিছুমান চুটি চুটি থিয় ৰেখা থাকে তেন্তে জাতকে মানুহক ঠগোৱাৰ চেষ্টাতেই থাকিব। (চিত্ৰ নং—৩০০)। এই পৰ্বৰপৰা যদি তৃতীয় পৰ্বৰ আঙুলিৰ গুৰিলৈকে এডাল সৰল থিয় ৰেখা থাকে তেন্তে জাতকৰ বুদ্ধিমত্তা বুজাব, আৰু তেওঁৰ বৈজ্ঞানিক অনুসন্ধানমূলক কাৰ্য্যত কৃতকাৰ্য্যতা বুজাব। যদি এই সৰলৰেখাটি পোন নহৈ ঢউ খেলোৱা হয় তেন্তে জাতকৰ ধূৰ্ত্ত স্বভাৱ থাকিব। (চিত্ৰ নং—৩০১)।

যদি এই পৰ্বত দুমুখীয়া ৰেখা থাকে তেন্তে সময়ক্ষেত্ৰত হুকুম দিব নোৱাৰাৰ অসমৰ্থতাৰ বাবেই সকলো কৃতকাৰ্য্যতা চুৰমাৰ হ'ব।

কিন্তু যদি পূৰণ-চিহ্ন থাকে তেন্তে জাতকৰ বহু ধৰণৰ ব্যৱসায় থাকিব। অথবা, তেওঁৰ সকলো ব্যৱসায় পুঙ্খানুপুঙ্খভাৱে পৰীক্ষা কৰি লোৱা ব্যৱসায়হে হ'ব।

যদি এই দ্বিতীয় পৰ্বটিত পূৰণ-চিহ্ন থাকে তেন্তে অত্যন্ত অসুবিধা আৰু প্ৰায়েই কাৰাগাৰবাস বুজাব। (চিত্ৰ নং—৩০২)।

যদি তৰা চিহ্ন থাকে তেন্তে (বুধৰ পৰ্বত যদি বেয়া হয়) এই জাতক অতি দুষ্টবুদ্ধিৰ লোক হ'ব। যদি ত্ৰিকোণ থাকে তেন্তে গুপ্তবিদ্যাত কৃতকাৰ্য্য হ'ব।



চিত্ৰ নং—৩১



চিত্ৰ নং—৩২

চতুষ্কোণ থাকিলে বুধৰ পৰ্বতৰ প্ৰত্যুৎপন্নমতিতাৰ যিটো গুণ সেই গুণৰপৰা জাতক বাধাপ্ৰাপ্ত হ'ব। আৰু কেতিয়াবা এই চিহ্নই জাতকৰ কাৰাবাসো বুজাব। আৰু এই পৰ্বত জাল-চিহ্ন থাকিলেও কাৰাবাস বুজায়। আনপিনে নিজৰ ব্যৱসায় চলোৱাত জাতকৰ মূৰ্খামি বুজায়।

এতিয়া এই চতুৰ্থ আঙুলিৰ তৃতীয় পৰ্বৰ বিষয় আলোচনা কৰা যাওক।

এতিয়া এই চতুৰ্থ আঙুলিৰ তৃতীয়ে পৰ্বৰ বিষয় আলোচনা কৰা যাওক।

যদি এই চতুৰ্থ আঙুলিৰ তৃতীয় পৰ্বত এডাল শকত, গভীৰ, চুটি থিয় ৰেখা থাকে তেন্তে, জাতকৰ চুৰিৰ মনোবৃত্তি থাকিব। (চিত্ৰ নং—৩ ৩)।


চিত্ৰ ন —৩ ৩

যদি কেইডালমান পথালি চিহ্ন থাকে সিও জাতকৰ চুৰি মনোবৃত্তিৰ কথাকে বুজাব। আৰু পূৰণ-চিহ্নয়ো এই চুৰিৰ মনো-বৃত্তিকে বুজায়।

আৰু যদি তৰা-চিহ্ন থাকে তেন্তে বুদ্ধি আৰু বাগ্মীতা বুজাব।


চিত্ৰ নং—৩ ৪


চিত্ৰ নং—৩ ৫

যদি এই তৰা-চিহ্ন দুটা থাকে তেন্তে চুৰিৰ অপবাধত অপমান-জনক তথা অসন্মানজনকভাৱে মৃত্যু বুজাব। (চিত্ৰ নং—৩৪)

যদি ত্রিকোণ থাকে তেন্তে কূটনীতিজ্ঞৰ সামৰ্থ্য থকা বুজাব। যদি চতুষ্কোণ থাকে তেন্তে জাতকৰ দুৰ্জ্জেয় মনোভাৱ আৰু ৰহস্যজনক ব্যৱহাৰ বুজাব। যদি শূন্য-চিহ্ন থাকে তেন্তে জাতকৰ চুৰিৰ ইচ্ছা থাকিলেও চুৰি নকৰে। যদি জাল-চিহ্ন থাকে তেন্তে জাতক অত্যন্ত গভাইত চোৰ হ'ব আৰু সেই বৃত্তিতে তেওঁৰ মৃত্যু হব। (চিত্ৰ নং—৩০৫)।

ঊনত্ৰিংশ অধ্যায

এইবাৰ আমি গ্ৰহৰ পৰ্বতবোৰৰ ওপৰত থকা অতি ক্ষুদ্ৰ ক্ষুদ্ৰ চিহ্ন আৰু ৰেখাবোৰে জাতকৰ মন আৰু ভাগ্যৰ ওপৰত কি ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰে সেই সম্পৰ্কে বিস্তাৰিত আলোচনা কৰিম।

বৃহস্পতিৰ পৰ্বত

যদি এডাল চুটি থিয় ৰেখা বৃহস্পতিৰ (তৰ্জনী) আৰু শনিৰ (মধ্যমা) আঙুলিৰ মাজত থাকে (হৃদয়ৰেখা বা আয়ুসৰেখাক কৰ্তন নকৰে) তেন্তে জাতক নাড়ীৰ দুৰ্বলতাত ভুগিব। (চিত্ৰ



চিত্ৰ নং—৩০৬



চিত্ৰ নং—৩০৭

নং—৩০৬)। আৰু যদি এই ধৰণৰ এই চুটি থিয় ৰেখাডাল বৃহস্পতিৰ পৰ্বতত থাকে (চিত্ৰ নং—৩০৭) তেন্তে জাতকৰ শক্তি ভোগ হৈ যোৱাৰ ফলত জাতক অকৃতকাৰ্য্য হ'ব।

যদি এই ধৰণৰ ৰেখাই বৃহস্পতিৰ পৰ্বতত হৃদয়ৰেখা ছেদন কৰে তেন্তে প্ৰেমৰ ক্ষেত্ৰত দুৰ্ভাগ্য আহিব। বিশেষকৈ এই প্ৰেমিক-প্ৰেমিকাৰ বৰ দুখজনকভাবে এৰাএৰি হ'ব। (চিত্ৰ নং—৩০৮)। যদি এই পৰ্বতত অতি ক্ষুদ্ৰ ক্ষুদ্ৰ জখলাৰ দৰে কিছুমান পথালি ৰেখা থাকে তেন্তে জাতকে বাৰে বাৰে লোকচানত ভুগিব। অৰ্থাৎ, জাতক বৰ দুৰ্ভগীয়া হ'ব। (চিত্ৰ নং—৩ ৯)।



চিত্ৰ নং—৩ ৮



চিত্ৰ নং—৩ ৯

যদি এই ক্ষুদ্ৰ ক্ষুদ্ৰ ৰেখাবোৰে নিজক কটা কটি কৰি জালৰ দৰে হৈ পৰে তেন্তে জাতকে নৈতিকতা হেৰুৱাব আৰু সকলো কামতে অকৃতকাৰ্য্য হ'ব। যদি কিছুমান চুলিৰ দৰে ৰেখা থাকে তেন্তে জাতকে মূৰত আঘাত পাব। যদি এটি ক'লা ফোঁট থাকে তেন্তে জাতকে দুৰ্দশাৰ মাজেদি চলি সন্মান আৰু ধন দুয়োটাই হেৰুৱাব।

যদি পূৰণ চিহ্ন থাকে তেন্তে সুখী দম্পতি। (চিত্ৰ নং—৩১০) কিন্তু আয়ুসৰেখাৰপৰা ওলাই অহা উৰ্দ্ধমুখী কোনো শাখাৰেখাক যদি কোনো চুটি ৰেখাই কাটে তেন্তে (সেইটোৰে পূৰণ চিহ্ন বুজাব) জাতকৰ উচ্চাকাঙ্ক্ষাত বাধা পৰিব।

এই পর্বতত যদি করপ্রান্তৰ ফালে এটি তৰা-চিহ্ন আৰু ওচৰতে (ভিতৰৰ ফালে) ত্রুটি পূৰণ চিহ্ন থাকে তেন্তে জাতকৰ পত্নী (বা



চিত্র ন —৩১



চিত্র নং—৩১১



চিত্র নং—৩১২



চিত্র নং—৩১৩

পতি) অত্যন্ত যোগ্যা (বা যোগ্য) হ'ব। এওঁলোকৰ এই সুখৰ ভিতৰেদিয়েই সন্মান আৰু ধন-সম্পত্তিও আহিব। এইটো খুব ভাল চিহ্ন। যদি পৰ্বতটিৰ ঠিক মাজতে এটি স্পষ্ট তৰাচিহ্ন থাকে]

তেন্তে জাতকৰ হঠাতে উন্নতি ঘটিব আৰু উচ্চাকাঙ্ক্ষা পূৰণ হ'ব। (চিত্ৰ নং—৩১১)। আৰু যদি এই পৰ্বতৰ কৰপ্ৰান্তৰ ফালে এটি বা দুটি তৰাচিহ্ন থাকে তেন্তে বিখ্যাত লোক সকলৰ সৈতে জাতকৰ সম্পৰ্ক ঘটিব। (চিত্ৰ নং—৩১২)। যদি চতুষ্কোণ থাকে তেন্তে জাতকৰ সহ্যশক্তিয়ে জাতকক কৃতকাৰ্য্যতাৰ শিখৰলৈ লাহে লাহে আগবঢ়াই নিব। যদি শূন্য-চিহ্ন থাকে তেন্তে জাতকৰ কৃতকাৰ্য্যতা বুজাব। ত্ৰিকোণ থাকিলে জাতক ধূৰ্ত ৰাজনীতিজ্ঞ আৰু বিখ্যাত কূটনীতিজ্ঞ হ'ব। (চিত্ৰ ন —৩১৮) যদি এই পৰ্বতত জাল-চিহ্ন থাকে তেন্তে এইটোৱে জাতকৰ নৈতিকতাহীন, বৃথা গৰ্ব আৰু মনৰ শক্তি লাহে লাহে কমি যোবাটো বুজাব।

যদি এই পৰ্বতত দ্বীপ চিহ্ন থাকে তেন্তে কোনো বন্ধু বা আত্মীয়ৰ মূৰ্খামিয়ে (কৰ্মই) জাতকৰ ভীষণ ক্ষতি সাধিব।

যদি অৰ্ধচন্দ্ৰ থাকে তেন্তে উচ্চাকাঙ্ক্ষা বিপথে চালিত হোৱা বুজাব।

এইবাৰ শনিৰ পৰ্বতৰ বিষয়ে আলোচনা কৰা যাওক।

যদি এই পৰ্বটোত এডাল চুটি থিয় ৰেখা থাকে তেন্তে জাতকৰ বৰ ডাঙৰ ভাগ্য বুজাব। (চিত্ৰ নং—৩১৪) যদি এই ৰেখা দীঘলীয়া ভাগ্যৰেখাৰেই টুকুৰা চুটি ৰেখা হয় তেন্তে শান্তিপূৰ্ণ কিন্তু বৰ বিৰক্তিকৰ জীৱন বুজাব। দীঘলীয়া ভাগ্যৰেখাৰ দুয়োফালে যদি (এই পৰ্বতত) দুডাল চুটি থিয় ৰেখা থাকে তেন্তে বহু কষ্টৰ পিচত কৃতকাৰ্য্যতা বুজায়। এই পৰ্বতত যিমানেই বেছি এনেধৰণৰ চুটি ৰেখা থাকিব সিমানেই বেছি দুৰ্ভাগ্য বুজাব। যদি হৃদয়ৰেখাক ছেদন কৰি দুই তিনিডাল ৰেখাই তিৰ্য্যক গতিৰে শনিৰ পৰ্বতত উঠেগৈ তেন্তে জাতকে বংশানুক্ৰমে ভুগি অহা বাত বেমাৰত ভুগিব লাগিব।

যদি এই পৰ্বতত এডাল চুটি, গভীৰ, পথালি ৰেখা থাকে তেন্তে জাতকক এৰাব নোৱাৰা দুৰ্ভাগ্যই (চিত্ৰ নং—৩১৫) লগ লব।

কিন্তু এই পৰ্বতৰপৰা যদি কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ চুটি, পথালি ৰেখাই তিৰ্য্যক গতিৰে জখলাৰ দৰে বৃহস্পতিৰ পৰ্বতৰ ফালে আগবাঢ়ে তেন্তে জাতকে লাহে লাহে উন্নতি সাধি ৰাইজৰ সন্মান লাভ কৰিব।



চিত্ৰ নং—৩১৪



চিত্ৰ নং—৩১৫

যদি সেই ৰেখাবোৰ চুলিৰ আকাৰত থাকে তেন্তে জাতকে বুকুত আঘাত পাব আৰু যদি এই পৰ্বতত ক'লা ফোঁট চিহ্ন থাকে তেন্তে জাতকে কিবা দুৰ্ঘটনাৰ সন্মুখীন হোৱাৰ সম্ভাৱনা থাকিব। কি ধৰাৰ 'দুৰ্ঘটনা' ঘটে সেইটো শিৰোৰেখা আৰু হৃদয়ৰেখাত বিচাৰিলে পোৱা যাব। যদি পূৰণ চিহ্ন থাকে তেন্তে সন্তানহীন বুজাব। আৰু গুপ্তবিদ্যাক বেয়া কামত ব্যৱহাৰ কৰিবলৈ চেষ্টা চলাব। দুৰ্ঘটনা ঘটাবো খুব সম্ভাৱনা থাকিব।

তৰা চিহ্ন থাকিলে পক্ষাঘাত ৰোগ আৰু দুৰাৰোগ্য বেমাৰ বুজাব। আৰু যদি দুয়োখন হাতত্তে খুব স্পষ্টভাৱে এই চিহ্ন থাকে তেন্তে জাতকে ফাঁচী-কাঠত মৃত্যুবৰণ কৰিব। কিয় কৰিব সেইটো হাতৰ অন্যান্য চিহ্নসমূহ চালেই ধৰা পৰিব। (চিত্ৰ নং—৩১৬।

যদি দুডাল বা তিনিডাল শুক্ৰবলয়ৰ মাজত (শনিৰ পৰ্বতত)

এই তৰা-চিহ্ন থাকে তেন্তে যৌনাঙ্গৰ মাৰাত্মক বেমাৰত জাতকৰ অনতিপলমে মৃত্যু ঘটিব।

যদি ভাগ্যৰেখা পোনে পোনে আহি শনিৰ আঙুলিৰ তৃতীয় পৰ্বত উঠৈগৈ আৰু আঙুলিটোৰ গুৰিত, ভাগ্যৰেখাত লাগি এটি তৰা-চিহ্ন থাকে তেন্তে জাতকক কোনো গুপ্তঘাতকে বধ কৰিব



চিত্ৰ নং—৩১৬



চিত্ৰ নং—৩১৭

পাবে। আৰু যদি ঠিক এই ধৰণৰ চিহ্ন তথা ৰেখা দুয়োখন হাতত স্পষ্টভাৱে থাকে তেন্তে (আৰু হাতৰ অন্যান্য চিহ্ন বেয়া হয়) জাতকে নিজেই আনক হত্যা কৰিবলৈ চেলু বিচাৰিব (চিত্ৰ নং—৩১৭)। এই পৰ্বতত শূন্য-চিহ্ন থকাটো ভাল লক্ষণ।

যদি চতুষ্কোণ থাকে তেন্তে সাংঘাতিক দুৰ্ঘটনাৰপৰা ৰক্ষা পোৱাৰ চিন। কি দুৰ্ঘটনা ঘটিব হাতৰ অন্যান্য ৰেখাত ধৰা পৰিব। আকৌ যদি এই চতুষ্কোণটোৰ ভিতৰত এটি তৰা-চিহ্ন সোমাই থাকে তেন্তে জাতকে গুপ্ত হত্যাকাণ্ডৰপৰা কথমপিহে ৰক্ষা পৰিব।

আকৌ, যদি এই চতুষ্কোণটিৰ ভিতৰৰ এটি কোণত মাত্ৰ এটি ৰঙা ফোঁট স্পষ্টভাৱে থাকে তেন্তে জাতক অগ্নিৰ ভয়াবহ বিপদৰপৰা ৰক্ষা পৰিব।

যদি এই পৰ্বতত এটি ত্ৰিকোণ থাকে তেন্তে জাতক গুপ্তবিদ্যাত পাৰ্গত হ'ব। আৰু যদি ত্ৰিকোণৰ লগতে আঙুলিটোৰ তৃতীয় পৰ্বত আকৌ এটা তৰা-চিহ্ন থাকে তেন্তে জাতকে এওঁৰ গুপ্তবিদ্যা বেয়া কামত ব্যৱহাৰ কৰিব।



চিত্ৰ নং—৩১৮

যদি এই পৰ্বতত জাল-চিহ্ন থাকে তেন্তে গোটেই জীৱন জুৰি দুৰ্ভাগ্য বুজায়। বিশেষকৈ শেষ জীৱন কাৰাগাৰত থকা বুজায়। (চিত্ৰ নং—৩১৮)

যদি অৰ্ধচন্দ্ৰৰ চিহ্ন থাকে তেন্তে বিপথগামী চিন্তা তথা বলিয়ালি বুজাব।

এতিয়া সূৰ্য্যৰ পৰ্বতৰ বিষয়ে আলোচনা কৰা যাওক।

যদি সূৰ্য্যৰ পৰ্বতত তৃতীয় আঙুলিৰ (অনামিকা) গুৰিত দুটি থিয় ৰেখা থাকে তেন্তে হয় সম্পত্তি, নহয় যশস্যা এই দুটিৰ এটি জাতকৰ জীৱনলৈ আহিবই। নতুবা দুয়োটাই আহিব। (চিত্ৰ নং—৩১৯) যদি এই পৰ্বতত একেলগে সমান্তৰালভাৱে (কটা-কটি নকৰাকৈ) দুডাল সমান দুটি থিয়ৰেখা থাকে তেন্তে জাতকৰ যথেষ্ট প্ৰতিভা তথা বুদ্ধি থকা সত্ত্বেও সামান্য কৃতকাৰ্য্যতা বুজাব।



চিত্ৰ নং—৩১৯

আৰু যদি এনে ক্ষুদ্ৰ ক্ষুদ্ৰ বহুতো থিয় ৰেখা থাকে তেন্তে জাতক শিল্পী মনোভাৱৰ হ'ব।

কিন্তু দুর্ভাগ্যবশত বৈজ্ঞানিক চিন্তাত বাধাগ্ৰস্ত হ'ব আৰু যেতিয়া জাতকে এইটো বুজি পাব, মাজপথত সমস্ত প্ৰচেষ্টা এৰি দিব। টকা পইচাৰ ক্ষেত্ৰতো বহুতো পৰিকল্পনা কৰিব, কিন্তু কোনোটোৱেই সুফলদায়ক হৈ নুঠিব।

যদি এটি ক'লা ফোঁট-চিহ্ন থাকে তেন্তে জাতকৰ সন্মান হেৰুৱাৰ ভয় থাকিব। লগতে সমাজৰ উচ্চপদো হেৰুৱাব পাৰে। যদি



চিত্ৰ নং—৩২



চিত্ৰ নং—৩২১

ভাল এডাল সূৰ্য্যৰেখা থাকে আৰু এই ৰেখাৰ মূৰত (সূৰ্য্যৰ পৰ্বতত) এটি পূৰণ-চিহ্ন থাকে তেন্তে জাতকৰ কৃতকাৰ্য্যতা বুজাব। (চিত্ৰ নং—৩২০)

যদি অকল এটি পূৰণ-চিহ্ন থাকে (সূৰ্য্যৰেখা নেথাকে) তেন্তে ভুল শিল্পকৰ্মই আৰ্থিক উন্নতিত ক্ষতি সাধিব। যদি এডাল ধুনীয়া সূৰ্য্যৰেখা থাকে আৰু ইয়াৰ মূৰত এটি তৰা চিহ্ন থাকে তেন্তে বিৰাট প্ৰতিভাৰ ফলত আৰু কঠোৰ খাটনিৰ ফলত জাতকে আকাশলঙ্ঘী যশস্যা আৰু বহু টকা পইচা আৰ্জন কৰিব। আৰু যদি এনেকুৱা দীঘল সূৰ্য্যৰেখাৰ দুই পাশে দুডাল চুটি (সূৰ্য্যৰ পৰ্বতত) সমান্তৰালভাৱে থিয় সৰলৰেখা থাকে, আৰু এই ৰেখাকেইটিৰ মূৰত

এটি সুস্পষ্ট তৰা-চিহ্ন থাকে তেন্তে অজস্ৰ সম্পত্তি, বিৰাট যশস্যা আৰু সমাজৰ আটাইতকৈ উচ্চ পদ প্ৰাপ্তি বুজাব। (চিত্ৰ নং—৩২১)

অকল যদি (সূৰ্য্যৰ পৰ্বতত) এটাহে তৰা-চিহ্ন থাকে, কোনো সূৰ্য্যৰেখা নেথাকে তেন্তে জাতকে বহু কষ্টৰ মূৰত, বহু বিপদ মূৰত লৈ যি কোনো উপায়ে যশস্যা আৰ্জিব। কিন্তু সুখ শান্তিৰ বাবে টকা পইচা একেবাৰে বৃদ্ধ বয়সতহে আহিব। যদি এই পৰ্বতত এডাল ভাল সূৰ্য্যৰেখাৰ মূৰত এটি চতুষ্কোণ থাকে তেন্তে ব্যৱসায় ধ্বংস হোৱাৰ পৰা জাতক ৰক্ষা পৰিব। নিচা খোৱা বন্ধ হ'ব—বহু সম্পত্তিৰ মালিক হোৱা যাবে। যদি এই পৰ্বতত এডাল বৰ ঢৌ খেলোৱা সূৰ্য্যৰেখা থাকে আৰু এই সূৰ্য্য-ৰেখাৰ মূৰত এটি শূন্য চিহ্ন থাকে তেন্তে জাতকৰ দৃষ্টিশক্তি হেৰুওৱাৰ আশঙ্কা থাকিব। (চিত্ৰ নং—৩২২)



চিত্ৰ নং—৩২২

আৰু যদি এই পৰ্বতৰ ওপৰত এটি ত্ৰিকোণ-চিহ্ন থাকে তেন্তে শিল্পক জাতকে বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে আগবঢ়াই নিয়াত কৃতকাৰ্য্য হ'ব। যদি জাল চিহ্ন থাকে তেন্তে জাতকে তেওঁৰ সামান্য প্ৰতিভাকে অসামান্য প্ৰতিভা বুলি প্ৰচাৰ কৰিবলৈ বৃথা চেষ্টা কৰিব। বৃথা গৌৰৱৰ দ্বাৰা বলিয়াৰ দৰে হ ব। আৰু যদি অৰ্দ্ধচন্দ্ৰ থাকে তেন্তে সাহিত্য বিষয়ক চিন্তা-চৰ্চা বুজায়।

এইবাৰ আমি বুধৰ পৰ্বতৰ বিষয়ে আলোচনা কৰোঁ।

যদি এই বুধৰ পৰ্বতত (কনিষ্ঠা আঙুলিৰ গুৰিৰ তলত) মাত্ৰ এডাল চুটি থিয় ৰেখা থাকে তেন্তে জাতকৰ আশাতীতভাৱে আৰ্থিক

উন্নতি ঘটিব। আৰু যদি এই ৰেখাডাল গভীৰ হয় তেন্তে ডাঙৰ বৈজ্ঞানিক প্ৰতিভা বুজাব। (চিত্ৰ নং—৩২৩)

যদি এই বুধৰ পৰ্বতত তিনিডালৰপৰা ছয়ডাল পৰ্য্যন্ত চুটি থিয় ৰেখা থাকে তেন্তে জাতকে ডাক্তৰ হ'বলৈ চেষ্টা কৰিব। আৰু যদি এই ৰেখা তিৰোতা মানুহৰ হাতত থাকে তেন্তে জাতিকাও ডাক্তৰী বিভাগত জড়িত থাকিব আৰু ডাক্তৰৰ লগত সংসাৰ কৰি নিজকে ভাল 'নাৰ্ছ' বুলি পৰিচয় দিব পাৰিব। যদি এই পৰ্বতত বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ এই ধৰণৰ ৰেখা থাকে তেন্তে জাতকে বৈজ্ঞানিক প্ৰতিভা বেয়া কামত খটুৱাবৰ চেষ্টা কৰিব।



চিত্ৰ ন —৩২৩



চিত্ৰ নং—৩২৪

যদি এই ক্ষুদ্ৰ ক্ষুদ্ৰ থিয় ৰেখাবোৰ জখলাৰ দৰে মামি আহি হৃদয়ৰেখাত লাগিব খোজে তেন্তে জাতকে তেওঁৰ টকা-পইচা মূৰ্খৰ দৰে বদান্যতা দেখুৱাই খৰচ কৰিব। যদি চুলিৰ দৰে ক্ষুদ্ৰ ক্ষুদ্ৰ পথালি ৰেখা থাকে তেন্তে জাতকে ভৰিত আঘাত পাব। এটি গভীৰ চুটি পথালি ৰেখা যদি থাকে তেন্তে চোৰে বহু সম্পত্তি চুৰি কৰি নিব। আনহাতে যদি এটি কৌট-চিহ্ন থাকে তেন্তে ব্যৱসায়ত লোকচান হ'ব। কৌট-চিহ্নটো ক'লা আৰু ডাঙৰ হলে কোনো

দুৰ্ঘটনাৰ ফলত জাতকৰ শৰীৰৰ চাল-চলনত অসুবিধা হ'ব। (চিত্ৰ নং—৩২৪)

যদি হাতখনৰ অগুবোৰ চিহ্ন বেযা হয় আৰু এই পৰ্বতত এটি পূৰণ-চিহ্ন থাকে তেন্তে জাতক প্ৰবঞ্চক হ'ব। ভাল হাতত, সেই চিহ্ন থাকিলে ব্যৱসায়ত কূটনীতিজ্ঞ আৰু সমাজৰ সকলোকে (এনেকি শত্ৰুকো) ভালৰি বোলাই কথা ক'ব জানিব। কিন্তু এই পৰ্বত যদি ক্ষুদ্ৰ ক্ষুদ্ৰ বহুকেইটি পূৰণ-চিহ্ন থাকে তেন্তে জাতক অস্বাভাৱিক পাপকৰ্মত লিপ্ত হ'ব। যদি তৰা-চিহ্ন থাকে তেন্তে জাতকৰ প্ৰতিভা বুজাব। আৰু যদি বেয়া হাত হয়, সকলো কামতে অসাধুতাৰ আশ্ৰয় লব।

এডাল ধুনীয়া স্বাস্থ্যৰেখাৰ মূৰত (বুধৰ পৰ্বতত) যদি এটি তৰা চিহ্ন বা পূৰণ-চিহ্ন (কনিষ্ঠা আঙুলিৰ গুৰিত) থাকে তেন্তে ব্যৱসাযত বিৰাট উন্নতি বুজাব। (চিত্ৰ নং—৩২৫)


চিত্ৰ ন —৩২৫


চিত্ৰ নং—৩২৬

যদি এই পৰ্বতত অকল শূন্য-চিহ্ন থাকে তেন্তে জাতকে বিহ খাই আত্মহত্যা কৰিব পাৰে। (চিত্ৰ নং—৩২৬)

যদি চতুষ্কোণ থাকে তেন্তে আৰ্থিক ক্ষতিৰপৰা ৰক্ষা পৰিব।

আৰু ত্ৰিকোণ থাকিলে ৰাজনীতিত বৰ নীৰস হ'ব, বিশেষকৈ তলখাপৰ ৰাজনীতিজ্ঞহে হব পাৰিব। আৰু যদি জাল-চিহ্ন থাকে তেন্তে জাতকৰ দুৰ্ঘটনাত মৃত্যু বুজাব। বিশেষকৈ এনে জাতকে কোনো দোষণীয় কাম কৰাৰ বাবে অনুতাপ-দগ্ধ হৈ নিজে আত্মহত্যা কৰে। অথবা, আনৰ হাতত মৃত্যু বৰণ কৰে।

যদি অৰ্ধচন্দ্ৰ থাকে তেন্তে জাতকৰ জঘন্য ষড়যন্ত্ৰ বুজায়—যিটোৱে ভাই-বন্ধু, আত্মীয়-কুটুম্ব আৰু সমাজক ঠগায় আৰু শেহত গৈ নিজেও ঠগ খায়।

মানসিক মঙ্গলৰ পৰ্বত

যদি মানসিক মঙ্গলৰ এই পৰ্বতত এডাল চুটি থিয় ৰেখা থাকে তেন্তে জাতকৰ সাহস আৰু বিপদে-আপদে সমভাব তথা ধৈৰ্য্য বুজাব। (চিত্ৰ নং—৩২৭) যদি এনে চুটি ক্ষুদ্ৰ ক্ষুদ্ৰ বহুতো থিয় ৰেখা খেলিমেলিভাৱে থাকে তেন্তে জাতকৰ ডিঙিৰ অসুখ শ্বাসনলীৰ অসুখ বুজাব। লগতে অত্যন্ত খণ্ডাল, লম্পট আৰু পাশ-ৱিক আচৰণো বুজাব। যদি এই পৰ্বতত একেবাৰে কৰপ্ৰান্তৰপৰা পথালিভাৱে ৰেখা উঠে তেন্তে বুজিব লাগিব সেইবোৰ জাতকৰ শত্ৰু। ৰেখা যিমানে দীঘল আৰু গভীৰ হয় শত্ৰুও সিমানেই মাৰাত্মক হ'ব। যিমানডাল ৰেখা থাকে সিমানটা শত্ৰু বুলি বুজিব লাগিব। এই ৰেখাৰ যদি কোনো ৰেখাই স্বাস্থ্য-ৰেখা কাটে তেন্তে শত্ৰুৰ দ্বাৰা জাতকৰ স্বাস্থ্যহানি হ'ব। যদি সূৰ্য্যৰেখা কাটে, তেন্তে আৰ্থিক ক্ষতি সাধিব। আৰু যদি ভাগ্যৰেখা



চিত্ৰ ন —৩২৭

কাটে তেন্তে জাতকৰ ব্যৱসায় বা চাকৰিৰ ক্ষতি সাধিব। আয়ুস-ৰেখা কাটিলে কোনো প্ৰিয় বন্ধু অথবা আত্মীযৰ মৃত্যু ঘটিব। আৰু যদি এই পথালি- ৰেখাই হাতৰ অন্যান্য ৰেখা নেকাটি অকল কৰপ্ৰান্তৰপৰা বাহিৰ ওলাই এই পৰ্বতত ত্ৰমুখীয়া ৰেখাৰ দৰে অৱস্থান কৰে তেন্তে জাতকৰ ডিঙি আৰু শ্বাসনলীৰ সাংঘাতিক অসুখ বুজাব। (চিত্ৰ নং—৩২৮)



চিত্ৰ নং—৩২৮



চিত্ৰ ন —৩২৯

যদি অকল এটা ক'লা ফোঁটহে থাকে তেন্তে যুদ্ধত আঘাত হোৱা বুজাব। অকল এটি পূৰণ-চিহ্ন থাকিলে আৰু এই পৰ্বত অত্যধিক উচ্চ হলে জাতকৰ ঘৃণনীয় কলহপ্ৰিয় স্বভাৱৰ বাবে ভীষণ বিপদ আহিব। যদি পৰ্বতটি সুগঠিত আৰু স্বাভাৱিক হয় তেন্তে জাতকৰ দ্বাৰা শাৰীৰিক আঘাত বুজায়। যদি তৰা-চিহ্ন থাকে তেন্তে জাতকক কোনোবা দুৰ্বৃত্তই গুপ্তভাৱে হত্যা কৰিব পাৰে। ইয়াৰ চিন শনিৰ পৰ্বতত আৰু সেই আঙুলিৰে (মধ্যমাত) চাওক। (চিত্ৰ নং—৩২৯)

যদি তৰা-চিহ্নিত পৰ্বতটি অত্যধিক উচ্চ হয় তেন্তে ঈৰ্ষা আৰু খঙৰ ভমকত জাতকে নৰহত্যা কৰিব। যদি এই পৰ্বতত অকল

চতুষ্কোণ থাকে তেন্তে জাতকৰ সাংঘাতিক খণ্ডক তেওঁৰ যুক্তিয়ে বাধা দি তেওঁক বিপদৰপৰা ৰক্ষা কৰিব। আৰু যদি এই পৰ্বত অনুচ্চ তথা অস্তিত্বহীন হয় তেন্তে এই চতুষ্কোণ চিহ্নই শাৰীৰিক আঘাতৰপৰা জাতকক ৰক্ষা কৰিব।

এই পৰ্বতত শূন্য থকাটো অত্যন্ত বেয়া চিন। এইটোৱে চকুত বেয়াকৈ আঘাত বুজায়। অকল ত্ৰিভুজ-চিহ্ন থাকিলে ধুনীয়া যুদ্ধ কৌশল বুজায়। যদি জাল চিহ্ন থাকে তেন্তে অৰ্শৰোগ থকা বুজায়। আৰু এইটোৱে ভীষণ দুৰ্ঘটনাত মৃত্যুও বুজায়। জাল-চিহ্ন থকা এই পৰ্বতটি যদি অত্যধিক উচ্চ হয় তেন্তে নৰহত্যাৰ বাবে জাতকে দৃঢ় সিদ্ধান্ত লব। যদি জাল-চিহ্ন মঙ্গলৰ নিম্ন অংশৰপৰা আৰম্ভ হৈ চন্দ্ৰৰ ওপৰ অ শলৈ বিয়পি পৰে তেন্তে সাংঘাতিক নাড়ীৰ অসুখ অথবা, পেটত ডাঙৰ ঘা হোৱা বুজায়। যদি অৰ্ধচন্দ্ৰ চিহ্ন থাকে তেন্তে জাতক বলিয়া হোৱাৰ আশঙ্কা থাকে।

এইবাৰ আমি চন্দ্ৰৰ পৰ্বতৰ বিষয়ে আলোচনা কৰিম।

যদি চন্দ্ৰৰ এই পৰ্বতত এটি মাত্ৰ অলপ দীঘলীয়া থিয় ৰেখা থাকে তেন্তে আহিব ধৰা ভীষণ অমঙ্গলৰ পূৰ্বাভাস বুজায়। (চিত্ৰ নং—৩৩)। মনত ৰাখিব, এই ৰেখাডালক যদি ক্ষুদ্ৰ, পথালি চুটি ৰেখা এডালে মাজতে ছেদন কৰে তেন্তে এইয়া বাত-বিষ বা গাঁঠি-বিষ আৰম্ভ হোৱাৰ লক্ষণ বুলি ভাবিব।



চিত্ৰ ন —৩৩

যদি এই পৰ্বতত ওপৰৰপৰা তললৈ বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ, চুটি চুটি খেলিমেলি ৰেখা ভৰি থাকে

তেন্তে অনিদ্রা, নিদ্রাত দুঃস্বপ্ন, সপোনত কোনোবাই বুকুত হেঁচি ধৰা ৰোগ বুজাব। (চিত্র নং—৩৩১)



চিত্র ন —৩৩১



চিত্র ন —৩৩২

যদি কৰপ্রান্তৰপৰা পথালি ৰেখা উঠে তেন্তে সেইবোৰে সমুদ্র ভ্রমণ বা অকল ভ্রমণ বুজাব। কিন্তু যদি এই ৰেখাবোৰ ছিগা, ইটোৱে সিটোক কটাকটি বা অন্য চুটি থিয় ৰেখাই কাটে অথবা এই ৰেখাত দ্বীপ-চিহ্ন থাকে তেন্তে ভ্রমণত বিপদ বুজাব। (চিত্র নং—৩৩২)

যদি কোনো ভ্রমণৰেখা কৰপ্রান্তৰপৰা ওলাই ওপৰমুৱা হৈ আহি হৃদয়ৰেখাক স্পর্শ কৰে আৰু স্পর্শ কৰা ঠাইত এটি তৰা-চিহ্ন থাকে তেন্তে জাতকে কোনো দীঘলীয়া ভ্রমণৰ উদ্দেশ্যে সকলো বস্তু আৰু সকলোকে পৰিত্যাগ কৰি প্রণয়িনীক লগত লৈ ঘৰৰপৰা বাহিৰ ওলাব। (চিত্র নং—৩৩৩)

যদি এই পর্বত জাল-চিহ্নিত হয়, আৰু হৃদয়ৰেখাত বহুতো দ্বীপ-চিহ্ন থাকে তেন্তে জাতকৰ অস্থিৰ প্রেম আৰু নৈতিকতাহীন কার্য্য বুজাব।

যদি এই জাল-চিহ্ন চন্দ্র পর্বতৰ একেবাৰে তলত কৰপ্ৰান্তৰ ওচৰত, বলয়ৰেখাৰ কাষত থাকে তেন্তে জাতকে মূত্ৰনলীৰ অসুখ অথবা মূত্ৰাশয়ৰ অসুখত ভুগিব। আৰু তিৰোতা মানুহ হ'লে 'তিৰোতা মানুহৰ হ'ব পৰা সকলো ধৰণৰ অসুখ'ত ভুগিব। যদি শিৰোৰেখাত বা স্বাস্থ্যৰেখাত তৰা-চিহ্ন থাকে তেন্তে সেই ৰোগ



চিত্ৰ ন —৩৩৩



চিত্ৰ ন —৩৩৪

অনিবাৰ্য্য। আৰু যদি সেই পৰ্বতত এটি ক'লা ফোঁট-চিহ্ন থাকে তেন্তে স্নায়ু প্ৰণালীৰ কিছুমান বেমাৰ বুজায়—যিবোৰে মূৰ্ছাৰোগৰ-পৰা আৰম্ভ কৰি বলিয়ালিৰ সীমালৈকে নিব পাৰে।

যদি ইয়াত পূৰণ-চিহ্ন থাকে তেন্তে অত্যন্ত কল্পনাপ্ৰৱণ ভাব আৰু কুসংস্কাৰ বুজাব। যদি এই পূৰণ-চিহ্নটি ডাঙৰ হয় তেন্তে ঠগ মনোবৃত্তিৰ বুজাব। আকৌ এইটোৱে (এই চিহ্নটি পৰ্বতৰ ওপৰৰ ফালে থাকে) নাড়ীৰ অসুখ বুজাব। আকৌ যদি পৰ্বতৰ মাজতে থাকে তেন্তে বাতবিষ বা গাঁঠিবিষ বুজাব। আৰু যদি একেবাৰে তলৰ ফালে থাকে তেন্তে মূত্ৰস্থলী, মূত্ৰাশয় আৰু জৰায়ুৰ বেমাৰ বুজাব।

যদি এই পৰ্বতত এটি Λ এনেধৰণৰ কোণীয়া থাকে তেন্তে পানীত ডুবাৰ ভীষণ ভয় থাকিব। আৰু যদি তৰা-চিহ্ন থাকে তেন্তে জাতকৰ পানীত ডুবি মৰাৰ সাংঘাতিক বিপদ থাকিব। (চিত্ৰ নং—৩৩৪)

যদি সেই ঠাইৰ কৰপ্ৰান্তৰপৰা ওলোৱা ভ্ৰমণৰেখাত এই তৰা-চিহ্ন থাকে তেন্তে জাহাজ ডুবি মৃত্যু ঘটাৰ ভয় থাকিব। আৰু যদি এই তৰা-চিহ্নটি পৰ্বতটিৰ একেবাৰে তলৰ ফালে থাকে আৰু হৃদয়-ৰেখা আৰু আয়ুসৰেখাৰ ৰং অলপ হালধীয়া ধৰণৰ হয় তেন্তে জাতকে শোথ বেমাৰ বা উদৰী ৰোগত ভুগিব। যদি এই পৰ্বতত ত্ৰিকোণ থাকে তেন্তে উচ্চ প্ৰতিভাসম্পন্ন চিন্তাৰাশি কামত খটুৱাবলৈ যথেষ্ট জ্ঞান থকা বুজাব। আৰু যদি জাল-চিহ্ন থাকে আৰু ধুনীয়া এটি সূৰ্য্যৰেখা থাকে তেন্তে কাব্যিক চিন্তাধাৰা থকা বুজাব। প্ৰায়েই মহিলা সাহিত্যিকৰ হাতত দেখিবলৈ পোৱা যায়। যদি এই পৰ্বতত জাল-চিহ্ন থাকে, শনি পৰ্বতত (শনিৰ আঙুলিৰ গুৰিত) এটি তৰা-চিহ্ন থাকে তেন্তে আংশিক মূৰ্চ্ছাৰোগ বা পক্ষাঘাত ৰোগ বুজাব। কেতিযাবা অকল এই বেমাৰৰ বাবে এই তৰা-চিহ্নটোৱেই যথেষ্ট হয়। কেতিয়াবা দুৰ্বল হৃদয়ৰেখাই কৈ দিয়ে যে হৃদযন্ত্ৰত তেজৰ দোষণীয় চলাচলৰ বাবে মূৰ্চ্ছাৰোগ আহিব ধৰিছে। আৰু তেনেকৈ কেতিযাবা শিৰোৰেখাইও কে দিয়ে যে মগজুত তেজৰ দোষণীয় চলাচলৰ বাবে পক্ষাঘাত ৰোগ আহিব ধৰিছে।

যদি এই পৰ্বতত শূন্য চিহ্ন থাকে তেন্তে জাতক পানীত ডুবি মৰাৰ আশঙ্কা থাকিব। যদি চতুষ্কোণ থাকে তেন্তে এই পৰ্বতে চিহ্নিত কৰা সকলো ধৰণৰ বিপদৰপৰা জাতক ৰক্ষা পৰিব। যদি অৰ্দ্ধচন্দ্ৰ চিহ্ন থাকে তেন্তে ৰাতি দুঃস্বপ্ন, বেয়া চিন্তা আৰু বলিয়ালি বুজাব। আৰু যদি হাতৰ অন্যান্য ৰেখাদি ভাল হয় তেন্তে এই জাতকৰ ওপৰত বিপৰীত লিঙ্গৰ অত্যন্ত প্ৰভাৱ থকা বুজাব।

এতিয়া আমি শুক্ৰৰ পৰ্বতৰ বিষয়ে আলোচনা কৰে।।

যদি এই শুক্ৰৰ (বুঢ়া আঙুলিৰ গুৰিৰ তলৰ অংশত) পৰ্বতত (আঙুলিৰ প্ৰায় গুৰিত) দুডাল বা তিনিডাল অলপ চুটি থিয় পোনৰেখা দেখোঁ তেন্তে বুজিব লাগিব যে এই জাতক বিপৰীত ভাবৰ, পৰস্পৰবিৰোধী আৰু অকৃতজ্ঞ। অৱশ্যে এই ৰেখাবোৰ পোন নহৈ সক্ৰিয় মঙ্গলৰপৰা ওলাই যদি বেঁকা ধৰণে আয়ুসৰেখাৰ কাষে কাষে উঠে তেন্তে সেইবোৰ বিপৰীত লিঙ্গৰ প্ৰতি জাতকৰ আসক্তি অথবা সম্পৰ্ক থকা বুজিব লাগিব। এই বিষয়ে অন্য অধ্যায়ত বহলাই কোৱা হৈছে।

আৰু যদি কিছুমান পথালি ৰেখা বুঢ়া আঙুলিৰ দ্বিতীয় পৰ্বৰ গুৰিৰ ওচৰৰপৰা বাহিৰ ওলাই আয়ুসৰেখাক স্পৰ্শ নকৰাকৈ বৈ যায় তেন্তে বুজিব লাগিব যে (এটি ৰেখাই এজন ব্যক্তি বুজাব) জাতকৰ ওচৰত কোনো এটি সময়ৰ বাবে সেই বিপৰীত লিঙ্গৰ প্ৰভাৱ আছিল। এই পথালি-ৰেখাত যদি দ্বীপ-চিহ্ন থাকে তেন্তে বুজিব লাগিব যে জাতকৰ সৈতে সেই বিপৰীত লিঙ্গৰ কেলেঙ্কাৰী ঘটিছে। (চিত্ৰ নং—৩৩৫) আৰু যদি এই পৰ্বতটিক (লগতে সক্ৰিয় মঙ্গলকো) জালৰ



চিত্ৰ নং—৩৩৫

দৰে কিছুমান ৰেখাই আৱৰি ৰাখে তেন্তে জাতকৰ কামুক স্বভাৱ বুজাব। আৰু যদি এই পৰ্বতটি অস্তিত্বহীনভাবে দবি গৈছে আৰু টান হৈ পৰিছে তেন্তে জাতকৰ হৃদয়হীন লাম্পট্য ইতিমধ্যে শেষ হৈ গৈছে বুলি বুজিব লাগিব।

যদি এই পৰ্বতত অকল এটি কৌট-চিহ্ন থাকে তেন্তে প্ৰেমৰ কামত জড়িত থকা বাবেই সেই কৰ্মৰ দ্বাৰা জাতকৰ জীৱনলৈ কিছুমান মাৰাত্মক অসুখ আহিব। যদি এই কৌট চিহ্নটি ক'লা হয় তেন্তে যৌনাঙ্গৰ অসুখ বুজাব। আৰু যদি এই পৰ্বতত এটি মাত্ৰ অলপ ডাঙৰ পূৰণ চিহ্ন থাকে, আৰু লগতে বৃহস্পতিৰ আঙুলিৰ গুৰিতো (বৃহস্পতিৰ পৰ্বতত) এটি সৰু পূৰণ চিহ্ন থাকে তেন্তে বুজিব লাগিব যে এই জাতক বা জাতিকাই পৃথিবীত মাত্ৰ এজনকেই ভাল পাব। বিশেষকৈ সতীত্ব বুজায়। এওঁলোক বৰ সুখী দম্পতি। (চিত্ৰ নং— ৩৬)



চিত্ৰ ন —৩৩৬



চিত্ৰ ন —৩৩৭

যদি অকল এটা তৰা-চিহ্ন থাকে তেন্তে জাতকৰ কোনো কুটুম্ব বা প্ৰিয় বন্ধুৰ মৃত্যু বুজায়। আৰু যদি এই তৰা-চিহ্নটি বুঢ়া আঙুলিৰ দ্বিতীয় পৰ্বৰ একেবাৰে গুৰিতে থাকে তেন্তে জাতকৰ হয় এখন বিবাহ নতুবা কোনো এটি সংযোগ বা যোগাযোগ তেওঁৰ গোটেই জীৱন জুৰি থাকিব। আৰু যদি এই তৰা-চিহ্নটো এই পৰ্বতৰ একেবাৰে তলৰ ফালে (আয়ুসৰেখাৰ শেহত লাগো নেলাগোকৈ)

থাকে তেন্তে বিপৰীত লিঙ্গৰ কোনো ব্যক্তিৰ কাৰণে জাতকৰ জীৱনলৈ দুৰ্ভাগ্য আহিব।

আৰু এই তৰা-চিহ্নটো যদি ওপৰত উল্লেখ কৰাতকৈ অলপ ওপৰৰ ফালে থাকে আৰু শিৰোৰেখা নিম্নাভিমুখী হয় তেন্তে জাতকৰ কল্পনা আৰু চিন্তা ভাবনাবোৰ অসুস্থ হ'ব। যদি এই তৰা চিহ্ন একেলগে তিনিটা আয়ুসৰেখাৰ ওচৰত (পৰ্বতৰ মাজত) শাৰী পাতি থাকে তেন্তে জাতকক কোনো বিপৰীত লিঙ্গই অতিপাত ভাল পাব। কিন্তু এওঁলোকৰ এই ভালপোৱা ভীষণ বিপদৰ মাজেৰে শেষ হ'ব। আৰু যদি এই পৰ্বতৰ মাজত আয়ুসৰেখাৰ ওচৰত কোনো শূন্য-চিহ্ন থাকে তেন্তে জাতকে পুৰণি বেমাৰত ভুগিব লাগিব। আৰু যদি এই পৰ্বতত আয়ুসৰেখাৰ গা ছুই কোনো চতুষ্কোণ চিহ্ন থাকে তেন্তে এইটো কাৰাগাৰৰ চিহ্ন অথবা কোনো নিৰ্জন ঠাইত বহুদিন অকলে থকাৰ চিহ্ন বুজাব (চিত্ৰ নং—৩৩৭)।

যদি এই পৰ্বতত এটি ত্ৰিকোণ চিহ্ন থাকে তেন্তে বুজিব লাগিব যে জাতকে আগতে ভাল পাই বিবাহ কৰিছে অথবা পলুৱাই আনি বিবাহ কৰিছে। বেয়া হাতত—এইটোৱে নীতিজ্ঞানহীন জাতক বা জাতিকা বুজায়।

যদি অৰ্দ্ধচন্দ্ৰ থাকে তেন্তে এইটো অশুভ লক্ষণ। অশুদ্ধ চিন্তা।

এইবাৰ সক্ৰিয় মঙ্গলৰ পৰ্বতৰ বিষয়ে আলোচনা কৰা যাওক

মানসিক মঙ্গলৰ পৰ্বতত থকা চিহ্নবোৰে সেই ক্ষেত্ৰত যি অৰ্থ কৰে সক্ৰিয় মঙ্গলৰ ক্ষেত্ৰতো সেই চিহ্নবোৰে সেই একে অৰ্থকে কৰে। (অৱশ্যে আক্ৰমণমূলক কামবোৰ বাদ দি)।

তথাপি ইয়াত দুটি চিহ্নৰ কথা উল্লেখ কৰোঁ।

প্ৰথম, এই পৰ্বতত যদি পূৰণ চিহ্ন থাকে তেন্তে কোনো কাজিয়া-পেচালত সোমাই জাতকে মূৰত আঘাত পোৱাৰ সম্ভাৱনা থাকিব।

এনেকি জাতকৰ মৃত্যুও হ'ব পাৰে। (চিত্ৰ নং—৩৩৮) আৰু যদি এই পূৰণ-চিহ্নটো স্বাভাৱিক আকৃতিত নেথাকে তেন্তে আত্মহত্যা কৰিবলৈ ও জাতকৰ ইচ্ছা হ'ব। আৰু যদি এই পৰ্বতত এডাল সৰু



চিত্ৰ নং—৩৩৮

চুটি পথালি ৰেখাৰ মূৰত তৰা চিহ্ন থাকে তেন্তে জাতকৰ কোনো আত্মীয় অথবা প্ৰিয় বন্ধুৰ দুৰ্ভাগ্য বুজায়। অথবা সেই বন্ধু নতুবা আত্মীযৰ মৃত্যু হোৱা বুজায়।

ত্ৰিংশ অধ্যায়

হাতৰ কিছুমান ধৰণ চমুকৈ আলোচনা

যি দুৰ্ঘটনাই জীৱনৰ ক্ষিপ্ৰতা নষ্ট কৰে

যদি এটি স্পষ্ট ক'লা তিল (ক'লা ফোঁটৰ দৰে বুধৰ পৰ্বতৰ একেবাৰে কাষত (কৰ প্ৰান্তত) থাকে তেন্তে দুৰ্ঘটনা নিশ্চিত।

কোনো জন্তু অথবা চলন্ত গাড়ীৰ দ্বাৰা দুৰ্ঘটনা

যদি কোনো ৰেখা শুক্ৰৰ ক্ষেত্ৰৰপৰা অথবা আয়ুসৰেখাৰপৰা বাহিৰ ওলাই ওপৰমুখী হৈ শনিৰ পৰ্বতলৈ যায় তেন্তে দুৰ্ঘটনা ঘটিবই।

নিম্নবৰ্ণিত চিহ্ন হাতত থাকিলে দুৰ্ঘটনা সুনিশ্চিত

যদি শনিৰ পৰ্বতত (মধ্যমা আঙুলিৰ গুৰিত) এটি পূৰণ-চিহ্ন অথবা মঙ্গলৰ সমতলত এটি তৰা-চিহ্ন থাকে।

নিম্নবৰ্ণিত চিহ্ন থাকিলে ভীষণ দুৰ্ঘটনা ঘটিব

যদি শিৰোৰেখাৰ ওপৰত শনিৰ ক্ষেত্ৰৰ তলত অথবা সূৰ্য্যৰ ক্ষেত্ৰৰ তলত এটি পূৰণ চিহ্ন থাকে।

তলত উল্লেখ কৰা চিহ্ন থাকিলে জাতকৰ শক্তি অনুযায়ী চেষ্টা বুজায়

'প্ৰকৃত কৰতল' চুটি, আঙুলি দীঘল আৰু আঙুলিৰ মূৰ চাৰিচুকীয়া। স্প্ৰিং কৰা ধুনীয়া হাত। বুধ অৰু মানসিক মঙ্গলৰ ধুনীয়া পৰ্বত। বুঢ়া আঙুলিৰ প্ৰথম পৰ্বটি দীঘল আৰু শক্তিশালী। দীঘলীয়া শিৰোৰেখা।

কষ্টসহিষ্ণু অধ্যৱসায়ী, অভিনেতা

আঙুলিতকৈ কৰতল চুটি, আঙুলিৰ মূৰবোৰ ডিম্বাকৃতিৰ। ধুনীয়া সূৰ্য্যপৰ্বত। ধুনীয়া কনিষ্ঠা আঙুলি আৰু বুধৰ পৰ্বত। শিৰোৰেখা দীঘলীয়া আৰু শেহৰ ফালে সৰুকৈ দুমুখীয়া।

অতি ভাগ্যবান পুৰুষ অথবা মহিলা

স্বাভাৱিক হাত আৰু বুঢ়া আঙুলি। আয়ুসৰেখা বৃহস্পতিৰ ক্ষেত্ৰৰপৰা বাহিৰ ওলোৱা। অথবা ইযাৰ কোনো শাখা বৃহস্পতিৰ ক্ষেত্ৰলৈ প্ৰসাৰিত। শিৰোৰেখাও ঠিক একেদৰে বাহিৰ ওলোৱা। এডাল সৰল থিয়ৰেখা বৃহস্পতিৰ (তৰ্জনীৰ) আঙুলিৰ মূৰৰপৰা আঙুলিৰ গুৰিলৈকে প্ৰসাৰিত। ধুনীয়া, দীঘল ভাগ্যৰেখা আৰু সূৰ্য্যৰেখা, ধুনীযা দীঘল স্বাস্থ্যৰেখা। সূৰ্য্য, বুধ আৰু মঙ্গলৰ পৰ্বত সুগঠিত। কেতিযাবা ভাগ্যৰেখা বৃহস্পতিৰ ক্ষেত্ৰলৈ প্ৰসাৰিত।

হাঁপানী বেমাৰ

স্বাস্থ্যৰেখা বৰ বেযা। হৃদযৰেখা শিৰোৰেখাৰ কাষলৈ ভাঁজ খাই যোৱাৰ ফলত কৰতলৰ বৃহৎ চতুৰ্ভুজ বৰ ঠেক। আৰু এই অতি ঠেক চতুৰ্ভুজৰ মাজত এটি ক'লা ফোঁট অথবা দাগ।

দু সাহসী উদ্ধত স্বভাৱী

আঙুলিৰ মূৰ চেপেটা। আঙুলিবোৰ মিহি। বুঢ়া আঙুলিৰ প্ৰথম পৰ্বটো দীঘলীযা। আয়ুসৰেখা আৰু শিৰোৰেখা আৰম্ভণিতেই বেলেগ বেলেগ। মানসিক মঙ্গল আৰু বৃহস্পতিৰ পৰ্বত সুগঠিত। মঙ্গলৰ সমতল ক্ষেত্ৰ বহল আৰু ফুলি থকা। শিৰোৰেখা আৰু হৃদয়ৰেখা পোন আৰু ধুনীযা। স্বাস্থ্যৰেখাহীন অথবা ধুনীয়া স্বাস্থ্য-ৰেখাযুক্ত।

কৃপণ বা সাংঘাতিক ধনলোভী

আঙুলিবোৰ চাৰিচুকীয়া, (বিশেষকৈ অনামিকা আঙুলিটো) গাঁঠিয়া আৰু সন্মুখৰ ফালে ভাঁজ খোৱা। পাতল আৰু টান হাত। বৃহৎ চতুৰ্ভুজ ঠেক। শিৰোৰেখাডাল হাতৰ ইমূৰৰপৰা সিমূৰলৈকে (কৰপ্ৰান্তলৈ) বিস্তাৰিত। প্ৰায়েই হৃদয়ৰেখা নেথাকে। বুঢ়া

আঙুলিটো হাতৰ অন্যান্য আঙুলিৰ ফালে মুখ ঘূৰোৱা অথবা লাগি থকা। সূৰ্য্যৰ পৰ্বত সুগঠিত। কিন্তু অন্য পৰ্বতবোৰ শুকাই যোৱা। যদি হৃদয়ৰেখা থাকে তেন্তে প্ৰায়ভাগ ক্ষেত্ৰতে বুধৰ পৰ্বতৰ ফালে ঢাল খোৱা।

বৰ পাশৱিক স্বভাৱৰ মানুহ

মোটা আৰু টান হাত। নখবোৰ আঙুলিৰ ছাল ফালি ওলোৱা পশুৰ হাঁতোবাৰ দৰে। হাতত বহুত নোম আৰু হাতৰ ছাল খহটা। ৰ ৰঙা। আঙুলিৰ মূৰবোৰ চৰিত্ৰহীন। বুঢ়া আঙুলিৰ প্ৰথম পৰ্বটো গদাৰ দৰে। মানসিক মঙ্গল আৰু শুক্ৰ পৰ্বতটিৰ বাহিৰে বাকী পৰ্বতবোৰ চিহ্নহীন শুকাই যোৱা। মাত্ৰ তিনিডাল মূল ৰেখা। শিৰোৰেখা আৰু হৃদযৰেখা বৰ চুটি। বৃহৎ ত্ৰিভুজত এটি পূৰণ-চিহ্ন।

সিন্ধি খন্দা চোৰ

মোটা, গধুৰ কোনো অভিব্যক্তি নোহোৱা অতি প্ৰাথমিক হাত। মিহি, চুটি আঙুলি। বুঢ়া আঙুলিৰ প্ৰথম পৰ্ব ভীমৰ গদাৰ দৰে। মঙ্গল আৰু শুক্ৰৰ পৰ্বত অস্বাভাবিক। প্ৰায়েই চন্দ্ৰৰ পৰ্বত অত্যধিক ওখ আৰু ইযাৰ নিম্নাংশ চাৰিচুকীযা। মাত্ৰ তিনি-ডাল মূলৰেখা। সিও চুটি আৰু ৰঙা। বুধৰ পৰ্বতত তৰা-চিহ্ন অথবা জাল-চিহ্ন। আৰু এই একেই চিহ্ন মানসিক মঙ্গলৰ ক্ষেত্ৰত। আৰু বৃহৎ ত্ৰিভুজত এটি পূৰণ চিহ্ন।

ধৰ্মৰ দ্বাৰা অনুপ্ৰাণিত হৈ সততা বা সতীত্ব

বৃহস্পতিৰ আঙুলি সূক্ষ্মাগ্ৰ আৰু বৃহস্পতিৰ পৰ্বত সুগঠিত। আৰু এই তৰ্জনী আঙুলিৰ তৃতীয় পৰ্বত এটি পূৰণ-চিহ্ন। খুব পাতল আৰু মিহি হাত। বৃহস্পতিৰ বাহিৰে বাকী আটাইবোৰ ক্ষেত্ৰ শুকাই যোৱা।

ৰসায়ন বিদ্যা আৰু পদাৰ্থ বিদ্যাত অতি আগ্ৰহ থকা লোক

মধ্যমা (শনিৰ) আঙুলি আৰু শনিৰ পৰ্বত ধুনীয়া, সুগঠিত। দীঘল গাঁঠিয়া আঙুলি, অলপ পাতল হাত। মেডিকেল ৰেখাৰ চিহ্ন বুধৰ পৰ্বতত অঙ্কিত তথা চিহ্নিত।

সন্তান জন্ম দিয়াত অসুবিধা অথবা সন্তানহীন

আয়ুসৰেখা বুঢা আঙুলিৰ দ্বিতীয় পৰ্বৰ ওচৰৰপৰা ওলোৱা। এডাল প্ৰভাৱকাৰী ৰেখা শুক্ৰৰ ক্ষেত্ৰৰপৰা বাহিৰ ওলাই শনিৰ ক্ষেত্ৰলৈ গমন। বলয়ৰেখাৰ প্ৰথম বলয়, হাতৰ ওপৰৰ ফালে ওপৰ মুখী হৈ ভাঁজ খোৱা।

মনক চাৰিওফালৰপৰা গোটাই আনি কেন্দ্ৰীভূত (Concentrate) কৰাৰ ক্ষমতা

শক্তিশালী দীঘল বুঢা আঙুলি। অন্যান্য আঙুলিও দীঘল আৰু গাঁঠিযা। বৃহস্পতি, বুধ আৰু সক্ৰিয় মঙ্গলৰ ক্ষেত্ৰ সুগঠিত। শিৰোৰেখা দীঘল আৰু পোন। চন্দ্ৰৰ পৰ্বত শুকাই যোৱা।

কাপুৰুষ

যি মানুহৰ হাতত নোম নাই। হাত শকত আৰু মাংসল। নখ দীঘল, পাতল আৰু ঠেক। আঙুলি সম্মুখৰ ফালে বেঁকা। শুক্ৰ, বৃহস্পতি আৰু মানসিক মঙ্গলৰ পৰ্বত শুকাই যোৱা। শনি, চন্দ্ৰ আৰু বুধৰ পৰ্বত অত্যধিক ওখ অথবা অধিক ৰেখাযুক্ত। বৃহৎ ত্ৰিভুজ ঠেক, সৰু আৰু ভিতৰ ফালে ভাঁজ খোৱা।

সাহসী

দীঘল হৃদয়ৰেখা। গভীৰ আৰু বৃহস্পতিৰ ক্ষেত্ৰৰপৰা ওলোৱা। মঙ্গলৰ সমতল উচ্চ আৰু বহল। বুঢা আঙুলিৰ প্ৰথম পৰ্ব স্বাভাৱিকতকৈ দীঘলীয়া। শিৰোৰেখা পোন আৰু পৰিষ্কাৰ। স্বাস্থ্যৰেখা দীঘলীয়া অথবা অদৃশ্য। সকলো ৰেখাই সাধাৰণতকৈ

অলপ বঙচুৰা। বৃহস্পতি আৰু শুক্রৰ ক্ষেত্র সুগঠিত। কৰতল টান আৰু আঙুলিবোৰ প্রায় দীঘলীয়া। এইবোৰৰ বাহিৰেও 'সাহসী'ৰ অন্যান্য চিহ্নও থাকে।

প্রেমত অসন্তোষ

হৃদয়ৰেখাৰ আৰম্ভণিতেই যদি এই ৰেখা ছেদিত হয় অথবা তৰা-চিহ্নিত হয়। যদি এই ৰেখাৰপৰা বহুতো নিম্নাভিমুখী শাখা-ৰেখা বাহিৰ ওলায়। ভাগ্যৰেখাৰ কোনো শাখাই অথবা ভাগ্যৰেখাই যদি হৃদয়ৰেখা কাটে। (হৃদয়ৰেখা পাতল আৰু ক্ষীণ হ'লে আৰু ভাগ্য ৰেখা গভীৰ আৰু শক্তিশালী হ'লে) শুক্রৰ ক্ষেত্রৰ প্রভাৱকাৰী ৰেখা অথবা, আয়ুসৰেখাৰপৰা ওলোৱা শাখাৰেখাই যদি হৃদয়ৰেখাক ছেদ কৰে তেন্তে জাতক প্রেম বিষয়ত অসুখী হ'ব।

বিবাহ বিচ্ছেদ

যদি শুক্রৰ ক্ষেত্রৰ কোনো প্রভাৱকাৰী ৰেখাই আয়ুসৰেখাৰ কোনো উৰ্দ্ধমুখী শাখাৰেখাক ছেদ কৰি বুধৰ ক্ষেত্রৰ তলত অথবা ওচৰত আহি শেষ হয়। কথাটো আৰু স্পষ্ট হয়, যদি এই ৰেখাই লগে লগে বিবাহ ৰেখাকো ছেদ কৰে। অথবা শুক্র ক্ষেত্রৰপৰা ওলোৱা কোনো প্রভাৱকাৰী ৰেখাই যদি শেষৰ ফালে দুই ফেৰেঙনিযুক্ত হৈ হৃদয়ৰেখাক স্পর্শ কৰি তাৰ ওপৰত বৈ যায়।

ঘৰুৱা অশান্তি

যদি মঙ্গলৰ সমতল আয়ুসৰেখাৰ গাৰ ফালে দ হয। আৰু শুক্র ক্ষেত্রৰপৰা ওলোৱা প্রভাৱকাৰী ৰেখাবোৰে হাতৰ অন্যান্য মূল ৰেখাবোৰ ছেদন কৰে।

স্ত্রীচৰিত্রৰ (স্ত্রীজনোচিত) পুৰুষ (Effeminacy)

হাতত যদি একেবাৰে নোম নেথাকে। হাত মোটা, মাংসল অথবা কোমল, পাতল আৰু শেঁতা পৰা মানসিক মঙ্গলৰ ক্ষেত্র,

বৃহস্পতিৰ ক্ষেত্ৰ আৰু এনেকি শুক্ৰৰ ক্ষেত্ৰও শুকাই যোৱা। কিন্তু চন্দ্ৰ আৰু বুধৰ ক্ষেত্ৰ সুগঠিত।

বাগ্মীতা

আয়ুসৰেখা আৰু শিৰোৰেখা আৰম্ভণিতেই পৃথক পৃথক। বৃহস্পতিৰ পৰ্বত, সূৰ্য্যৰ পৰ্বত আৰু বুধৰ পৰ্বত সুগঠিত। (এই গোটেইবোৰ একেলগে একেখন হাতত নেথাকিবও পাৰে) হৃদয়ৰেখা ধুনীয়া। শুক্ৰ ক্ষেত্ৰ উচ্চ। শিৰোৰেখা দীঘল আৰু শেহৰ ফালে হুমুখীয়া। যদি শিৰোৰেখা চন্দ্ৰৰ ফালে হালি থাকে তেন্তে জাতকৰ বক্তৃতাত সাধাৰণ জ্ঞানতকৈ কবিত্বৰ ভাব বেছি থাকিব।

টকা আত্মসাৎকাৰীৰ হাত

পাতল, কোমল হাত। আঙুলিবোৰ দীঘল আৰু গাঁঠিয়া। তৃতীয় (অনামিকা) আঙুলি অলপ দীঘল। আৰু বুধৰ (কনিষ্ঠা) আঙুলি ভাঁজ খোৱা, বেঁকা-বেঁকি। বুধৰ পৰ্বত উচ্চ আৰু ইয়াৰ ওপৰত তৰা চিহ্নিত অথবা জালচিহ্ন স্পষ্ট। শিৰোৰেখা দীঘল আৰু বহলভাৱে হুমুখীয়া। এটি শাখা চন্দ্ৰৰ অত্যধিক উচ্চ পৰ্বতলৈ গৈছে। কেতিয়াবা বৃহস্পতি আৰু সূৰ্য্যৰ পৰ্বতো অত্যধিক উচ্চ হয়। হাতখনত প্ৰভাৱকাৰী ৰেখাও দুই চাৰিডাল থাকে।

অপব্যয়ী

বুঢ়া আঙুলিটো কৰতলৰ বহু তলত অৱস্থিত। আৰু প্ৰথম পৰ্বটি পিচৰ ফালে বেছিকৈ ভাঁজ খোৱা। আঙুলিবোৰ নমনীয়। প্ৰায়েই আৰম্ভণিতে আয়ুসৰেখা আৰু শিৰোৰেখাৰ ব্যৱধান বেছি। আৰু শিৰোৰেখা হেলনীয়া। দুৰ্বল সূৰ্য্যৰেখা। ভাগ্যৰেখাও কম বয়সতে শেষ হোৱা।

অকৃতকাৰ্য্য জীৱন

যদি মঙ্গলৰ সমতল ক্ষেত্ৰ দ' অথবা গহ্বৰৰ দৰে হয়।

চহী জালকাৰী, প্ৰতাৰক প্ৰৱঞ্চকৰ হাত

দীঘল, পাতল আৰু ভাঁজখোৱা বেঁকাবেঁকি আঙুলিবোৰ। বুধৰ পৰ্বত অত্যধিক ওখ। শুক্ৰৰ ক্ষেত্ৰও ওখ। আৰু যদি হৰ বুধিয়ক হয় তেন্তে সূৰ্য্যৰ পৰ্বতো বৰ ওখ। বুধৰ পৰ্বতত তৰা-চিহ্ন। চন্দ্ৰ ক্ষেত্ৰৰ তলৰ অংশটো গধুৰ। শিৰোৰেখা দুমুখীয়া। দুয়োটা শাখাই দীঘল আৰু বহল ব্যৱধান থকা। বৃহস্পতিৰ পৰ্বত শুকাই যোৱা।

উত্তৰাধিকাৰী সূত্ৰে বহু সম্পত্তি লাভ

প্ৰথম বলয়ৰেখাৰ ওপৰত যদি তৰা-চিহ্ন থাকে। আৰু শিৰো-ৰেখাৰ সৈতে, লগতে আৰু এটি তেনে ভগ্নীৰেখা থাকে।

জন্মগত জুৱাৰীৰ হাত

কোমল হাত, চুটি আঙুলি। তৃতীয় (অনামিকা) আঙুলিটো মধ্যমা আঙুলিৰ দৰে দীঘল। চন্দ্ৰৰ এখন ডাঙৰ পৰ্বত। শিৰো-ৰেখা চন্দ্ৰ ক্ষেত্ৰৰ ফালে হেলনীয়া।

সন্তান জন্ম দিয়া যন্ত্ৰ (তিৰোতা মানুহৰ) দুৰ্বল

যদি শুক্ৰৰ ক্ষেত্ৰ বেয়াকৈ চিহ্নিত হয়। যদি প্ৰথম বলয়ৰেখাৰ পেটটো ওপৰমুখী হৈ বেছি ভাঁজ খোৱা হয়। (convex) স্বাস্থ্যৰেখা আৰু শিৰোৰেখা লগ-লগা ঠাইত এটি তৰা-চিহ্ন থাকে।

ভুল আৰু দোষণীয় প্ৰেম

যদি ভাগ্যৰেখাত দ্বীপ-চিহ্ন থাকে। যদি হৃদয়ৰেখাত দ্বীপ-চিহ্ন থাকে। যদি বিবাহৰেখাত দ্বীপ-চিহ্ন থাকে। যদি শুক্ৰৰ ক্ষেত্ৰত অকলে এটি দ্বীপ-চিহ্ন থাকে। আৰু যদি শুক্ৰৰ ক্ষেত্ৰৰপৰা ওলোৱা কোনো প্ৰভাৱকাৰী ৰেখাত এই দ্বীপ-চিহ্ন থাকে। আৰু এই ৰেখাই যদি হৃদয়ৰেখা অথবা বিবাহ ৰেখাক ছেদ কৰে। ইয়াৰ এটি বা দুটি চিহ্ন থাকিলেই যথেষ্ট।

মাৰাত্মক দোষণীয় প্ৰেম

যদি ওপৰত উল্লেখ কৰা চিহ্নবোৰৰ উপৰিও শুক্ৰৰ ক্ষেত্ৰৰপৰা ওলোৱা কোনো প্ৰভাৱকাৰীৰেখা আৰু চন্দ্ৰৰ ক্ষেত্ৰৰপৰা ওলোৱা কোনো প্ৰভাৱকাৰীৰেখাই একে ঠাইতে ভাগ্যৰেখাক ছেদ কৰে।

ভয়ঙ্কৰ মূৰৰ বিষ থকা মানুহ

যদি আয়ুসৰেখাৰ আৰম্ভণিৰ ওচৰৰপৰা কোনো দীঘলীয়া নিম্নাভিমুখী ৰেখা আয়ুসৰেখাৰ দৰেই বলয়ৰেখাৰ ফালে নামি আহে। যদি শিৰোৰেখা ভগা হয় আৰু চন্দ্ৰৰ ফালে হেলনীয়া হয় তেন্তে জাতকৰ মাৰাত্মক মূৰৰ বিষৰ উপৰিও যকৃতৰ বেমাৰ আৰু পিত্তৰ বেমাৰো থাকিব।

অৱশ্যে শিৰোৰেখা আৰু হৃদয়ৰেখা শক্তিশালী হ'লে জাতক এই সাংঘাতিক মূৰৰ বিষৰপৰা ৰক্ষা পৰিব।

অৰ্শ বেমাৰী

শনিৰ ক্ষেত্ৰ যদি বেছি ৰেখাযুক্ত হয় অথবা, অত্যধিক উচ্চ হয়। আৰু আয়ুসৰেখাৰ কোনো ফোঁট চিহ্নৰপৰা কোনো প্ৰভাৱকাৰী-ৰেখা বাহিৰ ওলাই যদি মানসিক মঙ্গলৰ পৰ্বতত কোনো তৰা-চিহ্নত শেষ হয়।

দস্যু, ডকাইতৰ হাত

মোটা আৰু টান হাত। চুটি, মিহি আৰু গধুৰ প্ৰাথমিক (Elementary) আঙুলি। মূল তিনিটা ৰেখা মাত্ৰ। ৰেখাবোৰ বৰ ৰঙা বা ৰঙচুৱা। মঙ্গলৰ ক্ষেত্ৰ উচ্চ। আৰু চন্দ্ৰৰ নিম্নাংশৰ পৰ্বত উচ্চ। আৰু বুধৰ পৰ্বতত এটি তৰা-চিহ্ন অথবা জাল-চিহ্ন থকা।

যি মৃগী বেমাৰে পাৰিবাৰিক সুখ নষ্ট কৰে

যদি জাতকৰ শুক্ৰবলয়ৰেখাক বিবাহ ৰেখাই কৰ্তন অথবা ছেদ কৰে তেন্তে পাৰিবাৰিক সুখ শান্তি নষ্ট হ'ব।

বাস্তৱ বুদ্ধি আৰু কল্পনাশক্তিৰ ধুনীয়া সংমিশ্ৰণ ঃ

'প্ৰকৃত কৰ' আৰু আঙুলিৰ দীৰ্ঘতা প্ৰায় সমান সমান। আঙুলিবোৰ মিহি আৰু মূৰবোৰ শঙ্খৰ দৰে। কৰতল স্প্ৰিঙৰ দৰে। আঙুলিৰ দ্বিতীয় গাঁঠি স্পষ্ট। সূৰ্য্য পৰ্বত আৰু বুধৰ পৰ্বত একেলগে লগ লগা। শিৰোৰেখা সামান্য হেলনীয়া। চন্দ্ৰ আৰু শুক্ৰৰ ক্ষেত্ৰ স্বাভাৱিক।

বলিয়ালি

শনিৰ পৰ্বতত যদি অৰ্দ্ধচন্দ্ৰৰ চিন থাকে। ফুলা-ফুলা চন্দ্ৰৰ পৰ্বতত বহুতো খেলিমেলি চুটি চুটি ৰেখা থাকে। শিৰোৰেখা যদি শিকলিৰ দৰে হেলনীযা অথবা তৰা-চিহ্নিত হয়। যদি চন্দ্ৰৰ পৰ্বতত অৰ্দ্ধচন্দ্ৰৰ চিহ্ন থাকে। শিৰোৰেখা যদি চন্দ্ৰ পৰ্বতৰ একেবাৰে তললৈ নামি যায়। যদি শনিৰ (মধ্যমা) আঙুলিৰ দ্বিতীয় পৰ্বত তৰা-চিহ্ন থাকে। যদি শিৰোৰেখা স্বাস্থ্যৰেখাত মিলি নোহোৱা হৈ যায়। যদি আয়ুসৰেখা আৰম্ভণিতে দ্বমুখীযা হৈ আৰম্ভ হয়।

মদখোৱা বলিযা মদাহী

মঙ্গলৰেখা যদি বৰ ৰঙা হয়। আৰু এই ৰেখাৰপৰা যদি এটি শাখাৰেখা বাহিৰ ওলাই চন্দ্ৰৰ পৰ্বতত থকা এটি তৰা চিহ্নত শেষ হয়। আৰু শিৰোৰেখাত যদি এটি ক'লা ফোঁট-চিহ্ন থাকে তেন্তে তেওঁক মদেই খাব।

বংশানুক্ৰমিক বলিয়ালি

যদি হৃদয়ৰেখাৰপৰা কোনো শাখাৰেখা বাহিৰ ওলাই নিম্নাভিমুখী হৈ চন্দ্ৰৰ পৰ্বতত কোনো তৰা-চিহ্নত শেষ হয়।

প্ৰকৃত আৱিষ্কাৰকৰ প্ৰতিভা থকা হাত

কৰতল স্প্ৰিঙৰ দৰে। চুটি নখ। দীঘল গাঁঠিয়া আঙুলি। চতুৰ্থ (কনিষ্ঠা) আঙুলিটো অলপ বেছি দীঘল। দীঘল বুঢ়া

আঙুলি। সূৰ্য্য পৰ্বত আৰু বুধৰ পৰ্বত সুগঠিত। যদি বুধৰ পৰ্বতত চুটি চুটি থিয় ৰেখা থাকে। ধুনীয়া শিৰোৰেখা, অলপ হেলনীয়া। প্ৰায়েই শেহৰ ফালে তিনিমুখীয়া হৈ শেষ হয়।

অতি শক্তিশালী বুদ্ধিক মানুহৰ হাত

'প্ৰকৃত কৰতকৈ আঙুলিবোৰ দীঘল। মূৰবোৰ অলপ ডিম্বাকৃতিৰ। বিশেষকৈ প্ৰথম আৰু চতুৰ্থ আঙুলি দুটি। গাঁঠিয়াও সূৰ্য্য, বৃহস্পতি আৰু বুধৰ পৰ্বত সুগঠিত। ধুনীয়া শিৰোৰেখা। দীঘলীয়া হৃদয়ৰেখা বৃহস্পতিৰ ক্ষেত্ৰৰ নিৰ্গত। ধুনীয়া সূৰ্য্যৰেখা আৰু ধুনীয়া স্বাস্থ্যৰেখা।

যৌনাঙ্গৰ বেমাৰী .

চন্দ্ৰৰ পৰ্বতৰ তলৰ অংশ অত্যধিক ওখ অথবা বহু খেলিমেলি চুটি ৰেখাৰে কৰ্তিত। আৰু এই পৰ্বতৰ একেঠাইতে এটি পূৰণ চিহ্ন। এটি ভ্ৰমণৰেখা দুমুখীয়া হৈ গুলাই আহি আয়ুসৰেখাৰ কাষত বৈ যোৱা।

যশস্বী সাহিত্যিকৰ হাত

হাতৰ প্ৰথম আৰু চতুৰ্থ আঙুলি দীঘল। প্ৰায়েই মূৰবোৰ ডিম্বাকৃতিৰ। সূৰ্য্য পৰ্বত আৰু বুধৰ পৰ্বত সুগঠিত। শুক্ৰ ক্ষেত্ৰ আৰু চন্দ্ৰ ক্ষেত্ৰও ভাল (কবি আৰু ৰূপকথাৰ কাহিনী লিখকৰ বাবে)। শিৰোৰেখা অলপ হেলনীয়া আৰু শেহৰ ফালে সামান্য দুমুখীয়া। শিৰোৰেখাৰ ওপৰত দুই-তিনিটা বগা কোঁট প্ৰায়েই দেখা যায়। তৰ্জনী আঙুলিৰ প্ৰথম জোৰটিত এডাল চুটি থিয়ৰেখা প্ৰায় দেখা যায়। আৰু প্ৰথম বলয়ৰেখাৰপৰা এডাল পোন সৰলৰেখা পোনে পোনে আহি সূৰ্য্য পৰ্বতত উঠা দেখা যায়।

বাৰে বাৰে লোকচান ভৰিব লগা হোৱা মানুহৰ হাত :

মঙ্গলৰ সমতল বৰ দ অথবা গহ্বৰৰ দৰে। সূৰ্য্যৰেখাত দ্বীপ-চিহ্ন, ভঙ্গ-চিহ্ন, তৰা-চিহ্ন অথবা বাধা প্ৰদানকাৰী ৰেখা। স্বাস্থ্য-ৰেখাত দ্বীপ-চিহ্ন। আৰু ভাগ্যৰেখাত দ্বীপ-চিহ্ন থকা।

পুৰণি প্ৰেম—বিবাহিত পৰিণত

চন্দ্ৰৰ পৰ্বতৰপৰা বাহিৰ ওলোৱা প্ৰভাৱকাৰী ৰেখা উৰ্দ্ধমুখী হৈ যি সময়ত ভাগ্যৰেখাক ছুব, ঠিক সেই সময়তেই বিবাহ সম্পাদিত হ'ব।

বিজ্ঞান অথবা চিকিৎসাবিজ্ঞাত কৃতকাৰ্য্য হব পৰা লোকৰ হাত

যদি বুধৰ পৰ্বতত চাৰিডালৰপৰা সাতডাল পৰ্য্যন্ত চুটি থিয়ৰেখা থাকে তেন্তে এই জাতক বিজ্ঞানী অথবা ডাঙৰ অস্ত্ৰ চিকিৎসক হ'ব। তিৰোতা মানুহৰ হাতত এই চিহ্ন থাকিলে হয় নিজে ডাক্তৰ অথবা নাছ হ'ব। নতুবা কোনোবা ডাক্তৰৰ সৈতে তেওঁৰ বিবাহ হ'ব।

সৈনিকৰ হাত

'প্ৰকৃত কৰ' দীঘল। আঙুলি চুটি। মূৰবোৰ চাৰিচুকীয়া। মঙ্গলৰ সমতল উচ্চ। প্ৰায়েই মুখ্য তিনিটা ৰেখাহে চিহ্নিত থাকে। মানসিক মঙ্গলৰ পৰ্বতত ত্ৰিকোণ থাকে। শনিৰ (মধ্যমা) আঙুলিৰ তৃতীয় পৰ্বত এডাল গভীৰ ৰেখা থাকে।

মন্ত্ৰীত্বৰ বাবে আগ্ৰহী লোক

বৃহস্পতিৰ আঙুলি জোঙা। নখ চুটি। শুক্ৰৰ ক্ষেত্ৰ স্বাভাৱিক। শিৰোৰেখা আৰু হৃদয়ৰেখা সুগঠিত। বৃহত চতুৰ্ভুজৰ ভিতৰত (শনিৰ ক্ষেত্ৰৰ তলত) এটি পূৰণ চিহ্ন।

স্বামী থকা সত্ত্বেও আনৰ লগত অবৈধ সংযোগ •

যদি বিবাহৰেখাৰ একেবাৰে কাষতে গাত লাগো-নেলাগোকৈ আন এটি ঠিক তেনেকুৱা শক্তিশালী বিবাহৰেখা থাকে তেন্তে জাতকৰ স্বামী বা পত্নীৰ বাহিৰেও তেওঁৰ আন কোনোবা প্ৰেমিক-প্ৰেমিকা থাকিব।

ভয়ঙ্কৰ খঙাল হত্যাকাৰীৰ হাত

চেপেটা আঙুলিৰ শকত আৰু টান হাত। গদাৰ দৰে বুঢ়া আঙুলি। মাত্ৰ মুখ্য তিনিডাল ৰেখা থকা। ৰেখাবোৰ ৰব ৰঙা।

মানসিক মঙ্গল আৰু শুক্ৰ ক্ষেত্ৰ অত্যধিক উচ্চ। শিৰোৰেখা আৰু হৃদয়ৰেখা চুটি। (আয়ুসৰেখাও চুটি হ'ব যদি মানুহজন কাঁচী কাঠত মৰিব লগা হয়) শনিৰ আঙুলিত তৰাৰ চিহ্ন। বৃহৎ ত্ৰিভুজত পূৰণ চিহ্ন।

ঠাণ্ডা মগজুৰে ধীৰে-সুস্থিৰে লুকাই চুৰকৈ কৰা হত্যাকাৰীৰ হাত

দীঘল পাতল হাত। গাঁঠিয়া আঙুলি। শনিৰ পৰ্বত অত্যধিক ওখ অথবা বহু চুটি চুটি ৰেখাৰ দ্বাৰা কৰ্তিত। শনিৰ আঙুলিত তৰা-চিহ্ন। সূৰ্য্য পৰ্বত অত্যধিক ওখ। বুধৰ পৰ্বত চুটি চুটি ৰেখাৰ দ্বাৰা কৰ্তিত। চন্দ্ৰ পৰ্বতৰ নিম্নাংশ চুটি চুটি ৰেখাৰে কৰ্তিত। শিৰোৰেখাৰ এটি হেলনীয়া শাখাৰেখা চন্দ্ৰ ক্ষেত্ৰত বৈ যোৱা। (আয়ুসৰেখাও চুটি হ'ব যদি হত্যাকাৰীযে কাঁচী কাঠত মৰিব লগা হয়।)

মাৰাত্মক স্নায়ৱিক অসুখ (স্নায়ুশূল)

যদি শিৰোৰেখাত কিছুমান গভীৰ ফোঁট চিহ্ন থাকে। আৰু এই শিৰোৰেখাত দ্বীপ-চিহ্ন থাকে।

যশস্বী গায়ক হ ব পৰাৰ হাত

এখন স্বাভাৱিক কোমল হাত, আঙুলিবোৰ মিহি, মূৰবোৰ ডিম্বাকৃতিৰ। সূৰ্য্যৰ পৰ্বত, চন্দ্ৰৰ পৰ্বত আৰু শুক্ৰৰ ক্ষেত্ৰ সুগঠিত। আৰু শিৰোৰেখা হেলনীযা।

পক্ষাঘাত ৰোগী

নখবোৰ চুটি, তিনিকোণীয়া ধৰণৰ। শনিৰ পৰ্বত অত্যধিক ওখ অথবা চুটি চুটি ৰেখাৰ দ্বাৰা কৰ্তিত। শনিৰ পৰ্বতত তৰা-চিহ্ন। চন্দ্ৰৰ পৰ্বতত তৰা-চিহ্ন অথবা জাল-চিহ্ন। মুখ্য ৰেখা তিনিডাল দুৰ্বল। (সংক্ৰমিত হোৱাৰ পিচত)

ভ্ৰমণত ভীষণ বিপদ ঃ

চন্দ্ৰৰ ক্ষেত্ৰৰ কৰপ্ৰান্তৰপৰা ওলাই অহা ভ্ৰমণ ৰেখাত যদি দ্বীপ-চিহ্ন থাকে অথবা তৰা-চিহ্ন থাকে।

প্ৰেমিক-প্ৰেমিকাৰ এৰা এৰি হৈ থকা (কিছু দিনৰ বাবে)

যদি বিবাহ ৰেখা আৰম্ভ হওঁতে দুমুখীয়া হৈ ওলাই আহি পুনৰ লগ লাগে। অথবা, ৰেখাডাল শেষ হ'বৰ সময়ত দুমুখীয়া হৈ পৰে। এই এৰা-এৰি কাজিয়াৰ ফলত নহয়, এই এৰা-এৰি (কিছু দিনৰ বাবে) তেওঁলোকৰ নিজৰ প্ৰয়োজনৰ বাবেহ অৰ্থাৎ অস্তিত্ব ৰক্ষাৰ বাবেই প্ৰয়োজন হৈ পৰে।

প্ৰভাৱশালী, বুধিয়ক ব্যৱসায়ীৰ হাত

আঙুলিৰ মূৰবোৰ সামান্য ডিম্বাকৃতিৰ। বিশেষকৈ চতুৰ্থ আঙুলিটো। আঙুলিত গাঁঠি নোহোৱা। তৃতীয় (অনামিকা) আঙুলি স্বাভাৱিকতকৈ সামান্য দীঘল। বুধৰ ক্ষেত্ৰ সুগঠিত। মঙ্গলৰ সমতল স্বাভাৱিক। শিৰোৰেখা সামান্যভাৱে শেহৰ ফালে হেলনীয়া।

আত্মহত্যাৰ বাবে উন্মুখ হোৱা লোকৰ হাত

শনিৰ পৰ্বতত আৰু চন্দ্ৰৰ পৰ্বতত তৰা-চিহ্ন। চন্দ্ৰৰ পৰ্বত সুগঠিত। শিৰোৰেখা হেলনীয়া। দুৰ্বল ভাগ্যৰেখা। শিৰোৰেখা স্বাস্থ্য-ৰেখাত লীন হোৱা। আয়ুস ৰেখা চুটি চুটি ৰেখাৰ দ্বাৰা কৰ্তিত।

প্ৰতাৰক, জুৱাচোৰৰ হাত ঃ

দীঘল হাত। ভাঁজ লগা, বেঁকাবেঁকি আঙুলি। বিশেষকৈ কনিষ্ঠা আঙুলিটি। পৰ্বতবোৰ বেয়া। বুধৰ পৰ্বত অত্যধিক ওখ। অথবা চুটি চুটি খেলিমেলি ৰেখাৰ দ্বাৰা কৰ্তিত। এই পৰ্বতত এটি পূৰণ চিহ্ন অথবা তৰা-চিহ্ন থকা। শিৰোৰেখা গভীৰভাৱে দুমুখীয়া। ব্যৱসায়ী জুৱাচোৰবোৰৰ চন্দ্ৰ পৰ্বতৰ নিম্নাংশ বৰ গধুৰ।

দাঁতৰ বেমাৰী :

শনিৰ পৰ্বত অত্যধিক ওখ। অথবা, চুটি চুটি ৰেখাৰ দ্বাৰা কৰ্ত্তিত। ঢউ খেলোৱা দীঘলীয়া স্বাস্থ্যৰেখা। ঢউ খেলোৱা ভাগ্য ৰেখা। প্ৰত্যেক আঙুলিৰ দ্বিতীয় পৰ্ব স্বাভাৱিকতকৈ অলপ দীঘলীয়া।

অতি ভয়াতুৰ :

পাতল, কোমল কৰতল। দীঘলীয়া আৰু গাঁঠি থকা আঙুলি। আঙুলিবোৰ কৰতলৰ ভিতৰৰ ফালে ভাঁজ খোৱা। মঙ্গল, বুধ আৰু বৃহস্পতিৰ পৰ্বত শুকাই যোৱা। শিৰোৰেখা আৰম্ভণিতে বহুদূৰ পৰ্য্যন্ত আয়ুসৰেখাৰ লগ লগা। বৃহৎ চতুৰ্ভুজ অতি ঠেক।

বিশ্বাসঘাতকৰ হাত :

ভাঁজখোৱা বেঁকাবেঁকি আঙুলি। বিশেষকৈ, কনিষ্ঠা আঙুলিটি। চুটি আৰু নিস্তেজ নখ। হৃদয়ৰেখা নথকা।

অত্যাচাৰী, উৎপীড়নকাৰীৰ হাত :

প্ৰথম তৰ্জনী আঙুলিটো খুব দীঘল। নখবোৰ দীঘল আৰু টান। বুঢ়া আঙুলিৰ প্ৰথম পৰ্ব বৰ দীঘল আৰু শকত। বৃহস্পতিৰ পৰ্বত অত্যধিক ওখ। এডাল গভীৰ দীঘলীয়া শিৰোৰেখাই গোটেই হাতখন পোনে পোনে ইমূৰৰপৰা সিমূৰলৈ (কৰ-প্ৰান্তলৈ) প্ৰসাৰিত। হৃদয়ৰেখা প্ৰায়েই নেথাকে।

দাৰ্শনিকৰ হাত :

পাতল টান হাত। আঙুলিবোৰ দীঘল আৰু গাঁঠিয়া। বিশেষকৈ প্ৰথম গাঁঠিটো। প্ৰায়েই চেপেটা আঙুলি। কিন্তু প্ৰথম আৰু চতুৰ্থ আঙুলিৰ মূৰটো ভিন্নাকৃতিৰ।

পকেটমাৰৰ হাত :

পাতল, ঠেক কৰতল। দীঘল, পাতল ভাঁজখোৱা, বেঁকাবেঁকি আঙুলি। বিশেষকৈ চতুৰ্থ (কনিষ্ঠা) আঙুলিটো তেনে ধৰণৰ।

বুধৰ পৰ্বত অত্যধিক ওখ। অথবা, চুটি চুটি ৰেখাৰে কৰ্তিত। চন্দ্ৰৰ পৰ্বতৰ নিম্নাংশ অত্যধিক ওখ। হেলনীয়া দুৰ্বল শিৰোৰেখা।

যশস্বী কবিৰ হাত ঃ

আঙুলিবোৰ সূক্ষ্মাগ্ৰ অথবা ডিম্বাকৃতিৰ। বুঢ়া আঙুলিৰ প্ৰথম পৰ্ব পাতল, দীঘল। পাতল, কোমল কৰতল। সূৰ্য্য পৰ্বত, চন্দ্ৰৰ পৰ্বত আৰু শুক্ৰৰ পৰ্বত ধুনীয়া, সুগঠিত। হেলনীয়া শিৰো-ৰেখা। কেতিয়াবা এই হৃদয়ৰেখা বহু দ্বীপ-চিহ্নিত আৰু শিকলিৰ দৰে হয়।

বিখ্যাত ৰাজনীতিজ্ঞৰ হাত

বৃহস্পতিৰ পবত, সূৰ্য্যৰ পৰ্বত আৰু বুধৰ পৰ্বত ধুনীয়া আৰু সুগঠিত। বৃহস্পতিৰ ক্ষেত্ৰৰপৰা বাহিৰ ওলোৱা শিৰোৰেখা শেহৰ ফালে সামান্য তুমুখীয়া। মঙ্গলৰ সমতল স্বাভাৱিক।

সাধাৰণ ৰাজনীতিজ্ঞৰ হাত

বৃহস্পতিৰ পৰ্বত অনুচ্চ। বুধৰ পৰ্বত অত্যধিক উচ্চ অথবা বহু চুটি চুটি ৰেখাৰে কৰ্তিত। শিৰোৰেখা হেলনীয়া আৰু মানসিক মঙ্গলৰ পৰ্বত বহু চুটি চুটি ৰেখাৰ দ্বাৰা কৰ্তিত। (আক্ৰমণশীল মনোভাৱ)।

কাৰাগাৰৰ চিহ্ন

এটি চতুষ্কোণ চিহ্ন শুক্ৰ ক্ষেত্ৰৰ তলৰ ফালে আয়ুসৰেখাৰ গাত লগা ধৰণৰ। শনিৰ পৰ্বতত জাল-চিহ্ন।

লাম্পট্য

শুক্ৰৰ ক্ষেত্ৰ বহু চুটি চুটি ৰেখাৰ দ্বাৰা কৰ্তিত। বুঢ়া আঙুলিৰ নখৰ ওচৰত তৰা-চিহ্ন। প্ৰথম আঙুলিৰ তৃতীয় পৰ্বত তৰা-চিহ্ন। শনিৰ পৰ্বত অত্যধিক ওখ অথবা, বহু চুটি ৰেখাৰে কৰ্তিত। তিনি-ডলীয়া শুক্ৰ বলয়ৰেখা। বহল আৰু নিস্তেজ হৃদয়ৰেখা।

ধাতবিষ

শনিৰ ক্ষেত্ৰ অত্যধিক ওখ অথবা, বহু চুটি ৰেখাৰে কৰ্তিত। চন্দ্ৰ পৰ্বতৰ মধ্যভাগ অত্যধিক ওখ অথবা, চুটি ৰেখাৰে কৰ্ত্তিত। আয়ুস-ৰেখা শেহৰফালে দুমুখীয়া আৰু বঙা। আয়ুস ৰেখাৰপৰা বাহিৰ ওলোৱা ৰেখাৰ শনিৰ ক্ষেত্ৰলৈ গমন। (বংশানুক্ৰমে) যদি বহুতো ৰেখাই শনিৰ ক্ষেত্ৰত উঠেগৈ। আৰু এইবোৰ ৰেখাই যদি হৃদয়ৰেখা কৰ্ত্তন কৰে।

ফাঁচী কাঠত যাৰ মৃত্যু হ ব

শিৰোৰেখা শনিৰ ক্ষেত্ৰৰ তলত ছিগা। মঙ্গলৰ সমতলত এটি স্পষ্ট পূৰণ-চিহ্ন। শনিৰ আঙুলিত তৰা-চিহ্ন। আয়ুসৰেখাই হঠাতে বৈ যাব আৰু ঠিক সেইখিনিতেই এডাল গভীৰ চুটি ৰেখাই আয়ুসৰেখাক ছেদন কৰিব। আৰু এই চুটি ৰেখাই ছেদন কৰা দিনাখনেই জাতকৰ মৃত্যুদণ্ড কাৰ্য্যকৰী হব।

ৰাণী সেৱাৰ পুৰস্কাৰ

সূৰ্য্য ক্ষেত্ৰ যদি সুগঠিত হয়, তাৰ ওপৰত যদি তৰা চিহ্ন থাকে, সূৰ্য্যৰেখা যদি ভাল হয়, অনামিকা যদি দেখিবলৈ ধুনীয়া হয়, বৃহস্পতিৰ ক্ষেত্ৰত যদি পূৰণ-চিহ্ন থাকে তেন্তে এই জাতকে ৰাণী সেৱাৰ পুৰস্কাৰ পাবই।

নিঃসন্তান

শনিৰ পৰ্বতত তৰা-চিহ্ন। আয়ুসৰেখা বুঢা আঙুলিৰ দ্বিতীয় পৰ্বৰ একেবাৰে ওচৰৰপৰা আৰম্ভ হোৱা। (ইয়াৰ ফলত শুক্ৰক্ষেত্ৰ দুৰ্বল হৈ পৰে) স্বাস্থ্যৰেখা আৰু শিৰোৰেখাৰ সংযোগস্থলত তৰা-চিহ্ন। হৃদযৰেখা দুৰ্বল আৰু শেহৰ ফালে ফেৰেঙনি নোহোৱা লথামুৰা। প্ৰথম বলয়ৰেখাৰ মধ্যখণ্ড কৰতলৰ ভিতৰৰ ফালে ধেনুৰ দৰে ভাঁজ খোৱা।

বৰ সুখী দম্পতি :

এটি দীঘলীয়া বিবাহ ৰেখা। বৃহস্পতিৰ পৰ্বতত এটি পূৰণ-চিহ্ন। চন্দ্ৰৰ ক্ষেত্ৰৰপৰা ওলাই অহা প্ৰভাৱকাৰী ৰেখা ভাগ্যৰেখাৰ সৈতে ওপৰমুৱা হৈ মিলি যোৱা। (আৰু যদি এই ৰেখাটোৱে ভাগ্যৰেখা ছেদন কৰে তেন্তে দম্পতি যুগল বৰ দুৰ্ভগীয়া হ'ব) ভাগ্যৰেখাৰপৰা ওলোৱা কোনো শাখাৰেখাই যদি হৃদয়ৰেখাত মিলি যায় তেন্তে দম্পতি যুগল বৰ সুখী হ'ব।

বিপৰীতধৰ্মী দম্পতি—যাৰ কলহ অশান্তি আহিব

এটি গভীৰ ৰঙা ৰঙৰ বিবাহ ৰেখা। চন্দ্ৰৰ পৰ্বত অথবা মানসিক মঙ্গলৰ ক্ষেত্ৰৰপৰা ওলোৱা কোনো প্ৰভাৱকাৰী ৰেখাই যদি ভাগ্যৰেখা ছেদন কৰে। হৃদয় ৰেখা যদি ছিগা হয়। এটি দুৰ্বল ভাগ্যৰেখা। হৃদয়ৰেখাৰপৰা ওলোৱা কোনো ৰেখা যদি শনিৰ পৰ্বতত বৈ যায়। হৃদয়ৰেখাক যদি কোনো গভীৰ চুটি ৰেখাই কৰ্তন কৰে। আৰু ভাগ্যৰেখাই হৃদয ৰেখাক কাটে।

বিয়াৰ পিছত মৰা বা কইনাৰ মৃত্যু

যদি হৃদয়ৰেখা হঠাতে বৰ বেয়াভাৱে ছিগি যায় আৰু লগতে বিবাহৰেখাও ছিগা দেখা যায় তেন্তে ছিগোতাৰ স্বামী বা পত্নীৰ মৃত্যু ঘটিব।

সাংঘাতিক যৌনাঙ্গৰ বেমাৰী •

সমান দীঘল ছুডাল শুক্ৰ বলয়ৰেখাৰ ওপৰত যদি তৰা-চিহ্ন থাকে, আৰু শুক্ৰৰ ক্ষেত্ৰৰ ওপৰত যদি ক'লা দাগ চিহ্ন থাকে।

অত্যন্ত পাপী আৰু লম্পটৰ চিহ্ন :

যদি তিনিডাল শুক্ৰ বলয়ৰেখা থাকে। শনি আৰু শুক্ৰৰ পৰ্বত যদি অত্যধিক ওখ হয়। অথবা, বহু চুটি চুটি খেলিমেলি ৰেখাৰে যদি সেই ক্ষেত্ৰ কৰ্তিত হয়।

সাংঘাতিক জখম অথবা মৃত্যু ঃ

আয়ুসৰেখাত যদি এটি ক'লা কোঁট চিহ্ন থাকে। এটি গভীৰ ৰেখা যদি বুঢ়া আঙুলিৰ প্ৰথম পৰ্ব্বপৰা ওলাই আহি আয়ুসৰেখাক স্পৰ্শ কৰে।

মৃত্যু আঘাত ঃ

আয়ুসৰেখাত যদি তৰা চিহ্ন থাকে। অথবা, এই আয়ুসৰেখা বেয়াকৈ ছিগি যোৱা হয়। শিৰোৰেখা বেয়াকৈ ছিগি যোৱা হয়। হৃদয়ৰেখা বেয়াকৈ ছিগি যোৱা হয়। আৰু এইবোৰ চিহ্ন যদি দুয়োখন হাতে একে সময়তে থাকে। ভাগ্যৰেখাতো যদি দুৰ্ঘটনাৰ চিহ্ন স্পষ্টভাৱে থাকে তেন্তে এইবোৰ মৃত্যু-চিহ্ন বুলি ধৰিব লাগিব।

একত্রিংশ অধ্যায়

গ্ৰহৰ প্ৰভাৱানুসাৰে মানুহৰ দেহাৰ আৱয়ব, চৰিত্ৰ, চালচলন আৰু মনোভাৱ আদি। প্ৰথমেই ধৰক বৃহস্পতিৰ কথা।

(কৰতলৰ ৰেখা, আঙুলি আৰু পৰ্বতৰ দ্বাৰা এই কথা বুজিব পাৰি)

যদি জাতকৰ ওপৰত বৃহস্পতিৰ প্ৰভাৱ বেছি তেন্তে এই জাতকক আমি 'বৃহস্পতীয়া' বুলি ধৰিম। যেয়ে এই বৃহস্পতিৰ প্ৰভাৱত জন্মিছে আৰু চালিত হৈছে তেওঁৰ শাৰীৰিক দীৰ্ঘতা মধ্যম অৰ্থাৎ মধ্যমাকৃতিৰ। মুখমণ্ডল ঘূৰণীয়া, চকুবোৰ বহল বহল, ভুৰু ধেনুভিৰীয়া, উজ্জ্বল, মাত সুস্পষ্ট, গম্ভীৰ। হাঁহিমুখীয়া। চুলি ঘন, দীঘল ভাঁজখোৱা আৰু বাদামী ৰঙৰ। (কিন্তু এই চুলিবোৰ সোনকালেই সৰি যায়)। নাক পোন, কিন্তু দীঘল নহয়। দাঁতবোৰ দীঘল। মুখ বহল। ওঠ ডাঠ। কাণবোৰ মধ্যম জোখৰ, কিন্তু মুখৰ ফালে চাপি থকা। ডিঙিটো ধুনীয়া। বৰ তজ বৰ্জীয়া, মূৰটো ঘামি থকা। গাত যথেষ্ট নোম থকা আৰু মাংসল। আঙুলিবোৰ দীঘল। বিশেষকৈ বৃহস্পতিৰ আঙুলি বেছি দীঘল আৰু সামান্য জোঙা। বাকী আঙুলিৰ আগবোৰ চাৰিচুকীয়া। বুঢ়া আঙুলি দীঘল। এই আঙুলিৰ প্ৰথম পৰ্ব দীঘলীয়া। এও বৰ শান্তভাৱে কিন্তু বিজ্ঞৰ দৰে খোজ কাঢ়ে।

এওলোকে প্ৰায় গাঁঠি বিষত ভোগে আৰু কেতিয়াবা পিত্ত বেমাৰতো ভোগে। তথাপি সকলো সময়তে উৎফুল্ল হৈ থাকে। এওঁলোকে বৰ খাব পাৰে আৰু বহুতে মদ্যপানো কৰে। এওঁলোক যদিও কামুক, কিন্তু পাশৱিক নহয়।

এওঁলোকে সমাজত সদায় উচ্চস্থান অধিকাৰ কৰে। সমাজৰ

শাসক, নেতা, ডাঙৰ ধৰ্মযাজক, ডাঙৰ সেনাপতি আৰু ডাঙৰ ৰাজনীতিজ্ঞ হয়। এওঁলোকে যেতিয়া কোনো বিষয়ত যুঁজে মনত কোনো শঙ্কা অথবা দ্বিধা নেৰাখি একান্তভাৱেই যুঁজে। এওঁলোকে প্ৰতাৰণা, মিছা, ভণ্ডামি আৰু হিংসা আদি বেয়া পায়। এওঁলোক শান্তিপ্ৰিয়। অলপতে সন্তুষ্ট হয়। এওলোকৰ যথেষ্ট বন্ধু-বান্ধৱ থাকে। এওঁলোকে উচ্চখাপৰ বাদ্যঝঙ্কাৰ শুনি ভাল পায়। ৰঙৰ ভিতৰত উজ্জ্বল বা বগা ৰং ভাল পায়। এওলোক চিত্ৰকৰ হ'লে উচ্চ খাপৰ চিত্ৰকৰ হয়। গায়ক হ'লেও ভাল গায়ক হয়। এওঁলোকে ধৰ্মীয় সঙ্গীত ভাল পায। কৰতলত এওঁৰ বৃহস্পতিৰ পৰ্বত সুগঠিত হৈ থাকে।

শনি গ্ৰহৰ দ্বাৰা প্ৰভাৱিত আৰু চালিত ব্যক্তি

এই জাতকৰ দেহাবয়ব দীঘল। এওৰ নাম 'শনীয়া' ৰাখিছোঁ। মানুহজন পাতল আৰু নিস্তেজ। গাৰ ছাল শুকান আৰু খহটা। চুলিবোৰ দীঘল আৰু মিহি। মুখৰ আকৃতি দীঘলীয়া। গালবোৰ সোমাই যোৱা। হনু ওলোৱা। চকুৰ ভুৰু আৰম্ভণিতে অলপ ওপৰমুৱা হৈ আহি মাজতে লগ লগা। কিন্তু ভুৰুৰ ৰঙ বেছি ক'লা। চকুবোৰ গাঁতৰ ভিতৰ সোমোৱা। দৃষ্টি খঙাল আৰু সন্দেহবাদী। চকুৰ বগাখিনি এওঁৰ হালধীয়া। কাণবোৰ ডাঙৰ ডাঙৰ। নাকটো পাতল কিন্তু জোঙা। নাকৰ ফুটা বহল। ওঁঠ দুটা পাতল। দাঁতবোৰ ধুনীয়া, কিন্তু সোনকালেই বেয়া হৈ যায়। থুতৰিটো দীঘল, তলৰ ফালে মোটা। ডিঙিটো দীঘল। শিৰবোৰ ওলোৱা। মুখত যথেষ্ট ডাঢ়ি। বুকুখন ঠেক কিন্তু চুলীয়া। কান্ধ দুখন ওখ ওখ। হাত দুখন পেশীযুক্ত। দেখিবলৈ প্ৰায় কুৎচিৎ। এওঁৰ আঙুলিবোৰ দীঘল কিন্তু বৰ গাঁঠিয়া। বিশেষকৈ মধ্যমা (শনিৰ) আঙুলিটো বৰ দীঘল আৰু প্ৰথম পৰ্বৰ গাঁঠিটিও ডাঙৰ। এই আঙুলিৰ মূৰটো স্থূলাগ্ৰ।

বেয়াভাৱে প্ৰভাৱিত এই শনীয়াবোৰৰ চুলি কেঁকোৰা, কুঞ্চিত। মানুহজন অলপ লেঙেৰা (শনি নিজেও লেঙেৰা) ধৰণৰ। চুলিও কম। দেখাত, ভয়লগা। আঙুলিবোৰ বৰ বেয়াকৈ দীঘলীয়া।

এই জাতকে মস্তিষ্ক সম্বন্ধীয় স্নায়ুৰ দোষত ভোগে বাবে বৰ খিট্‌খিটীয়া মেজাজৰ মানুহ হয়। এওঁলোক অলপ বেছি ধৰণৰ ধাৰ্মিক হয়। কেতিয়াবা 'ধৰ্ম ধৰ্ম' বুলি পাগলেই হয়। এওঁলোকৰ গাত যিবোৰ দুৰ্ঘটনা ঘটে, সেইবোৰ সাধাৰণতে ভৰিতেই ঘটে। প্ৰায়বোৰ লেঙেৰা মানুহ শনিৰেই মানুহ। এওঁৰ জীৱনটি বৰ বিৰক্তিজনক হয়। এওঁ পানী বৰকৈ ভাল নেপায়। ৰঙৰ ভিতৰত ক'লা ৰ ভাল পায়। গান-বাজানাৰ ভিতৰত অতি শোকৰ সঙ্গীত ভাল পায়। বিশেষকৈ মৃত্যু সঙ্গীত। এওঁ খেতি ভাল পায়। নিজৰ দেশ এৰি বাহিৰত যাব নোখোজে। বিশেষকৈ গাৱঁলীয়া জীৱন ভাল পায়। এওঁৰ চৰিত্ৰ বৰ শোকজনক। আনহাতে, এওঁ বৰ বিজ্ঞ হয়। এওঁ দেশৰ অৰ্থনৈতিক অৱস্থা আৰু ধৰ্ম সম্বন্ধে আলোচনা কৰি ভাল পায়। এনেকি এওঁ ৰসায়ন শাস্ত্ৰ চিকিৎসাবিদ্যা, উচ্চ থাপৰ অঙ্ক আৰু গুপ্তবিদ্যা আদি বৰ ভাল পায়। এই জাতকৰ এটি অদ্ভুত শক্তি আছে—এওঁ অতি সহজে বুজিব পাৰে মাটিৰ কোনখিনিত কয়লা খনি অথবা তেলৰ পুং আছে। এওঁ কাকো সন্মান নেদেখুৱায়। আনক বিদ্ৰোহ কৰিবলৈ উৎসাহ দিয়ে কিন্তু নিজে তাত অংশ নলয়। ললেও সামান্য ভাবেহে। বৰ কঠোৰ কটা পুৰোহিতবোৰেই শনীয়া'। সন্ন্যাসীবোৰো বেছিভাগেই শনীয়া। খুহটীয়া কথাৰে মানুহক বগৰাই ইঁহুৱাব পৰা শক্তি থকা বহুৱাবোৰৰ বেছিভাগেই শনীয়া। জেলৰ কয়দীবোৰৰ শতকৰা ৭৫ ভাগেই শনীয়া।

শনীয়াবোৰৰ জীৱন বৰ দুখৰ। এই বাবেই অৱশেষত মানুহৰ ওপৰত এওঁলোকৰ ঘৃণা আছে। নিজৰ ঘৈণীয়েক আৰু সন্তানকো বৰ ঠাণ্ডা মগজুৰেই হত্যা কৰিব পাৰে। এওঁলোক বৰ কৃপণ।

এওঁলোকে জুৱা খেলিলেও বৰ ধৈৰ্য্য সহকাৰে খেলে। এওঁলোকে নি সঙ্গতা আৰু নীৰৱতা বৰ ভাল পায়। এওঁলোক দাৰ্শনিকৰ দৰে। বৰ কষ্টসহিষ্ণু। এওঁলোকে অন্য সমাজত কি ঘটিছে কি নঘটিছে সেইবোৰলৈ সিমান খবৰ নেৰাখে। এওঁৰ কৰতলত শনিৰ পৰ্বত উচ্চ হৈ থাকে।

এইবাৰ সূৰ্য্যগ্ৰহৰ দ্বাৰা প্ৰভাৱিত আৰু চালিত ব্যক্তিৰ বিষয়ে আলোচনা কৰোঁ।

এই ব্যক্তিক 'সূৰ্য্যা' নাম দিব খোজো। এওলোক সাধাৰণতে অলপহে ওখ হয়। গাৰ বৰণ সোণবৰণীয়া। মুখখন কিন্তু ধুনীয়া। ডাটি আৰু চুলি যথেষ্ট। চুলিবোৰ কোমল আৰু ঢউ খেলোৱা। চকুবোৰ বহল বহল। বাদামী ৰঙৰ। এওঁৰ মাত-কথা খোলা আৰু মধুৰ। চকুৰ ভ্ৰূ ধুনীয়াকৈ ধেনু ভিৰীয়া। মাত বৰ শক্তিশালী হ'লেও মিঠা। থুতৰিটো ঘূৰণীয়া। কাণ সৰু সৰু। মুখখন মধ্যমীয়া। ডিঙিটো দীঘল, ধুনীয়া, মাংসল। মানুহজন বৰ ছটফটীয়া নহয়। আঙুলিবোৰ মিহি, ধুনীয়া চাৰিচুকীয়া। সূৰ্য্যৰ আঙুলিৰ মূৰটো ডিম্বাকৃতি। বৰ দৃঢ়ভাৱে খোজ কাঢ়ে। আঙুলি স্বাভাৱিক। কিন্তু ইয়াৰ দ্বিতীয় পৰ্বটি অলপ দীঘলীয়া।

এওঁ প্ৰায় হৃদযন্ত্ৰৰ অসুখত ভোগে। চকুৰ অসুখ অৰ্থাৎ দৃষ্টিশক্তিহীনতাত ভোগে। অগ্নিত এওঁৰ ভীষণ ভয়। সাধাৰণতে এওঁ ভাল বস্তুকেই ভাল পায়। স্বাস্থ্য উত্তম।

এই 'সূৰ্য্যা'বোৰ বৰ বুদ্ধিমান আৰু প্ৰতিভাশালী লোক হয়। এওঁলোকে যি কোনো বস্তু বেছিকৈ অধ্যয়ন নকৰিও দৈৱানুভূতিৰে তুৰন্তে আয়ত্ত কৰিব পাৰে। এওঁলোকে ধুনীয়া কাপোৰ, জাক্‌-জমকতাপূৰ্ণ অলঙ্কাৰ-পাতি, মূল্যবান আচবাব-পত্ৰ আদি বৰ ভাল পায়। এই জাতক কম দিনৰ ভিতৰতেই আকৰ্ষণৰ কেন্দ্ৰ হৈ উঠে। এওঁ য'তেই হাত দিয়ে তাতেই যেন সোণ হৈ পৰে। অতি সোনকালেই

মিত্র যিমান গোটায়, শত্রুও সিমানেই গোটায়। কিন্তু সকলোকে জয় কৰিছে এবে। এওঁলোকে অতি অনায়াসেই উচ্চ পদ পায় আৰু কষ্ট নকৰাকৈয়ে বহু ধন ঘটে। এওঁ অন্ধবিশ্বাসী বা কুস স্কাৰাপন্ন নহয়। গুপ্তবিদ্যা এওঁৰ অতি প্ৰিয়। নিজৰ দৈবানুভূতিৰে এওঁ বহু জটিল কথাও তুৰন্তে বুজি পায়। স্বামী ৰূপে এওঁ সিমান উপযুক্ত নহয়। এওঁৰ হঠাতে ভীষণ খ উঠে, আকৌ হঠাতে নাইকিয়া হয়। এও অত্যন্ত খোলা অন্তৰৰ আৰু স্পষ্টবাদী হয। ডাঙৰ ভ্ৰমণকাৰীও হয়। নিজে বিখ্যাত হ'বলৈ আৰু নিজৰ নাম চাৰিও-ফালে প্ৰচাৰ কৰিবলৈ এই জাতক বৰ আগ্ৰহী হয। এইবোৰ কৰাৰ ফলত শত্রু যথেষ্ট বাঢি যায়। এওঁ ৰঙৰ ভিত ৩ খাটি ৰং ভাল পায়, আৰু গানৰ ভিতৰত খাটি, মধুৰ সঙ্গীত ভাল পায। এই জাতকৰ কৰতলৰ সূৰ্য্য-পৰ্বতটি সুগঠিত আৰু উচ্চ হৈ থাকে।

বুধগ্ৰহৰ দ্বাৰা প্ৰভাৱিত আৰু চালিত ব্যক্তি

এই ব্যক্তিৰ নাম 'বুধীয়া' বোলাই বাঞ্ছনীয়। এওলোক বেছি ওখ পাখ নহয় কিন্তু গাৰ গঠন বৰ শক্তিশালী হয়। এওঁলোকৰ মুখবোৰ বেছি বয়সতো কোমল বযসৰ যেন লাগে। গাৰ ৰং বৰ পাতল, বগা। চুলি ঘন, ক'লা, শেহৰ ফালে অলপ ভাঁজ খোৱা। এওঁলোকৰ মনৰ ভাবৰ সৈতে ঘনে ঘনে মুখৰ ভাবো সলনি হোৱা দেখা যায। দৃষ্টিশক্তি বৰ চোকা। চকুৰ ভ্ৰূ পাতল, ধেনুভিৰীয়া, মাজত লগ লগা। চকু দুটি বৰ গভীৰ। ওঁঠ দুটা পাতল। মুখখন আধা মেলখোৱা। নাক দীঘল আৰু পোন। থুতৰি দীঘল। দাঁতবোৰ সৰু। ডিঙিটো দীঘল। বুকু বহল। এওঁৰ মাত বৰ দুৰ্বল। অঙ্গ-প্ৰত্যঙ্গবোৰ পেশীযুক্ত। হাড়বোৰ সৰু। এওঁলোকৰ হাতবোৰ দীঘল। আঙুলিৰ গঢন কেইবা ধৰণৰো। বিশেষকৈ চতুৰ্থ আঙুলিৰ মূৰটো ডিম্বাকৃতি। আৰু এই আঙুলি দীঘল হয। বাকী আঙুলিবোৰ মিহি হয়। বুঢা আঙুলি দীঘল হয়।

আৰু ইয়াৰ দ্বিতীয় পৰ্বটো দীঘলীয়া হয়। যেতিয়া এই 'বুধীয়া'ৰ কৰতলৰ বুধৰ পৰ্বত বেয়া হয় আৰু বহুতো চুটি চুটি ৰেখাৰে কৰ্তিত হয়, তেতিয়া এওঁৰ মূৰৰ চুলিবোৰ জপৰা-জপৰি হৈ থাকে। গাৰ বগা বং ক'লা হয়। চকু নিস্তেজ, শেতা পৰা। স্বভাব হিংসুক আৰু ঘৃননীয় হয়। সুবুদ্ধি দুৰ্বুদ্ধিত পৰিণত হয। ঠগ-প্ৰবঞ্চক হৈ মানুহক প্ৰতাৰিত কৰে। এওঁৰ বুধৰ আঙুলিটো (কনিষ্ঠা) দীঘল কিন্তু, ভ াজখোৱা আৰু পাকখোৱা হয়।

এই জাতকে বিশেষভাবে বদ্‌হজমী ৰোগত ভোগে। যকৃতৰ দোষ প্ৰায় থাকেই। এও 'শনিয়া'ৰ দৰে মস্তিষ্কৰ স্নায়ুৰোগৰ বাবে বৰ কক্ষ মেজাজী হৈ পৰে। এওঁৰ জীৱনত যিবোৰ দুৰ্ঘটনা ঘটে সেইবোৰ প্ৰাযভাগ হাততেই ঘটে। আৰু এইবোৰ ঘটে এওঁৰ খৰতকীয়া চলন ফুৰণৰ বাবেই। কেতিযা, কেনেকৈ দুৰ্ঘটনা ঘটিব সেইবোৰ বুধৰ পৰ্বততেই চিনিব পাৰি। এই 'বুধীয়া'বোৰ চিন্তা আৰু কৰ্মত বৰ খৰতকীয়া। এও সকলো বিষয়ত বৰ বুধিষক। বিশেষকৈ তৰ্ক প্ৰতিযোগিতাত এও পুৰস্কাৰ পাবই। এওঁ মানুহৰ চৰিত্ৰৰ বৰ ডাঙৰ বিচাৰক। এওঁ অক্লান্তভাৱে সকলো পৰিকল্পনা কৰে আৰু বন্ধু-বান্ধৱসকলৰ ওপৰত প্ৰভুত্ব বজায় ৰাখে। মানুহৰ চৰিত্ৰ বিষয়ত যিবোৰ শিল্প-সাহিত্য আছে সেইবোৰত এওঁলোকৰ বৰ স্পৃহা। এওঁলোক বৰ বুধিয়ক আৰু বেপাৰীস্বৰূপে অজস্ৰ ধন ঘটে। এওঁলোক ছাত্ৰক বিশ্বাস জন্মাব পৰা শিক্ষক, আৱিষ্কাৰকৰ্তা আৰু ডাঙৰ উকীল, ইঞ্জিনীয়াৰ অথবা ডাক্তৰ হয়। এই জাতক ভ্ৰমণপ্ৰিয় আৰু প্ৰকৃতিপ্ৰিয়। নিজৰ পত্নী আৰু ল'ৰা-ছোৱালীক অত্যন্ত মৰম কৰে। এওঁলোক বৰ লৰামতীয়া। কৰ্মচাৰী হ'লে প্ৰায় কেহিয়াৰ বা ট্ৰেজাৰাৰ চাকৰি পায। কিন্তু যেতিয়া বুধৰ এই পৰ্বত অত্যধিক উচ্চ হয়, চুটি চুটি ৰেখাৰে কৰ্তিত হয়, কনিষ্ঠা আঙুলি দীঘল বেঁকা, পাক খোৱা হয় তেতিয়া এই জাতকে চুৰি-ডকাইতি, ঠগ-প্ৰবঞ্চনা সকলো কৰিব পাৰে। এনেকি আনক ঠগিবলৈ যাওঁতে

কেতিয়াবা নিজেও ঠগ খায়। জীপ চীবোবৰ প্ৰায়ভাগেই এই 'বুধীয়া' শ্ৰেণীৰ। যেতিয়া এইবোৰ বেয়া চিন নেথাকে, বুধীয়াক অত্যন্ত ভাল মানুহ বুলি ধৰিব পাৰি। এওঁলোকে গান-বাজনাৰ ভিতৰত সুমধুৰ সঙ্গীত ভাল পায়। আৰু বাদ্যযন্ত্ৰ বজোৱাত বৰ পাকৈত হয়। ৰঙৰ ভিতৰত এওঁলোকে বগা ৰং ভাল পায়।

মঙ্গল গ্ৰহৰ প্ৰভাৱ থকা ব্যক্তি •

মই এই জাতকৰ নাম দিছো 'মঙ্গলু' বা 'মঙ্গলা'। কৰতলৰ মঙ্গলৰ পৰ্বত সুগঠিত হ'লে এই জাতক বেছ হৃষ্ট-পুষ্ট আৰু ওখ হয়। মূৰৰ পিচৰ ফালটোৰ তলডোখৰ বেছি বহল। ওপৰ খণ্ড সৰু আৰু জোঙাৰ দৰে। গলধন বেছি শক্তিশালী আৰু চুটি শিৰ ওলোৱা। গাৰ ছাল অলপ ৰঙচুৱা। চুলিবোৰ কেঁকোৰা। মুখমণ্ডল ঘূৰণীয়া। চকুত উজ্জ্বল, তীব্ৰ আৰু কঠোৰ দৃষ্টি। চকুৰ মণি পিঙ্গল বৰ্ণ। মুখখন বহল। কিন্তু ওঁঠ পাতল। দাঁতবোৰ সৰু কিন্তু কুকুৰৰ দৰে শাৰীযুক্ত। চকুৰ ভুৰু ডাঠ পোন আৰু চকুতকৈ অলপহে ওপৰত। মুখমণ্ডলত আদেশকাৰীৰ মনোভাৱ। নাক জোঙা আৰু দীঘল। নাকৰ আগটো চৰাইৰ ঠোঁটৰ দৰে তলৰ ফালে অলপ ভাঁজ খোৱা। কাণবোৰ সৰু, ডাঢ়িবোৰ চুটি চুটি—খুৰাবলৈ বৰ টান। গালকেইখন পাতল। কিন্তু হাড় ওলোৱা। বুকু ওখ, কান্ধ বহল। ভৰিবোৰ সুগঠিত। কিন্তু কৰঙন শকত আৰু চুটি। কণ্ঠস্বৰ শক্তিশালী—আদেশ দিওঁতাৰ সুৰ। চাল-চলন ভীষণ বেগী। অত্যন্ত তজ্‌বজীয়া বাবে ঘূৰাঘূৰি কৰোঁতেই ওচৰত থকা বাচন-বৰ্তন খুন্দিয়াই ভাঙি পেলায়। আঙুলিবোৰ শকত আৰু বৰ চুটি। হাতবোৰ বৰ টান আৰু শক্তিশালী। বুঢ়া আঙুলিৰ প্ৰথম পৰ্ব দীঘল আৰু বহল।

কিন্তু যেতিয়া মঙ্গলুৰ মঙ্গলৰ পৰ্বত অত্যধিক উচ্চ হয় আৰু মঙ্গলৰ পৰ্বত চুটি চুটি ৰেখাৰে কৰ্তিত হয়, তেতিয়া এই জাতকৰ চকু দ,

ভিতৰ সোমোৱা, ৰঙা আৰু ভয় লগা হয়। মানুহজন চুটি হয়। মুখখন ভাঁজ খোৱা হয়। ছালত ৰঙা ৰঙা ফোঁট চিহ্ন থাকে। কাণবোৰ দীঘল। ডাটিবোৰ থিয় আৰু জোঙাল। হাতবোৰ বৰ শকত আৰু চুটি হয়। বুঢ়া আঙুলিৰ প্ৰথম পৰ্ব গদাৰ মূৰৰ দৰে চুটি আৰু মোটা হয়।

মঙ্গলৰ পৰ্বত স্বাভাৱিক, সুগঠিত হ'লে এই জাতকে সকলো সময়তে আনন্দত থাকে। এওঁ বৰ যুজাৰু হয়। ৰক্ত বৰ উচ্চ খাপৰ হয়। কাজিয়াত ভীষণভাৱে আঘাতপ্ৰাপ্ত হ'বলৈ ভয় থাকে। এওঁ মৃগী ৰোগ আৰু ছালৰ বেমাৰত ভোগাৰ সম্ভাৱনা থাকে। এনেকি শৰীৰৰ ভিতৰৰ কোনো অঙ্গ বৰ্দ্ধিত অথবা, প্ৰদাহিত হ'ব পাৰে। এই জাতকে প্ৰায়েই যুদ্ধক্ষেত্ৰত অথবা সংঘৰ্ষত মৃত্যু বৰণ কৰে। কেতিয়াবা শত্ৰুক হত্যা কৰি ফাঁচী কাঠতো মৃত্যু বৰণ কৰে।

এওঁৰ চৰিত্ৰ বৰ উদাৰ আৰু দানশীল। হৃদয় মহৎ। বন্ধুপ্ৰিয় ভীষণ সাহসী। যিটো কামত ধৰিব সেইটো সম্পূৰ্ণ তথা কৃতকাৰ্য্য কৰিবলৈ মানুহ হত্যা কৰিব লাগিলেও কৰিব। জাতক অতি উৎসাহী, অতি শক্তিশালী। লক্ষ্যস্থল নোপোৱালৈকে কোনো কষ্টকেই 'কষ্ট' বুলি নেভাবে। এওঁ সকলো কাম সাহসৰ দ্বাৰাই সিদ্ধি কৰে। এওঁৰ মনোভাৱত পাপ নাই। কিন্তু বৰ খঙাল। এওঁ যিটো কথা বুজিব নোৱাৰে সেইটো কথা তেওঁ মানি নলয়। এওঁ অতি ভোজনপ্ৰিয় আৰু আনক খুৱাবলৈকো ভাল পায়। এওঁ মদ্যপানো কৰে। সংঘৰ্ষত এওঁ সদায় সন্মুখত থাকিব বিচাৰে। পণ্ডিতৰ পণ্ডিতালিক মুখৰ আগতে ঘৃণা কৰি দেখুৱায়। এওঁ চিকাৰ কৰি ভাল পায়। নতুবা কচাইৰ দোকানলৈ গৈ ভাল পায়। এওঁ চিত্ৰ আকিলে বনত চিকাৰ কৰা চিত্ৰ অথবা যুদ্ধৰ কুচকাৱাজ কৰা চিত্ৰ আকি ভাল পায়। এওঁ সৈন্য বিভাগৰ পোষ্ট মাৰ্চৰ সঙ্গীত অথবা যুদ্ধ সঙ্গীত বেছি পছন্দ কৰে। এওঁ বাদ্যযন্ত্ৰৰ উচ্চ খাপৰ ঝঙ্কাৰ আদিও খুব পছন্দ কৰে। এওঁ কিতাপ লিখিলেও ভীষণভাৱে ৰক্তপাত হোৱা ঘটনাৰ কাহিনী

বর্ণনা কৰি অথবা যুদ্ধৰ ভয়ানক ঘটনাৱলী লিখি ভাল পায়। এওঁ ৰঙা ৰংটো খুব পছন্দ কৰে।

যদি জাতকৰ কৰতলৰ মঙ্গলৰ পৰ্বত বৰ বেয়াভাবে গঠিত হয় তেন্তে এই জাতক ভয়ঙ্কৰ দস্যু, ডকাইত আৰু গুণ্ডা আদি হৈ সমাজৰ ভীষণ অপকাৰ সাধিব। এই ধৰণৰ মঙ্গলুবোৰৰ বহুতেই কাৰাগাৰত আহি ফাঁচীৰ মঞ্চত প্ৰাণ বিসৰ্জন দিয়ে। অথবা যাবৎজীৱন কাৰাদণ্ড ভোগ কৰে।

এইবাৰ আমি চন্দ্ৰৰ দ্বাৰা প্ৰভাৱিত আৰু চালিত ব্যক্তিৰ বিষয়ে আলোচনা কৰোঁ

মই এই ব্যক্তিৰ নাম দিছো চণ্ডু'। জাতিকা হ'লে 'চন্দ্ৰা'। এই জাতক সাধাৰণতে ওখ-পাখ লোক হয়। এওঁলোকৰ মূৰটো ঘূৰণীয়া হলেও মূৰৰ ওপৰ ভাগ অলপ বেছি বহল হয়। এওলোকৰ চকুৰ ভ্ৰূবোৰ অলপ ওখহাৰ দৰে গোটেই চকু আৱৰি থাকে। গাৰ বৰণ বগা, কেতিয়াবা ঠাই বুজি অলপ গোলাপী ৰঙৰো হয়। গাৰ মাংস কোমল যদিও পেশীযুক্ত। গাত বেছি নোম নেথাকে। কিন্তু মূৰৰ চুলি পাতল যদিও ধুনীয়া। মুখখন সৰু আৰু ওঁঠ দুটা শকত। নাকটো সৰু কিন্তু নাকৰ আগটো ঘূৰণীয়া। দাঁতবোৰ দীঘলীয়া। দাঁতৰ পাৰীবোৰ বেয়া—ওলাই থকা। চকুবোৰ ডাঙৰ। চকুৰ পতাও শকত আৰু বহল। চকুৰ চাৱনি নিস্তেজ। চকুত পানীয়ে জল-মলাই থকা যেন লাগে। কাণবোৰ ডাঙৰ, মূৰত লাগি থকা ধৰণৰ। থুতৰিটো গধুৰ আৰু শকত। ডিঙি দীঘলীয়া। পেটবোৰ উখহাৰ দৰে। ভৰিবোৰ শকত-আৱৃত। ভৰিৰ তলুৱা ডাঙৰ আৰু দীঘল। হাতবোৰ শকত-আৱৃত। দেখিবলৈ এনে যেন শৰীৰটো পানীৰেই ভৰি আছে। বুঢ়া আঙুলি হাতৰ বহুত তলত নমা।

এওঁলোকৰ বক্ত বেছি ওখ খাপৰ নহয়। বৰ বেছি কষ্ট কৰিব নোৱাৰা বিধৰ লোক। এওঁলোকে দাঁতৰ আৰু চকুৰ অসুখত

ভোগে। এওঁলোকৰ বহুতেই মতিভ্ৰম ৰোগত ভোগে। কেতিয়াবা এইবাবে দুই-এজন পাগলাৰ দৰেও হৈ যায়। এওঁলোকে পক্ষাঘাত, মৃগী আদি ৰোগতো ভোগে। কেতিয়াবা স্নায়ুৰ টনাটনিৰ ফলত এওঁলোকৰ শৰীৰৰ কোনো অঙ্গ-প্ৰত্যঙ্গ কঁপিব ধৰে। তদুপৰি এওঁলোকৰ নাড়ীৰ, যৌনাঙ্গৰ, পেটৰ অসুখ আছেই। ইফালে বাতবিষ আৰু গাঁঠি বিষো আছে।

এওঁলোকৰ বেছিভাগেই অবিশ্বাসী আৰু স্বাৰ্থপৰ। এওঁলোকে একে ঠাইতে থাকিবলৈ বৰ বেয়া পায়। ভ্ৰমণ এওঁলোকৰ অতি প্ৰিয়। পত্নীক ভালপোৱাৰ ক্ষেত্ৰত এওঁলোক বৰ দুৰ্বল আৰু স্বামীৰ অনুপযুক্ত। এওঁলোকৰ প্ৰায়ভাগেই চৰিত্ৰহীন। এওলোকে শিল্প-সাহিত্য কিছু পৰিমাণে ভাল পায় যদিও কবিতা আৰু গান বিশেষভাৱে পছন্দ কৰে। মধুৰ সঙ্গীত এওলোকৰ বেছি প্ৰিয়। পুৰুষবোৰৰ প্ৰায়ভাগৰেই স্বভাৱ তিৰোতাৰ দৰে। এওঁলোকে চন্দ্ৰৰ দ্বাৰা প্ৰভাবিত হোৱাৰ বাবে 'পানী'য়েই এওঁলোকৰ অতি প্ৰিয়। গতিকে এওঁলোকৰ কোনো প্ৰতিজ্ঞা এওঁলোকে কেতিয়াও ৰক্ষা নকৰে। এওঁলোকে কটা মদ খাই ভাল পায়। ৰঙৰ ভিতৰত এওঁলোকে ৰূপালী ৰ, বগা আৰু অলপ বগা-হালধীয়া ৰং ভাল পায়। কিন্তু এওঁলোকৰ প্ৰায়ভাগেই কাপুৰুষ, মিছলীয়া, কামুক, চিন্তাহীন, ববকথকী আৰু বৰ স্বাৰ্থপৰ হয়। তিৰোবোৰো এই ধৰণৰেই হয়। বহুতেই যৌনাঙ্গৰ অসুখত ভোগে। এই গ'ল 'চণ্ডু' আৰু 'চন্দ্ৰা'ৰ কথা।

শুক্ৰ গ্ৰহৰ দ্বাৰা প্ৰভাৱাধীন ব্যক্তি

এই ব্যক্তিক 'শুক্ৰা' নাম দিব পাৰি। এওঁলোকে বৃহস্পতীয়া-সকলৰ দৰে ওখ-পাখ হয়। চৰিত্ৰত তিৰোতা মানুহৰ চৰিত্ৰৰ লগত খুব মিল আছে। এওঁলোক কিন্তু বৰ নি স্বাৰ্থ। দেখাত এওঁলোকো বগা আৰু অলপ গোলাপী ৰঙৰ। মুখখন ঘূৰণীয়া। মুখত কোনো

হাড়ৰ চিন ওলোৱা দেখা নেযায়। গালবোৰ মিহি আৰু প্ৰায়ে টোলপৰা (Dimple)। এওঁলোকৰ চুলিবোৰ দীঘল, ঘন, ক'লা আৰু মৃত্যুৰ সময়লৈকে থাকে। নাকটো দীঘল ঘূৰণীয়া। কিন্তু গুৰিত অলপ বহল। চকুবোৰ বহল বহল, ধুনীয়া, পৰিষ্কাৰ, মৰমিয়াল আৰু দৃষ্টি মিঠা মিঠা। চকুৰ মণিটো বহল আৰু চকুৰ পতা ৰূপালী। চকুৰ ভিতৰত নালাভ শিৰ দেখা যায়। মুখখন সৰু। কিন্তু ওঁঠ দুটা ডাঠ আৰু ৰঙা। দাঁতবোৰ বগা আৰু পাৰিবোৰ ভাল। থুতৰিটো ঘূৰণীয়া, ধুনীয়া আৰু অলপ দীঘলীয়া। কাণবোৰ সৰু কিন্তু দেখিব বৰ ভাল। গলধন বগা, ৰাঙোচিত আৰু মাংসল। কান্ধ দুখন সৰু আৰু তললৈ নমা। তপিনা উঠা, কৰঙ্গন দীঘল, গাঁঠিবোৰ সৰু, ভৰিৰ তলুৱা খৰমৰ দৰে উঠা আৰু হাত-ভৰিৰ আঙুলি চুটি।

যদি শুক্ৰৰ পৰ্বত অত্যধিক ওখ হয় আৰু চুটি চুটি ৰেখাৰে এই পৰ্বত কৰ্তিত হয়, দুই-তিনিটা শুক্ৰবলয় থাকে আৰু আয়ুসৰেখা যদি দুৰ্বল হয় তেন্তে এই জাতকৰ শৰীৰ বৰ মাংসল হয়। চকুবোৰ সোমাই যোৱা আৰু বৰ কামোদ্দীপক হ'ব। চুলিবোৰ ৰঙচুৱা হ'ব। খোজ কাঢোতে অলপ লেঙেৰাই খোজ কাঢিব। পেটটো ওলোৱা হ'ব। মাত বৰ কৰ্কশ হ'ব। আঙুলিবোৰ চুটি, মিহি আৰু শকত হ'ব। হাতবোৰ মাংসল আৰু আগটা হ'ব। চৰিত্ৰ লম্পট, নীচ মনোবৃত্তিসম্পন্ন আৰু আদৰ্শহীন ব্যক্তি হ'ব। এওঁ যিমানেই বুঢ়া হ'ব সিমানেই নীচ আৰু উগ্ৰ হৈ শেষ জীৱন জেলতেই কটাবগৈ।

শুক্ৰৰ ক্ষেত্ৰ তথা পৰ্বত সুগঠিত হ'লে আৰু কৰতলৰ অন্যান্য ৰেখা আদি অনুকূল হ'লে এই 'শুক্ৰা'ৰ স্বভাৱ-চৰিত্ৰ বেছ উৎসাহী, উৎফুল্ল আৰু অমায়িক হ'ব। এওঁলোকে প্ৰেমৰ ক্ষেত্ৰত অসুখী হ'ব। আৰু ইয়াৰ ফলত এই সম্পৰ্কীয় জ্বৰ আদি ৰোগত ভুগিব। এওঁলোকৰ যৌনাঙ্গৰ অসুখো কিছু পৰিমাণে থাকিব। তিৰোতা

মানুহ হ'লে সন্তান জন্ম দিয়াত কষ্ট পাব। ইয়াৰ চিহ্ন চন্দ্ৰ-পৰ্বতৰ তলৰ খণ্ডত পায়। এই শুক্ৰাইঁতৰ প্ৰায়ভাগেই ৰক্ত-দূষিত ৰোগত ভোগে—যিটোক সাধাৰণতে 'গণোৰিয়া' বুলি কয়।

এই 'শুক্ৰা'ইঁতে জীৱনত পোৱা অশেষ কষ্টৰ বিনিময়তো 'জীৱন'ক ভাল পায়। এওঁলোক সমাজৰ মুখ্য, সন্মানিত ব্যক্তি স্বৰূপে পৰিচিত হয়। এওলোক বৰ নি স্বাৰ্থ ব্যক্তি হয়। অশেষ দুখ নিৰ্য্যাতন ভোগাৰ পিচতো এওঁলোকৰ মুখত শান্তিৰেই চিন দেখা যায়—যেন পৃথিবীৰ ওপৰত এওঁলোকৰ কোনো অভিযোগ নাই। নিজক কষ্ট দিও আনৰ উপকাৰ সাধিবলৈ এই 'শুক্ৰা'ইঁতৰ চেষ্টাৰ বিৰাম নাই। এওঁলোকৰ এখন অতি মৰমীয়াল অন্তঃকৰণ সদায় থাকেই। মানুহৰ দুখ নিৰ্য্যাতন সম্পৰ্কত এওঁলোকৰ লিখনিয়ে সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। এওঁলোকৰ প্ৰায়ভাগ লিখনিয়েই দুখৰ ৰঙেৰে বোলোৱা হয। পৃথিবীৰ কোনো গায়ক, চিত্ৰকৰ আৰু সাহিত্যিকে পৃথিবীত সুনাম আৰ্জিব নোৱাৰে যদি সেইজন ভাল 'শুক্ৰা' নহয।

দ্বাত্ৰিংশ অধ্যায়

হস্তৰেখা সম্পৰ্কে বহু কথা লিখা হ'ল যদিও এই ৰেখাৰ সৈতে সম্পৰ্ক থকা জ্যোতিষ বিজ্ঞান সম্পৰ্কেও দুআষাৰ লিখাতো উচিত হ'ব। কাৰণ, মানৱ জীৱন এই গ্ৰহবোৰৰ প্ৰভাৱতে পৰিচালিত হয়। যি মগজুৰ নিৰ্দেশত কৰতলত ৰেখাবোৰ চিহ্নিত হয়, সেই মগজুও গ্ৰহবোৰৰ দ্বাৰাই প্ৰভাৱিত আৰু পৰিচালিত হয়। কৰ্মই কিছু পৰিমাণে আমাৰ ভাগ্য গঠন কৰে যদিও, সম্পূৰ্ণৰূপে ভাগ্য নিৰ্ণায়ক নহয়। থাওকতে ক'ব গ'লে, মাতৃগৰ্ভত স্থান লোৱাৰ লগে লগেই গ্ৰহবোৰে জাতকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব ধৰে। জন্ম লগ্নৰ সময়ত জাতকৰ ওপৰত পৰা গ্ৰহবোৰৰ শুভদৃষ্টি আৰু অশুভ দৃষ্টিৰ মুঠ ফলেই হ'ল আমাৰ কপাল বা ভাগ্য। এই ভাগ্যক আমাৰ সুকৰ্ম আৰু দুষ্কৰ্মৰ দ্বাৰাই আমি কিছু পৰিমাণে পৰিবৰ্তন অথবা পৰিবৰ্ধন কৰি লওঁ মাথো। যেনে, কোনো নদীৰ প্ৰৱল সোতত পৰি তাৰপৰা ৰক্ষা পাবলৈ অথবা পাৰ পাবলৈ সাতুৰি-নাদুৰি চেষ্টা কৰোঁ যদিও, সোতে আমাক অলপ নহয় অলপ দূৰ উটুৱাই নিবই।

তেনেকৈ শুভ গ্ৰহৰ সহায়ত অশুভ গ্ৰহৰ কালসোঁতৰ গৰাহৰপৰা আমি নিজক ৰক্ষা কৰিবলৈ আমাৰ কৰ্মৰ দ্বাৰাই চেষ্টা কৰোঁ যদিও দুৰ্যোগ আমি কম-বেছি ভুগিবই লাগিব। গতিকে কোন গ্ৰহই আমাৰ জীৱনৰ ওপৰত কিৰূপ প্ৰভাৱ বিস্তাৰ কৰে সেই সম্পৰ্কে পূৰ্বে যথেষ্ট কৈছো। আপোনালোকে জানে যে, মূল গ্ৰহ সাতটি আছে। আৰু এই সাতোটি গ্ৰহৰ বাৰটি ঘৰ অথবা ৰাশি আছে। ৰাশি-কেইটাৰ নাম আগতে কৈছোৱেই। এইবাৰ কোন ৰাশিৰ অধিপতি কোন গ্ৰহ সেই সম্পৰ্কত পিচৰ পৃষ্ঠাৰ ছবিখন চাওক।



চিত্ৰ নং—৩৩৯

গ্ৰহ তিনি প্ৰকাৰৰ হয়, যেনে—

(১) তৰাগ্ৰহ, (২) দ্বীপ্ত গ্ৰহ আৰু (৩) তমোময় গ্ৰহ।

(১) তৰাগ্ৰহবোৰ হ'ল মঙ্গল, বুধ, বৃহস্পতি, শুক্ৰ আৰু শনি।

(২) দ্বীপ্তগ্ৰহবোৰ সূৰ্য্য আৰু চন্দ্ৰ।

(৩) তমোময় গ্ৰহবোৰ ৰাহু আৰু কেতু।

কোন গ্ৰহ সূৰ্য্যৰপৰা কিমান দূৰৈত ?

বুধ গ্ৰহ	সূৰ্য্যৰপৰা	৩ কোটি ৫৭	লক্ষ	মাইল	দূৰৈত
শুক্ৰ গ্ৰহ	” ”	৫ কোটি ৭০	”	”	”
পৃথিবী গ্ৰহ	” ”	৯ কোটি ২৭	”	”	”
মঙ্গল গ্ৰহ	” ”	১৪ কোটি ১০	”	”	”
বৃহস্পতি গ্ৰহ	” ”	৪৮ কোটি ৩০	”	”	”
শনি গ্ৰহ	” ”	৮৮ কোটি ৪০	”	”	”

কোন গ্ৰহৰ কি ৰং ?

সূৰ্য্য গ্ৰহৰ ৰং (প্ৰকাণ্ড অগ্নিকুণ্ড)	ৰক্তবৰ্ণ
বুধ গ্ৰহৰ ৰং	সামান্য বগা
শুক্ৰ গ্ৰহৰ ৰং	কিঞ্চিৎ নীলা
মঙ্গল গ্ৰহৰ ৰং	সামান্য ৰঙা
বৃহস্পতি গ্ৰহৰ ৰং	উজ্জ্বল বৰ্ণ
শনি গ্ৰহৰ ৰং	ঘন নীল বৰ্ণ অথবা ক'লা
চন্দ্ৰ গ্ৰহৰ ৰং	শ্বেত বৰ্ণ

নাম আৰু ৰাশি

ৰাশিৰ নাম	নামৰ প্ৰথম আখৰ
মেষ	অ, আ, ল
বৃষ	ও, ঔ, উ, ঊ, ই, ঈ, এ, ঐ, ব্ৰ, ব
মিথুন	ক, ছ, ঘ
কৰ্কট	ড, হ
সিংহ	ম, ট
কন্যা	প, ঠ, ষ, ন
তুলা	ৰ, ত
বৃশ্চিক	ন, য
ধনু	ফ, ভ, ম
মকৰ	খ, জ
কুম্ভ	গ শ
মীন	দ, চ, থ, ঝ,

কোন তিথিৰ অধিপতি কোন ?

তিথিৰ নাম	অধিপতি	তিথিৰ নাম	অধিপতি
(১) প্ৰতিপদ	অগ্নি	(২) দ্বিতীয়া	প্ৰজাপতি

তিথিৰ নাম	অধিপতি	তিথিৰ নাম	অধিপতি
(৩) তৃতীয়া	গৌৰী	(৪) চতুৰ্থী	গণেশ
(৫) পঞ্চমী	নাগ	(৬) ষষ্ঠী	বৃহস্পতি
(৭) সপ্তমী	সূৰ্য্য	(৮) অষ্টমী	শিৱ
(৯) নৱমী	দুৰ্গা	(১০) দশমী	যম
(১১) একাদশী	বিশ্বকৰ্মা	(১২) দ্বাদশী	হৰি
(১৩) ত্ৰয়োদশী	মদন	(১৪) চতুৰ্দশী	হৰ
(১৫) অমাৱস্যা	পিতৃগণ	(১৬) পূৰ্ণিমা	চন্দ্ৰ

কোন নক্ষত্ৰৰ অধিপতি কোন ?

নক্ষত্ৰৰ নাম	অধিপতিৰ নাম	নক্ষত্ৰৰ নাম	অধিপতিৰ নাম
(১) অশ্বিনী	অশ্বিনী	(১৫) স্বাতী	পবন
(২) ভৰণী	যম	(১৬) বিশাখা	ইন্দ্ৰ আৰু অগ্নি
(৩) কৃত্তিকা	অগ্নি		
(৪) ৰোহিণী	ব্ৰহ্মা	(১৭) অনুৰাধা	মিত্ৰ
(৫) মৃগশিৰা	চন্দ্ৰ	(১৮) জ্যেষ্ঠা	ইন্দ্ৰ
(৬) আৰ্দ্ৰা	শিৱ	(১৯) মূলা	ৰাক্ষস
(৭) পুনৰ্বসু	আদিত্য	(২) পূৰ্বাষাঢ়া	জল
(৮) পুষ্যা	বৃহস্পতি	(২১) উত্তৰষাঢ়া	বিশ্বকৰ্মা
(৯) অশ্লেষা	নাগ	(২২) শ্ৰৱণা	হৰি
(১০) মঘা	পিতৃগণ	(২৩) ধনিষ্ঠা	বসু
(১১) পূৰ্ব ফাল্গুনী	যোনি	(২৪) শতভিষা	বৰুণ
(১২) উত্তৰ ফাল্গুনী	আৰ্য্যমা	(২৫) পূৰ্ব ভাদ্ৰপদ	অজপাদ
(১৩) হস্ত	দিবাকৰ	(২৬) উত্তৰ ভাদ্ৰপদ	অহি ব্ৰহ্মা
(১৪) চিত্ৰা	বিশ্বকৰ্মা	(২৭) ৰেৱতী	পুষা

কোন বাৰৰ অধিপতি কোন ?

(১)	দেওবাৰ	শিৱ	(৫)	বৃহস্পতিবাৰ	ব্ৰহ্মা
(২)	সোমবাৰ	গৌৰী	(৬)	শুক্ৰবাৰ	ইন্দ্ৰ
(৩)	মঙ্গলবাৰ	কাৰ্তিক	(৭)	শনি	যম
(৪)	বুধবাৰ	কৃষ্ণ			

কোন দিশৰ কোন ৰাশি অধিপতি ?

	দিশ	অধিপতি
(১)	পূব আৰু অগ্নিকোণ	মেষ, সিংহ, ধনু
(২)	পশ্চিম আৰু বায়ুকোণ	মিথুন, তুলা, কুম্ভ
(৩)	উত্তৰ আৰু ঈশান কোণ	কৰ্কট, বৃশ্চিক, মীন
(৪)	দক্ষিণ আৰু নৈঋত কোণ	বৃষ, কন্যা, মকৰ



চিত্ৰ নং—৩৪

প্ৰাণঘাতক নক্ষত্ৰ তিথি

যি সকল লোকে নিম্নবৰ্ণিত নক্ষত্ৰত, নিম্নাঙ্কিত তিথিত ব্যাধিগ্ৰস্ত হয়, তেওঁলোকৰ মৃত্যু প্ৰায় সুনিশ্চিত হৈ পৰে।

নক্ষত্ৰৰ নাম	তিথি	নক্ষত্ৰৰ নাম	তিথি
স্বাতী	১৫ অমাবস্যা	ভৰণী	২
জেষ্ঠী	১৮	বিশাখা	১৬
আৰ্দ্ৰা	৬	ধনিষ্ঠা	২৩
অশ্লেষা	৯	কাৰ্তিকা	৩
শতভিষা	২৮		

জন্ম দিনত অথবা শনি-মঙ্গলবাৰে যদি চতুৰ্থী, নৱমী, চতুৰ্দশী অথবা দ্বাদশী তিথিত কোনো মানুহ কোনো ৰোগত আক্ৰান্ত হয় তেন্তে তেওৰ মৃত্যু প্ৰায় সুনিশ্চিত হৈ পৰে।

কোন মাহত জন্মিলে মানুহৰ কি ধৰণৰ প্ৰকৃতি হয়?

বহাগ

এই মাহত জন্মিলে মানুহ হৰিভক্ত, গো ব্ৰাহ্মণৰ সেৱক, নম্ৰ, সুশীল, ধৰ্মপৰায়ণ, সাধু-প্ৰকৃতি, সদ্‌গুণী আৰু জনপ্ৰিয় হয়।

জেঠ

এই মাহত জন্মিলে মানুহ বুদ্ধিমান, ক্ষমাশীল আৰু ডাঙৰ পণ্ডিত হয়।

আষাঢ়

এই মাহত জন্মিলে মানুহ বহুভাষী, প্ৰমোদপ্ৰিয়, প্ৰমত্ত, বহুব্যয়ী আৰু বদহজমৰ ৰোগপীড়িত হয়।

শাওন

এই মাহত জন্মিলে মানুহ ধনী-মানী আৰু বহুতো দাস-দাসীৰ অধিকাৰী হয়।

ভাদ

এই মাহত জন্মিলে জাতক ধীৰ, সুন্দৰ, নাৰীপ্ৰিয়, শত্ৰু দমনকাৰী, কুটিল আৰু বৰ কৰ্মী হয়।

আহিন

এই মাহত জন্মিলে জাতক, কৰ্মঠ, ৰাজপ্ৰিয়, নৃত্যগীতকুশল, তীক্ষ্ণবুদ্ধিৰ, দানী আৰু ধাৰ্মিক হয়।

কাতি

কাতি মাহত জন্মা লোক চতুৰ ব্যবসায়ী, ধনী, বহুভাষী, কূটনীতিজ্ঞ আৰু যুদ্ধবিদ্যা বিশাৰদ হয।

আঘোণ

এই মাহত জন্মিলে ভ্ৰমণশীল, তীৰ্থযাত্ৰী, পৰোপকাৰী, সৎপুৰুষ আৰু সৎ ব্যৱসায়ী হয।

পুহ

এই মাহত জন্ম হোৱা লোক সচৰাচৰ পৈতৃক সম্পত্তিহীন, বহুব্যয়ী আৰু পৰোপকাৰী হয।

মাঘ

এই মাহত জন্মিলে মানুহ বিদ্বান, বিনম্ৰ, সদাচাৰী আৰু প্ৰতাপী হয়।

ফাগুন

এই মাহত জন্মিলে হৃদয়বান, সৌন্দৰ্য্যপ্ৰিয় আৰু মধুৰভাষী হয়।

চ'ত

চ'ত মাহত জন্মিলে সৎকৰ্মী, সৎসঙ্গী, বিজয়ী আৰু সুখভোগী হয়।

কোনবাৰে জন্মিলে জাতকৰ কেনেকুৱা প্ৰবৃত্তি হয়?

দেওবাৰ

এইবাৰত জন্মিলে জাতক ধাৰ্মিক, সহনশীল, আৰু তীৰ্থপৰ্য্যটন-কাৰী হয়।

সোমবাৰ

সোমবাৰে জন্মা লোক সাধাৰণতে বিশ্বাসী, সৌন্দৰ্য্যপ্ৰিয়, ৰমণীপ্ৰিয়, মধুৰভাষী আৰু অল্পভোজী হয়।

মঙ্গলবাৰ

এই বাৰে জন্মিলে যুজাৰু, সাহসী, ক্ৰোধী আৰু পৰস্ত্ৰীগামী হয়।

বুধবাৰ

এই বাৰে জন্মিলে বুদ্ধিমান, শাস্ত্ৰজ্ঞ, সঙ্গীতজ্ঞ, সুন্দৰী, প্ৰণয়ী আৰু মানী হয়।

বৃহস্পতিবাৰ

এই বাৰে জন্ম হোৱা জাতক মধুৰভাষী, শান্ত প্ৰকৃতি, উচ্চাভিলাষী, স্থিৰ বুদ্ধি আৰু শাস্ত্ৰানুৰাগী হয়।

শুক্ৰবাৰ

এই দিনত জন্মিলে মহাধূৰ্ত, নীতিশাস্ত্ৰ বিশাৰদ, দীৰ্ঘজীৱী আৰু কূটনীতিজ্ঞ হয়।

শনিবাৰ

শনিবাৰে জন্ম হোৱা লোক নীচ প্ৰকৃতি, দৰিদ্ৰ, প্ৰবাসী, ৰোগী আৰু কুমাৰ্গী তথা কুসংস্কাৰপন্ন হয়।

ৰাশি-চক্ৰ

ৰাশি	অক্ষৰ আক ইয়াৰ অধিপতি নক্ষত্ৰ		
মেষ	অশ্বিনী ৪ চৰণ চু চে চো, লা।	ভৰণী ৩ চৰণ লি লু লে লো।	কৃত্তিকা ১ চৰণ আ।
বৃষ	কৃত্তিকা পিচৰ ৩ চৰণ ই উ এ।	ৰোহিণী ৪ চৰণ ও বা বি বু।	মৃগশিৰা প্ৰথম ২ চৰণ বে বো।
মিথুন	মৃগশিৰা পিচৰ ২ চৰণ কা কী।	আৰ্দ্ৰা ৪ চৰণ ক ঘ ঙ চ।	পুনৰ্বসু ৩ চৰণ কে কো হা।
কৰ্কট	পুনৰ্বসু পিচৰ ১ চৰণ হী।	পুষ্যা ৪ চৰণ হু হে হা ডা।	অশ্লেষা ৪ চৰণ ডী ডু ডে ডো।
সিংহ	মঘা ৪ চৰণ মা মি মু মে।	পূৰ্ব ফাল্গুনী ৪ চৰণ মো টা টো টু।	উত্তৰা ফাল্গুনী ১ চৰণ টে।
কন্যা	উত্তৰা ফাল্গুনী ৩ চৰণ টৌ পা পী।	হস্ত ৪ চৰণ পু ষ ন ঠ।	চিত্ৰা ২ চৰণ পে পু পো।
তুলা	চিত্ৰা ২ চৰণ ৰা ৰী।	স্বাতী ৪ চৰণ ৰু ৰে ৰো তা।	বিশাখা ৩ চৰণ তী তু তে।
বৃশ্চিক	বিশাখা ১ চৰণ তো।	অনুৰাধা ৪ চৰণ না নী নু নে।	জ্যেষ্ঠা ৪ চৰণ নো য়া য়ী য়ু।
ধনু	মূলা ৪ চৰণ য়ে য়ো ভা ভী।	পূৰ্বাষাঢ়া ৪ চৰণ ভূ ধা ফা ঢা।	উত্তৰাষাঢ়া ১ চৰণ ভে।
মকৰ	উত্তৰাষাঢ়া ৩ চৰণ ভো জা জী।	শ্ৰৱণা ৪ চৰণ খী খু খে খো।	ধনিষ্ঠা ২ চৰণ গা, গী।
কুম্ভ	ধনিষ্ঠা ২ চৰণ গু গে।	শতভিষা ৪ চৰণ গো সা সি সু।	পূৰ্বভাদ্ৰপদ ৩ চৰণ সে সো দা।
মীন	পূৰ্বভাদ্ৰপদ ১ চৰণ দী।	উত্তৰ ভাদ্ৰপদ ৪ চৰণ দু থ ঞ।	ৰেৱতী, ৪ চৰণ, দে দো, চা, চী।

পঞ্চভূতৰ দ্বাৰা মানুহৰ শৰীৰ ৰচিত আৰু সঞ্চালিত হৈছে. যেনে ক্ষিতি, জল, অগ্নি, বায়ু আৰু আকাশ। এইবাবেই কৰ্ম অনুসাৰে মানুহৰ জীৱনৰ ওপৰত গ্ৰহবোৰৰ প্ৰভাৱ পৰে।

এই পঞ্চভূতবো আকৌ প্ৰত্যেকৰ পাঁচটি পাঁচটি গুণ তথা অঙ্গ আছে। যেনে,

(১) ক্ষিতি—অস্থি, ছাল, নাড়ী, নোম আৰু মাংস।

(২) জল—মল, মূত্ৰ, শুক্ৰ, শ্লেষ্মা আৰু ৰক্ত।

(৩) অগ্নি—ক্ষুধা, তৃষ্ণা, নিদ্ৰা, ভ্ৰম আৰু শ্ৰম।

(৪) বায়ু—নিৰোধ, ক্ষেপন, সঙ্কোচন, ধাৰণ আৰু চালন।

(৫) আকাশ—ৰাগ, দ্বেষ, মোহ, লজ্জা আৰু আলস্য।

ইয়াৰ উপৰিও মানুহৰ শৰীৰত আৰু ছয়টি ভয়ানক শত্ৰু আছে, যি কেইটিয়ে জীৱনক বিষাক্ত কৰি পেলায়। যথা—কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মাৎসৰ্য্য।

শৰীৰত ৰাশিৰ স্থান

পণ্ডিত দীপিকাৰ মতে, মানৱ শৰীৰৰ বিভিন্ন স্থানত ৰাশিৰ স্থান। (চিত্ৰ নং—৩৪১)।

মেষ—মস্তক	তুলা—বস্তিদেশ
বৃষ—মুখ	বৃশ্চিক—গুপ্ত অঙ্গাদি
মিথুন—বাহু	ধনু উৰুদ্বয়
কৰ্কট—হৃদয়	মকৰ—আঁঠু
সিংহ—উদৰ	কুম্ভ—জঙ্ঘা
কন্যা— নাভি, কঁকাল	মীন—পাদদ্বয়

মানুহৰ মুখত ৰাশিৰ স্থান

মানুহৰ আপাদ মস্তকত যেনেকৈ ৰাশিৰ স্থান নিৰ্ণয় কৰা হৈছে তেনেকৈ মুখতো ৰাশিৰ স্থান সূচিত কৰা হৈছে। যেনে,

মেষ—বাওঁ কাণ	তুলা—সো কাণ
বৃষ—মাজ কপাল	বৃশ্চিক—নাক

মিথুন—বাওঁ চকু
কৰ্কট—কপালৰ ওপৰৰ অংশ
সিংহ—সোঁ ভুৰু
কন্যা—সোঁ গাল

ধনু—সোঁ চকু
মকৰ—থুতৰি
কুম্ভ—বাওঁ ভুৰু
মীন—বাওঁ গাল



চিত্ৰ নং—৩৪১

মুখমণ্ডলত গ্ৰহৰ স্থান

কপাল—মঙ্গল
সোঁ চকু—সূৰ্য্য
বাওঁ চকু—চন্দ্ৰ
সোঁ কাণ—বৃহস্পতি
বাওঁ কাণ—শনি

নাক—শুক্ৰ
মুখ—বুধ
সোঁ গাল—ৰাহু
বাওঁ গাল—কেতু

বাৰ মাহত বাৰ ৰাশি

জন্মকালত যি যি ৰাশিত থকা, যি যি অঙ্গত পাপগ্ৰহ যুক্ত থাকিব, সেই গ্ৰহৰ দশা ভোগ কালে সেই সেই অঙ্গে উপঘাতাদি হয়। আৰু শুভ গ্ৰহাদি থাকিলে শুভ আৰু পুষ্টি সাধিত হয়। (চিত্ৰ নং—৩৪২)

মেষ, মিথুন, সিংহ, তুলা, ধনু আৰু কুম্ভ ৰাশিক ক্ৰুৰ পুৰুষ, ওজ আৰু বিষম ৰাশি বোলে।



চিত্ৰ নং—৩৪২

বৃষ, কৰ্কট, কন্যা, বিছা, মকৰ আৰু মীন ৰাশিক সৌম্য, অঙ্গনা যুগ্ম আৰু সম ৰাশি বোলে।

মেষ, কৰ্কট, তুলা আৰু মকৰ ৰাশিক চৰ ৰাশি বোলে।

বৃষ, সিংহ, বিছা আৰু কুম্ভ ৰাশিক স্থিৰ ৰাশি বোলে।

মিথুন, কন্যা, ধনু আৰু মীন ৰাশিক দ্বিসৱী ৰাশি বোলে।

ৰাশিৰ বৰণ

মেষ—ৰক্ত বৰ্ণ, বৃষ—শুক্ল বৰ্ণ, মিথুন—হৰিৎ বৰ্ণ, কৰ্কট—পাতল ক'লা ৰঙা মিহলি বৰ্ণ, সিংহ—পাণ্ডু বৰ্ণ (অৰ্থাৎ শুক্ল-পীত মিহলি বৰ্ণ), কন্যা—বিচিত্ৰ বৰ্ণ, তুলা—কৃষ্ণ বৰ্ণ, বৃশ্চিক—সুবৰ্ণ বৰ্ণ, ধনু—পীত বৰ্ণ, মকৰ—বগা-ৰঙা মিহলি বৰ্ণ, কুম্ভ—নকুল বৰ্ণ আৰু মীন—মলিন বৰ্ণ হয়।

জাতকৰ জন্মকালত কোন দিশৰ অধিপতি কোন ৰাশি ?

মেষ, সিংহ, ধনু—পূব দিশৰ।
বৃষ, কন্যা, মকৰ—দক্ষিণ দিশৰ।
মিথুন, তুলা, কুম্ভ—পশ্চিম দিশৰ।
কৰ্কট, বৃশ্চিক, মীন—উত্তৰ দিশৰ।

ওপজা লগ্ন ৰাশি যি দিশে সেই দিশেই সুতিকা গৃহৰ দুৱাৰ আৰু জাতকৰ শিৰ থাকে।

কোন ৰাশিৰ কি যোগ ?

কৰ্কট, সিংহ আৰু কন্যা ৰাশিৰ—বায়ু যোগ।
তুলা, বিছা আৰু ধনু ৰাশিৰ—বৰুণ যোগ।
মকৰ, কুম্ভ আৰু মীন ৰাশিৰ—অগ্নি যোগ।
মেষ, বৃষ আৰু মিথুন ৰাশিৰ—মাহেন্দ্ৰ যোগ হয়।

কোন দিশৰ অধিপতি কোন গ্ৰহ ?

সূৰ্য্য—পূব দিশৰ। শুক্ৰ—অগ্নি কোণৰ। মঙ্গল—দক্ষিণ দিশৰ। ৰাহু—নৈঋত কোণৰ। শনি—পশ্চিম দিশৰ। চন্দ্ৰ—বায়ু কোণৰ। বুধ—উত্তৰ দিশৰ। বৃহস্পতি—ঈশান কোণৰ।

গ্ৰহৰ বয়স

ৰবি, শনি, বৃহস্পতি, ৰাহু—বৃদ্ধ। মঙ্গল—ডেকা। বুধ—ল'ৰা। চন্দ্ৰ, শুক্ৰ—মধ্য-বয়সীয়া।

কোন গ্ৰহৰ মিত্ৰ কোন গ্ৰহ ?

ৰবিৰ মিত্ৰ—চন্দ্ৰ, মঙ্গল, বৃহস্পতি।

চন্দ্ৰৰ মিত্ৰ—ৰবি, বুধ।

মঙ্গলৰ মিত্ৰ—ৰবি, চন্দ্ৰ, বৃহস্পতি।

বুধৰ মিত্ৰ—ৰবি, শুক্ৰ।

বৃহস্পতিৰ মিত্ৰ—ৰবি, মঙ্গল, চন্দ্ৰ।

শুক্ৰৰ মিত্ৰ—বুধ, শনি।

শনিৰ মিত্ৰ—বুধ, শুক্ৰ।

কোন গ্ৰহৰ শত্ৰু কোন গ্ৰহ ?

ৰবিৰ শত্ৰু—শুক্ৰ, শনি।

চন্দ্ৰৰ কোনো শত্ৰু নাই।

মঙ্গলৰ শত্ৰু—বুধ।

বুধৰ শত্ৰু—চন্দ্ৰ।

বৃহস্পতিৰ শত্ৰু—বুধ, শুক্ৰ।

শুক্ৰৰ শত্ৰু—ৰবি, চন্দ্ৰ।

শনিৰ শত্ৰু—ৰবি, চন্দ্ৰ।

ৰাহুৰ শত্ৰু-মিত্ৰ

মিত্ৰ—শনি, শুক্ৰ।

শত্ৰু—ৰবি, চন্দ্ৰ আৰু মঙ্গল।

সম—বুধ আৰু বৃহস্পতি।

উচ্চস্থান—মিথুন ৰাশি। কুৰি অংশ উচ্চাংশ হয়।

মূল ত্ৰিকোণ—কুম্ভ ৰাশি। কুৰি অংশ মূল ত্ৰিকোণ হয়।

সন্তান জন্মৰ সময়ত ৰাহু যদি বৃষ, কৰ্কট, সিংহ অথবা কন্যা ৰাশিত থাকে তেন্তে সেই জাতকৰ বহু ধন-সম্পত্তি আৰু মান সন্মান বাঢ়ে। আৰু মিথুনত আয়ুস বাঢ়ে।

কেতুৰ শত্ৰু মিত্ৰ

মিত্ৰ—ৰবি, মঙ্গল আৰু চন্দ্ৰ।

শত্ৰু—শুক্ৰ আৰু শনি।

সম—বুধ আৰু বৃহস্পতি।

উচ্চস্থান— ধনু ৰাশি। ছয় অংশ উচ্চাংশ হয়।

মূল ত্ৰিকোণ—সিংহ ৰাশি। ছয় অংশ মূল ত্ৰিকোণ হয়।

গ্ৰহৰ শুভাশুভ

কৃষ্ণ পক্ষৰ অষ্টমীৰ পৰা শুক্ল পক্ষৰ অষ্টমী পৰ্য্যন্ত চন্দ্ৰ পাপ গ্ৰহ। ৰবি, শনি আৰু মঙ্গল সকলো সময়তে পাপ গ্ৰহ। বুধ পাপ গ্ৰহৰ থাকিলে বুধো পাপ গ্ৰহ হয়।

শুক্ল পক্ষৰ অষ্টমীৰ পৰা কৃষ্ণ পক্ষৰ অষ্টমী পৰ্য্যন্ত চন্দ্ৰ শুভ গ্ৰহ। শুক্ৰ আৰু বৃহস্পতি পাপ-যুক্ত নোহোৱা বুধ শুভ গ্ৰহ। ৰাহু আৰু কেতু পাপ গ্ৰহ।

অন্যান্য গ্ৰহৰ উচ্চ (তুঙ্গ) স্থান

বৃহস্পতিৰ—	কৰ্কট ৰাশিত	পাঁচ অংশত	সুতুঙ্গ	হয়।
শনিৰ—	তুলা ,,	কুৰি	,,	,,
ৰবিৰ—	মেষ ,,	দহ	,,	,,
বুধৰ—	কন্যা ,,	পোন্ধৰ ,,	,,	,,
চন্দ্ৰৰ—	বৃষ ,,	তিনি ,,	,,	,,
শুক্ৰৰ—	মীন ,,	সাতাইশ ,,	,,	,,
মঙ্গলৰ—	মকৰ ,,	আঠাইশ ,,	,,	,,

কোন গ্ৰহৰ কি জাত ?

ব্ৰাহ্মণ—বৃহস্পতি, শুক্ৰ। ক্ষত্ৰিয়—মঙ্গল, ৰবি। বৈশ্য—চন্দ্ৰ। শূদ্ৰ—বুধ। চণ্ডাল, ম্লেচ্ছ—শনি, ৰাহু, কেতু।

কোন গ্ৰহ কি গুণৰ অধিপতি?

সত্ত্ব বৃহস্পতি, ৰবি, চন্দ্ৰ। ৰজঃ—বুধ, শুক্ৰ। তমঃ—মঙ্গল, শনি।

কোন গ্ৰহ কি ৰসৰ অধিপতি?

বৃহস্পতি—মধুৰ। শুক্ৰ—অম্ল। শনি—কষ। ৰবি—কটু (জ্বলা)। চন্দ্ৰ—লৱন। মঙ্গল—তিতা। বুধ—মিশ্ৰ। আৰু ৰাহু, কেতু (গ্ৰহান্তৰে) তিক্ত ৰসৰ অধিপতি হয়।

কোন গ্ৰহ কোন ধাতুৰ অধিপতি?

ৰবি, মঙ্গল—পিত্ত ধাতুৰ। চন্দ্ৰ, শুক্ৰ—শ্লেষ্মা ধাতুৰ।
ৰাহু শনি—বায়ু ধাতুৰ। বুধ, বৃহস্পতি—সম ধাতুৰ।

কোন গ্ৰহৰ কি লিঙ্গ?

বৃহস্পতি, সূৰ্য্য আৰু মঙ্গল—পুলিঙ্গ। চন্দ্ৰ, শুক্ৰ—স্ত্ৰীলিঙ্গ। বুধ, শনি—ক্লীৱলিঙ্গ।

(জন্ম লগ্নৰ পঞ্চম স্থানত মাইকী গ্ৰহ থাকিলে অথবা, দৃষ্টি অনুসাৰে ছোৱালীৰ জন্ম হয়। আৰু পুৰুষ গ্ৰহ থাকিলে অথবা, দৃষ্টি অনুসাৰে ল'ৰাৰ জন্ম হয়।)

গ্ৰহবোৰ নিজ নিজ গৃহত স্বগৃহী হয়।

গ্ৰহবোৰৰ মূল ত্ৰিকোণ

(লগ্নৰ পৰা নৱম আৰু পঞ্চম স্থানৰ নাম ত্ৰিকোণ)

বৃহস্পতিৰ—	ধনু ৰাশিত	—দহ	অংশত	মূল	ত্ৰিকোণ	হয়।
শনিৰ—	কুম্ভ "	—কুৰি	"	"	"	"
ৰবিৰ—	সিংহ "	—কুৰি	"	"	"	"
বুধৰ—	কন্যা "	—দহ	"	"	"	"
চন্দ্ৰৰ—	বৃষ "	—সাতাইশ	"	"	"	"
শুক্ৰৰ—	তুলা "	—পোন্ধৰ	"	"	"	"
মঙ্গলৰ—	মেষ "	—বাৰ	"	"	"	"

গ্ৰহবোৰৰ পূৰ্ণ দৃষ্টি

বৃহস্পতিয়ে—নৱম আৰু পঞ্চম ৰাশিক সম্পূৰ্ণকৈ দেখে।				
শনিয়ে—	তৃতীয় আৰু দশম	"	"	"
মঙ্গলে—	চতুৰ্থ আৰু অষ্টম	"	"	"
ৰবি, চন্দ্ৰ, বুধ আৰু শুক্ৰই—সপ্তম		"	"	"

ৰাহুৰ দৃষ্টি ওলোটা

এইভাৱে ৰাহু থকা ৰাশিৰ পৰা ওলোটাকৈ পঞ্চম, সপ্তম, নৱম আৰু দ্বাদশ ৰাশিক ৰাহুই সম্পূৰ্ণকৈ দেখে। কিন্তু নিজে থকা ৰাশি আৰু একাদশ ৰাশিত ৰাহুৰ দৃষ্টি নেথাকে।

ওঠৰজন লোক এই জ্যোতিষ শাস্ত্ৰৰ প্ৰৱৰ্ত্তক বুলি জনা যায়। যথা—সূৰ্য্য, ব্ৰহ্মা, ব্যাস, বশিষ্ঠ, অত্ৰি, পৰাশৰ, কাশ্যপ, নাৰদ, গৰ্গ, মৰীচি, মনু, অঙ্গিৰা, লোমশ, পৌলিশ, ভাৰ্গৱ, যৱন, গুৰু আৰু শৌণক।

ত্ৰয়োত্ৰিংশ অধ্যায়

অৱশেষত মানৱ জীৱনৰ ওপৰত এই গ্ৰহবোৰে যে কি ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰে সেই সম্পৰ্কে কিৰোৰ কিছু মতামত ইয়াত উল্লেখ কৰা হ'ল। তেওঁৰ মতে—

শুক্ৰ—প্ৰেম, ইন্দ্ৰিয়ানুভূতি আৰু প্ৰবৃত্তি।

মঙ্গল—জীৱনীশক্তি, সাহসী, যোদ্ধা মনোবৃত্তি।

বুধ—মানসিক ধাৰা, বাণিজ্য, বিজ্ঞান।

চন্দ্ৰ—কল্পনা, প্ৰণয় ইচ্ছা, পৰিবৰ্তনশীলতা।

সূৰ্য্য—চমকপ্ৰদতা, সফলতা, সৌভাগ্য।

বৃহস্পতি—উচ্চাকাঙ্ক্ষা, কৰ্তৃত্ব কৰাৰ ক্ষমতা।

শনি—স্বল্পবাক্, বিষাদখিন্নতা, চিন্তাশীলতা।

সকলোৱেই জানে যে সাতটি গ্ৰহৰ বাৰটি ঘৰ আছে। সূৰ্য্যৰ ছয়োকালৰ গতিপথত ইহঁত অৱস্থিত। এই গতিপথটি ১৬ ডিগ্ৰী বহল—যাৰ ভিতৰেদি এই গ্ৰহবোৰে পৰিভ্ৰমণ কৰে। ৩০ ডিগ্ৰী কৰি ইহঁতক ১২টা ভাগত কৰা হৈছে। সূৰ্য্যই প্ৰায় ৩০ দিন অন্তৰে অন্তৰে নতুন চিহ্নত প্ৰৱেশ কৰে। ১২ মাহৰ ভিতৰত সূৰ্য্যৰ জ্যোতিষ্কমণ্ডলীৰ পৰিক্ৰমণ শেষ হয় ৩৬০ ডিগ্ৰীত।

গ্ৰহবোৰৰ ভিতৰত সূৰ্য্যই হ'ল গ্ৰহৰ ৰজা। জ্যোতিষ শাস্ত্ৰত ইয়াক ব্ৰহ্মা বুলিও কোৱা হয়। এওঁৰ প্ৰভাৱতেই সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড পৰিচালিত হৈছে। নিৰাকাৰ ব্ৰহ্মাৰ সাকাৰ ৰূপ হ'ল,—এই সূৰ্য্য। সূৰ্য্য, জীৱ-জগতৰ সৃষ্টিকৰ্তা আৰু এক অদ্ভুত ৰহস্যজনক বস্তু, যিটো আমাৰ পৃথিৱীতকৈ ৩৩,০০০ গুণে ডাঙৰ। ইয়াৰপৰাই ধাৰণা কৰিব পাৰি যে সূৰ্য্যই নতুন নতুন ঘৰলৈ যাওঁতে যোৱাৰ সময়ত ইয়াৰ চুম্বক শক্তিৰ স্পন্দনবো পৰিবৰ্তন হয়। গতিকে এইটো যুক্তিসঙ্গতভাৱে

ধৰি লব পাৰি যে যিজনে এপ্ৰিল মাহত জন্মিছে, তেওঁৰ ভাৱধাৰা, যিজনে মে' মাহত জন্মিছে, তেওঁৰ ভাৱধাৰাতকৈ নিশ্চয় পৃথক হ'ব। আৰু এই ভাৱধাৰা আৰু চাৰিত্ৰিক বৈশিষ্ট্যই হৈছে ভাগ্য বা কপাল।

গতিকে এই বিষয়টি মনত ৰাখি পাঠকসকলে হাত দেখুৱাওঁতা-সকলৰ ভাগ্য আৰু ভৱিষ্যত সম্পৰ্কে সকলো কথা অতি নিৰ্ভুলভাৱে ক'বলৈ সক্ষম হ'ব।

প্ৰথমে সক্ৰিয় মঙ্গলৰ কথা ধৰা যাওক

যেয়ে এই সময়ত (২১ মাৰ্চৰ পৰা ২১ এপ্ৰিল, অথবা ২৮ এপ্ৰিলৰ ভিতৰত) জন্ম গ্ৰহণ কৰে (পিচৰ সাত দিনত খুব বেছি প্ৰভাৱ অনুভূত নহয়) এওঁলোক জন্মৰপৰাই যুজাৰু মনোবৃত্তিৰ মানুহ হ'ব।

এওঁলোকে আনৰ কোনো কৰ্তৃত্ব অথবা বাধা নেমানে। সকলো কামত নিজেই কৰ্তৃত্ব কৰিব বিচাৰে। এওঁলোকে আনৰ উপদেশ নিবিচাৰে আৰু যেতিয়া বিচাৰে তেতিয়া ৰক্ষা পোৱাৰ আৰু কোনো উপায়েই নেথাকে। এওঁলোকৰ লক্ষ্য আৰু উদ্দেশ্য কি সেই কথা নিজৰ অতিপ্ৰিয় বন্ধুকো জানিব নিদিয়ে। এওঁলোকক একমাত্ৰ দয়া, ধৈৰ্য্য বুদ্ধি আৰু স্নেহেৰেহে প্ৰতিনিবৃত্ত কৰিব পাৰি—বলেৰে নোৱাৰি। এওঁলোকৰ হঠাতে ভীষণ খং উঠে আৰু সেই খং মুহূৰ্ত্তৰ ভিতৰতে নাইকিয়া হৈ যায়। ইয়াৰ বাবে শেহত নিজেই বৰ অনুতপ্ত হয় আৰু অনুশোচনা বোধ কৰে।

সচৰাচৰ এই ধৰণৰ লোকসকল মহৎ আৰু উচ্চমনা হয়। কিন্তু শিৰোৰেখা যদি দীৰ্ঘ আৰু সুগঠিত নহয় তেন্তে এওঁলোকে পাগলৰ দৰে যি কোনো কামত জপিয়াই পৰি নিজৰেই অপকাৰ সাধে। ক'তো কাজিয়া কৰাৰ সুযোগ এওঁলোকে নেপালে—নিজৰ সন্তি-সন্তান আৰু পৰিয়ালৰ সৈতে কাজিয়া আৰম্ভ কৰে।

ল ৰাকালত এওঁলোকে জ্বৰত অথবা ৰক্তসংক্ৰান্ত ৰোগত ভোগে। ডেকা বয়সত মূৰ্চ্ছা, মৃগী, মূৰৰ বিষ আৰু দাঁতৰ অসুখত ভুগিব। বৃদ্ধ

বয়সত মৃগী-বোগ, দৃষ্টিক্ষীণতা, মূবব বিষ, মূব গবম হোৱা বেমাৰত, ভুগিব, বিশেষকৈ কবতলত যদি শিবোবেখা বব দুৰ্বল হয়।

এওঁলোকে মদ বা মাদক দ্ৰব্য আদি পবিত্যাগ কৰি শান্তিত থকা উচিত। বেছিকৈ শুবলৈ যত্ন কৰা উচিত। যিসকলব শিবোবেখা ভাল, তেওঁলোকে সংযম বক্ষা কবিব পাবিলে জীৱনব অতি উচ্চ শিখবত উঠিবলৈ সক্ষম হয়। এওঁলোক বব পবোপকাবী হয়।

এইবাব মানসিক মঙ্গল

এই সময়ত (২১ অক্টোববপবা ২১ নবেম্বব, অথবা ২৮ নবেম্বব ভিতবত) যিসকল লোকে জন্ম গ্ৰহণ কবে এওঁলোকব শাবীবিক ক্ষমতাতকৈ মানসিক ক্ষমতা বেছি। এওঁলোকে বলপ্ৰয়োগ বা বক্ত-পাতক ঘৃণা কবে। তৰ্কযুদ্ধ অথবা মনব যুজত এওঁলোক বব আগ্ৰহশীল। এই ধৰণব লোকসকলে সংগঠনব কামত পকা। সৈন্য-দলব উপদেষ্টা হৈ খ্যাতি লাভ কবিব পাবে। মতলব, শঠতা, পবিচালনা ক্ষমতা, অস্ত্ৰ-শস্ত্ৰ সঞ্চয় সম্বন্ধে জ্ঞান প্ৰভৃতিব দ্বাবা এওঁ-লোকে বিবোধী পক্ষব শক্তিশালী সেনাদলকো পবাস্ত কবিব পাবে।

যদি জাতক খুব বেছি শিক্ষিত অথবা উচ্চশ্ৰেণীব নহয় তেন্তে নিজব উদ্দেশ্য সাধনব অৰ্থে সকলো ধৰণব শঠতা বা বুদ্ধিব আশ্ৰয় এই জাতকে ল'বই। উদ্দেশ্য পূবণ কবাব কামত, এওঁলোকক একোৱেই বাধা দিব নোৱাবে। ইহঁত সকলোতকৈ বেছি বিশ্বাসঘাতক আক মাবাত্মক শক্ৰ হ'ব পাবে। আক তবোৱালব দ্বাবা হত্যা কবাতকৈ বিষ খুৱাই হত্যা কবিবলৈ বেছি ভাল পায়।

এই জাতকবোবব এটি বহস্যজনক চুম্বক শক্তি থাকে যাব দ্বাবা তেওঁলোকে আনক স্বাভাৱিকভাৱেই বা অতি সহজেই বশীভূত কবিব পাবে। এওঁলোকে আনব মনব কথা তুবন্তে ধৰিব পাবে আক গুপ্ত-বিদ্যাব প্ৰতি অত্যন্ত আগ্ৰহ থাকে। উন্নত শ্ৰেণীব জাতক হলে এওঁলোকব বিশেষ গুণবোব মানুহব মঙ্গলব কাবণেই নিয়োজিত কবে।

এওঁলোক ভাল চিকিৎসক অথবা বিজ্ঞানী হব পাৰে। এই জাতক-সকলৰ বিভিন্ন বিষয়ত ইমান পাৰদৰ্শিতা থাকে যে তেওঁলোকে কোনো এটি নিৰ্দিষ্ট বিষয়ত ধৰি থকাটো বৰ টান কাম। কৰতলত যদি শিৰোৰেখা উন্নত ধৰণৰ হয় তেন্তে মানসিক শক্তিত এওঁলোকে কৰিব নোৱাৰা কাম একেবাৰেই নাই। কিন্তু আচৰিত কথা এইয়ে যে এওঁলোকে যিটো বিষয়ত শিক্ষা গ্ৰহণ কৰে, সেই বিষয়টো বাদ দি অন্তবৃত্তিহে গ্ৰহণ কৰে আৰু এওঁলোকে বহুবাৰ বৃত্তি পৰিবৰ্তন কৰে।

এই জাতকসকলৰ দোষ হৈছে এইয়ে যে এওঁলোকে অতি সহজে আৰু সোনকালে আশ পাশৰ মানুহ বা বন্ধুবোৰৰ সৈতে নিজক খাপ খুৱাই লৈ সেইবোৰৰ ওপৰত নিজৰ প্ৰভাৱ বিস্তাৰ কৰি সেই বিষয়ত সিহঁতক চেৰ পেলায় গুচি যায়। যদি দুষ্ট মানুহৰ সঙ্গী হয় তেন্তে এওঁ তুৰন্তে সেই মানুহবোৰৰ দুষ্ট নেতা হ'ব। আৰু যদি সৎসঙ্গৰ লগ লয় তেন্তে সেই লোকসকলৰ এওঁৱে অতি সৎ নেতা হ'ব। অৰ্থাৎ এওঁলোক বেয়া হলে আটাইতকৈ দুৰাচাৰী হয়। আৰু ভাল হ'লে অতি মহান পুৰুষ হয়। এইবাবে এই জাতক-সকলক তেওঁলোকৰ পিতৃ মাতৃয়ে বাল্যকালতে সৎসঙ্গৰ সান্নিধ্যত ৰখা উচিত। বিশেষকৈ যৌনাকাঙ্ক্ষাক পাৰ্য্যমানে বাধা দি ৰখা উচিত আৰু বেয়া কিতাপ পঢ়িব দিয়া অনুচিত। বাল্যকালত জাতকৰ স্বাস্থ্য ভাল নেথাকে। কিন্তু মধ্য বয়সত মেদ বাহুল্য পৰিলক্ষিত হয়। যৌৱনকালত যৌনাঙ্গৰ ৰোগ আৰু কঁকালৰ নিম্নাংশত বেদনা অথবা ৰোগ আৰম্ভ হোৱাৰ আশঙ্কা থাকে। খাদ্য সম্পৰ্কে এওঁলোক বিশেষ সতৰ্ক আৰু সংযমী হোৱা উচিত।

এইবাৰ শনিৰ ক্ষেত্ৰ (সক্ৰিয়)

এই ক্ষেত্ৰৰ জাতকৰ বৈশিষ্ট্য হৈছে নি সঙ্গপ্ৰিয়তা, জ্ঞান, মনৰ স্থিৰতা, গাম্ভীৰ্য্যপূৰ্ণ আৰু বিষাদপূৰ্ণ বিষয়ৰ অধ্যয়ন আৰু সংসাৰৰ অনিত্যতা সম্বন্ধে ধাৰণা। অৱশ্যে এই ক্ষেত্ৰৰ অকণো প্ৰভাৱ

জাতকৰ ওপৰত নেথাকিলে জাতকে তেওঁৰ জীৱন সম্পৰ্কে কোনো গভীৰ দৃষ্টি অথবা ধাৰণা লবলৈ অক্ষম হয়।

এই ক্ষেত্ৰত যিসকল লোক (২১ ডিচেম্বৰৰ পৰা ২০ জানুৱাৰী অথবা ২৭ জানুৱাৰীৰ ভিতৰত জন্মে, এওঁলোকৰ কঠোৰ ইচ্ছাশক্তি আৰু মননশীলতা থাকে। কিন্তু নিজৰ জীৱনপথত অত্যন্ত নিঃসঙ্গ অথবা একক বোধ কৰে। এওঁলোক 'ভাগ্যৰ হাতৰ ক্ৰীড়নক' হৈ পৰে, যিটোৰ ওপৰত নিজৰ কোনো হাতেই নেথাকে। কঠোৰ ইচ্ছা শক্তিয়েও এওঁলোকৰ পতন বা অভ্যুত্থানত অকণো সহায় নকৰে।

এওঁলোকে স্বাধীন চিন্তাশক্তি আৰু স্বাধীন কৰ্মধাৰাৰ বাবে প্ৰসিদ্ধ হৈ পৰে। আনৰ তলত এওঁলোকে কোনো ৰকমেই কাম নকৰে। বৰঞ্চ ঘৃণাবোধ কৰে। সহানুভূতি, দয়া, মমতা যদি কাৰোবাৰপৰা এওঁলোকে লাভ কৰে তেন্তে সেইসকলৰ বাবে এওঁলোকে জীৱন উছৰ্গা কৰিবলৈ প্ৰস্তুত থাকে। কিন্তু এওঁলোক ইমান নি সঙ্গ হয় যে, দয়া মমতাকো এওঁলোকে অলপ সন্দেহৰ চকুৰে চায়। প্ৰেম আৰু কৰ্তব্য সম্বন্ধে এওঁলোকৰ এটি অদ্ভুত ধাৰণা থাকে। বাহিৰত প্ৰকাশ নেপালেও এওঁলোক সাধাৰণতে ধাৰ্মিক আৰু জনসাধাৰণৰ মঙ্গলৰ অৰ্থে চিন্তা কৰে। এওঁলোকে কোনো প্ৰতিদান আশা নকৰে।

এওঁলোকে জীৱনৰ সকলো কৰ্তব্যকে বৰ গুৰুভাৱে লয় আৰু ইয়াৰ ফলত বেয়াকৈ আশাহত হৈ এখন ভগ্ন হৃদয়েৰে সৈতে নিজৰ এখন স্বকীয়া জগত সৃষ্টি কৰি লয়। এওঁলোক যদি ধাৰ্মিক হয় তেন্তে ধৰ্মান্ধতাৰ শেষ সীমাত গৈ উপনীত হয়। গুপ্তবিদ্যাৰ প্ৰতি এটি সহজাত আকৰ্ষণ এওঁলোকৰ থাকেই। অৱশ্যে কেতিয়াবা কেতিয়াবা এই আকৰ্ষণ অত্যধিকো হৈ পৰে।

এওঁলোকে চতুৰ আৰু বুদ্ধিমান লোকসকলক সন্মান কৰে। কিন্তু নিজৰ দৃষ্টিভঙ্গীৰ সৈতে আনৰ দৃষ্টিভঙ্গী নিমিলাতো সহ্য কৰিব নোৱাৰে।

সচৰাচৰ এওঁলোকে খুব দায়িত্বশীল পদবীত অধিষ্ঠিত হৈ থকা দেখা যায়। কিন্তু সকলো সময়তে ভাগ্যই এওঁলোকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। ভাগ্যই এই লোকসকলক নিজৰ অস্ত্ৰস্বৰূপে ব্যৱহাৰ কৰি হাজাৰ হাজাৰ মানুহক মৃত্যুৰ মুখত ঠেলি দিয়ে। যদি কেতিয়াবা এওঁলোকৰ অতি প্ৰিয়জনকো বলি দিয়াৰ কথা উঠে তেন্তে তেওঁলোকে পোনে পোনেই বুকুত ডেগাৰ বহুৱাই দিব পাৰে।

যিসকল এই সময়ত জন্মে তেওঁলোকৰ প্ৰায়ভাগেই ৰহস্যজনক, দৃঢ় চৰিত্ৰ আৰু সামান্যভাৱে ঘৃণ্য আৰু প্ৰিয়। এওঁলোকে বাতবিষ, গাঁঠিবিষ, ভৰিৰ বিষ বা অঙ্গ-প্ৰত্যঙ্গৰ দুৰ্ঘটনাত ভোগে। তদুপৰি যকৃত, হাৰ্ণিয়া, দাঁত, কাণ আৰু কঁকালৰ তলৰ ভাগত হোৱা ৰোগত ভোগে।

শনিৰ ক্ষেত্ৰ (মানসিক)

এই ক্ষেত্ৰত যিসকল লোকে (২১ জানুৱাৰীৰপৰা ১৮ ফেব্ৰুৱাৰী অথবা ২৫ ফেব্ৰুৱাৰীৰ ভিতৰত) জন্ম গ্ৰহণ কৰে (এওঁলোকৰ শনিৰ ক্ষেত্ৰ চেপেটা) এওঁলোকো উপৰোক্ত শনিৰ দ্বাৰা প্ৰভাৱিত লোক-সকলৰ দৰেই হয়। মাথো এওঁলোকে শাৰীৰিক অপেক্ষা মানসিক দিশটোত বেছি গুৰুত্ব দিয়ে। এওঁলোকেও নি সঙ্গতাবোধ কৰে। এওঁলোকে অতি সহজভাৱেই মানুহৰ চৰিত্ৰ অধ্যয়ন কৰিব পাৰে। যদি কাৰোবাক এওঁলোকে ভাল পায় তেন্তে সেই বন্ধুৰ প্ৰতি এওঁলোকে যি কোনো ত্যাগ স্বীকাৰ কৰিব পাৰে। আৰু কেতিয়াবা যদি কোনোবাই এওঁলোকক ঠগায়, তেন্তে প্ৰতিশোধ নোলোৱা পৰ্য্যন্ত এওঁলোক শান্ত নহয়। এওঁলোক বৰ ধাৰ্মিক হয়। জনতাৰ সৈতে এওঁলোকৰ সম্পৰ্ক ঘটিলে উচ্চাসন পায়। এওঁলোকে যদিও থিয়েটাৰ, কন্‌চাৰ্ট পাৰ্টি অথবা প্ৰমোদানুষ্ঠান ভাল পায় তথাপি নি সঙ্গতাহে মাথো অনুভৱ কৰে।

মানুহক চকুৰ ক্ষমতাৰ দ্বাৰাই পৰিচালনা কৰাৰ এক অদ্ভুত

ক্ষমতা এওঁলোকৰ আছে। যদিও এওঁলোক ভয়াতুৰ, তথাপি উত্তেজিত স্নায়বিক ৰোগী বা পাগলবোৰক পৰিচালনা কৰাৰ অপূৰ্ব ক্ষমতা এওঁলোকৰ চকুতেই আছে। আৰু এটি আশ্চৰ্য্যৰ কথা এইয়ে যে এই ধৰণৰ ৰোগী বা মানুহবোৰক এওঁলোকে বিশেষভাৱে লগ পায়।

এওঁলোকে পাকস্থলী আৰু বদ্‌হজমৰ বেমাৰত ভোগে। তদুপৰি ৰক্ত সঞ্চালনৰ দুৰ্বলতা, হাত-ভৰি ঠাণ্ডা হোৱা, দাঁতৰ বিষ, ভৰিৰ অসুখ অথবা অঙ্গ-প্ৰত্যঙ্গৰ দুৰ্ঘটনা ঘটাৰ ভয় থাকিব। এওঁলোকে যদিও নিজকে শক্তিহীন বুলি ভাবে কাৰ্য্যক্ষেত্ৰত এওঁলোকৰ ইচ্ছাশক্তি দেখিলে অবাক হৈ যাব লাগে। এওঁলোকৰ কৰ্তব্য আৰু আদৰ্শৰ প্ৰতি এওঁলোক বৰ সজাগ।

বৃহস্পতিৰ ক্ষেত্ৰ আৰু ইয়াৰ অৰ্থ

এই সক্ৰিয় বৃহস্পতিৰ ক্ষেত্ৰত যিসকল লোকে (২৭ নবেম্বৰৰপৰা ২০ ডিচেম্বৰ, অথবা ২৮ ডিচেম্বৰৰ ভিতৰত) জন্ম লাভ কৰে সেই-সকল লোক স্বাভাৱিকতেই উচ্চাভিলাষী, নিৰ্ভীক আৰু দৃঢ়প্ৰতিজ্ঞ-সম্পন্ন লোক হয়। কিন্তু আবেগপ্ৰৱণভাৱে কাম কৰে কাৰণে, ছলনাৰ আশ্ৰয় ল'ব নোৱাৰে। জাতক স্পষ্টবাদী হোৱাৰ বাবে শত্ৰু সৃষ্টি হয় আৰু জাতকৰ কামত সেইবোৰে বাধাৰ সৃষ্টি কৰে। জাতকে নিজৰ উচ্চাকাঙ্ক্ষা লুক্-ঢাক নোহোৱাকৈ প্ৰকাশ কৰাটিও শত্ৰু সৃষ্টিৰ আন এটি কাৰণ।

এওঁলোকে যি কামেই কৰে একেবাৰে মন-প্ৰাণ ঢালি কৰে। নিজে যি কৰে সেইটোৱেই একমাত্ৰ শুদ্ধ আৰু ইয়াৰ বাহিৰে অন্য পন্থা নাই বুলি ভাবে। এওঁলোক সন্মানীয় আৰু উচ্চ আদৰ্শবাদী লোক হয়। এওঁলোকৰ ওপৰত যি দায়িত্ব পৰে, সেই দায়িত্ব এওঁলোকে সন্মানৰ সৈতেই প্ৰতিপালন কৰে। যদি শিৰোৰেখা পৰিষ্কাৰ আৰু দীৰ্ঘ হয়, বৃহস্পতিৰ ক্ষেত্ৰ উচ্চ হয় তেন্তে জাতকৰ

নিজৰ চাৰিত্ৰিক সফলতা আৰু লক্ষ্যৰ স্থিৰতাৰ বাবে, এই ক্ষেত্ৰৰ বাদে সফলতাৰ ইঙ্গিত আৰু অন্য কোনো ক্ষেত্ৰই দিব নোৱাৰে।

এওঁলোক সাধাৰণতে অত্যন্ত সত্যবাদী হয়। মিছা কথাত বৰ খং কৰে। আনৰ ছলনাৰ মুখ খুলি দিবলৈ অকণো দ্বিধাবোধ বা ভয় নকৰে, যদিও এই ধৰণৰ কামে তেওঁলোকৰ নিজৰেই স্বাৰ্থৰ ক্ষতি কৰে।

ব্যৱসায়ৰ কামত অথবা সংগঠনৰ কামত এওঁলোকৰ অসীম প্ৰচেষ্টাৰ ফলত, অতি সোনকালেই এওঁলোক ব্যৱসায় প্ৰতিষ্ঠানৰ মালিক অথবা চৰকাৰী চাকৰিৰ দায়িত্বপূৰ্ণ কামত নিযুক্ত হয়।

এওঁলোকে কেতিয়াবাহে ৰাজনীতিৰ আলোচনা কৰে। কাৰণ, কোনো দলৰ বিশিষ্ট মতবাদ বা ভাবধাৰাৰ ওচৰত নিজৰ ব্যক্তিত্বক এওঁলোকে কেতিয়াও বিলীন কৰিবলৈ নিবিচাৰে।

সকলো শ্ৰেণীৰ মানুহৰ ভিতৰত নিজৰ বৃত্তি নিৰ্ণয় সংক্ৰান্তত এওঁলোক আটাইতকৈ স্বাধীনচিন্তিয়া হয়। দেউতাক পুৰোহিত আছিল বুলিয়েই যে তেওঁ পুৰোহিত হ'ব লাগিব, ইয়াৰ কোনো কাৰণ তেওঁলোকে বিচাৰি নেপায়।

এইবাবেই এই ধৰণৰ জাতকসকল বাল্যকালত এওঁলোকৰ পিতৃ-মাতৃৰ দুশ্চিন্তাৰ কাৰণ হৈ থাকে। কিন্তু বৃত্তি নিৰ্ণয় কামত এওঁলোকক পূৰ্ণ স্বাধীনতা দিয়া উচিত। এওঁলোকে দহবাৰমান হয়তো বৃত্তি সলনি কৰিব পাৰে—যেতিয়ালৈকে সঠিক বৃত্তি নিৰ্ণয় কৰিব নোৱাৰে। এই শ্ৰেণীৰ জাতকৰ অত্যন্ত দোষণীয় চৰিত্ৰ হৈছে এইয়ে যে এওঁলোকে যি কোনো কামতে অলপ অত্যধিকতা দেখুৱায় আৰু শেষত সেই কাম সিমানতে আধকৰা কৰি এৰি থৈ আকৌ অন্য কামত গৈ হাত দিয়ে।

শিৰোৰেখা সুগঠিত হলে, বিশেষকৈ পোন হ'লে এই জাতকৰ এনে কোনো উচ্চ পদ বা সন্মান নাই যিটো তেওঁ পাব নোৱাৰে। এই জাতকে, বাতবিষ আৰু অম্লশূল ৰোগত ভোগে বেছি। ইয়াৰ

উপৰিও ভিন্ন ভিন্ন অসুখ, বিস্ফোটক, সকলো ধৰণৰ ছালৰ বেমাৰ আৰু একজিমা প্ৰভৃতি ৰোগত ভোগাৰ আশঙ্কা থাকে।

বৃহস্পতিৰ ক্ষেত্ৰ (নিষ্ক্ৰিয়)

এই ক্ষেত্ৰত যিসকল জাতকে (১৯ ফেব্ৰুৱাৰীৰপৰা ২০ মাৰ্চ অথবা ২৮ মাৰ্চৰ ভিতৰত) জন্ম গ্ৰহণ কৰে, এওঁলোকৰ বাস্তৱ উচ্চাকাঙ্ক্ষাৰ স্থান—মানসিক উচ্চাকাঙ্ক্ষাই গ্ৰহণ কৰে। মস্তিষ্কৰ পৰিচালনা আৰু অনুশীলনী অন্য সকলো প্ৰচেষ্টাতকৈ এওঁলোকে বেছি কৰে।

বাস্তৱ সম্পৰ্কত এওঁলোকৰ এটি সহজাত ধাৰণা থাকে, যিটোৰ দ্বাৰা এওঁলোকে বহুতো বিষয়ত অতি সহজেই জ্ঞান লাভ কৰে। বিশেষকৈ দেশ বিদেশৰ ইতিহাস, জাতি, অধিবাসী, ভৌগোলিক, উদ্ভিদ আৰু ভূ-বিদ্যা বিষয়ত এওঁলোক বৰ পাৰ্গত হয়।

মানসিক উচ্চাকাঙ্ক্ষা থকা সত্বেও এওঁলোকৰ অন্তৰৰ ভিতৰত কিমান আত্মবিশ্বাসৰ অভাৱ যে নিজৰ চিন্তাধাৰাক আনৰ সন্মুখত উদ্‌যাপিত কৰিবলৈ বৰ সঙ্কোচবোধ কৰে। এই সঙ্কোচবোধৰ বাবেই নিজে আৰম্ভ কৰা কামত আনে সন্মান লাভ কৰা দেখি দূৰৈত থিয় হৈ এইবোৰ চাই চাই নিজে দুখ প্ৰকাশ কৰে।

বহুতো বিদগ্ধ সাহিত্যিক, সুৰকাৰ আৰু শিল্পীয়ে ঠিক এই সময়খিনিৰ ভিতৰতে জন্ম গ্ৰহণ কৰি নিজৰ গুণাৱলী পৰিস্ফুট কৰে।

কৰতলত জাতকৰ শিৰোৰেখা যদি সুচিহ্নিত আৰু সুগঠিত হয় তেন্তে জাতকে নিজৰ গুণাৱলী বাইৰৰ সন্মুখত প্ৰকাশ কৰি প্ৰসিদ্ধি লাভ কৰিব। এই জাতকে নিদ্ৰাহীনতা, চিন্তাক্লিষ্টতা আৰু স্বহীদ হোৱাৰ চিন্তাত ভোগে। সক্ৰিয় শ্ৰেণীৰ দৰে এওঁলোকেও বাতবিৰ আৰু তেজ সংক্ৰান্ত ব্যাধিত ভোগে। তদুপৰি হাত ভৰি ঠাণ্ডা হোৱা, যকৃত আৰু হালধীয়া বেমাৰত ভোগে। এওঁলোকে মুক্ত

বায়ু সেৱন কৰা আৰু ব্যায়াম কৰা উচিত। শুকান ঠাইত এওঁলোকৰ স্বাস্থ্য ভালে থাকে।

সূৰ্য্যৰ ক্ষেত্ৰ (সক্ৰিয়)

সূৰ্য্যৰ এই সক্ৰিয় ক্ষেত্ৰত যিসকল জাতকে (২১ জুলাইৰপৰা ২০ আগষ্ট, অথবা ২৮ আগষ্টৰ ভিতৰত) জন্ম গ্ৰহণ কৰে এওঁলোক মানৱ জাতিৰ ভিতৰতে আটাইতকৈ উদাৰ, স্নেহপ্ৰৱন আৰু অতিৰিক্ত মাত্ৰাত মহৎ তথা সহানুভূতিশীল হয়। এই জাতক সকলো সুন্দৰ বস্তুৰ প্ৰতি অতি আগ্ৰহশীল হয়। নিজৰ ঘৰ সাজিলেও ধুনীয়া শৈল্পীক গৃহ নিৰ্মাণ কৰে। এওঁলোক সদা-হাস্যময়, বৰ আমোদপ্ৰিয় আৰু বন্ধুপ্ৰিয়। মিছলীয়াবোৰক এওঁলোক ঘৃণা কৰে। এওঁলোক ভাল হ'লে খুব ভাল হয়, বেয়া হ'লে খুব বেয়া হয়। এওঁলোকক মানুহে বৰকৈ ঠগে। এওঁলোকে আনক আগবাঢ়িবলৈ সুযোগ-সুবিধা কৰি দি নিজে প্ৰায়ক্ষেত্ৰতে পিচ পৰি ৰয়। শেষ বয়সত এওঁলোক বৰ হতাশাগ্ৰস্ত হৈ পৰে। জীৱন অন্ধকাৰময় হৈ যায়। কোনো কোনোৱে আত্মহত্যা পৰ্য্যন্ত কৰি জীৱনৰ জ্বালা অন্ত পেলায়। এওঁলোকে কাঁচী কাঠত উঠিব পাৰে কিন্তু দয়াৰ বাবে কাৰো ওচৰত মূৰ দোঁৱাব নোখোজে। এওঁলোক অত্যন্ত স্পৰ্শকাতৰ। উদ্ধত আৰু কঢ়া মেজাজৰ বাবে বহুতো শত্ৰুৰ সৃষ্টি কৰি লয়।

এই জাতকৰ বেছি ভাগেই বুকুৰ ধৰফৰণি, মূৰৰ বিষ, হৃদ-যন্ত্ৰৰ অসুখ আৰু চকুৰ অসুখত ভোগে। ভৰি ফুলা বা ভৰিত আঘাত লগাৰ সম্ভৱনাও বৰকৈ থাকে।

(সূৰ্য্যৰ মানসিক ক্ষেত্ৰ)

এই ক্ষেত্ৰত যিসকল জাতক (২১ ফেব্ৰুৱাৰীৰ পৰা ১৮ ফেব্ৰুৱাৰী অথবা ২৫ ফেব্ৰুৱাৰীৰ ভিতৰত) জন্ম গ্ৰহণ কৰে (এওঁলোকৰ সূৰ্য্য

ক্ষেত্র চেপেটা) এওঁলোকে সদায় নির্য্যাতিত নিষ্পেষিত শ্ৰেণীৰ সহায়ৰ বাবে আগবাঢ়ি আছে। এওঁলোকে দুর্গত মানৱক সহায় কৰি সন্তোষ লভে। এওঁলোকে বেছি ধন সঞ্চয় কৰিব নোৱাৰে। যিখিনি কৰে সেইখিনিও দুখীয়া মানুহক সহায় কৰোঁতেই শেষ কৰি পেলায়। এওঁলোক নিজে কিন্তু অত্যন্ত ভাল ব্যৱসায়ী। এওঁলোকৰ অৰ্থনৈতিক পৰিকল্পনাবোৰ খুব উচ্চস্তৰৰ হয়। কিন্তু এইবোৰৰ দ্বাৰা নিজে লাভবান নহৈ আনকহে লাভবান কৰে। এওঁলোকে নিজক দুখীয়া কৰি ৰাখি আনক লক্ষপতি কৰাত বৰ ওস্তাদ।

এওলোকে সদায় ৰাইজৰ সৈতে সংযোগ থকা কাম কৰি ভাল পায়। মেল-মিটিং, জনসভা আদিত যোগ দি বক্তৃতা কৰি নিজৰ গুণাৱলী প্ৰকাশ কৰে। এওঁলোকে যি স্থানত নিজৰ উন্নতি সাধে, সেই স্থানত খুব কমেই থাকে। এওঁলোকৰ মৃত্যু ঘটে কোনো অজান বা অস্বাভাৱিক ঠাইত। এওঁলোকে কিন্তু কেতিয়াও আত্মহত্যা নকৰে। দুখ-কষ্ট সহ্য কৰি নিজক স্বহীদ স্বৰূপে প্ৰমাণ কৰিব বিচাৰে। এই জাতকৰ প্ৰায় ভাগেই পাকস্থলী আৰু আভ্যন্তৰীণ অঙ্গ সংক্ৰান্ত ৰোগত ভোগে। ইয়াৰ উপৰিও যকৃতৰ, কঁকালৰ নিম্নাংশত আৰু হাত-ভৰি চেচাঁ পৰা ৰোগত ভোগে। আঠু আৰু ভৰি গেৰুৱাত দুৰ্ঘটনা ঘটাৰ সম্ভাবনা থাকে। ৰক্তসঞ্চালনৰ দুৰ্বলতা এওঁলোকৰ থাকেই। এওঁলোকৰ স্বাস্থ্য শুকান জলবায়ু আৰু ৰ'দ থকা ঠাইত ভালে থাকিব।

বুধৰ ক্ষেত্ৰ (সক্ৰিয়)

এই ক্ষেত্ৰটিয়ে চিন্তাৰ দ্ৰুততা, প্ৰখৰ বুদ্ধি, চিন্তাশক্তি আৰু বাগ্মীতা প্ৰকাশ কৰে। ই বিজ্ঞান আৰু ব্যৱসায় বাণিজ্যৰ দক্ষতাও বুজায়। বুধৰ পৰ্বত যদি সুগঠিত আৰু শিৰোৰেখা যদি সুচিহ্নিত হয় তেন্তে জাতকৰ এইবোৰ গুণ প্ৰকাশ পায়। অন্যথাই ইয়াৰ ওলোটাটো হয়। যিসকল জাতক এই ক্ষেত্ৰত (২১ মে'ৰ পৰা ২০

জুন অথবা ২৭ জুনৰ ভিতৰত) জন্ম গ্ৰহণ কৰে এওঁলোকে এই সময়ৰ জ্যোতিষ মণ্ডলীৰ যমজ সন্তানৰ প্ৰতীক হিচাবে দ্বৈত মনোভাবাপন্ন লোক হয়। প্ৰত্যেক সময়তে মনত হয় এওঁলোকৰ চৰিত্ৰৰ এটি দিশে আন এটি দিশক টানি আছে। এওঁলোক অস্বাভাৱিকভাৱে বুদ্ধিমান হ লেও এটি কামতে লাগি থকাৰ ধৈৰ্য্যৰ অভাৱে এওঁলোকৰ জীৱনৰ প্ৰকৃত উদ্দেশ্য আৰু লক্ষ্য নষ্ট কৰি পেলায়। এওঁলোকে সঁচাকৈয়ে কি বিচাৰে এই সম্পৰ্কে এওঁলোকৰ কোনো ধৰা-বন্ধা ধাৰণা নাই।

এওঁলোকৰ মত আৰু বৃত্তি মুহূৰ্তৰ ভিতৰতে পৰিবৰ্তন কৰি জীৱন'ল দুখ কষ্ট কঢ়িয়াই আনে। এনেকি, বিবাহিত জীৱন যদি সুখৰ নহয় তেন্তে এওঁলোকৰ দাম্পত্য জীৱনো অনিশ্চিত হৈ পৰে। সকলো শ্ৰেণীৰ মানুহৰ এওঁলোককে বুজাটো বৰ টান। স্বভাৱতো একেই সময়তে নৰম-গৰম। এওঁলোকে মানুহক যিমান সোনকালেই ভাল পাব পাৰে আকৌ সিমান সোনকালেই বেয়াও পাব পাৰে। এওঁলোকে আনৰ সৰু সৰু দোষকো বুদ্ধিমানৰ দৰে এনে কঠোৰ-ভাৱে সমালোচনা কৰে যে সেই সমালোচনা সিপক্ষৰ কাণৰ ভিতৰেদি একেবাৰে মৰ্মত গৈ প্ৰবেশ কৰে।

কোনো ব্যৱসায়িক প্ৰতিযোগিতাত যদি এওঁলোকে নামিব খোজে তেন্তে সিপক্ষৰ হাৰ নিশ্চিত।

এওঁলোক ভাল কূটনীতিজ্ঞ আৰু বক্তা। কিন্তু এওঁলোকৰ বক্তৃতা শেষ হোৱাৰ পিচতো দেখা যায়, শ্ৰোতাসকল পূৰ্বে যি অন্ধকাৰত আছিল শেষতো ঠিক সেই একেই অন্ধকাৰত বৈ যায়। এওলোকক ভাল মেজাজত পালে এওঁলোকৰ দৰে ভাল মানুহ খুব কমেই পোৱা যায়। কিন্তু আজি যি মেজাজত এওঁ আছে কালিও যে সেই একে মেজাজতে থাকিব তাৰ কোনো নিশ্চয়তা নাই। এওঁলোকে ভাবে যে এওঁলোকৰ দৰে শক্তিশালী মানুহ পৃথিবীত নাই। হয়তো সেই মুহূৰ্তৰ বাবে সেই কথাটো সত্য। কিন্তু পিচ

মুহূৰ্ত্তত অথবা এদিন বা এসপ্তাহ পিচত গম্ভীৰ দিশ আন কালে ঘূৰি যায়।

মানসিক কামত, যত দ্ৰুত বুদ্ধি আৰু পৰিবৰ্তনশীলতাৰ দৰকাৰ তাত এওঁলোকে খাপ খায় বেছি। এওঁলোক চতুৰ অভিনেতা, ব্যাৰিষ্টাৰ, কূটনীতিবিদ, বক্তা, ফট্কাবজাৰৰ দালাল, বিজ্ঞানী আৰু ন্যায্য ব্যৱসায়ী হয়। একাগ্ৰমনে লাগিলে এওঁলোকে নোৱাৰা কাম একোৱেই নাই।

এই জাতকসকলৰ অধিকাংশই স্নায়ু সংক্ৰান্ত আৰু স্নায়ু-মণ্ডলীৰ ৰোগত ভোগে। স্নায়ৱিক চিন্তা আৰু দুশ্চিন্তাৰ ফলত বদ্‌হজম, পক্ষাঘাত, জিভাৰ জড়তা, অনিদ্ৰা আৰু জীৱন্ত সপোনত এওঁলোকে বৰকৈ ভোগে। তদুপৰি কণ্ঠ সংক্ৰান্ত দুৰ্বলতা, যুচ্‌যুচৰ গোলমাল, নাক আৰু চকুৰ অসুখত ভোগে।

বুধৰ ক্ষেত্ৰ (মানসিক)

যিসকল লোকে এই ক্ষেত্ৰত (২১ আগষ্টৰপৰা ২০ চেপ্তেম্বৰ অথবা ২৭ ছেপ্তেম্বৰৰ ভিতৰত) জন্ম গ্ৰহণ কৰে সেইসকল লোকে সক্ৰিয় বুধৰ গুণাৱলীৰ উপৰিও অন্যান্য ভাল গুণো বহু পৰিমাণে লাভ কৰে। উদাহৰণস্বৰূপে এওঁলোকে কোনো এটি নিৰ্দিষ্ট কামত বেছিদিন লাগি থাকি সেই কামটো সমাধা কৰিহে এৰে, যিটো কাম সক্ৰিয় বুধৰ ক্ষেত্ৰৰ জাতকৰ পক্ষে কোনো পধ্যেই সম্ভৱ নহয়। এওঁলোক পূৰ্ব্বোক্ত শ্ৰেণীৰ দৰে চতুৰ নহয় যদিও এওঁলোক বেছি আত্মনিৰ্ভৰশীল, চিন্তাশীল আৰু সফলতাও বেছিকৈ আৰ্জন কৰে। দৃষ্টিভঙ্গীতো এওঁলোক বেছি বাস্তৱবাদী আৰু সক্ৰিয়। অৱশ্যে এওঁলোকৰো মনৰ কথা বুজা টান। যেতিয়া এওঁলোকে কোনো কাম নকৰিব বুলি আপুনি ভাবিব, ঠিক তেতিয়াই হয়তো সেই কাম তেওঁলোকে কৰি পেলাব। যিবোৰ ছোৱালীয়ে এই সময়ত জন্ম গ্ৰহণ কৰে, সিহঁতক বুজা আৰু কঠিন। কেতিয়াবা তেওঁলোক ভীষণ

ধাৰ্মিক হয় আৰু কেতিয়াবা একেবাৰে ওলোটাটো হয়। সমাজৰ প্ৰচলিত ৰীতি-নীতিক হয় অত্যন্ত শ্ৰদ্ধা কৰিব, নতুবা সম্পূৰ্ণ অগ্ৰাহ্য কৰিব। এওঁলোক স্বাধীন চিতিয়া আৰু নিজৰ স্বাৰ্থৰ কথাই সকলোতকৈ আগতে ভাবে। এই সময়ত যিসকল লোকে জন্ম গ্ৰহণ কৰে এওঁলোকৰ অধিকাংশই নিজৰ স্বামী বা পুত্ৰ-কন্যাক পৰিত্যাগ কৰে (যদি পৰিত্যাগ কৰাটো প্ৰয়োজন বুলি ভাবে)।

জীৱনৰ মধ্যকালত এওঁলোকৰ মত অথবা, ধৰ্ম পৰিবৰ্তন হ'ব পাৰে। নতুবা সামাজিক অনুশাসিত জীৱ হঠাতে অসামাজিক হৈ উঠিব পাৰে। আকৌ এইভাৱেই যিসকলে পূৰ্বে অসামাজিক জীবন যাপন কৰিছিল তেওলোক হঠাতে ভীষণ ধাৰ্মিক হৈ সামাজিক জীৱন যাপন কৰিবলৈ আৰম্ভ কৰিব পাৰে। অৱশ্যে সিটো শ্ৰেণীৰ দৰে এইটো শ্ৰেণীৰও শিৰোৰেখা ভালকৈ পৰ্য্যাবেক্ষণ কৰিব লাগে। ভবিষ্যতে এওঁলোক কি হৈ পৰিবগৈ সেই কথা বুজিবৰ বাবে। শিৰোৰেখা ভাল হ'লে ভাল গুণসমূহ প্ৰকাশ পাব, আৰু বেয়া হ'লে বেযা গুণসমূহ প্ৰকাশ পাব।

এই জাতকসকলৰ অধিকাংশই বিশেষভাবে মনৰ অসুখতেই ভোগে। অৰ্থাৎ যদি ভাবে যে 'তেও বেমাৰী তেন্তে সঁচাকৈয়ে তেওঁ বেমাৰী হৈয়ে পৰে। আৰু যদি ভাবে যে তেও সুস্থ তেন্তে বেমাৰ থকা সত্বেও তেও সুস্থ হৈ পৰে। বেমাৰ নেথাকিলেও প্ৰায়ে এওঁলোকে নিজকে বেমাৰী বুলি ভাবে। কোনো ফাৰ্মাচীৰ ওচৰেৰে গ'লে কিবা এটি ঔষধ নিকিনিলে মনত শান্তি নেপায়। সৰু অসুখ-টোকেই তেওলোকে বৰ ডাঙৰ অসুখ বুলি ধৰি লৈ সকলোৰে সৈতে সেই বিষয়ে আলোচনা কৰি ফুৰে। চহৰৰ জীৱনতকৈ গাৱঁলীয়া শান্তিপূৰ্ণ জীৱনেই এওঁলোকৰ বৰ বেছি মঙ্গলদায়ক। কুসঙ্গত পৰিলে এওঁলোকৰ স্বাস্থ্য অতি সহজেই ভাঙি পৰে আৰু কোনো ঔষধ-পত্ৰই এওঁলোকক ভাল কৰিব নোৱাৰা হয়।

চন্দ্ৰৰ ক্ষেত্ৰ (সক্ৰিয়)

যিসকল লোকে এই ক্ষেত্ৰত (২১ জুনৰ পৰা ২০ জুলাই, অথবা ২৭ জুলাইৰ ভিতৰত) জন্ম গ্ৰহণ কৰে সেইসকল প্ৰবল কল্পনাশক্তি সম্পন্ন লোক হয়। কিন্তু লগতে, শুক্ৰৰ ক্ষেত্ৰও যদি বৰ বেছি উচ্চ হয় তেন্তে অতি কামুক প্ৰকৃতিৰ লোক হ'ব। সাধাৰণতে এওঁলোকৰ উদ্ভাৱনী শক্তি অতি প্ৰখৰ হয়। আৰু এওঁলোক যি বৃত্তিতেই আৱদ্ধ নেথাকক তেওঁলোকে তাতেই বহু ধৰণৰ নতুন নতুন বস্তু আবিষ্কাৰ কৰিবলৈ সক্ষম হয়।

যিসকল ব্যৱসায়ীয়ে এই সময়ত জন্ম গ্ৰহণ কৰে তেওঁলোকৰ মৌলিকতাৰ বাবে তেওঁলোক প্ৰসিদ্ধ হয়। এওঁলোকৰ উদ্ভাৱনী শক্তি এওঁলোকে কামত লগায়। এওলোকেও নিজৰ সুযোগ মতে ফট্কাবজাৰত লিপ্ত থাকে আৰু ব্যৱসায়ত প্ৰচুৰ ধন উপাৰ্জন কৰে। এইটো ঠিক যে, কল্পনাপ্ৰৱণ মানুহবোৰেই বাস্তৱ জীৱনত সফলতা লাভ কৰে আটাইতকৈ বেছি। কল্পনা হয়তো অনুপ্ৰেৰণাৰেই আন এটি নাম।

এই সময়ত যিসকল লোকে জন্ম গ্ৰহণ কৰে তেওঁলোকে প্ৰচলিত নিয়ম-কানুনক বিশ্বাস নকৰে। প্ৰত্যেক বস্তুৰ ভিতৰত যিটো নতুনত্ব আছে, সেইটোহে তেওঁলোকে পছন্দ কৰে বেছি। এইবাবেই বোধকৰোঁ এওঁলোক বৰ ভ্ৰমণ প্ৰিয হয় আৰু পৃথিবীৰ প্ৰায়বোৰ দেশতেই এওঁলোকে ভ্ৰমণ কৰে।

এই শ্ৰেণীৰ জীৱন সদায় উঠা-নমা হৈ থাকে। মূল কাৰণ পৰিবৰ্তন। অতি দুখ কষ্টত অথবা বিপদত পৰিলেও এওঁলোকে ধৈৰ্য্য নেহেৰুৱায়। এই জাতকৰ প্ৰায়ভাগেই আৱিষ্কাৰক, গায়ক, সুৰকাৰ আৰু শিল্পী হয়। এওঁলোকে ভাগ্যক অথবা অদৃষ্টবাদক বিশ্বাস কৰে। এওঁলোকৰ স্বপ্ন বাস্তৱ আৰু স্পষ্ট। চন্দ্ৰ ক্ষেত্ৰৰ এই জাতকসকলে নিশা চন্দ্ৰ আকাশত উঠিলে শৰীৰ আৰু মনত বেছি শক্তি অনুভৱ কৰে। এনেকি এওঁলোকৰ স্বাস্থ্যবো পৰিবৰ্তন

পৰিলক্ষিত হয়—চন্দ্ৰৰ শুভ প্ৰভাৱত। এওঁলোকৰ সকলো পৰিকল্পনা এওঁলোকে জোনাক নিশাহে বিশেষভাৱে কৰে।

পৃথিবীৰ সকলো কামত চন্দ্ৰৰ যে এটি উল্লেখযোগ্য অৱদান আছে সেই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। এনেকি প্ৰাণহীন বস্তু আৰু উদ্ভিদ আদিৰ ওপৰতো চন্দ্ৰৰ অত্যন্ত প্ৰভাৱ অনুভূত হয়। গতিকে মানুহৰ মগজুৰ ওপৰত ইয়াৰ কিমান বেছি প্ৰভাৱ পৰিব পাৰে সেইটো সহজেই অনুমেয়। এই ক্ষেত্ৰৰ লোকসকলে যেতিয়ালৈকে মনৰ মানুহ নিমিলে তেতিয়ালৈকে বিয়া কৰোৱা অনুচিত। পলমকৈ বিয়া কৰোৱাটোৱেই বিশেষভাৱে মঙ্গলজনক। যুটীয়া ব্যৱসায়তো এই কথাটোৱেই খাটে। কাৰণ, প্ৰথম অৱস্থাত এওঁলোকৰ পৰিবৰ্তন হবই। গতিকে, যুটীয়া ব্যৱসায়ত হাত-ভৰি বন্ধা কোনো যুক্তিত আবদ্ধ হ'ব নেলাগে। এই জাতকৰ অধিকাংশই পানী জমা অথবা বৃদ্ধি সংক্ৰান্ত ৰোগত ভোগে। বাল্যকালত, মূৰত পানী জমা হোৱা গ্ৰহণী, পাকস্থলী, বুকু, ফুচফুচৰ বৃদ্ধি আৰু উদৰী ৰোগত ভোগাৰ সম্ভাবনা থাকে।

চন্দ্ৰৰ ক্ষেত্ৰ (মানসিক)

যিসকল জাতক এই ক্ষেত্ৰত (২১ জানুৱাৰীৰপৰা ২০ ফেব্ৰুৱাৰী, অথবা ২৭ ফেব্ৰুৱাৰীৰ ভিতৰত) জন্ম গ্ৰহণ কৰে, (এওঁলোকৰ চন্দ্ৰৰ ক্ষেত্ৰটি চেপেটা) সেইসকল লোকৰ কল্পনাশক্তিৰ প্ৰাচুৰ্য্য সক্ৰিয় শ্ৰেণীৰ দৰে নেথাকে। আনফালে এই শ্ৰেণীৰ জাতকসকল দক্ষ ব্যৱসায়-পৰিচালক, সংগঠন-পটু, যুক্তি-তৰ্কবিদ আৰু চৰকাৰী কাম কাজৰ ভীষণ উপযোগী লোক বুলি প্ৰমাণিত হয়। এওঁলোকে বিভাগীয় কৰ্তাস্বৰূপে সুন্দৰ কাম কৰে আৰু সকলো কাম অতি দ্ৰুত গতিতে শেষ কৰে।

এওঁলোক খুব উচ্চমনা। আৰু প্ৰেম, কৰ্তব্য আৰু সামাজিক জীৱন সম্বন্ধে এটি সুনিৰ্দিষ্ট দৃষ্টিভঙ্গী থাকে। এওঁলোকে জনগণৰ কল্যাণাৰ্থে বহু কাম কৰে। এওঁলোকে সকলো সময়তে অন্তৰ

সহায় কৰি ভাল পায়। কিন্তু এওঁলোকৰ সাধাৰণতে শত্ৰু সৃষ্টি হয়। আৰু যদি চৰকাৰী কোনো পদবীত অধিষ্ঠিত থাকে তেন্তে বিৰোধী দলৰ সংবাদ-পত্ৰসমূহে এওঁলোকৰ বিৰুদ্ধে বৰকৈ অপপ্ৰচাৰ কৰে। এওঁলোকে এওঁলোকৰ ভাল কামসমূহৰ সমাদৰ নেপায় বুলিলেই হয় যেতিয়ালৈকে এওঁলোকে সেই অবিশ্বাসী, অকৃতজ্ঞসকলৰ সঙ্গ এৰি আন ঠাইলৈ গুচি নেযায়।

এওঁলোক খুব নাম কৰা বক্তা হ'ব পাৰে। আৰু নিজকেই খুব সহজ সৰলভাৱে বৰ্ণনা কৰিব পাৰে। এওঁলোকে সদায় নিৰ্য্যাতিত আৰু নিষ্পেষিতৰ পক্ষ গ্ৰহণ কৰি আন মানুহৰ অপ্ৰিয় হৈ পৰে। এওঁলোক অত্যন্ত স্পৰ্শকাতৰ, বিশেষকৈ যিসকলক এওঁলোকে ভাল পায়, সেইসকলৰ সামান্য টান কথাতেই এওঁলোকে ভীষণ আঘাত পায়। বন্ধু হিচাপে এওঁলোক বৰ বিশ্বাসী। তদুপৰি এওঁলোক বৰ ধাৰ্মিক হয়। সকলো কথা আৰু কামতেই ধৰ্মক টানি আনে। কোনোবাই এই বিষয়ত এওঁলোকক বাধা দিলে এওঁলোক আৰু বেছি জেদী হৈ পৰে। এওঁলোকে যি কোনো দায়িত্বশীল পদত সুন্দৰ দক্ষতা সহকাৰে কাম কৰিব পাৰে।

এই ক্ষেত্ৰৰ জাতকসকলৰ স্বাস্থ্য ভঙ্গৰ বিশেষ কাৰণ, উদ্বেগ আৰু দুশ্চিন্তা। অতিৰিক্ত পৰিশ্ৰম কৰি নাড়ীৰ গোলমাল, হৃদযন্ত্ৰৰ দ্ৰুত স্পন্দন, দুৰ্বলতা আৰু পক্ষাঘাত প্ৰভৃতি বেমাৰ নিজে নিজে আনি লয়। তদুপৰি, পাকস্থলীৰ গোলমাল, প্লীহা যকৃতৰ দোষ, গাঁঠি বিষ, বাতবিষ আদি হোৱাৰো সম্ভাৱনা থাকে। এওঁলোকে ভৰিৰ জোৰাৰ আঘাত অথবা, দুৰ্ঘটনাত ভুগিব পাৰে। পানীত ভ্ৰমণ কৰাৰ সময়ত এওঁলোক খুব সাৱধান থকা উচিত। কাৰণ, জীৱনত এওঁলোকে এবাৰ নহয়, এবাৰ পানীত ডুবিবই।

শুক্ৰৰ ক্ষেত্ৰ (সক্ৰিয়)

যিসকল জাতকে এই ক্ষেত্ৰত (২০ এপ্ৰিলৰপৰা ২০ মে অথবা ২৭ মেৰ ভিতৰত) জন্ম গ্ৰহণ কৰে, এওঁলোক ভাল গায়ক, সুৰকাৰ,

শিল্পী আৰু সকলো ৰকম সৌন্দৰ্য্যৰ অকপট পূজাৰী হয়। এওঁলোকৰ এখন ভাবপ্ৰৱন অন্তঃকৰণ থাকে। শুক্ৰৰ এই ক্ষেত্ৰটি সুগঠিত হ'লে স্বাস্থ্য ভাল হয়, কামনা-বাসনা বৃদ্ধিপ্ৰাপ্ত হয়। এই ক্ষেত্ৰ বিপৰীত লিঙ্গৰ প্ৰতি চুম্বক শক্তিৰ দৰে। কৰতলত বেয়া চিহ্ন থাকিলে এই কামনা বাসনাৰ ভাবটি বহুলাংশে বৃদ্ধিপ্ৰাপ্ত হয়। এই জাতকসকলে অতি সহজেই অন্য মানুহৰ ওপৰত কৰ্তৃত্ব বিস্তাৰ কৰি নিজে ডিক্টেটৰ স্বৰূপ হৈ পৰে। অন্য মানুহে যদিও 'এওঁলোক বৰ জেদী মনো-ভাৱাপন্ন ব্যক্তি' বুলি অনুমান কৰে, তথাপি কাৰ্য্যক্ষেত্ৰত দেখা যায় যে, এই জাতকসকলে নিজৰ নিজৰ প্ৰেয়সীৰ ওচৰত নতশিৰ হৈ থাকে আৰু তেওঁলোকৰ বাবে যি কোনো ত্যাগ স্বীকাৰ কৰিবলৈ প্ৰস্তুত থাকে।

এওঁলোক মহৎ আৰু অতিথিবৎসল। বন্ধু-বান্ধৱবোৰক অপ্যায়িত কৰিবলৈ ভাল পায়। সাজ-পোছাকত বৰ ৰুচিবান। এওঁলোকে প্ৰকৃততে যিমান ধনবান, তাতোকৈ বহু বেছি ধনবান বুলি আন মানুহবোৰে ভাবিব ধৰে। এওঁলোক সৰল আৰু স্পষ্টবক্তা। গতিকে এওলোক হঠাতে গৰম, হঠাতে নৰম। খং মাৰ গ'লে পিচত অনুতপ্ত হয়।

এই জাতকে বেছি বয়সত বিয়া কৰোৱা উচিত। এওঁলোক ইমান স্বাধীনচিতীয়া যে কম বয়সত বিযা কৰোৱাৰ ভুল এওঁলোকে পিচতহে বৰকৈ অনুভৱ কৰে। শেহত অসামাজিক জীৱন যাপন আৰম্ভ কৰি ভীষণ সমালোচনাৰ সম্মুখীন হ'ব লগাত পৰে। স্নেহ-প্ৰীতিৰ বিষয়ত এওঁলোক ভীষণ ঈৰ্ষাকাতৰ। বিশেষকৈ, নিজৰ ঘৰুৱা বিষয়ত। এই জাতকৰ অধিকাংশই কণ্ঠ আৰু নাকৰ অসুখত ভোগে। তদুপৰি মূৰৰ বিষ, কাণৰ বিষ, ডিঙি ওখহা, টিউমাৰ, আভ্যন্তৰীণ ৰক্তাধিক্য আৰু প্ৰদাহ প্ৰভৃতিৰ অসুখত ভোগে।

শুক্ৰৰ ক্ষেত্ৰ (নিষ্ক্ৰিয়)

এই ক্ষেত্ৰত যিসকল জাতক (২০ চেপ্তেম্বৰৰপৰা ২০ অক্টোবৰ, অথবা ২৭ অক্টোবৰৰ ভিতৰত) জন্ম গ্ৰহণ কৰে, (এওঁলোকৰ শুক্ৰৰ

(ক্ষত্র চেপেটা) এওঁলোক শৰীৰতকৈ মনৰ ক্ষেত্ৰতহে বেছি বেগবান আৰু বলবান। প্ৰেমৰ ক্ষেত্ৰত এওঁলোকৰ ইন্দ্ৰিয়তকৈ অতিন্দ্ৰিয়ৰ অভিব্যক্তিয়েই বেছি। দৈহিক মিলনতকৈ আত্মাৰ মিলনেই এওঁলোকে বেছি পছন্দ কৰে। যিসকল লোক এই সময়ছোৱাত জন্মিছে সেইসকল লোকৰ ওপৰত দৈব অনুপ্ৰেৰণা আৰু চৰিত্ৰৰ সঙ্গতি আছে, যিটো পূৰ্বোক্ত শ্ৰেণীৰ ভিতৰত নাই। এওঁলোকৰ ভিতৰত পূৰ্বানুভূতি, স্বপ্ন, ভবিষ্যত দৰ্শন প্ৰভৃতিৰ প্ৰৱণতা আছে, যিবোৰ এওঁলোকে যুক্তিৰে নষ্ট কৰে, সকলো বস্তুকেই মানসিক ধাৰাৰে বিচাৰ কৰিবলৈ গৈ। প্ৰেমৰ ক্ষেত্ৰত এওঁলোক প্ৰায়েই অসুখী হয। সক্ৰিয় শ্ৰেণীৰ দৰে এওঁলোক আগুৱাই আহিব নোৱাৰে। এওঁলোকে প্ৰথম অনুপ্ৰেৰণাতেই কাম কৰা উচিত। ভাগ্যদেৱীয়ে এওঁলোকক যি সুযোগ দিয়ে তাৰ যাতে সদ্ব্যৱহাৰ কৰিব পাৰে। নতুবা শেহত গৈ একমাত্ৰ হতাশাই ৰ'ব।

সচৰাচৰ এওলোকক আইন পঢ়া দেখা যায়। কিন্তু ইয়াৰ দ্বাৰা নিজৰ উন্নতিৰ কথা চিন্তা নকৰি জনতাৰ মঙ্গলৰ অৰ্থে আইনৰ সংশোধন, অথবা আইন উন্নত কৰাৰ প্ৰচেষ্টাতহে বেছিকৈ মনোযোগ দিয়ে। জ্ঞান লাভৰ উদ্দেশ্য এওলোকে কঠিন কঠিন বিষয়সমূহৰ অধ্যয়ন কৰি কালাতিপাত কৰে। এওঁলোক খুব ভাল ডাক্তৰ, উকীল আৰু বিচাৰক হ'ব পাৰে। এই জাতকসকলৰ অধিকাংশই মানসিক বিষাদ, চিন্তাক্লিষ্টতা, স্নায়ুমণ্ডলীৰ অৱসাদ, জীৱনীশক্তিৰ নূন্যতা আৰু ভীষণভাৱে অকলশৰীয়া হৈ থকা ৰোগত ভোগাৰ সম্ভাৱনা থাকে। এইবোৰৰ উপৰিও মূৰৰ বিষ, কঁকালৰ বিষ আৰু কঁকালৰ তল খণ্ডৰ অসুখত ভোগাৰ সম্ভাৱনা থাকে। তিৰোতা হ'লে আভ্যন্তৰীণ প্ৰদাহ প্ৰভৃতিত ভোগাৰ সম্ভৱনা থাকিব আৰু প্ৰায়েই অপাৰেচন কৰিব-লগীয়া হ'বগৈ।

চতুৰ্ত্ৰিংশ অধ্যায

কিৰোৰ মতে জাতকে জন্ম লাভ কৰাৰ আগতেই মাতৃগৰ্ভত সাতটা স্তৰ পাৰ হ ব লাগে। মগজুৰ বিকাশতো সাতটা স্তৰ আছে। মানুহৰ শৰীৰতো প্ৰত্যেক সাত বছৰৰ পিচত নতুন নতুন ঘটনা ঘটে। নতুন তত্ত্ব পুৰণি তত্ত্বত পৰিণত হয়। পৃথিবীত প্ৰধান সাতটাহে জাতি আছে। প্ৰধান গ্ৰহও সাতটাহে আছে। পৃথিবীৰ সকলো দেশতে এই 'সাত সংখ্যা ৰ ভীষণ মহত্ব আছে।

কিৰোৰ এই তত্ত্বমতে যদি কোনো মানুহ ১, ১০, ১৯ অথবা ২৮ তাৰিখে (যি মাহেই নহওঁক) জন্ম লাভ কৰে তেন্তে তেওঁৰ জীৱনৰ বাবে ১, ৭, ১০, ১৬, ১৯, ২৮ ৩৪, ৩৭, ৪৩, ৪৬, ৫২ ৬১ আৰু ৭০ বছৰ বয়সবোৰ বিশেষভাবে উল্লেখযোগ্য। বিশেষকৈ এই জাতকৰ জন্ম মাহ যদি জুলাই, আগষ্ট আৰু জানুৱাৰী মাহ হয়।

যিসকল লোক ২, ১১, ২০, ২৯ তাৰিখে জন্মে বিশেষকৈ সেই মাহ যদি জুলাই, আগষ্ট অথবা জানুৱাৰী মাহ হয় তেন্তে তেওঁলোকৰ জীৱনৰ বাবে ২, ৭, ১১, ১৬, ২ , ২৫, ২৯, ৩৪, ৩৮, ৪৩, ৪৭, ৫২, ৫৬ আৰু ৭০ বছৰ বয়সবোৰ উল্লেখযোগ্য হ'ব।

যিসকল ৩, ১২, ৩০ তাৰিখে জন্মে বিশেষকৈ সেই মাহ যদি ডিচেম্বৰ বা ফেব্ৰুৱাৰী হয় তেন্তে তেওঁলোকৰ জীৱনৰ উল্লেখযোগ্য বছৰ হ'ব ৩, ১২, ২১, ৩০, ৩৯, ৪৮, ৫৭, ৬৬ আৰু ৭৫ বছৰ বয়সবোৰ।

যিসকল ৪, ১৩, ২২ আৰু ৩১ তাৰিখে জন্মিছে, বিশেষকৈ সেই মাহ যদি জুলাই, আগষ্ট অথবা জানুৱাৰী হয় তেন্তে তেওঁলোকৰ জীৱনৰ উল্লেখযোগ্য বছৰ হ'ব ১, ৪, ১০, ১৩, ১৯, ২২, ২৮, ৩১, ৩৭, ৪ , ৪৬, ৪৯, ৫৫, ৫৮, ৬৪, ৬৭, ৭৩ আৰু ৭৪ বছৰ বয়সবোৰ।

যিসকলে ৫, ১৪, ২৩ তাৰিখে জন্মিছে, বিশেষকৈ সেই মাহ

যদি জুন অথবা ছেপ্তেম্বৰ হয় তেন্তে তেওঁলোকৰ জীৱনৰ বাবে উল্লেখযোগ্য বছৰবোৰ হ'ল ৫, ১৪, ২৩, ৩২, ৪১, ৫০, ৫৯, ৬৮ আৰু ৭৭ বছৰ বয়সবোৰ।

যিসকলে ৬, ১৫ আৰু ২৪ তাৰিখে জন্মিছে বিশেষকৈ সেই মাহ যদি মে অথবা অক্টোবৰ হয় তেন্তে তেওঁলোকৰ জীৱনৰ বাবে উল্লেখযোগ্য বছৰবোৰ হ'ল ৬, ১৫, ২৪, ৩৩, ৪২, ৫১, ৬০, ৬৯, ৭৮ আৰু ৮৭ বছৰ বয়সবোৰ।

যিসকলে ৭, ১৬ আৰু ২৫ তাৰিখে জন্মিছে, বিশেষকৈ সেই মাহ যদি জুলাই, আগষ্ট অথবা জানুৱাৰী হয় তেন্তে তেওঁলোকৰ জীৱনৰ উল্লেখযোগ্য বছৰবোৰ হ'ব—২, ৭, ১১, ১৬, ২০, ২৫, ২৯, ৩৪, ৩৮, ৪৩, ৪৭, ৫৬, ৬৫, ৭০, ৭৪ আৰু ৭৯ বছৰ বয়সবোৰ।

যিসকলে ৮, ১৭ আৰু ২৬ তাৰিখে জন্মিছে, বিশেষকৈ সেই মাহ যদি জানুৱাৰী, ফেব্রুৱাৰী, জুলাই অথবা আগষ্ট হয় তেন্তে তেওঁলোকৰ জীৱনৰ উল্লেখযোগ্য বছৰবোৰ হ'ল ৮, ১৭, ২৬, ৩৫, ৪৪, ৫৩, ৬২, ৭১ আৰু ৮০ বছৰ বয়সবোৰ।

যিসকলে , ১৮ আৰু ২৭ তাৰিখে জন্মিছে, বিশেষকৈ সেই মাহ যদি এপ্রিল, অক্টোবৰ অথবা নবেম্বৰ হয় তেন্তে তেওঁলোকৰ জীৱনৰ উল্লেখযোগ্য বছৰবোৰ হ'ল ৯ ১৮, ২৭, ৩৬, ৪৫, ৫৪, ৬৩, ৭২ আৰু ৮১ বছৰ বয়সবোৰ।

দুৰ্ঘটনা

কিৰোৰ মতে নিম্নবৰ্ণিত দিনবোৰৰ ভিতৰত যিসকল জাতকৰ জন্ম হয়, ভ্ৰমণকালত পানীত ডুবি মৃত্যু ঘটাৰ আশঙ্কা অন্যান্য জাতকতকৈ এওঁলোকৰ বেছি থাকিব। বিশেষকৈ এই জাতকে যদি—

(১) ২১ জুনৰপৰা ২১ জুলাই,

(২) ২১ অক্টোবৰৰপৰা ২১ নবেম্বৰ

(৩) ২১ ফেব্রুৱাৰীৰ পৰা ২১ মাৰ্চৰ যি কোনো তাৰিখৰ ভিতৰত জন্ম গ্ৰহণ কৰে।

নিম্নবৰ্ণিত দিনবোৰৰ ভিতৰত যদি জন্ম হয় তেন্তে ভ্ৰমণকালত বেল দুৰ্ঘটনা, মৰামৰি অথবা বিদ্ৰোহত মৃত্যু ঘটাৰ আশঙ্কা থাকে। বিশেষকৈ এই জাতকে যদি—

(১) ২১ এপ্ৰিলৰপৰা ২১ মে,

(২) ২১ আগষ্টৰপৰা ২১ ছেপ্তেম্বৰ,

(৩) ২১ ডিচেম্বৰৰপৰা ২১ জানুৱাৰীৰ যি কোনো তাৰিখৰ ভিতৰত জন্ম গ্ৰহণ কৰে।

নিম্নবৰ্ণিত দিনবোৰৰ ভিতৰত যদি জন্ম হয় তেন্তে ভ্ৰমণকালত ধুমুহা, ঘূৰ্ণিবতাহ আৰু বিদ্যুৎ প্ৰভৃতিত জাতকৰ মৃত্যু ঘটাৰ ভীষণ আশঙ্কা থাকে। বিশেষকৈ এই জাতকে যদি—

(১) ২১ মেৰপৰা ২১ জুন,

(১) ২১ ছেপ্তেম্বৰৰপৰা ২১ অক্টোবৰ,

(৩) ২১ জানুৱাৰীৰপৰা ২১ ফেব্ৰুৱাৰীৰ যি কোনো তাৰিখৰ ভিতৰত জন্ম গ্ৰহণ কৰে।

এই আটাইবোৰ ঘটনা আৰু দুৰ্ঘটনাঅতি আশ্চৰ্য্যজনকভাৱে ফলিয়ায়।

প্ৰথম মহাযুদ্ধত ভাৰতৰ প্ৰধান সেনাপতি আছিল লৰ্ড কিচনাৰ। কিৰোৱে তেওঁৰ হাতৰ ৰেখা পৰীক্ষা কৰি কৈছিল যে তেওঁ সমুদ্ৰ যাত্ৰাত ৬৬ বছৰ বয়সত জাহাজ ডুবি মৰিব। কিচনাৰৰ ৫৬ বছৰ বয়সত হস্তৰেখা পৰীক্ষা কৰি কিৰোৱে কিচনাৰৰ জীৱনৰ নিম্নবৰ্ণিত মহত্বপূৰ্ণ বছৰ কেইটি উলিয়াই লৈছিল। সেই বছৰ কেইটি আছিল—১৮৯৬ ১৮৯৭ ১৮৯৮ আৰু ১৯১4 ১৯১৫ আৰু ১৯১৬ চন।

কিৰোৱে অঙ্ক জ্যোতিষ অনুসাৰে এনে ধৰণে হিচাপ কৰিলে

১৮৯৬=১+৮+৯+৬=২৪=২+৪=৬

১৮৯৭=১+৮+৯+৭=২৫=২+৫=৭

১৮৯৮=১+৮+৯+৮=২৬=২+৬=৮

১৯১৪=১+৯+১+৪=১৫=১+৫=৬

১৯১৫+১+৯+১+৫=১৬=১+৬=৭

১৯১৬=১+৯+১+৬=১৭=১+৭=৮

এইভাৱে অঙ্ক কৰি কিৰোৱে দেখিলে যে লৰ্ড কিচনাৰৰ জীৱনৰ যিমানবোৰ মহত্বপূৰ্ণ ঘটনা ঘটিছে সেই সকলোবোৰতে ৬, ৭ আৰু ৮ সংখ্যাই গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। যেতিয়া কিৰোৱে লৰ্ড কিচনাৰৰ হস্তৰেখা পৰীক্ষা কৰি দেখিলে যে তেওঁৰ ভ্ৰমণ ৰেখাই ভাগ্যৰেখাক ৬৬ বছৰ বয়সত ছেদন কৰিছে, তেতিয়া কিৰো নিশ্চিত হ'ল যে সেই বয়সত লৰ্ড কিচনাৰৰ মৃত্যু ঘটিব। কাৰণ জীৱনৰ কোনো এটি মহত্বপূৰ্ণ সংখ্যা যদি একেলগে দুবাৰ পুনৰুল্লেখ কৰিব লগা হয়, তেন্তে বুজিব লাগিব যে জাতকৰ কিবা এটি বৰ ডাঙৰ ঘটনা সেই বয়সত ঘটিব। কিচনাৰৰ কি ধৰণে মৃত্যু ঘটিব ভ্ৰমণ ৰেখাত তাৰ চিহ্ন আছিলেই। গতিকে সম্পূৰ্ণ নিখুঁতভাৱে লৰ্ড কিচনাৰৰ মৃত্যুৰ কথা কিৰোৱে ক'বলৈ সক্ষম হৈছিল।

কোনো মানুহৰ জীৱনত যদি ১ বছৰ বয়সত কিবা উল্লেখযোগ্য ঘটনা ঘটেছিল, তেন্তে পুনৰ তেনে ঘটনা ১৭ বছৰ অথবা ২৪ বছৰ বয়সত ঘটিব পাৰে। যদি ১৭ বছৰ বয়সত নঘটি পুনৰ ২৪ বছৰ বয়সতহে ঘটে, তেন্তে বুজিব লাগিব যে এনে ধৰণৰ ঘটনা আকৌ ৩৮ বছৰ বয়সত, ৫২ বছৰ বয়সত, ৬৬ বছৰ বয়সত আৰু ৮০ বছৰ বয়সত পুনৰ ঘটিব।

পঞ্চত্রিংশ অধ্যায়

কপালত তিল চিহ্ন

পাঠকবর্গৰ উৎসুকতাৰ কাৰণে কপালত তিল চিহ্নৰ বিষয়েও চুআষাৰ লিখিবলৈ আগবাঢিলোঁ। কপালত এই তিল চিহ্নৰ বিষয়ে ক'ব গ'লেই প্ৰথমে কপালত থকা গ্ৰহৰ ৰেখা কেইডালৰ বিষয়েও অকমান পৰিচয় লৈ লোৱা উচিত হ'ব। (মূৰৰ চুলিৰ ওচৰৰপৰা ক্ৰমান্বয়ে ভ্ৰুৰ ওচৰলৈকে)

(১) কপালৰ চুলিৰ তলৰ প্ৰথম ৰেখাটিৰ অধিপতি হ'ল শনি।
(২) দ্বিতীয় ৰেখাটিৰ অধিপতি বৃহস্পতি।
(৩) তৃতীয় ৰেখাটিৰ অধিপতি মঙ্গল।
(৪) চতুৰ্থ ৰেখাটিৰ অধিপতি সূৰ্য্য।
(৫) পঞ্চম ৰেখাটিৰ অধিপতি শুক্ৰ।
(৬) ষষ্ঠ ৰেখাটিৰ অধিপতি বুধ।
(৭) সপ্তম ৰেখাটিৰ অধিপতি চন্দ্ৰ।

(এইবোৰ ৰেখাৰ দ্বাৰা জাতকৰ আয়ুস নিৰ্ণয় কৰা হয়।)

এতিয়া আমি তিল তত্ত্বৰ বিষয়ে আলোচনা কৰোঁ

যদি শনিৰেখাক স্পৰ্শ নকৰি চুলিৰ ওচৰত কপালৰ সোঁকাষে এটি তিল থাকে আৰু এটি ৰঙা তিল জাতকৰ বুকুত থাকে, তেন্তে এই জাতকে কৃষিকৰ্মত জড়িত থাকি চিৰজীৱন সুখ ভোগ কৰিব। কপালৰ সোফালে বৃহস্পতি ৰেখাৰ কাষত তিল থাকিলে জাতকে দীৰ্ঘ জীৱন লাভ কৰে।

কপালৰ সোঁফালে মঙ্গল ৰেখাৰ ওচৰত তিল থাকিলে আৰু আন এটি তিল জাতকৰ সোঁহাতত থাকিলে জাতকে যুদ্ধত জয়লাভ কৰি

ধন আৰু সন্মান লাভ কৰিব। কিন্তু হাতৰ তিলটো যদি ৰক্তবৰ্ণ হয় তেন্তে এই জাতকে অভিনয়ৰ দ্বাৰা যথেষ্ট টকা উপাৰ্জন কৰিব।

তিৰোতা মানুহৰ এই ধৰণৰ তিল থাকিলে বিবাহিত জীৱন সুখৰ হয়। কপালৰ সোঁফালে সূৰ্য্যৰেখাৰ ওচৰত তিল থাকিলে আৰু আন এটি পিঠিত থাকিলে জাতকে কোনো বিত্তশালী লোকৰ সহায়ত প্ৰচুৰ অৰ্থ উপাৰ্জন কৰিব। তিৰোতাৰ কপালত এই ধৰণৰ তিল থাকিলে উত্তৰাধিকাৰ সূত্ৰে অৰ্থ লাভ কৰে।

কপালৰ সোঁফালে শুক্ৰ ৰেখাৰ ওচৰত তিল থাকিলে আৰু আন এটি তিল যদি পিঠিত থাকে তেন্তে বিবাহৰ দ্বাৰা ধন, সন্মান লাভ হয়। তিৰোতাৰ কপালত এই তিল সৌভাগ্যসূচক।

কপালৰ সোঁফালে বুধৰ ৰেখাৰ ওচৰত তিল থাকিলে আৰু আন এটি তিল যদি জাতকৰ বুকুৰ সোফালে থাকে তেন্তে জাতক উত্তম বুদ্ধিৰ আৰু কঠোৰ শ্ৰমশীল হৈ নিজৰ উদ্ভাৱনী বুদ্ধিৰ দ্বাৰা প্ৰচুৰ ধন ঘটে। তিৰোতাৰ কপালত এই তিল থাকিলে প্ৰতিভাশালিনী হয়।

কপালৰ সোঁফালে চন্দ্ৰ ৰেখাৰ ওচৰত তিল থাকিলে আৰু আন এটি তিল পেটত থাকিলে জাতকে ব্যৱসায়-বাণিজ্যত প্ৰচুৰ ধন ঘটে। তিৰোতাৰ কপালত এই তিন থাকিলে স্বামীৰ সৈতে দীৰ্ঘ ভ্ৰমণ বুজায়।

এইবাৰ কপালৰ বাওঁফালে শনিৰ ৰেখাৰ ওচৰত তিল থাকিলে আৰু আন এটি তিল বাওঁ পিঠিত থাকিলে কাৰাবাস বুজায়। তিৰোতাৰ কপালত এই তিল থাকিলে শাৰীৰিক আৰু মানসিক কষ্ট বুজায়।

কপালৰ বাওঁফালে বৃহস্পতিৰ ওচৰত তিল থাকিলে আৰু আন এটি বাওঁ পেটত থাকিলে জাতক বিলাসী হৈ সৌভাগ্যৰ অপচয় কৰা বুজায়। তিৰোতৰ কপালত এই তিল দম্ভ আৰু অৰ্থৰ অপচয় বুজায়।

কপালৰ বাওঁফালে মঙ্গল ৰেখাৰ ওচৰত তিল থাকিলে আৰু আন এটি তিল যদি বাওঁ বাহুত থাকে তেন্তে জাতক কলহপ্ৰিয়, খিট্-খিটিয়া আৰু নৰহত্যাকাৰীও বুজায়। কিন্তু এই তিল যদি ৰঙা হয় তেন্তে নৰহত্যাৰ অপৰাধত জাতক দণ্ডিত নহৈ শত্ৰুৰ ফালে চাই চাই মাথো হাঁহিব। তিৰোতাৰ কপালত এই তিল থাকিলে সেই নাৰী দন্দুৰী হ'ব।

কপালৰ বাওঁফালে সূৰ্য্যৰেখাৰ ওচৰত তিল থাকিলে আৰু আন এটি তিল যদি বুকুৰ বাওঁফালে থাকে তেন্তে জাতকক উচ্চলোক সকলে ঘৃণাৰ চকুৰে চাব। তিৰোতাৰ কপালত এই তিলে দাৰিদ্ৰ্যতা সূচায়।

কপালৰ বাওফালে শুক্ৰৰেখাৰ ওচৰত তিল থাকিলে আৰু আন এটি যদি বাওঁ কান্ধত থাকে তেন্তে এই জাতক উৎপীড়নকাৰী হ'ব। কান্ধৰ তিলটো যদি ৰক্তবৰ্ণ হয় তেন্তে নিজ কুটুম্বৰ দ্বাৰা আঘাত-প্ৰাপ্ত হ'ব। তিৰোতাৰ কপালত এই তিল থাকিলে ব্যভিচাৰিণী আৰু বেশ্যা হ'ব।

কপালৰ বাওঁফালে বুধৰেখাৰ ওচৰত তিল থাকিলে আৰু আন এটি তিল যদি বাওঁ বুকুত থাকে তেন্তে এই জাতক মোকৰ্দ্দমাত জড়িত হৈ মানুহৰ দ্বাৰা ঘৃণা প্ৰাপ্ত হ'ব। বুকুৰ তিলটো যদি ৰঙা হয় মোকৰ্দ্দমাত জয়লাভ হ'ব। তিৰোতা মানুহৰ এই তিল থাকিলে এই জাতিকা বাক্যপ্ৰিয়া আৰু বহু-পুৰুষগামিনী হয়। গালত তিল থকা দাৰিদ্ৰ্যৰ লক্ষণ।

নাকৰ মাজ ভাগত সোঁফালে তিল থাকিলে সৌভাগ্য আৰু বাওঁফালে থাকিলে দুৰ্ভাগ্য বুজায়। ওঁঠত তিল থাকিলে ৰোগৰ সূচনা কৰে। থুতৰিত তিল থাকিলে বুদ্ধিমানৰ পৰিচয় দিয়ে।

বুকুত তিল থাকিলে সঙ্গীতত পাৰদৰ্শী হয়। লগতে বুদ্ধি আৰু মেধাৰ পৰিচয় দিয়ে। এই জাতক সুখী হয়।

কাণত তিল থাকিলে বুদ্ধিমত্তাৰ পৰিচয় দিয়ে। এইটোৱে প্ৰতিভাও বুজায়। সো-হাতত তিল থাকিলে শুভ আৰু বাওঁহাতত তিল থাকিলে অশুভ।

বুকুৰ সোঁফালৰ তিল সৌভাগ্যসূচক আৰু বাওঁফালৰ তিল দুৰ্ভাগ্যসূচক। সোকান্ধত তিল থাকিলে শুভ আৰু বাওঁকান্ধত থাকিলে অশুভ। পেটত তিল থাকিলে ভোজনপ্ৰিয় বুজায়। ভৰিত তিল চিহ্নই ভ্ৰমণ বুজায়। সো ভৰিত থাকিলে শুভ ভ্ৰমণ আৰু বাওঁ ভৰিত থাকিলে বৃথা ভ্ৰমণ বুজায়। জননেন্দ্ৰিয়ত তিল থাকিলে খুব ইন্দ্ৰিয় পৰায়ণ বুজায। পিঠিৰ সোঁফালে তিল শুভ আৰু বাওঁফালে অশুভ।

কৰতলত থকা তিলে অশুভ সূচনা কৰে। কৰতলৰ পিঠিত তিল থাকিলে দুৰ্ঘটনা ঘটে। তপিনাত তিল থাকিলে উচ্চাকাঙ্ক্ষাৰ পৰিচয় দিযে।

এইবাৰ পুৰুষৰ কপালত থকা ৰেখাফলৰ বিষয়ে আলোচনা কৰা যাওক

কপালত যদি এটিও ৰেখা নেথাকে তেন্তে জাতকৰ চল্লিশ বছৰ পৰমায়ু নিৰ্দেশ কৰে। ছিন্ন-ভিন্ন ৰেখাই অপমৃত্যু বুজায়। এটি ৰেখা থাকিলে কুৰি বছৰ আৰু তিনিটা সৰু চুটি ৰেখা থাকিলে চল্লিশ বছৰ আয়ুস বুজায়।

কপালৰ মাজ ভাগত যদি দুডাল (কপালৰ ইফাল সিফাল জোৰা) দীৰ্ঘৰেখা থাকে তেন্তে জাতকৰ শতায়ু হ'ব।

কপালত দুডাল ডাঙৰ ৰেখা থাকিলে সত্তৰ বছৰ আৰু তিনিডাল ডাঙৰ ৰেখা থাকিলে ষাঠি বছৰ পৰমায়ু বুজায়। যাৰ কপালৰ ৰেখা চুলি পৰ্য্যন্ত বিস্তৃত থাকে তেওঁৰ আশী বছৰ পৰমায়ু হ'ব। যাৰ কপালৰ ৰেখা পৃথক পৃথক অৰ্থাৎ এটিয়ে আনটিক স্পৰ্শ নকৰে তেওঁ লম্পট হয়।

কপালৰ মাজ ভাগত সৰু তিনিডাল বা চাৰিডাল অতন্ন ৰেখা থাকিলে তেওঁ ৰজা বা ৰাজতুল্য পুৰুষ হ'ব।

যি মানুহৰ কপালত পাঁচ ছয় অথবা সাতডাল ৰেখা থাকে তেওঁৰ আয়ুস পঞ্চাশ বছৰ হয়। কপালৰ মাজ ভাগত এটি বৃত্ত চিহ্ন থাকিলে সেইটোৱে ধন হানিৰ সূচনা কৰে। কপালৰ অৰ্দ্ধচন্দ্ৰ ধৰণৰ ৰেখা সৌভাগ্যৰ পৰিচায়ক।

যাৰ কপাল উন্নত, বিশাল, শঙ্খৰ আকৃতিৰ, উচ্চ নীচ বা অৰ্দ্ধ-চন্দ্ৰাকাৰ হয় সেই ব্যক্তি বিভৱশালী হয়।

কপাল শামুকৰ আকৃতি-বিশিষ্ট আৰু বিৰাট হ'লে জাতক ভাল অধ্যাপক হ'ব।

বহুত শিৰাবিশিষ্ট কপলীয়াই পাপকাৰ্য্যত ৰত থাকে। কপালত স্বস্তিক চিহ্ন থাকিলে আৰু শিৰাত সেইটো ব্যাপ্ত হ'লে জাতক প্ৰচুৰ ধনশালী হ'ব।

যাৰ কপাল তাম্ৰবৰ্ণ, উন্নত, ৰেখাহীন তেওঁ সমগ্ৰ পৃথিবী ভ্ৰমণ কৰিব। যাৰ কপালত ত্ৰিশূল চিহ্ন থাকে তেওঁ ধনী হয় আৰু এশ বছৰ জীয়াই থাকে। যাৰ কপাল অৰ্দ্ধ-চন্দ্ৰাকাৰ, অনুচ্চ, দেখিবলৈ সুন্দৰ তেওঁ ৰাজতুল্য অথবা অতি ধনবান লোক হ'ব।

কপালত বজ্ৰ, ত্ৰিশূল আৰু ধনু চিহ্ন থাকিলে তেওঁ সকলোৰে প্ৰভু হয় আৰু নাৰীকুলৰ প্ৰিয় হয়।

নাৰীৰ ললাটৰ ৰেখা ফল

যি নাৰীৰ কপাল শিৰা শূন্য, নোমহীন, অৰ্দ্ধ-চন্দ্ৰাকাৰ, অনিম্ন আৰু তিনি আঙুলি পৰিমাণ বহল হয়, সেই নাৰী স্বামী সেৱাপৰায়ণ, অনুৰাগিনী আৰু সৌভাগ্যৱতী হয়।

কপালত সুস্পষ্ট স্বস্তিক চিহ্ন থাকিলে আৰু লগতে পূৰ্ববৰ্ণিত ৰেখাবোৰ থাকিলে সেই নাৰী বিভৱশালিনী আৰু ৰাজৰাণী হয়।

যি নাৰীৰ ভ্ৰূ দুটি নবোদিত চন্দ্ৰৰ দৰে মনোহৰ আৰু বক্ৰাকৃতি

হয়, কপাল অনুন্নত, নোমহীন আৰু অৰ্দ্ধ-চন্দ্ৰাকাৰ হয় সেই নাৰী গৃহলক্ষ্মী স্বৰূপা হয়।

যি নাৰীৰ কপালত এটি মাত্ৰ দীৰ্ঘৰেখা থাকে, তেওঁক প্ৰলম্বিনী কয়—এই নাৰীৰ দেওৰৰ সোনকালেই মৃত্যু হয়। পেটত বা ভপিনাত এই ৰেখা থাকিলে পতিৰ বিনাশ হয়।

যি নাৰীৰ কপালত ত্ৰিশূল চিহ্ন আছে, সেই নাৰীয়ে হেজাৰ হেজাৰ নাৰীৰ ওপৰত প্ৰভুত্ব লাভ কৰিব।

যি নাৰীৰ কপালত মাত্ৰ এটি ৰেখা আৰু লগতে স্বস্তিক চিহ্ন থাকে সেই নাৰী শুভফলদায়িনী।

সৰু এডাল ভগ্নৰেখা আৰু সেইডালতো কোনো ৰেখাই কাটি কপালত পূৰণ চিহ্ন অঙ্কিত কৰিলে, সেই নাৰী মহা দন্দুৰী হ'ব।

যি নাৰীৰ কপাল আৰু পেট—এই দুই অংশই দীঘলীয়া হয়, সেই নাৰীৰ শহুৰেক, স্বামী আৰু দেওৰ—তিনিজনৰেই মৃত্যু হব।

ষষ্ঠত্ৰিংশ অধ্যায়

কৰতলৰ বিবিধ দুৰ্লভ চিহ্ন

চিত্ৰ নং—৩৪৩

(১) যাৰ কৰতলত পদ্ম বা পদ্মপাত চিহ্ন থাকে সেই জাতক দৰিদ্ৰৰ ঘৰত জন্মিলেও ৰজাৰ দৰে ধনী হয়। এওঁলোক সুখী, মানী আৰু জননেতা হয়।

(২) কৰতলত ছাতি চিহ্ন থাকিলে ৰাজপদ লাভ।

(৩) শংখ চিহ্নত সম্পত্তি লাভ।

(৪) খৰম চিহ্নত জ্ঞানী, যোগী, সাধক আৰু অলৌকিক শক্তিমান হয়।

(৫) দা বা বঠি চিহ্নত সাহসী আৰু সুখী হয়।

(৬) যোনি চিহ্ন থাকিলে সম্ভোগকাৰী হয়।

(৭) কাঁড়, ৰথ আৰু খস্তি চিহ্ন থাকিলে বিৰাট ভূ-সম্পত্তিৰ মালিক হয়।

(৮) নিচান, চক্র, প্যাগোদা আৰু স্বস্তিক চিহ্ন থাকিলে সকলো শাস্ত্র আৰু বিদ্যাত পাৰ্গত হয়। ইয়াৰ যি কোনো দুটি বা তিনিটি থাকিলে ৰাজপদ পায়। এই মানুহ দয়ালু আৰু ধাৰ্মিক হয়।

(৯) ভাগ্যৰেখাৰ শেষত ত্ৰিশূল চিহ্ন থাকিলে জাতক পণ্ডিত, দাৰ্শনিক, ধাৰ্মিক আৰু সাধক হৈ জীৱনত প্ৰতিষ্ঠা লাভ কৰে।

(১) কৰতলত তুলাদণ্ড থাকিলে, বিচাৰশক্তি নিৰ্ভুল হয়। ইয়াৰ দ্বাৰা যশস্যা আৰু অৰ্থ উপাৰ্জন কৰিবলৈ সক্ষম হয়।

(১১) যাৰ হাতত সূৰ্য্য অথবা চক্র চিহ্ন অঙ্কিত থাকে সেই জাতক বিৰাট ধনী, মানী আৰু গুণী হয়।

(১২) কৰতলৰ মণিবন্ধত যি মানুহৰ মাছৰ নেজ থাকে সেই মানুহ বিদ্বান আৰু সুখী হয়। এই জাতক বৰ ধাৰ্মিকো হয়।

(১৩) কৰতলত হাতী চিহ্ন থাকিলে জাতক কোটিপতি হয়।

(১৪) কৰতলত ধনু, চকু অথবা মাছ চিহ্ন থাকিলে জাতক ধনবান, ঐশ্বৰ্য্যবান আৰু সুখী হয়।

(১৫) অঙ্কুশ চিহ্ন থাকিলে সুনাম আৰু অৰ্থবৃদ্ধি হয়।

(১৬) ঘট বা কলহ চিহ্ন থাকিলে প্ৰচুৰ অৰ্থ সঞ্চয় কৰিব পাৰে।

(১৭) পতাকা চিহ্ন থাকিলে, ধনী আৰু জননেতা হয়।

(১৮) যাৰ হাতত খড়গ চিহ্ন আছে, তেওঁ বিৰাট ধনী-মানী ব্যক্তি হয়।

(১৯) কৰতলত বিচনী থাকিলে বিৰাট ধনী হয়।

(২০) তৰোৱাল চিহ্ন থাকিলে সেনাপতি হয়।

পদতলত বিবিধ দুৰ্লভ চিহ্ন

পুৰুষৰ যাৰ বাওঁ ভৰিত অৰ্ধচন্দ্ৰ, কলম, ত্ৰিকোণ, ধনু, শূল, মাছ আৰু শঙ্খ চিহ্ন থাকে আৰু সোঁভৰিত অষ্টকোণ, স্বস্তিক, চক্ৰ, ছাতি, দ্বীপ, অঙ্কুশ, উৰ্ধৰেখা আৰু পদ্ম থাকে তেওঁ অশেষ সৌভাগ্য-শালী আৰু লক্ষ্মীযুক্ত হয়। এই চিহ্নবোৰৰ দুই-এটা থাকিলেও জাতক সৌভাগ্যবান হব। (চিত্ৰ নং—৩৪৪)

চিত্ৰ ন —৩৪৪ (পুৰুষৰ)

যাৰ পদতল কোমল, পদ্মৰ দৰে দেখিবলৈ সুন্দৰ, আঙুলিবোৰ মিলিত আৰু দেখিবলৈ সুন্দৰ, নখ তাম বৰণৰ, ভৰি শিৰাবিহীন, ভৰিৰ পিঠি কাছৰ দৰে উন্নত আৰু গেকৰাৰ হাড ওলোৱা নহলে, সেই ব্যক্তি ৰজা বা ৰাজতুল্য হয়।

যাৰ তলুৱাত বুঢ়া আঙুলিৰপৰা তলুৱা পৰ্য্যন্ত দীৰ্ঘৰেখা থাকে তেও সৌভাগ্যবান।

যাৰ ভৰি দুখন ডলাৰ দৰে চেপেটা, বৃহৎ, কুৰূপ, নখবোৰ চেপেটা, দেখাত কঠোৰ আৰু আঙুলিবোৰৰ মাজৰ ব্যৱধান বৰ বেঁছি তেওঁ দুৰ্ভগীয়া আৰু দৰিদ্ৰ হয়।

নাৰীৰ পদচিহ্ন যি নাৰীৰ ভৰিৰ তলুৱাত পদ্ম আৰু বজ্ৰৰ চিহ্ন থাকে সেই নাৰী দৰিদ্ৰৰ ঘৰত জন্মিলেও ৰাণীৰ তুল্য অৱস্থা প্ৰাপ্ত হয়। যি নাৰীৰ ভৰি দুখন সুগোল, চাকচিক্যময়, সুন্দৰ, উন্নত, তামবৰণৰ নখবিশিষ্ট আৰু তলুৱাত পদ্ম, চক্ৰ, মাছ আৰু নাঙল

চিত্ৰ ন —৩৪৫ (তিৰোতাৰ)

চিহ্ন থাকে সেই নাৰী শুভদায়িনী, লক্ষ্মীস্বৰূপা। যি নাৰীৰ নখ তাম বৰণৰ, আৰু তলুৱাৰ ৰেখাবোৰো তাম বৰণৰ, তেওঁ পুত্ৰ-পৌত্ৰসহ, দীৰ্ঘজীৱন লাভ কৰে। (চিত্ৰ নং—৩৪৫)

নাৰীৰ ভৰিৰ তলুৱাত যদি কোনো চিহ্ন নেথাকে আৰু খেলি মেলি কটাকটি ৰেখা থাকে, আৰু ভৰি দুখন বৰ ৰুক্ষ হয় তেন্তে সেই নাৰী দুৰ্ভগিয়ানী তথা দুখীয়া হয়।

সপ্তত্ৰিংশ অধ্যায়

সাক্ষাত প্ৰসঙ্গ

(চেণ্ট জাৰ মেইনৰ মতে)

প্ৰথমেই আপোনাৰ সন্মুখৰ মানুহজনৰ বুঢ়া আঙুলিটোলৈ খুব ভালকৈ, শুদ্ধভাৱে এবাৰ লক্ষ্য কৰক। যদি দেখে যে, আঙুলিটোৰ প্ৰথম পৰ্বটো বৰ দীঘলীয়া, তেন্তে লগে লগে বুজি লওক যে, এই মানুহজন এজন উদ্ধত স্বভাৱৰ অনিয়ন্ত্ৰিত আৰু প্ৰভুত্বকামী মানুহ। গতিকে আপুনি নিজে সৰু হৈ প্ৰত্যেক কথাত তেওঁক যিমান পাৰে সিমান তোষামোদ কৰিবলৈ ধৰক। দেখিব, মানুহজনে আপোনাক আশাপ্ৰদ সহাৰি দিছে।

আৰু যদি দেখে, আঙুলিটোৰ এই পৰ্বটি মধ্যমীয়া আকৃতিৰহে তেন্তে বুজিব যে আপোনাৰ সন্মুখৰ মানুহজন এজন নিশ্চেষ্ট আৰু নিষ্ক্ৰিয় প্ৰকৃতিৰ মানুহহে। গতিকে এইবাৰ আপুনি ক্ষিপ্ৰতাৰে তেওঁৰ আন আন আঙুলিবোৰতো এবাৰ চকু ফুৰাই বুজি লওক, তেওঁৰ দুৰ্বলতা ক'ত আছে।

যদি দেখে যে, বুঢ়া আঙুলিটোৰেই এই পৰ্বটো একেবাৰে চুটি তেনেহলে বুজিব লাগিব যে, মানুহজনে কোনো বিষয়তেই গুৰি ধৰিব নোখোজে। অথবা কোনো বিষয়ত আগ্ৰহ নেদেখুৱাব, তেওঁৰ ইচ্ছাশক্তিৰ অভাৱৰ বাবে। এওঁ সদায় কোনো সিদ্ধান্তত আহিব নোৱাৰা বিধৰ মানুহ হ'ব। কোনো নিৰ্দিষ্ট সিদ্ধান্তত এওঁক উপনীত কৰোৱাত ভীষণ অসুবিধা পাব। এইবাৰে আপুনিয়েই প্ৰথম অত্যন্ত উৎসাহী হৈ তেওঁক টানি আজুৰি আনি কোনো সিদ্ধান্তত উপনীত কৰাবলৈ চেষ্টা কৰিব। প্ৰয়োজন হলে অলপ গৰম হৈয়ো দেখুৱাব।

দেখিব, আপুনি এওঁৰ মনৰ দুৰ্গৰ দুৱাৰ লাহে লাহে খুলি পেলাইছে আৰু অৱশেহত তেনেই খোল খাই গৈছে। আকৌ যদি দেখে যে, আঙুলিৰ এই প্ৰথম পৰ্বটি চুটি হ'লেও বহল-তেন্তে অলপ বুদ্ধিৰে চেষ্টা কৰিলেই আপুনি সফল হ'ব। আৰু যদি দেখে যে, আঙুলিৰ পৰ্বটি বৰ বহল তেন্তে মানুহজন মূৰ্খ, জেদী তথা অকৰা।

যদি এইটোৱেই হয় তেন্তে তেওক জয় কৰোঁতে আপোনাৰ অলপ কষ্ট হ'ব। কিন্তু আপুনি যদি আপোনাৰ কথা আৰু সিদ্ধান্ত তেওঁৰেই কথা আৰু সিদ্ধান্তৰ দৰে তেওঁৰ আগত ব্যাখ্যা কৰিব পাৰে তেন্তে দেখিব যে মানুহজনক আপুনি জয় কৰি পেলাইছে।

আৰু যদি এই পৰ্বটি বহল আৰু বাটলুগুটিৰ দৰে ঘূৰণীয়া হয় তেন্তে বুজিব যে, তেওঁ এজন আক্ৰমণশীল আৰু অজেয়, মূৰ্খ, জেদী।

গতিকে এই মানুহজনৰ সন্মুখত আপুনি বৰ ধৈৰ্য্যশীল হ'ব লাগিব। তেওঁৰ যিমান খং আছে, তেওৰ মুখেৰে বাহিৰ হৈ যাব দিয়ক। দেখিব যে, তেও লাহে লাহে ঠাণ্ডা হৈ আহি আকৌ পূৰ্বৰ কথাটিলৈ ঘূৰি আহিছে। এইবাৰ আপুনি জোৰ দি ধৰক। দেখিব আপোনাকেই জয় হৈছে। কাৰণ মনত ৰাখিব যাৰ বুঢ়া আঙুলি চুটি, শেহত গৈ তেও মূৰ দোঁৱাবই।

আৰু যদি আপোনাৰ সন্মুখৰ মানুহজনে তেওঁৰ হাতখন খোলাৰ লগে লগে দেখে যে তেওৰ বুঢ়া আঙুলিটোৱে পিচৰ ফালে ভাঁজ খাইছে তেন্তে বুজিব, এইজন এজন উদাৰ মনৰ দানশীল পুৰুষ। গতিকে এইবাৰ আপোনাৰ এটি দুখৰ কাহিনী এওঁক শুনাওক। এনেকি পাৰিলে কান্দোনৰ সুৰ আৰু ভাও ধৰিয়েই কাহিনীটো শেষ কৰক। দেখিব আপুনি মানুহজনৰ একেবাৰে অন্তৰত সোমাই পৰিছে।

আৰু যদি দেখে যে, আপোনাৰ সন্মুখৰ মানুহজনে তেওঁৰ হাত খুলিলেই তেওঁৰ বুঢ়া আঙুলিটো বৰ বেছিকৈ পিচৰ ফালে ভাঁজ খাই যায় তেন্তে বুজিব যে এই মানুহজন এজন বৰ মূৰ্খ, খৰচী লোক।

এওঁ যেনেকৈ প্রকৃত কাৰণ নথকাতো এনেয়ে টকা বিলায় ঠিক তেনেকৈয়ে নিজৰ প্রভাৱো যাৰে তাৰে ওপৰত অকাৰণতে বিলাব খোজে। গতিকে আপুনি ধৈর্য্য ধৰি তেওঁৰ প্রভাৱ মানি লওক। আৰু তাৰ পিচত আপোনাক যিমান ধন লাগে তাতকৈ অলপ বেছি খোজক। দেখিব আপোনাক টকা দিয়াৰ কোনো কাৰণ নেথাকিলেও আপোনাক হতাশ নকৰে।

এতিয়া আমি বুঢ়া আঙুলিটোৰ দ্বিতীয় পৰ্বটোলৈ আহোঁ। যদি এই পৰ্বটো দীঘল আৰু শকত হয় তেন্তে বুজিব যে আপোনাৰ সন্মুখত বহি থকা মানুহজন যুক্তিবাদী আৰু সাধাৰণ জ্ঞান থকা মানুহ। গতিকে আপুনি এওঁৰ সন্মুখত কথা কওতে একেবাৰে পৰিষ্কাৰভাৱে ক'ব। কাৰণ, অলপ ইফাল-সিফাল কৰিলেই যুক্তি-বাদীৰ যুক্তিত বাধা পৰিব পাৰে। আৰু বাধা পৰিলেই তেওঁৰ খং উঠিব। গতিকে কোনো যুক্তিৰ কথা নুলিয়াই সকলো কথা পোনভাৱে আৰু পৰিষ্কাৰভাৱে ক'ব। দেখিব, এওকো আপুনি জয় কৰিব পাৰিছে।

আৰু যদি বুঢ়া আঙুলিটোৰ দ্বিতীয় পৰ্বটি চুটি আৰু পাতল হয় (আৰু প্রথম পৰ্বটি দীঘলীয়া হয়) তেন্তে বুজিব যে এওঁৰ ইচ্ছশক্তি কোনো যুক্তি তৰ্কৰ ওচৰ নচপাকৈয়ে সদায় অন্ধভাৱেই পথ লয়। গতিকে আপুনি ইচ্ছা কৰিলে এওঁৰ ওচৰৰপৰা কোনো যুক্তিহীন, অবাস্তৱ আৰু অসম্ভৱ বিষয়তো এওৰ পূৰ্ণ সমৰ্থন লৈ যাব পাৰে।

অন্যান্য আঙুলি

আপোনাৰ সন্মুখত বহি থকা মানুহজনৰ আঙুলিবোৰ পাতল আৰু দীঘল আৰু জোৰাবোৰত গাঁঠি নাইকিয়া, পোন আৰু আঙুলিৰ মূৰবোৰ জোঙা তেন্তে বুজিব যে এই মানুহজন অলপ বেছি ধৰ্মবিশ্বাসী, এও অতীন্দ্রিয়ৰ বিষয়ে বিশ্বাস কৰে। তদুপৰি গুপ্তবিদ্যা আদিও এওঁৰ অতি প্রিয়। গতিকে আপুনি এই মানুহজনে

অধ্যয়ন কৰা সকলো বিষয়তে আপোনাৰ সমৰ্থন আৰু সহানুভূতি দেখুৱাওক। পাৰিলে সেই বিষয়ত অলপ খুহুটীয়া কথা কৈ হঁহুৱাববো চেষ্টা কৰক। আপোনাৰ উদ্দেশ্য পূৰণ হ'ব। আকৌ যদি দেখে যে আঙুলিকেইটিৰ মূৰ বৰ বেছি জোঙাল তেন্তে বুজিব যে এই মানুহজনৰ মিছা কথা কোৱাৰো অভ্যাস আছে। আৰু এওঁ আপোনাৰ প্ৰতি ধাৰাবাহিক সদয় ভাব দেখুৱাই আপোনাক প্ৰতাৰণা কৰাৰো সম্ভাৱনা আছে। গতিকে আপুনিও তেওঁৰ বিষয়টোকেই আৰু অলপ বেছিকৈ তুলি ধৰি খুব শান্ত আৰু নম্ৰ হৈ পাৰিলে অলপ তোষামোদকাৰীৰ দৰে হৈ কাম আদায় কৰক।

আকৌ যদি দেখে যে আপোনাৰ সন্মুখত বহি থকা মানুহজনৰ আঙুলিবোৰ চুটি চুটি আৰু নখবোৰ দাঁতেৰে কামুৰি চুটি কৰা (অথবা কথা কওঁতে নখবোৰ দাঁতেৰে কামুৰি থাকে) তেন্তে বুজিব যে এই মানুহজন বৰ অসন্তোষীয়া আৰু উদ্যমহীন। বুজিব যে এওঁ অতি তুচ্ছ এটি কথাকো সমালোচনা কৰি কৰি বহু সময় নষ্ট কাৰব। এওঁৰ মতে এও নিজে কৰা কামৰ বাহিৰে আনে যিবোৰ কৰিছে সেই সকলোবোৰ ভুল আৰু বেয়া। এওৰ খং তোলা অতি সহজ আৰু ক্ষুদ্ৰ কথাতে খং উঠে। গতিকে আপুনি এই মানুহজনৰ সৈতে বেছি জোৰে যুযুজিব। যিমান পাৰে তেওকেই কোৱাৰ সুযোগ দিয়ক। তেওঁৰ কথাত আপুনি পতিয়ন যোৱাৰ ভাব দেখুৱাওক। আৰু নম্ৰতাৰে বুজাই কওক যে তেওঁৰ অবিৰাম চিন্তাধাৰাই অন্যান্য মানুহৰ মনলৈ নিশ্চয় আশা আনিব।

আৰু যদি মানুহজনৰ আঙুলিৰ মূৰকেইটি চাৰিচুকীয়া হয় তেন্তে বুজিব যে আপুনি এজন সত্যবাদী আৰু বুধিয়ক মানুহৰ সন্মুখত বহিছে। গতিকে আপোনাৰ সকলো কথা নম্ৰতাৰে চুটিকৈ পৰিষ্কাৰভাৱে আৰু সৰলভাৱে এওঁৰ সন্মুখত ব্যাখ্যা কৰক।

এই চাৰিচুকীয়া আঙুলিৰ মূৰ থকা লোকে ন্যায্যভাৱে যুক্তি ভাল পায় আৰু যুঁজাৰ আগ্ৰহ থাকে। গতিকে এওঁৰ সন্মুখত আপুনি

যি বিষয় উদ্‌যাপন কৰিব এই বিষয়টিৰ এটি বাস্তৱিক ভিত্তি আৰু ন্যায্যতা থাকিব লাগিব। আৰু সেই বিষয়টিয়ে কোনো ভাল আৰু ভদ্ৰ মানুহক আঘাত কৰা বিধৰ হ'ব নেলাগিব। এই 'চাৰিচুকীয়া আঙুলিৰ মূৰ' থকা লোকসকল সদায় যুক্তিবাদী আৰু আনক আদেশ দিব পৰাৰ শক্তি থকা লোক হয়।

আৰু যদি দেখে যে মানুহজনৰ আঙুলিৰ আগবোৰ চেপেটা আৰু মূৰৰ ফালে অলপ বহল তেন্তে বুজিব যে আপুনি অতি-পাত স্বাধীনচিতীয়া, স্বাধীনতাপ্ৰিয় মানুহ এজনৰ সন্মুখত ৰহিছে।

গতিকে এওঁৰ সৈতে আলোচনা কৰোঁতে আপুনিও এজন এওৰ দৰেই দৃঢ় সমাজ সংস্কাৰক আৰু বৰ্তমানৰ সমাজধনৰ যে কোনো স্বাধীনতা নাই এনে ধৰণে সমাজৰ মুখীযালসকলক গালি শপনি দি আপোনাৰ ব্যক্তব্য আৰম্ভ কৰক। দেখিব, আপুনি ধুনীয়া সহাঁৰি পাব। মনত ৰাখিব যে, এই আঙুলিৰ লোকসকল অতি খেল-ধেমালিপ্ৰিয়, ভ্ৰমণপ্ৰিয় আৰু অক্লান্ত কৰ্মী। গতিকে আপুনি এওক বিনা দ্বিধাই এওঁৰ সন্মুখত এইবোৰ কথা আলোচনা কৰিব পাৰে। এনেকি এইবোৰ বিষয়ত আপুনিও যে অতি আগ্ৰহী সেই কথা তেওক বুজাই আপোনাৰ স্বাৰ্থ সিদ্ধি কৰিব পাৰে।

আৰু যদি এই আঙুলিৰ মূৰবোৰ অতিপাত চেপেটা আৰু বহল হয় তেন্তে আপুনি উপৰোক্ত বিষযবোৰৰ ওপৰিও এই জাতকক 'এখন সাম্যবাদী সমাজ'ৰ দৃঢ় সমৰ্থক বুলি বুজি লব। গতিকে এই বিষয়েও এওঁৰ সৈতে আপুনি খোলাখুলি আলোচনা কৰিব পাৰে।

আৰু যদি দেখে যে এই মানুহজনৰ অকল শনিৰ আঙুলিৰ মূৰটিহে চেপেটা আৰু বহল তেন্তে বুজিব যে এওঁ এজন বৰ হতাশাবাদী অসুস্থ চিন্তাৰ মানুহ। গতিকে আপুনিও অশেষ দুখ কষ্টৰ সন্মুখীন হৈ কেনেকৈ যুজি যুজি ক'ত অভাৱনীয় অভিজ্ঞতা লাভ কৰি জীৱনক আগুৱাই আনিছে এই কথাবোৰকে খুব নম্ৰ সুৰত

ব্যাখ্যা কৰক। দেখিব, মানুহজনৰ অন্তৰত আপুনি তুৰন্তে সোমাই পৰিছে।

আৰু যদি দেখে যে আপোনাৰ সন্মুখত বহি থকা মানুহজনৰ প্ৰত্যেকটি আঙুলিৰ প্ৰথম জোৰাটি (ওপৰৰ জোৰাটি) বৰ গাঁঠিয়া তেন্তে বুজিব যে এও এজন দাৰ্শনিক মনোভাৱৰ মানুহ। গতিকে অকণো সংকোচ নকৰাকৈ এওক আপুনি অবোধগম্য, জটিল আৰু সকলো দুৰ্বোধ্য বিষযবোৰৰ কথা সুধি যাওক। দেখিব, এওঁ আপোনাক ভালকৈ ওচৰত বহুৱাই ধৈৰ্ণীয়েকক চাহৰ যোগাৰ কৰিব কৈছে।

আৰু যদি দেখে যে আপোনাৰ সন্মুখত বহা মানুহজনৰ দ্বিতীয় আৰু তৃতীয় জোৰা দুটা বৰ গাঁঠিয়া তেন্তে বুজিব যে, আপুনি এনে এজন মানুহৰ সন্মুখত বহিছে, যিজনে যি কোনো ব্যবসায় বুদ্ধিৰ বিস্তাৰিত জ্ঞান নিজৰ আঙুলিৰ মূৰত ৰাখিছে। গতিকে এতিয়া আপুনিও দেখুৱাব লাগিব যে আপুনিও এজন জন্মৰেই বনিয়া। আৰু কোন ব্যৱসাযত কি পন্থা অৱস্থান কৰিব লাগিব, কোনবোৰ ব্যবসায় বৰ্তমান লাভজনক এইবোৰৰ শ্ৰেণীবিভাগ কৰি দেখুওৱাৰ আপুনি চেষ্টা কৰক। দেখিব এও আপোনাক আপোনাৰ সকলো কথাত সহাৰি দি আপোনাৰ ভুল হ'লে তেওঁৰ নিজৰ অভিজ্ঞতাৰে আপোনাক শুধৰাই দি সহায় কৰি যাব। মনত ৰাখিব, এই ধৰণৰ মানুহবোৰে তেওলোকৰ পোছাক পৰিচ্ছদৰ প্ৰতি আৰু সকলো কামৰ খুটিনাটি আৰু নিয়ম নীতিবোৰ নিয়মিতভাৱে মানি চলে। গতিকে, আপুনিও যে আপোনাৰ সাজপাৰৰ প্ৰতি অত্যন্ত সাৱধানতা মানি চলে আৰু এজন আদৰ্শৱাদী চাকৰিয়ালৰ দৰে সময়ৰ অকণো অপব্যৱহাৰ নকৰি নিযম নীতি মানি চলে—সেইটো দেখুৱাব পাৰিলে এওঁৰ সন্মুখত বিজ্ঞৰ পৰিচয় দিয়া হ'ব।

আৰু যদি আপোনাৰ সন্মুখত বহি থকা মানুহজনৰ আঙুলিবোৰ বৰ দীঘল হয় তেন্তে এই মানুহজনে সকলো বিষয়তে খুটিনাটি

বিচাৰিব। এনেকি আপোনাৰ মূৰৰ পৰা ভৰিব আঙুলিলৈকে পৰ্য্যবেক্ষণ কৰি আপোনাৰ মুখত, চেহেৰাত আৰু পোছাকত যদি সামান্যও দোষ থাকে সকলো লিখি লব। গতিকে এওঁৰ সন্মুখত আপুনি এনেভাবে আগবাঢিব যাতে তেওঁ হৃদয়ঙ্গম কৰিব পাৰে যে তেওঁ যিটো বস্তু ভাল পায় আপুনিও ঠিক সেইটো বস্তুকেই অথবা বিষয়কে ভাল পায়। আৰু আপোনাৰ কোনো দোষ ত্রুটি তেওঁৰ চকুত যাতে ধৰা নপৰে সেইবাবে আপুনি সাৱধান হ'ব লাগিব। এওৰ পৰীক্ষাত উত্তীর্ণ হ'লেহে আপুনি এওঁৰ অন্তৰত সোমাই কাম আদায় কৰিব পাৰিব।

আৰু যদি দেখে যে এই মানুহজনৰ হাতৰ আঙ লিবোৰ তেনেই চুটি চুটি তেন্তে বুজিব যে এওঁ বিস্তাৰিত খুটিনাটি অকণো ভাল নোপোৱা ধৰণৰ মানুহ। বিশেষকৈ চৰকাৰী নিয়ম কানুনত ধৰা-বন্ধা ব্যৱসায এওঁ অকণো পচন্দ নকৰে। গতিকে, এওঁৰ ওচৰলৈ আগৱাঢোতে আপুনি আপোনাৰ পোছাক-পৰিচ্ছদৰ প্রতি অকণো মনোযোগ দিযাৰ প্রযোজন নাই। বৰঞ্চ আপুনি লেকেতিয়াই নেথাকি ঘপহ কৰে আপোনাক কি লাগে কৈ দিয়ক। বিস্তাৰিত বর্ণনা দিব গলেই এও আপোনাৰ প্রতি বিৰক্ত হৈ উঠিব। আৰু যদি এওৰ আঙুলিবোৰৰ জোৰাত গাঁঠি নেথাকে একেবাৰে চিল চিলিয়া হয় তেন্তে এওঁ সহজতে সৈমান হোৱা বিধৰ আৰু আপোনাৰ অৰ্দ্ধ প্রকাশিত মতামত তুৰন্তে বুজিবলৈ ক্ষমতা থকা বিধৰ লোক বুলি বুজি ল'ব। গতিকে এটা কথাকেই বাৰে বাৰে থৰকৈ এওঁক কৈ থাকক, দেখিব যে আপনাৰ মনৰ কথা বুজি লৈ এও মাজতে আপোনাক বাধা দি নিজৰ মনৰ আচল কথাটি ঘপহ কৰে আপোনাক সেই মুহূর্ত্ত কৈ দিব।

আৰু যদি দেখে যে মানুহজনৰ আঙুলিবোৰৰ গুৰিবোৰ শকত আৰু ভিতৰফালে প্রকৃত কৰত লাগি থকা তেন্তে বুজিব যে এওঁ বৰ স্বার্থপৰায়ণ, ভোগ লালসাত মত্ত হৈ সুখ, শান্তি আৰু আনন্দত

থাকিব বিচৰা লোক। গতিকে আপুনি প্ৰথমে আৰম্ভ কৰক, পূৰ্বে আপুনি কি কি ধৰণৰ সুখত কটাইছিল এতিয়া কিমান সুখত দিন কটাইছে আৰু ভবিষ্যতে কি ধৰণৰ সুখত দিন কটোৱাৰ কথা চিন্তা কৰিছে। সেইবোৰ কথা এওঁক ধাৰাহিক কৈ যাওঁক। পাৰিলে মাজে মাজে খুব দামী চিগাৰেট এটি 'অফাৰ' কৰি যাওক। পাৰিলে আপোনাৰ ঘৰলৈ এদিন ভুৰি- ভাজনৰ বাবে নিমন্ত্ৰণ জনাওক অৰ্থাৎ আপুনিও যে সুখ আৰামত থাকিবলৈ কিমান ভাল পায় আৰু সেই সুখৰ ভোগী অংশীদাৰ, আপুনি যে তেওঁকো কৰিবলৈ বিচাৰিছে, সেই কথা আপোনাৰ ব্যৱহাৰ আৰু কথা-বাৰ্তাৰ জৰীয়তেই প্ৰকাশ কৰি যাওঁক। দেখিব তেওঁ আপোনাক একেবাৰে আপোনজন জ্ঞান কৰি তেওঁৰ ঘৰতে খাই-লৈ উঠিবলৈকে হে আপোনাক জোৰ দি ধৰিব।

আৰু যদি দেখে যে মানুহজনৰ তৃতীয় আঙুলিটো মিহি আৰু আঙুলিৰ মূৰটো চেপেটা আৰু বহল তেন্তে বুজিব যে মানুহজন ধুনীয়া ধুনীয়া বস্তু আৰু শিল্পৰ প্ৰতি বৰ অনুৰাগ। অকণো দ্বিধাবোধ নকৰি চিত্ৰবিদ্যা, স্থপতিবিদ্যা অথবা সাহিত্য সম্পৰ্কে কথা আৰম্ভ কৰক। দেখিব আপোনাৰ দুই-এটি কথাৰ পিচত এই কেইটাৰ ভিতৰত যিটো তেওঁৰ প্ৰিয় সেই সম্পৰ্কে ক'বলৈ তেওঁ আৰম্ভ কৰিব। আকৌ যদি দেখে যে আঙুলিটো প্ৰায় মধ্যমা আঙুলিৰ সমানেই দীঘল তেন্তে বুজিব যে মানুহজন ভীষণ জুৱাৰী প্ৰকৃতিৰো। গতিকে এওক বিপদসঙ্কুল কিন্তু অতি লাভবান ব্যৱসায়ৰ সম্পৰ্কে কওক। কওক কোনো ভয়লগা ঠাইৰ ভিতৰেদি কোনো মূল্যবান বস্তুৰ অনুসন্ধানৰ বাবে আপোনালোকৰ দলটিৰ নেতৃত্ব লবলৈ। কওক, সেই ধৰণৰ কোনো ভয়ঙ্কৰ ঠাইৰ মাজত আন কিছুমানে অভিযান চলাই সোণৰ খনি বিচাৰি উলিয়াই কোটিপতি হৈছে। দেখিব, এই মানুহজনেও (এওঁ কাম কৰাৰ আগতে কেতিয়াও পৰিণাম বিচাৰ নকৰে) আপোনাৰ কথাত সহাৰি দি তেওঁৰ এনেকুৱা দায়িত্ব লবলৈ

অথবা, তেওঁৰ সমস্ত ধন এনেকুৱা দুঃসাহসমূলক কামত খটুৱাবলৈ আনন্দেৰে আগবাঢ়ি আহিব। এনে মানুহে প্ৰায়েই ফটকাবজাৰৰ অংশ কিনে।

কথাই কথাই দেখিব তেওৰ হাতখন খোল খাইছে আৰু যেতিয়া দেখিব যে তেওৰ শুক্ৰৰ ক্ষেত্ৰও বেছ সুগঠিত আৰু উচ্চ তেন্তে বুজিব যে এওঁ বৰ দয়ালু প্ৰকৃতিৰ আৰু বন্ধু বান্ধৱক সহায় কৰিবলৈ অত্যন্ত ইচ্ছুক। গতিকে এওৰপৰা যদি কিবা আশা কৰে তেন্তে সেই মুহূৰ্তে বিনা দ্বিধাই খোজক। আপোনাক তেওঁ কেতিয়াও হতাশ নকৰে। আৰু যদি আপুনি তেওঁৰ সৈতে হেণ্ডচেক কৰি দেখে যে তেওঁৰ হাতখন টান তেন্তে বুজিব যে, তেওঁ কথাই কামে মিল থকা মানুহ। আৰু যদি দেখে যে, হাতখন অলপ গৰম তেন্তে বুজিব যে এও গৰমে গৰমেই কাম কৰা মানুহ।

আকৌ যদি দেখে যে, আপুনি কোনো বস্তু বিচাৰি এনে এজন মানুহৰ ওচৰলৈ গৈছে যিজনৰ আঙুলিবোৰৰ গঢন অতি বেয়া বেঁকা-বেঁকি, পাকখোৱা ধৰণৰ আৰু নখবোৰ বৰ চুটি লগতে, বুঢ়া আঙুলিটো ঠিক ভীমৰ গদাৰ দৰে মূৰ গধুৰ তেন্তে এই ভয়ানক মানুহজনৰ ওচৰ-পৰা আপুনি যিমান সোনকালে আতৰি আহিব পাৰে, সিমানেই আপোনাৰ পক্ষে মঙ্গলজনক বুলি বুজি লব।

দেখিব, এই কিতাপখন আপুনি যিমানবাৰ পঢ়িব সিমান বাৰেই নতুন নতুন জ্ঞান, নতুন নতুন ভাৱে আহৰণ কৰি এখন নতুন ৰহস্য-পূৰ্ণ সংসাৰৰ মাজলৈ আগবাঢ়ি গৈছে। অৱশেষত যিবোৰে আপোনাক এই ৰহস্যপূৰ্ণ, ৰহস্যময় সংসাৰখনত বুজাত সহায় কৰি আপোনাক ক'তো উজুতি নোখোৱাকৈ আগবাঢ়ি যোৱাত যথেষ্ট সহায় কৰিছে।